# সূত্ৰধাৰ

১৬-২৯ ফেব্ৰুৱাৰী, ১৯৯২ □ সাত টকা



## অপাৰেশ্যন ৰাইনোৰ নায়ক

লেফ্‌টেনেন্ট জেনেৰেল অজয় সিঙৰ লগত এটি আছুতীয়া সাক্ষাৎকাৰ

কিশোৰ কলিতা পাঠশালা

# সূত্ৰধাৰ

সূত্ৰধাৰ
চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যা
১৬–২৯ ফেব্ৰুৱাৰী, ১৯৯২
Vol. IV, NO. 4
16—29 February, 1992

## বিষয়-সূচী

সাক্ষাৎকাৰ

**লেফ্‌টেনেন্ট জেনেৰেল অজয় সিং □ ৭**

অসমত আল্‌ফাৰ কাৰ্য-কলাপ নিয়ন্ত্ৰণৰ বাবে চলোৱা 'অপাৰেশ্যন ৰাইনো'ৰ অধিনায়ক আছিল সৈন্যবাহিনীৰ ফ'ৰ ক'ৰৰ কমাণ্ডাৰ লেফ্‌টেনেন্ট জেনেৰেল অজয় সিং। তেওঁক এইবছৰ গণৰাজ্য দিবসত সৈন্যবাহিনীৰ সন্মানীয় উপাধি 'পৰম বিশিষ্ট সেৱা মেডেল' আগবঢ়োৱা হৈছে। অজয় সিঙৰ আল্‌ফা সম্পৰ্কে ধাৰণা কি? আল্‌ফা আলোচনাৰ মেজলৈ অহাৰ কাৰণ কি? ইত্যাদি প্ৰশ্ন লৈ এটি সাক্ষাৎ যুগুতাইছে দেবেন তামুলীয়ে।

বিশেষ নিবন্ধ

**দেশপ্ৰেম, একতা আৰু আন্তৰ্জাতিক অৱস্থা □ ১৫**

ছোভিয়েট ৰাছিয়াৰ পতন, ইয়াৰ ফলত ভাৰতত সৃষ্টি হোৱা সমস্যাৰাজি ভাৰতৰ একতা আদিৰ বিষয়ে এটা বিশ্লেষণাত্মক প্ৰবন্ধ আগবঢ়াইছে ড° মছ্‌উদুল হকে।

খেল-ধেমালি

**বিশ্বকাপ ক্ৰিকেট ৯২ □ ৫৮**

সমগ্ৰ বিশ্ববাসীয়েই বাট চাই থকা পঞ্চম বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দিন চমু চাপি অহাৰ লগে লগে ক্ৰিকেটপ্ৰেমীসকলৰ মন উৎকণ্ঠাৰে ভৰি পৰিছে। খেল আৰম্ভ নহওঁতেই সকলোৰে প্ৰশ্ন এইবাৰ চেম্পিয়ন কোন হ'ব? যদিও খেল আৰম্ভ হোৱাৰ আগতেই এই প্ৰশ্ন অবান্তৰ তথাপিও উৎকণ্ঠিত মনটো বাৰে বাৰে সেই প্ৰশ্নলৈকে উৰা মাৰে। বিশ্বকাপ ক্ৰিকেটৰ জন্ম আৰু এইবাৰ যোগদানকাৰী দলসমূহৰ এৰি অহা দিনবোৰৰ ভিত্তিত এটি আকৰ্ষণীয় পৰ্যালোচনা আগবঢ়াইছে খেল সাংবাদিক ললিত বৰাই।

লগতে এইবাৰ বিশ্বকাপত অংশগ্ৰহণ কৰিব লগা ৯টা দলৰ অধিনায়কসকল আৰু তেওঁলোকৰ সম্ভাব্য ভূমিকাৰ বিষয়ে উল্লেখ কৰিছে মালবিকা পাঠকে।

দৃষ্টিকোণ
আল্‌ফাৰ 'স্বাধীনতা' আৰু 'স্বাধিকাৰ' – দ্বিতীয় 'অগপ' – প্ৰতাৰণা ▫ কানাই গগৈ ৫

ৰাজনীতি
আলোচনা, আল্‌ফা, চৰকাৰ আৰু বিৰোধীপক্ষ ▫ হিতেন মহন্ত ১০

ৰাজধানী সংবাদ
প্ৰস্তাবিত আই, আই, টিৰ শৈক্ষিক উদ্দেশ্য (২) ▫ হৰেন বুঢ়াগোহাঞি ১১

সাময়িকী
কৃতিত্বৰ ৰাজমহলত বৃষবৃক্ষৰ শিপা ▫ গীতাৰ্থ পাঠক ১৮

গ্ৰন্থজগত
বাস্তৱৰ অলীকতা, জীৱনৰ অনুকৃতি আৰু প্ৰিয়ম্বদা ▫ কুমুদ বৰুৱা ২১

বিশেষ নিবন্ধ
অসম : বৰ্তমান আৰু ভৱিষ্যত (৫) ▫ সুজিৎ চৌধুৰী ২৭

একান্ত ব্যক্তিগত
শুভ্ৰ, প্ৰকৃতি আৰু ফৰিজম ▫ নাজমা মুখাৰ্জী ৩৪

বিচিত্ৰা
আজিও পাহৰা নাই ▫ তোষপ্ৰভা কলিতা ৩৬

বিচিত্ৰা
অসমৰ এটি পুৰণি পুথিভঁৰাল ▫ স্বপ্না বেজবৰুৱা ৩৯

বিজ্ঞান
স্থলজ উদ্ভিদৰ পৰা ইন্ধন ▫ ড° কুশল কুমাৰ বৰুৱা ৪৭

চুটি গল্প
পলায়ন ▫ চন্দ্ৰধৰ চমুৱা ৫২

এক পৃষ্ঠা
কফিৰ গোন্ধত মোৰ কবিতাগুচ্ছ ▫ ভুপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য ৬২

**চিঠি ৪**
**সম্পাদকৰ টেকাৰহী ৯**
**সংবাদ প্ৰবাহ ১৯**
**কবিতা ৩০**
**চিনেমা ৫৫**

প্ৰচ্ছদ ▫ চম্পক বৰবৰা

**সম্পাদক (অবৈতনিক)**
হোমেন বৰগোহাঞি
**সম্পাদনা সহকাৰী**
মালবিকা পাঠক
**মুখ্য প্ৰতিবেদক**
হৰেন বুঢ়াগোহাঞি
**কলা নিৰ্দেশক**
চম্পক বৰবৰা
**কাৰ্যাধ্যক্ষ**
অনিল কুমাৰ গগৈ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰা: লি:-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: □ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road,
Chembur
Bombay-400071
Ph. 555, 4491

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

OKDISCP

## "সন্ত্ৰাসবাদ আৰু সংবাদপত্ৰ"

১৬–৩১ জানুৱাৰী সংখ্যাৰ মতামত শিতানত শ্ৰীপদ্মলোচন নাথৰ "সন্ত্ৰাসবাদ আৰু সংবাদপত্ৰ" পঢ়ি দুআষাৰ নিলিখি নোৱাৰিলো। ব্যক্তিসন্ত্ৰাস আৰু ৰাষ্ট্ৰীয়সন্ত্ৰাস এই দুয়োটা বস্তুক তুলনামূলক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চালে দেখা যায় দুয়ো' সন্ত্ৰাসেই সমান্তৰাল আৰু সমসাময়িক। যিকোনো সন্ত্ৰাসেই মানৱ অধিকাৰ উলংঘন কৰে। কিছুমান ভাৰাতীয়া সংবাদপত্ৰ-আলোচনীয়ে ছেগ বুজি ৰৌটোকে টৌটো কৰাৰ অপচেষ্টা কৰা দেখা গৈছে। কিন্তু সন্ত্ৰাসবাদী আল্‌ফাই জনগণৰ তেজেৰে হাত ৰঙা কৰি অসমক অন্ধকাৰ ভৱিষ্যতৰ পিনে ঠেলি দিয়াৰ সময়ত এই সংকীৰ্ণ অভিজ্ঞতাবাদীসকলৰ সংবাদপত্ৰ-আলোচনীবিলাকে নিৰৱতা অৱলম্বন কৰিছিল। নাথদেৱে কোৱাৰ দৰে কিছুক্ষেত্ৰত এনেধৰণৰ "ভাৰাতীয়া" সংবাদপত্ৰৰ সম্পাদকসকলক দলীয় ৰাজনীতিৰ স্বাৰ্থ নিহিত থকা যেন সন্দেহ কৰাৰ অৱকাশ থাকে। তেখেতে এখন সাপ্তাহিক কাকতৰ সম্পাদকৰ এনে ভণ্ড চৰিত্ৰৰ কথা প্ৰকাশ কৰিছে। মই তাৰোপৰি সেইসকলৰ নেতৃত্বতে গঢ় দিয়া সম্পূৰ্ণ ৰাজনৈতিক স্বাৰ্থ নিহিত থকা যেন অনুমান হোৱা এখন পষেকীয়া আলোচনীকো একে দোষত দোষী সাব্যস্ত কৰিব বিচাৰো। উক্ত আলোচনীৰ সম্পাদকজন তথাকথিত ভদ্ৰ মাৰ্ক্সবদীসকলৰ শাৰীৰ। আলোচনীখনৰ প্ৰতিটো সখ্যোৰ সম্পাদকীয়তে ব্যক্তিসন্ত্ৰাসবাদক সমৰ্থন কৰাৰ নিচিনা অগণতান্ত্ৰিক কথাবোৰ ফুটি উঠে। উল্লেখযোগ্য যে এইজন সংকীৰ্ণ-অভিজ্ঞতাবাদীয়ে প্ৰায় সংখ্যাতে সন্ত্ৰাসবাদী আল্‌ফাক "দেশপ্ৰেমিক" (?) আখ্যা দি আহিছে। এনেবোৰ হাস্যকৰ, ঠেক মনোবৃত্তিৰ পৰিচায়ক বক্তব্যই গণতান্ত্ৰিক ৰাইজক প্ৰতিমুহূৰ্ততে বিপদত পেলাবলৈ সক্ষম কৰায়। নাথদেৱে কোৱাৰ দৰে সঁচাই তেনে কেইবাখনো কাকত-আলোচনীয়ে মোৰ ঘৰত পেলনীয়া কাগজৰ খৰাহিতে ঠাই পাইছে নাইবা দোকানত ছানা দিবৰ বাবে বিক্ৰী কৰি দিয়া হৈছে। অন্যহাতে গণতান্ত্ৰিক কাকত-আলোচনী কেইখনে স্থান পাইছে কিতাপৰ থাকচত ভৱিষ্যতে ইতিহাস ৰচনাত সোঁৱৰণৰ বাবে। আগতে উল্লেখ কৰি অহা সম্পাদকজনে বিদেশৰ পৰা অহা এজন প্ৰাক্তন-সন্ত্ৰাসবাদী (হতাশাগ্ৰস্ত)য়ে আমাৰ সকলোৰে জনপ্ৰিয় সঁচা বুদ্ধিজীৱী গোহাঁইচাৰৰ (ড° হীৰেণ গোহাঁই) লগত হোৱা তুমুল বিতৰ্কৰ যুদ্ধত নামি ব্যৰ্থ হোৱাৰ সময়ত সেইজনৰ সুৰত সুৰ মিলাই জনগণক প্ৰৰোচিত (প্ৰতাৰিত কৰাৰ কৌশল) কৰাৰ অপচেষ্টা চলাইছিল।

এইখিনিতে অপ্ৰিয় হ'লেও নিলিখি নোৱাৰিলো যে অসম আন্দোলনৰ সময়ছোৱাত উঠি অহা তৰুণচামক উচতাই হিংসাত্মক কাৰ্য আদিত লিপ্ত কৰোৱা কিছু বুদ্ধিজীৱীয়ে পৰিবৰ্তিত পৰিস্থিতিৰ ওপৰত "আত্মসমৰ্পন" কৰি নিজকে গণতান্ত্ৰিক ৰাইজৰ মাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে কেইবছৰমান আগতে অসম আন্দোলনকাৰীসকলৰ বিৰুদ্ধে মাত মতা (ধ্বংসাত্মক পৰিণতিৰ আগজাননী দিয়াত) যুৱ-ছাত্ৰ সংগঠন কিছুমানক বিভিন্ন মাধ্যমেৰে সমালোচনা কৰিছিল বৰ্তমান এখন অৰ্দ্ধ-সাপ্তাহিক কাকতৰ সম্পাদক এগৰাকীয়ে। যিজনক আমি বৰ্তমান ব্যক্তিসন্ত্ৰাস আৰু ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বিৰুদ্ধে মাত মাতি থকা গণতান্ত্ৰিক ব্যক্তিৰ শাৰীতে থকা বুলি বিবেচনা কৰোঁ।

বৰ্তমান অসমত ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ বিৰুদ্ধে মৌন সমদল শোভাযাত্ৰা (বলপূৰ্বকেই হওক নাইবা ইচ্ছাকৃতই হওক) আদি বাহিৰ কৰা "দেশপ্ৰেমিক"সকলে মানৱ অধিকাৰৰ সপক্ষে মাত মতাতো অত্যন্ত লজ্জাজনক। যদিহে তেওঁলোক সঁচা অৰ্থত মানৱ অধিকাৰ সপক্ষে মাতমতা সচেতক তেন্তে কমলা শইকীয়া-শ্বৰনম কলিতা-বিপুল মহন্ত-লেখন লাহনহঁতৰ হত্যাৰ বিৰুদ্ধে মৌন সমদল আদি উলিয়াবলৈ সক্ষম নহ'ল কিয়? মানৱ অধিকাৰৰ সপক্ষে মাত মাতি অহা "সদৌ তাই আহোম ছাত্ৰ সন্থা"ৰ নেতা ডিম্বেশ্বৰ গগৈক লক্ষীপথাৰৰ গণকবৰত নিৰ্মমভাবে হত্যা কৰাৰ বিৰুদ্ধে এষাৰো মাত নামাতিলে কিয়? ৰাষ্ট্ৰপতিৰ শাসনৰ সময়ত শিৱসাগৰৰ পালেঙ্গীত সমাজকৰ্মী তৰুণ বাইলুঙ বৃদ্ধ নোমল গগৈক বৰ্বৰভাবে গুলীয়াই হত্যা কৰাত তেওঁলোকে শোভাযাত্ৰা উলিওৱাতো কি অগণতান্ত্ৰিক কাম? নিজকে"ৰাইজৰ মৰম" 'সাম্যবাদী" আদি বুলি কৈ উফাইদং মাৰি ফুৰি ভালপোৱাসকলে শ্ৰমিক-কৃষকৰ বাবে কিবা কৰিছেনে? সিহঁতৰ সন্ত্ৰাসত দৰিদ্ৰ-নিপীড়িতৰ কিবা উন্নতি হৈছেনে? প্ৰাক-পুঁজিবাদী ব্যৱস্থা এটাৰ বিৰুদ্ধে যুঁজিবলৈ গৈ আল্‌ফাৰে বীৰ-পাওৱসকলৰ পুঁজিপতি-উদ্যোগপতি টাটা-বিৰলাৰ দৰে হোৱাৰ কি আকুল আকাংক্ষা!

সেয়েহেতো স্বনামধন্য "সূত্ৰধাৰ" আলোচনীৰ জনপ্ৰিয় সম্পাদক হোমেন বৰগোহাঞিদেৱে এটা সংখ্যাৰ সম্পাদকীয়ত কৈছিল – "আছুৰ আন্দোলনৰ মৰ্মবস্তুৰ কথা বুজি উঠোতে যিদৰে অসমীয়াসকলৰ দহবছৰ সময় লাগিল সেইদৰে আল্‌ফাৰ আত্মধ্বংসী আন্দোলনৰ কথা বুজিবলৈও অসমীয়াসকলৰ আৰু দহবছৰ লাগিব। অৱশ্যে তাৰ বাস্তৱতা ইতিমধ্যে আহিলেই। আল্‌ফাৰ পুঁজিপতি হোৱাৰ আশা আৰু সংবিধান মানি লোৱাৰ দৰে হাস্যকৰ কথাটোতে প্ৰৰোচিত জনগণৰ মনত চৰম বিশ্বাসঘাটকতাৰ স্বাক্ষৰ বহন কৰিলে। ১৬–৩১ জানুৱাৰীৰ সম্পাদকীয়ত শ্ৰদ্ধাভাজন গোহাঁইদেৱে উল্লেখ কৰাৰ দৰে জুইৰ অলপ তাপতে গাখীৰ উতলি চচ্‌পেনৰ কাণে-বেৰে বাগৰি যোৱাৰ দৰে অসমীয়াসকলৰ আবেগবোৰ অলপ তাপতে উতলি উঠাৰ পৰা বৰ্তমান সেইসকলে আত্ম-সমালোচনালৈ আহি উপলব্ধি কৰিব লাগিছে আৰু ভোগালী বিহুতেই খুউৱ সম্ভৱ গোহাঁইদেৱে কোৱাৰ দৰে এক নতুন অধ্যায়ৰ সূচনাৰ কল্পনা কৰিবলৈ সক্ষম হ'ল।

– যদুমণি বড়া
ডিমৌ মহাবিদ্যালয়
শিৱসাগৰ

## স্পষ্টীকৰণঃ কাকতৰ আৰু মনৰ

যোৱা জানুৱাৰী মাহৰ দ্বিতীয় সংখ্যা সূত্ৰধাৰত 'প্ৰাক্তন মূখ্য মন্ত্ৰীৰ ভায়েক' বিশেষণ যুক্ত কৰি মোৰ বিষয়ে কিছু কথা প্ৰকাশ কৰা হৈছে। প্ৰাক্তন মূখ্য মন্ত্ৰী গৰাকী মূখ্য মন্ত্ৰী হৈ থকা, জয় জয় ময় ময় কালত, এই অধমে, চৰকাৰী সুবিধাৰ ব্যৱহাৰ নকৰি(ৰাজনৈতিক দলৰ ছত্ৰ ছায়াত থকা বহুতেই ক্ষমতাৰ সুযোগ গ্ৰহণ কৰে) –যাতায়াতৰ অসূচল, থাকিবলৈ ঘৰ ভাড়া বিচাৰি নোপোৱা, হাফলঙত চাকৰি কৰিছিলোগৈ। উপযুক্ত অৰ্হতা থকা সত্ত্বেও ভাষা প্ৰয়োগ সঞ্চালকালয়ৰ ভাষা বিষয়া, আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰকাশন বিষয়াৰ দৰে পদত অনুত্তীৰ্ণ হৈছিলো। নিৰ্বাচিত হ'ব পৰাৰ কলা কৌশল নজনাৰ বাবেই এই দুৰ্যোগ। গুৱাহাটী কমাৰ্চ কলেজৰ অসমীয়া বিভাগৰ প্ৰবক্তা পদৰ বাবে কৰা আবেদন মৰ্মে সাক্ষাৎকাৰ অনুষ্ঠিত কৰিও শেহান্তত স্থগিত ৰখা হৈছিল। পিছত জানিব পাৰিলো। আমাৰ্লৈ সাক্ষাৎকাৰৰ তাৰিখ নজনোৱাকৈ পুনৰ সাক্ষাৎকাৰ পতা হ'ল আৰু কোনো এগৰাকীয়ে তাত নিযুক্তি পালে। ইয়াৰ পিছত, এগৰাকী সদ্য পৰিচিত ব্যক্তিৰ আশ্ৰয়ত থাকি দিল্লীক কৰ্মস্থলী হিচাপে লৈছিলো। 'আশ্ৰয়ত থাকি' কথাটোৰ উল্লেখ এই কাৰণেই কৰিছো যে সেই সময়ত অসমৰ পৰা যোৱা বহুতো সাধাৰণ ৰাইজক বঞ্চিত কৰি, কেইজনমানে দিল্লীৰ অসম হাউছত নিগাজীকৈ থাকিবলৈ লৈছিল – মই নাছিলো। বৰ্তমানেও স্বকীয় নৈতিক সাহস আৰু আপোচ নকৰাৰ মনোভাবকে লৈ দৈনন্দিন জীৱনৰ কাজ-কৰ্ম সম্পাদন কৰি আছো। তাৰ মাজতে শিক্ষামূলক ভ্ৰমণৰ ৬০০০ টকা আত্মসাৎ কৰা বুলি এখন সাপ্তাহিক কাকতে লিখিছে। এনে এক অৱস্থাত, 'প্ৰাক্তন মূখ্য মন্ত্ৰীৰ ভায়েক' অভিধাটোৰে সাঙুৰি, বাৰম্বাৰ (আগতে, আপোনাৰ দ্বাৰা সম্পাদিত 'সূত্ৰধাৰ'ত স্পষ্টীকৰণ দিয়াৰ এবছৰ হয়তো হোৱাই নাই) বিপৰ্যস্ত নকৰিবলৈ আপোনাক বিনম্ৰ অনুৰোধ জনালো। আপুনি নিজেই জানে, জীৱন নিৰ্বাহৰ অৰ্বাচীন কৰ্মপ্ৰথাৰ (চৰকাৰী কাৰ্যালয়েই হওক কিম্বা ব্যক্তিগত জীৱনতেই হওক) লগত সংগতি ৰাখি, মুদ্ৰাস্ফীতি, চৰাদাম, অৱক্ষয়ৰ এই যুগত কেৱল নৈতিক সাহসেৰে যুঁজি থকাটো কিমান কষ্টদায়ক। বিদেশী বিতাড়ন আন্দোলনৰ নেতৃবৰ্গৰ আহ্বানত, প্ৰায় দহবছৰ ধৰি আপোনাক সামাজিক ভাবে বৰ্জন কৰা অৱস্থাতো কেৱল নৈতিক সাহসকে সোপান হিচাপে লৈ শিৰ নত নকৰা আপোনাৰ ব্যক্তিত্ব এতিয়াও মোৰ বাবে প্ৰেৰণাৰ উৎস হৈ আছে। এনেস্থলত, আপোনাৰ দৰে প্ৰথিতযশা সাহিত্যিক এজনে, যদি মোৰ দৰে ক্ষুদ্ৰ ধূলিকণালৈ শিলগুটি দলিয়াই (এজন মনীষীয়ে কৈছিল – 'আনে তোমাৰ গালৈ দলিওৱা শিলগুটিৰে, তুমি তোমাৰ ভেটি বান্ধিবৰ যত্ন কৰিবা') তেতিয়া হ'লে মই ভেটি বান্ধিম ক'ত? নে মোৰ প্ৰেৰণাৰ উৎসই স্বয়ং নিষ্প্ৰভ!

বিপুল কুমাৰ মহন্ত







# আল্‌ফাৰ 'স্বাধীনতা' আৰু 'স্বাধিকাৰ'– দ্বিতীয় 'অগপ'– প্ৰতাৰণা?

কানাই গগৈ

প্ৰথমতে 'স্বাধীনতা' আৰু এতিয়া 'স্বাধিকাৰ'– অসমৰ 'উন্নতিৰ' বাবে বহুত কিবা কিবি কৰা আৰু কৰিব বিচৰা সংগঠনবোৰৰ অন্যতম আল্‌ফাৰ দাবী এই দুটা। আল্‌ফাৰ এই দুটা দাবীৰ লগত বহুতে উজান দিছিল আৰু এতিয়াও দি আছে। কিন্তু অসমৰ সৰ্বসাধাৰণ ৰাইজে এই দাবীবোৰৰ কিবা অৰ্থ বুজি পায়নে? অথবা এই দাবীবোৰ পূৰণ হ'লে মূৰকত গৈ অসমৰ সৰ্বসাধাৰণ ৰাইজ উপকৃত হবগৈনে? এই দাবীবোৰো 'অগপ'ৰ 'সোণৰ অসম'ৰ দৰেই একো একোটা প্ৰতাৰণাত পৰিণত নহবগৈনে? এইবোৰৰ বিস্তৃত আলোচনা আজিলৈকে হোৱা নাই। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰিয়েই আমাৰ সামান্য জ্ঞানেৰে এই প্ৰশ্নবোৰৰ ওপৰত আলোকপাত কৰাৰ ধৃষ্টতা কৰিবলৈ ওলাইছো। গতিকে আমাক সমালোচনা কৰাৰ আগতে আমাৰ এই কথাষাৰ যেন সকলোৱে এবাৰ ভাবি চায়।

এইখিনিতে এষাৰ কথা স্পষ্ট কৰি লওঁ যে আমাৰ কিতাপ পঢ়ি আয়ত্ত কৰা জ্ঞান একেবাৰে নথকাৰ দৰেই। সেইবাবে এই নিবন্ধত তেনে ধৰণৰ কোনো জ্ঞানৰ উল্লেখ নাপাব। এই নিবন্ধৰ কথাখিনি নিৰীক্ষণৰ পৰা উদ্ভৱ হোৱা গ্ৰাম্য জ্ঞানৰ পৰিধিৰ ভিতৰতেই আবদ্ধ থাকিব।

প্ৰথমতে, অসমীয়া মানুহৰ স্বভাৱৰ কথাই ধৰা যাওক। সদ্যহতে অসমৰ ভিতৰুৱা অঞ্চল এটাৰ কেইখনমান গাঁও ভ্ৰমণ কৰি পোৱা অভিজ্ঞতাৰ ভিত্তিতেই এই কথাখিনি উত্থাপন কৰা হৈছে। বছৰেকীয়া খেতিটো উঠিল আৰু সেইবাবেই হয়তো মানুহ বিলাকে ভাবি লৈছে যে এতিয়া আৰু কাম-বন নকৰিলেও চলিব। গতিকে মানুহবোৰে গাত এৰীয়া কাপোৰখন লৈ ক'ৰবাত জুপুকা মাৰি বহি থাকে অথবা দিনৰ দিনটো টলৌ টলৌকৈ ইঘৰলৈ সিঘৰলৈ গৈ চাহ-তামোল খাই পৰচৰ্চা কৰি কৰি সময়বোৰ নষ্ট কৰি ফুৰে। অথচ কোৰখন হাতত লৈ শাক-পাচলিৰ বাবে বাৰীত চাব এটা নামাৰে, অথবা কটাৰীখন লৈ খৰাহি-পাচি এটা নাসাজে। বাহি শস্যৰ উৎপাদনৰ কথা ভবাটোতো দূৰৰে কথা, নিজৰ খাবৰ জোখাৰে লগা শস্যখিনিৰ উৎপাদনো মানুহবিলাকে "গৰু নাই, মাটি নাই" আদি অজুহাতত নকৰাকৈ থাকে। ভাৰতৰ আনবোৰ ৰাজ্যৰ দৰে বছৰত তিনি–চাৰিটা খেতি কৰাৰ কথা ভবাটোতো দূৰৰে কথা, অসমীয়া মানুহে এবছৰত দুটা খেতিকে কৰিব নোখোজে। আনকি ধান কটাৰ আগে আগে ঘৰৰ ওচৰৰ পথাৰখনত মটৰ মাহৰ গুটি কেইটামান সিঁচি নিদিয়ে অথবা বাৰীত শাক-পাছলি এটা কৰি নলয়। ব্যৱসায়িক ভিত্তিত শস্যৰ উৎপাদন নকৰাকৈ অসমৰ এই গ্ৰাম্য অৰ্থনীতি যুগৰ প্ৰতিযোগিতাৰ সন্মুখত কিমান দিন তিষ্ঠি থাকিব?

মানুহবিলাকৰ শৰীৰ যেনেকৈ নিশকতীয়া আৰু উদ্যম বিহীন, তেওঁলোকৰ চেতনাও তেনেকৈ প্ৰতিবাদ আৰু প্ৰতিৰোধবিহীন। আল্‌ফাই কি বিচাৰে, কিহৰ বাবে আৰু কিহৰ নামত তেওঁলোকে কিছুমান মানুহক হত্যা কৰিলে– এইবোৰ কথা এই হোজা মানুহবোৰে বুজি নাপায় আৰু আটাইতকৈ ডাঙৰ কথা– এইবোৰ কথা তেওঁলোকে বুজিবও নোখোজে! গাওঁবিলাকত সৈন্যবাহিনীৰ জোৱান সোমাই বহুতো নিৰ্দোষী ডেকাক অত্যাচাৰ কৰিলে ঃ দুটামানক পুখুৰীৰ পানীত জুবুৰিয়াই মাৰিলে; কেইটামানক দুয়োখন হাত বান্ধি ওলোমাই ৰাখি ইমানকৈ গুৰিয়ালে–ভুকুৱালে আৰু বন্দুকৰ কুন্দাৰে খুন্দিয়ালে যে এতিয়া পেটত অলপ হেঁচা দিলেই মল-মূত্ৰ বাহিৰ ওলাই আহে! অথচ ইমানবোৰ অত্যাচাৰ দেখিও মানুহবোৰ নিৰ্বিকাৰ। কাৰোৱে মুখত প্ৰতিবাদৰ এটা শব্দ শুনিবলৈ পোৱা নাযায়। সকলো যেন 'অদৃষ্টৰ লিখন'! বহুত ঠাইত আনকি এনেকুৱা ঘটনাও ঘটিছে যে বাৰে বাৰে জোৱানবোৰ আহি মানুহৰ শান্তি ভংগ কৰি থকা কাৰণে অতীষ্ঠ হৈ গাঁৱৰ মানুহে নিজেই আল্‌ফাৰ সদস্যক সৈন্যবাহিনীৰ হাতত গোটাই দিছে! এইবোৰ উদ্যমহীন, প্ৰতিবাদ আৰু প্ৰতিৰোধবিহীন, তথাকথিত 'শান্তিপ্ৰিয়' অসমীয়া মানুহক লৈয়েই আল্‌ফাই বিপ্লৱৰ সপোন দেখিছিলনে? 'স্বাধীনতা', 'স্বাধিকাৰ' কি বস্তু বুজি নোপোৱা এইবোৰ মানুহৰ বাবেই আল্‌ফাই এইবোৰ দাবী কৰিছেনে? এইবোৰ দাবী পূৰণ হলেও একো নজনা-নুবুজা এইবোৰ মানুহৰ কিবা উপকাৰ হব জানো?

অৱশ্যে এটা কথা ঠিক যে অৱতাৰবাদত বিশ্বাসী ভাৰতীয় তথা অসমীয়া মানুহৰ পৰা প্ৰতিবাদ আৰু প্ৰতিৰোধ আশা কৰাও মিছা। তেওঁলোকে

সদায় আনৰ বাবেই বাটচাই থাকে। আল্‌ফাৰ উত্থানৰ আৰু জনপ্ৰিয়তাৰ পাছত থকা আৰ্থ-সামাজিক কাৰণবোৰৰ লগে লগে এই মনস্তাত্বিক কাৰণটোও হয়তো আছে। সেইবাবে, 'আমাৰ বোধেৰে, আল্‌ফাই গাৱঁৰ মানুহক (পুনৰ্বাৰ কৈছো, অসমৰ গাৱঁৰ মানুহক– চহৰীয়া মধ্যবিত্তক নহয়) এনেকৈ সচেতন কৰি তুলিব লাগিছিল যাতে এদিন 'স্বাধীনতা' বা 'স্বাধিকাৰ'ৰ দাবী গাৱঁৰ মানুহৰ পৰাই উত্থাপিত হয়। কিন্তু এই পথ অতি দীঘল, কষ্টকৰ, আমনিদায়ক আৰু বিৰক্তিকৰ। সেইবাবেই হয়তো আল্‌ফাই চমু আৰু সহজ পথ বাচি ললে। গাৱঁৰ মানুহক শিক্ষিত আৰু সচেতন কৰাতকৈ আনৰ পৰা কাঢ়ি অনা ধনেৰে ধনবান হৈ, হাতত অস্ত্ৰ লৈ মাৰুতি-হিৰ' হ'ওাত ঘুৰি ফুৰা হয়তো বেছি সহজ। আৰু সেইবাবেই আলফাক কিছুমান ৰোমাণ্টিক, অত্যুৎসাহী আৰু দুঃসাহসী ডেকাৰ সমষ্টিৰ বাহিৰে বিপ্লৱী বুলি ক'বলৈ আমাৰ সংকোচ হৈছে।

এখন দেশৰ অৰ্থনীতিৰ অন্যতম অংগ কৃষিৰ লগত জড়িত অসমৰ লোকসকলৰ গড় চৰিত্ৰ এনেকুৱাই। শিল্প বানিজ্যৰ লগত জড়িত লোকসকলো যে সচেতন অথবা ভৰষা কৰিব পৰা বিধৰ–সেইটোও নহয়। অৱশ্যে এটা কথা ঠিক যে গাৱঁৰ মানুহতকৈ অসমীয়া মধ্যবিত্ত শ্ৰেণীটো কিছু উদ্যমশীল। কিন্তু এটা উদ্যোগৰ সুপৰিচালনাৰ বাবে ইয়াৰ কৰ্মীসকলৰ যি ধৰণৰ নিষ্ঠা, নিয়মানুবৰ্তিতা, নিজৰ কৰ্তব্যৰ প্ৰতি দায়িত্বৰ জ্ঞান আদি থকা উচিত, সেই গুণখিনি অসমীয়া মানুহৰ আছেনে? 'সূত্ৰধাৰ'ৰ ১৬–৩১ ডিচেম্বৰ, '৯১ সংখ্যাত প্ৰকাশিত 'আত্মনিয়ন্ত্ৰণ' গল্পটোত আমি এইবোৰ দিশকে উত্থাপন কৰাৰ চেষ্টা কৰিছিলোঁ। নিজৰ গল্পৰ প্ৰচাৰৰ বাবে এইখিনি কৰিছোঁ বুলি যেন কোনেও নাভাবে। নিজৰ ৰচনাৰ ক্ষেত্ৰত মুকলি আলোচনা-সমালোচনাৰ যি সুবিধা আছে, সেই সুবিধা আনৰ ৰচনাৰ ক্ষেত্ৰত নাই। আৰু সেইবাবেই আলোচনাৰ মাজলৈ আমি নিজৰ গল্পকে টানি আনিছোঁ। গল্পটোত কয়লা খনিৰ অসমীয়া শ্ৰমিকে (আচলতে শ্ৰমিক উপনেতাজনে) এহাতেদি কয়লাৰ ওপৰত অসমৰ জনসাধাৰণৰ সম্পূৰ্ণ নিয়ন্ত্ৰণৰ বাবে দাবী জনাইছে, অথচ আনহাতেদি সেই একেজন উপনেতাই বিভিন্ন অনিষ্টকাৰী যুক্তিৰ জাল তৰি কামৰ সময় নষ্ট কৰিছে। প্ৰাকৃতিক সম্পদৰ ওপৰত অসমে 'স্বাধিকাৰ'ৰ সুযোগ পালেও এই শ্ৰমিক সকলৰ এই অনিষ্টকাৰী স্বভাৱবিলাক তেনেকৈয়ে নাথাকিবনে? আৰু এইবিলাক স্বভাৱ লৈ অসমৰ ভৱিষ্যত 'স্বনিয়ন্ত্ৰিত' উদ্যোগবোৰো দেউলীয়া নামাৰিবনে? আল্‌ফাই এইবোৰ কথা কেতিয়াবা ভাবি চাইছেনে?

আজি ভাৰতৰ (অৰ্থাৎ অসমৰো) মধ্যবিত্ত শ্ৰেণীৰ মাজত ভণ্ডামি, ফাঁকিবাজি, দায়িত্বহীনতা, অকৰ্মণ্যতা আদি আত্মক্ষয়কাৰী স্বভাৱবোৰ খুব দৰ্লেকে শিপাইছে। বিশেষকৈ চাকৰিৰ ক্ষেত্ৰত। দেশত ভেজাল দুৰ্নীতি আদি ইমান বেছি বাঢ়িছে যে তথাকথিত ISI চিহ্ন যুক্ত কিবা এটাও মুখত দিয়াৰ আগতে এবাৰ ভাবি চাব লগীয়া হৈছে। খোৱা বস্তুত, ঔষধত শৰীৰৰ বাবে অনিষ্টকাৰী উপাদানৰ পৰিমান কমক চাৰি বাঢ়িছেহে। অথচ প্ৰতিবাদ কৰোঁতা কোনো নাই। এইবোৰৰ বাবে এই বস্তুবোৰ উৎপাদিত হোৱা উদ্যোগৰ মালিকসকলৰ ক্ষমতা-চাতুৰী আদি যিমানে দায়ী, উদ্যোগৰ কৰ্মীসকলৰ অনিয়মানুবৰ্তিতা, অসচেতনতা, দায়িত্বহীনতাও সমানে দায়ী। ইয়াৰ কাৰণ হয়তো দেশৰ নাগৰিকৰ অশিক্ষা-কুশিক্ষা আৰু দেশৰ নাগৰিক সচেতন কৰিবৰ বাবে হৃদয়–পৰিবৰ্তনৰ' দৰে পদ্ধতি যে অৰ্থহীন– সেই কথা ইতিমধ্যে প্ৰমানিত হৈছে। কেতিয়াবা ধাৰণা হয় যে ভাৰতৰ এই সামাজিক ব্যাধিবিলাক নিৰাময়ৰ বাবে ভাৰতত স্তালিনৰ দৰে এজন স্বেচ্ছাচাৰী শাসকৰ আৱশ্যক। আমাৰ এই কথাত হয়তো তথাকথিত গণতন্ত্ৰপ্ৰেমী বহুতেই জাঙুৰ খাই উঠিব, কিন্তু আমাৰ চকুত সদ্যহতে অন্য উপায়ে ধৰা দিয়া নাই। অৱশ্যে এটা কথা খাটাং যে সৈৰতন্ত্ৰতো বহুতো নিৰ্দোষী লোক নিপীড়িত হ'ব। মানুহ সচেতন হলে শিক্ষাৰ দ্বাৰাই হব, কঠোৰ নিয়ম শৃঙ্খলা পালনৰ দ্বাৰাই হ'ব, কিন্তু নীতি-বচন আওঁৰাই কৰিব বিচৰা 'হৃদয় পৰিবৰ্তন'ৰ দ্বাৰা নহয়। স্তালিনে বহুত ভুল কৰিলেও এটা খুব ভাল কাম কৰি থৈ গ'ল: তেওঁ ৰাছিয়াৰ লোকসকলক সৎ দায়িত্বশীল আৰু কষ্টসহিষ্ণু কৰি থৈ গ'ল। সম্প্ৰতি ৰাছিয়ালৈ সাময়িক বিপৰ্যয় আহিলেও এই গুণ কেইটাকে মূলধন হিচাপে লৈ ৰুছসকল উন্নতিৰ পথত আগুৱাব পাৰিব।

কিন্তু অসমীয়া মানুহৰ এই গুণবিলাকৰ এটাও নাই; গাৱঁতো নাই চহৰতো নাই! দেশৰ এই সামগ্ৰিক পৰিস্থিতিত অসমীয়া মানুহৰ স্বভাৱৰ পৰিৱৰ্তন নোহোৱাকৈয়ে, অসমীয়া মানুহ শিক্ষিত আৰু সচেতন নোহোৱাকৈয়ে আল্‌ফাৰ 'স্বাধিকাৰ'ৰ অধিকাৰ অসমে পালেই অসমৰ সৰ্বসাধাৰণ ৰাইজৰ অৱস্থা নদন-বদন হৈ পৰিব জানো? 'অগপৰ' শাসনকালত হোৱাৰ দৰে এইবাৰো এমুঠিমান মানুহৰ হাতলৈকে সকলো অৰ্থ-সম্পত্তি নাযাব জানো? সু

### প্ৰেম

যেতিয়া এজন পুৰুষ আৰু এগৰাকী মহিলাই প্ৰকৃত অৰ্থত পৰস্পৰৰ প্ৰতি প্ৰেম অনুভৱ কৰে তেতিয়া তেওঁলোকৰ প্ৰতিটো কাম-কাজতে ফুটি উঠে শক্তিৰ প্ৰকাশ আৰু বিজয়ৰ উল্লাস। তেওঁলোকে খোজকাঢ়ে বেছি জোৰেৰে, তেওঁলোকে খাদ্য হজম কৰিব পাৰে বেছি ভালকৈ, তেওঁলোকে চিন্তা কৰে বেছি স্পষ্টভাবে, তেওঁলোকৰ গোপন দুশ্চিন্তাবোৰ নোহোৱা হয়, পৃথিৱীখন তেওঁলোকৰ চকুত সজীৱ আৰু আকৰ্ষণীয় হৈ উঠে, তেওঁলোকে জীৱনত যিমান কাম কৰাৰ স্বপ্ন দেখিছিল তাতোকৈ বহুত বেছি কৰিব পৰা হয়। ৰোমান্টিক বা স্থূল দৈহিক প্ৰেমত বাসনাৰ শেষ লক্ষ্য হ'ল যৌন মিলন। কিন্তু এই ধৰণৰ প্ৰেমত সি তেনে নহয়। প্ৰকৃত প্ৰেমিকে যৌন মিলনৰ দ্বাৰা তেওঁৰ সমস্ত জীৱন প্লাবিত কৰি ৰখা গভীৰ বাসনাৰ আনন্দক কিছু সময়ৰ মূৰে মূৰে নতুনকৈ প্ৰকাশ কৰি থাকে মাত্ৰ। এই ধৰণৰ প্ৰেম যৌৱনৰ নিচিনাকৈ অস্থায়ী নহয়। ই এনেকুৱা এটা বস্তু নহয় যে খন্তেকৰ কাৰণে দেখা দি সি চিৰকাললৈ অদৃশ্য হ'ল; থাকি গ'ল মাত্ৰ তাৰ স্মৃতি। এই ধৰণৰ প্ৰেম নৱ নৱ ৰূপত বিকশিত হৈ থাকে, কাৰণ বিকাশৰ কাৰণে প্ৰেমক প্ৰেৰণা দি থাকে প্ৰেমিক-প্ৰেমিকা যুগলে ইজনে সিজনক।

*ওৱাল্টাৰ লিপমেন্*

### শুধৰণি

যোৱা সংখ্যা সূত্ৰধাৰত (১-১৫ ফেব্ৰুৱাৰী) প্ৰকাশিত হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ 'শান্তিৰ দূত গৰ্বাচভৰ উত্থান আৰু পতন' শীৰ্ষক প্ৰবন্ধত এটা গুৰুতৰ ছপাৰ ভুল থাকি গৈছে। অষ্টম পৃষ্ঠাৰ চতুৰ্থ দফাত হ'ব লাগিছিল economic determinism; হৈছে economic determination.

*সম্পাদক, সূত্ৰধাৰ*





# লেফ্‌টেনেন্ট জেনেৰেল অজয় সিং

## কমাণ্ডাৰ, ফ'ৰ ক'ৰ অধিনায়ক, অপাৰেশ্বন ৰাইনো

[সৈন্যবাহিনীৰ ফ'ৰ ক'ৰৰ (4 Corps) কমাণ্ডাৰ লেফ্‌টেনেন্ট জেনেৰেল অজয় সিঙক এই বছৰৰ গণৰাজ্য দিৱসত সৈন্যবাহিনীৰ সম্মানীয় 'পৰম বিশিষ্ট সেৱা মেডেল' (PVSM) উপাধিৰে বিভূষিত কৰা হৈছে। ইয়াৰ আগতে তেওঁক 'অতি বিশিষ্ট সেৱা মেডেলেৰে' (AVSM) বিভূষিত কৰা হৈছিল।

ৰাজস্থানত জন্মগ্ৰহণ কৰা জেনেৰেল সিঙে তিনি দশকৰো অধিক কাল ধৰি সৈন্যবাহিনীৰ বিভিন্ন বিভাগত বিভিন্ন দায়িত্বত যোগ্যতা আৰু কৃতিত্বৰে কাম কৰি আহিছে। সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠ কেডেট্ (cadet) বুলি বিবেচিত হোৱা বাবে তেওঁক 'Sword of Honour' পুৰস্কাৰেৰে পুৰস্কৃত কৰা হৈছিল আৰু ১৯৫৬-ত 'দা পোনা হ'ৰ্চ' (The Poona Horse)ত কমিচন কৰা হৈছিল। উইলিংটনৰ Defence Services Staff College আৰু লণ্ডনৰ Royal College of Defence Studies-ৰ গ্ৰেজুৱেট জেনেৰেল সিঙে ১৯৬৫ আৰু ১৯৭১ চনৰ ভাৰত-বাংলাদেশৰ যুদ্ধত মাউণ্টেন ব্ৰিগেদ এটাৰ ব্ৰিগেদ মেজৰ হিচাপে দক্ষতাৰ পৰিচয় দিছিল। জেনেৰেল সিঙে কৰ্ণেল, ব্ৰিগেডিয়াৰ আৰু মেজৰ জেনেৰেল হিচাপেও কৃতিত্বৰে সৈতে নিজৰ দায়িত্ব পালন কৰি আহিছে। সৈন্যবাহিনীৰ হেড-কোৱাৰ্টাৰত Mechamised Forces-ৰ Director General হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাচত ১৯৯০ চনত সিঙক ফ'ৰ ক'ৰৰ কমাণ্ডাৰ হিচাপে নিযুক্তি দিয়া হয়।

অসমত আল্‌ফাৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবৰ বাবে আৰম্ভ কৰা অধুনাখ্যাত 'অপাৰেছন ৰাইন'ৰ প্ৰত্যক্ষ দায়িত্বত আছিল জেনেৰেল সিং। পৰম বিশিষ্ট সেৱা মেডেলেৰে বিভূষিত হোৱাৰ পাছত, যোৱা ২৮ জানুৱাৰী তাৰিখে জেনেৰেল সিঙৰ অত্যন্ত ব্যস্ততাৰ মাজতে তেজপুৰৰ শালনী বিমান বন্দৰত 'সূত্ৰধাৰ'ৰ হৈ এই সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল শ্ৰীদেবেন তামুলীয়ে।]

**সূত্ৰধাৰঃ** পোন প্ৰথমতে, পৰম বিশিষ্ট সেৱা মেডেলেৰে বিভূষিত হোৱাৰ বাবে আমি আপোনাক অভিনন্দন জ্ঞাপন কৰিছো। বাৰু কওকচোন, অপাৰেছন ৰাইন'ৰ লগত ইয়াৰ কিবা সম্পৰ্ক আছে নেকি?

**সিংঃ** ধন্যবাদ। আপুনি জানে যে পৰম বিশিষ্ট সেৱা মেডেলৰ দৰে সন্মান সাধাৰণতে বিশিষ্ট সেৱাৰ (distinguished services) বাবে দিয়া হয়। কিন্তু, এই ক্ষেত্ৰত হোৱাৰ দৰে সেই বিশিষ্ট সেৱা যদি কোনো এক অপাৰেছনৰ অংশ হয়, তেনেক্ষেত্ৰত সেই অপাৰেছনৰ দায়িত্বত থকা বিষয়াজনৰ কৃতকাৰ্যতাৰ প্ৰশ্নটোৰ লগত ই স্বাভাৱিকতে জড়িত হৈ পৰে। সেই হিচাপে অপাৰেছন ৰাইন'ৰ লগত মোৰ পৰম বিশিষ্ট সেৱা মেডেলৰ এক অংগাংগী সম্পৰ্ক আছে।

**সূত্ৰধাৰঃ** আল্‌ফাৰ সামৰিক আৰু সাংগঠনিক শক্তিৰ মূল্যায়ন আপুনি কি ধৰণে কৰিব খোজে?

**সিংঃ** বৰ্তমান অৱস্থাত আল্‌ফাৰ উচ্চতম নেতৃত্ব সম্পূৰ্ণ ছেদেলি-ভেদেলি হৈ পৰিছে। জিলা পৰ্যায়ৰ নেত লৰ অৱস্থাও তদ্ৰুপ।

**সূত্ৰধাৰঃ আপুনি নিশ্চয় সৈন্যবাহিনীয়ে গ্ৰেপ্তাৰ কৰা নাইবা সৈন্যবাহিনীৰ ওচৰত আত্মসমৰ্পন কৰা শ শ আল্‌ফা কৰ্মী আৰু নেতাৰ সংস্পৰ্শলৈ আহিছে। তেওঁলোকৰ সম্পৰ্কে আপোনাৰ ধাৰণা কি?**

**সিংঃ** হয়। এওঁলোকৰ কিছুমান শিক্ষিত, বুদ্ধিমান আৰু উৎসাহী। কিন্তু, তেওঁলোকৰ বেছিভাগেই ভুল পথেৰে পৰিচালিত হোৱা। তেওঁলোকে নাজানে যে তেওঁলোকে কিয় আৰু কিহৰ কাৰণে সংগ্ৰাম কৰি আছে। তেওঁলোকৰ নেতা আৰু কৰ্মী উভয়ৰ মাজত এই দুইৰ সংমিশ্ৰণ পোৱা যায়। কিন্তু, অসমৰ উন্নতি আৰু অসমৰ মংগল সাধন কৰাৰ উদ্দেশ্য লৈয়েই যে তেওঁলোকে সংগ্ৰাম কৰি আছে, সেই সম্পৰ্কে কোনো সন্দেহ নাই আৰু এই কথাটোৱেই তেওঁলোকক ইমানদিনে একত্ৰিত কৰি ৰাখিছিল।


**সূত্ৰধাৰঃ আল্‌ফাৰ নেতৃত্বই অথবা নেতৃত্বৰ বৃহত্তম অংশটোৱে চৰকাৰৰ লগত ভাৰতৰ সংবিধানৰ গণ্ডীৰ ভিতৰত আলাপ-আলোচনা কৰিবলৈ আগবাঢ়ি আহিছে। আপুনি ভাবে নে যে ইয়াতেই আল্‌ফাৰ অস্তিত্বৰ ইতি পৰিছে। ইয়াৰ পাছত এই সমস্যা আৰু নাথাকিব নাইবা আল্‌ফাৰ ফালৰি কাটি যোৱা অংশবোৰে (splinter groups) ভৱিষ্যতে কোনো সমস্যাৰ সৃষ্টি নকৰিব?**

**সিংঃ** বৰ্তমান অৱস্থাত এই সম্পৰ্কে খাটাংকৈ কোনো কথা কোৱাটো টান। কিন্তু, এতিয়ালৈকে পোৱা সকলো তথ্য আৰু ইংগিতৰ পাছত অনায়াসে এই সিদ্ধান্তলৈ আহিব পাৰি যে নেতৃবৃন্দকে ধৰি সংগঠনটোৰ কৰ্মী সকলৰ বৃহত্তম অংশটোৱে ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত আলাপ-আলোচনাৰ মাজেৰে এটা মীমাংসালৈ আহিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। ফালৰি কাটি যোৱা গ্ৰুপ একোটা সদায় থাকিবই। কিন্তু, আমাৰ হাতত পৰা তথ্যৰ ভিত্তিত এই কথা ক'ব পাৰি যে এই ফালৰি কাটি যোৱা গ্ৰুপ বা অংশটোৱে ভৱিষ্যতে সমস্যাটো কিছু পৰিমাণে ব্যক্তিগত দৃষ্টিভংগীৰে (personal motives) গ্ৰহণ কৰিব। আৰু সেইবাবেই আচলতে ফালৰি কটা গ্ৰুপ একোটা থাকি যায়। কিন্তু, আল্‌ফা সংগঠনে আলাপ-আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ বাবে আগবাঢ়ি অহাৰ পাছত ফালৰি কাটি যোৱা গ্ৰুপবোৰ অবৈধ (unlawful) বুলি ধৰা হ'ব।

**সূত্ৰধাৰঃ আল্‌ফা আলোচনাৰ মেজলৈ অহাৰ প্ৰধান কাৰণ আপুনি কি বুলি ভাবে – তেওঁলোকে ৰাইজৰ মাজত বিশ্বাসযোগ্যতা হেৰুৱাই পেলাইছে; তেওঁলোকৰ লক্ষ্য, আদৰ্শ আৰু কৰ্ম-পদ্ধতি সম্পৰ্কে ৰাইজৰ মোহ ভংগ হৈছে নে অন্য কিবা?**



OKDISCD



জেনেৰেল অজয় সিঙৰ লগত দেবেন তামুলী

সিংঃ অপাৰেছন ৰাইন'ই প্ৰয়োগ কৰা হেঁচাৰ বাবেই তেওঁলোক দৰাচলতে আলোচনাৰ মেজলৈ আহিল।

**সূত্ৰধাৰঃ সামৰিক বাহিনীৰ অত্যাচাৰ (atrocities) আৰু অতিচাৰ (excesses)ৰ সম্পৰ্কে সময়ে সময়ে ভালেমান অভিযোগ উঠি আহিছে। এটা কথা ঠিক যে ইয়াৰ সকলোবোৰ অভিযোগ সঁচা নহ'লেও, দুই-এটা অভিযোগ সঁচা বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। আপুনি বোধহয় এই কথাটো স্বীকাৰ কৰিব যে সামৰিক বাহিনীৰ কাম-কাজৰ (conduct) কিছু উন্নতিৰ প্ৰয়োজন আছে। আপোনাৰ মতামত?**

সিংঃ প্ৰথমতে, উল্লিখিত অত্যাচাৰ আৰু অতিচাৰ সমূহৰ ওলোৱা বেছিভাগ কথাই সঁচা নহয়। চাওক, এই বৃহৎ অঞ্চলটোত সৈন্য বাহিনীৰ ৫৫ (পচপন্ন) হেজাৰ লোকে দিনে নিশাই কাম কৰি আছে। গতিকে, দুই-এটা বিক্ষিপ্ত ঘটনা ঘটিব পাৰে। কিন্তু, এটা কথা মই দৃঢ়তাৰে ক'ব পাৰো যে কোনোবা যদি দোষী বুলি প্ৰমাণিত হয়, তেনেহলে তেওঁক সামৰিক আইনৰ বিধান অনুসৰি আটাইতকৈ কঠোৰতম শাস্তিটো বিহা হয় আৰু তাক অলপো বিলম্ব নকৰাকৈ হয়।

**সূত্ৰধাৰঃ এতিয়া আপোনাক দুটামান ব্যক্তিগত বা ব্যক্তিগত চাপ থকা প্ৰশ্ন সুধিব খুজিছো। আপোনাৰ জীৱন-দৰ্শন কি?**

সিংঃ মৃত্যুৰ আগমুহূৰ্তলৈকে দেশৰ সেৱা কৰি যাব পৰাটোৱেই মোৰ জীৱনৰ দৰ্শন।

**সূত্ৰধাৰঃ আপোনাৰ জীৱনৰ আটাইতকৈ আনন্দৰ মুহূৰ্ত কোনটো?**

সিংঃ ধ্যানৰ (meditation) বলেৰে যিটো মুহূৰ্তত মই ঈশ্বৰৰ লগত প্ৰত্যক্ষ যোগাযোগ (direct communication) স্থাপন কৰিব পাৰো, সেই মুহূৰ্তটোৱেই মোৰ জীৱনৰ আটাইতকৈ আনন্দৰ মুহূৰ্ত।

**সূত্ৰধাৰঃ আপোনাৰ চাকৰি জীৱনৰ আটাইতকৈ মহৎ সাফল্য কি?**

সিংঃ মোৰ প্ৰতিষ্ঠিত চাকৰি জীৱনৰ আটাইতকৈ মহৎ সাফল্য এয়ে যে মই এটা অতি পবিত্ৰ বৃত্তিত যোগদান কৰিছো। সেই বৃত্তিটোৰ মৰ্যাদা ৰক্ষা কৰিবলৈ মই অহোপুৰুষাৰ্থ চেষ্টা কৰিছো আৰু মৃত্যুৰ আগমুহূৰ্তলৈকে সেইটো মই কৰি যাম।

**সূত্ৰধাৰঃ আপুনি এনে এটা সময়ত অসমত চাকৰি কৰিবলৈ আহিছে, যিটো সময়ত আমাৰ ৰাজ্যখন এক গভীৰ সংকটৰ মাজেৰে আগবাঢ়িছে। বিশেষকৈ দেশৰ ভৱিষ্যৎ, আমাৰ যুৱক সকল ক্ৰোধত ফাটি পৰিছে। অসমৰ ৰাইজ, বিশেষকৈ যুৱকসকলৰ সম্পৰ্কে আপোনাৰ ধাৰণা কি?**

সিংঃ মোৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ পৰা মই এই কথাটোৱেই কওঁ যে আমাৰ এই প্ৰকাণ্ড উপ-মহাদেশখনত অসমেই আটাইতকৈ ধুনীয়া দেশ। ইয়াৰ মানুহখিনি অত্যন্ত অতিথি পৰায়ণ, নম্ৰ, বহল মনৰ আৰু সবাৰ উপৰি মৰমিয়াল।

**সূত্ৰধাৰঃ অসমৰ ৰাইজৰ উদ্দেশ্যে আপোনাৰ কিবা ক'বলগীয়া কথা আছে নেকি?**

সিংঃ হয়। অসমৰ ৰাইজক মই এটা কথাই ক'ব বিচাৰিছো – তেওঁলোকে মনত ৰখা উচিত যে দিল্লীৰ পৰা দূৰত থকা বাবেই তেওঁলোক দৰাচলতে দেশৰ জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ থকা নাই। এইটো মাত্ৰ এটা ভৌগোলিক অৱস্থানহে। সমগ্ৰ দেশৰ জনসাধাৰণে অসমক ভাল পায় আৰু অসমক সন্মানৰ এখন বেলেগ আসনত বহুৱায়। অসম আমাৰ দেশৰ এখন সীমামূৰীয়া ৰাজ্য হিচাপেই কেৱল এই সন্মান যচা নহয়। তদুপৰি, অসমত প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক সম্পদ আছে আৰু ই দেশৰ অৰ্থনৈতিক উন্নয়নৰ দিশত প্ৰভূত বৰঙণি আগবঢ়াই আহিছে।

**সূত্ৰধাৰ ঃ শেষ প্ৰশ্নটো কৰো। আমাৰ ৰাজ্যখনত এক উৎকট নিবনুৱা সমস্যা থকা সত্ত্বেও অসমৰ যুৱক সকলে সৈন্যবাহিনীৰ নাইবা প্ৰতিৰক্ষা বিভাগৰ চাকৰিত যোগদান কৰিবলৈ আগ্ৰহী নহয় বুলি কোৱা শুনা যায়। কথাটো সঁচা নেকি? যদি সঁচা হয়, তেনেহলে এই সম্পৰ্কত আপোনালোকে কি ব্যৱস্থা গ্ৰহণ কৰিছে?**

সিংঃ এই কথা সঁচা নহয় যে অসমৰ যুৱক সকল সৈন্যবাহিনীত যোগদান কৰিবলৈ আগ্ৰহী নহয়। দৰাচলতে, মই ইয়ালৈ অহাৰ পাছত অসংখ্য যুৱকে সৈন্যবাহিনীত যোগদান কৰাৰ সুবিধা দিয়াৰ বাবে মোক অনুৰোধ কৰি আছে। তথাপিও এটা কথা জনাওঁ, প্ৰথম পদক্ষেপ হিচাপে ভাৰত চৰকাৰে সৈন্য বাহিনীত অসমৰ বাবে থকা চাকৰিৰ পৰিমাণ (Quota)ৰ সংখ্যা বৃদ্ধি কৰিছে।

**সূত্ৰধাৰঃ ধন্যবাদ, মিষ্টাৰ সিং।**

সিংঃ ধন্যবাদ, অশেষ ধন্যবাদ।





# ৰাষ্ট্ৰীয় সন্মান

পৃথিৱীৰ সকলো সভ্যদেশতেই সমাজৰ গুণী আৰু জ্ঞানী লোকসকলক আনুষ্ঠানিকভাবে ৰাষ্ট্ৰীয় সন্মান প্ৰদৰ্শন কৰাৰ কথা প্ৰচলিত আছে। ভাৰতো তাৰ ব্যতিক্ৰম নহয়। ভাৰতৰ ৰাষ্ট্ৰীয় সন্মান হ'ল ভাৰত ৰত্ন, পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী। প্ৰতি বছৰে চাৱিশ জানুৱাৰীত উদ্‌যাপিত গণতন্ত্ৰ দিবস উপলক্ষে এই প্ৰতীকী সন্মানবোৰ ঘোষণা কৰা হয়। ৰাষ্ট্ৰীয় সন্মানৰ কাৰণে উপযুক্ত লোক বাছনি কৰা কাম সহজ নহয়। ৮৫ কোটি মানুহ বাস কৰা এই বিশাল দেশৰ পৰা প্ৰতি বছৰে মাত্ৰ দেৰশ বা দুশজন মানুহক এই সন্মানৰ কাৰণে বাছিব লগা হয়। ফলত যিমান যত্ন কৰিয়ে মানুহ বাছনি কৰা নহওক কিয়, প্ৰত্যেক বাৰেই এনে বাছনিত অলপ নহয় অলপ সমালোচনাৰ অৱকাশ থাকি যায়। ভাৰতত ৰাষ্ট্ৰীয় সন্মান প্ৰৱৰ্তন কৰিবৰ দিন ধৰি যিমানবোৰ লোকক এই সন্মান দিয়া হৈছে তেওঁলোকৰ প্ৰত্যেককেই কেৱল তেওঁলোকৰ কৃতিত্বৰ কথা বিবেচনা কৰিহে এই সন্মান দিয়া হৈছে বুলি স্বয়ং চৰকাৰেও দাবী কৰিব নোৱাৰে। সন্মানৰ কাৰণে বাছনি কৰা অন্ততঃ কিছু লোকৰ ক্ষেত্ৰত ৰাজনৈতিক বিবেচনা আৰু পক্ষপাতেও নিশ্চয় কাম কৰে। কিন্তু কেইবছৰমান আগলৈকে এই ৰাষ্ট্ৰীয় সন্মানবোৰক মানুহে মোটামুটিভাবে সন্মানৰ চকুৰে চাইছিল আৰু এই সন্মান পোৱাটোক সন্মানৰ কথা বুলি ভাবিছিল। তাৰ কাৰণ আছিল এয়ে যে ৰাষ্ট্ৰীয় সন্মানৰ যি উচ্চ মানদণ্ড চৰকাৰে নিৰ্দিষ্ট কৰি লৈছিল সেই মানদণ্ড যিমান দূৰ পৰা যায় মানি চলিবলৈ চেষ্টা কৰা হৈছিল। কিন্তু যোৱা কেইবছৰমানৰ পৰা সেই উচ্চ মানদণ্ড সমূলঞ্চে বিসৰ্জন দি বা ৰাষ্ট্ৰীয় সন্মানৰ মূল উদ্দেশ্যৰ কথা সমূলি পাহৰি গৈ ঘাইকৈ ৰাজনৈতিক বিবেচনাত এনেভাবে ৰাষ্ট্ৰীয় সন্মান বিতৰণ কৰিবলৈ লোৱা হৈছে যে ৰাষ্ট্ৰীয় সন্মানৰ গোটেই প্ৰথাটোৱেই এটা প্ৰহসনত মাত্ৰ পৰিণত হৈছে। প্ৰত্যেক বছৰেই এজন নহয় এজন লোকে বিভিন্ন কাৰণত ৰাষ্ট্ৰীয় সন্মান প্ৰত্যাখ্যান কৰে। কিন্তু যোৱা কেইবছৰমানত এনে দ্ৰুত গতিৰে ৰাষ্ট্ৰীয় সন্মানৰ মান অৱনমিত হ'ব ধৰিছে যে এনে এটা দিন বোধহয় বেচি দূৰত নাই – যেতিয়া ৰাষ্ট্ৰীয় সন্মান গ্ৰহণ কৰাটোক বেচিভাগ মানুহেই অসন্মানৰ কথা বুলিহে ভাবিবলৈ ধৰিব।

প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওক মই পণ্ডিত হিচাপে আৰু এজন সুদক্ষ প্ৰশাসক হিচাপে বিশেষ ভাবে শ্ৰদ্ধা কৰোঁ। তেওঁৰ প্ৰধান মন্ত্ৰীত্বই ভাৰতৰ কাৰণে এটা নতুন যুগৰ সূচনা কৰিছে বুলিও মই বিশ্বাস কৰো। এইবোৰ কথা মই ইতিমধ্যেই এখন অসমীয়া সাপ্তাহিকত লিখিছো। কিন্তু এইবছৰ তেওঁ যিভাবে ৰাষ্ট্ৰীয় সন্মানৰ কাৰণে মানুহ বাছনি কৰিলে তাৰ ফলত তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা ভালেখিনি কমিল। ৰাষ্ট্ৰীয় সন্মান জনোৱাৰ গোটেই প্ৰথাটোকেই তেওঁ ৰাজনৈতিক ভেটি দিয়া বা পুৰস্কাৰ দিয়াৰ অজুহাতত পৰিণত কৰি প্ৰথাটোৰ এটা অপূৰণীয় ক্ষতি সাধন কৰিলে। এই প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল যোৱা বছৰতেই – যেতিয়া কেৱল ৰাজনৈতিক স্বাৰ্থৰ কথা মনত ৰাখি সদ্যমৃত ৰাজীব গান্ধীক ততাতৈয়াকৈ ভাৰত-ৰত্ন সন্মান দিয়া হৈছিল। জানোচা ৰাজীব গান্ধীক ভাৰত-ৰত্ন দিয়াৰ সিদ্ধান্তটোক কোনোবাই সমালোচনা কৰে সেই ভয়তে পিছত অতি দৃষ্টি-কটুভাবে চৰ্দাৰ বল্লভভাই পেটেল, আবুল কালাম আজাদ, মোৰাৰজী দেশাই আৰু নেতাজী সুভাষচন্দ্ৰ বসুক ভাৰত-ৰত্ন দিবলৈ সিদ্ধান্ত লোৱা হ'ল। অৰ্থাৎ ভাৰতৰ এই শ্ৰেষ্ঠ সন্তানসকলৰ পূণ্যস্মৃতিক ব্যৱহাৰ কৰা হ'ল ক্ষমতাসীন দলৰ সংকীৰ্ণ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ কাৰণে। প্ৰধানমন্ত্ৰী নৰসিংহ ৰাৱে সিমানতে ক্ষান্ত নাথাকি বিৰোধী পক্ষৰ এজন প্ৰধান নেতা অটলবিহাৰী বাজপেয়িকো এই বছৰ পদ্মবিভূষণ সন্মানেৰে ভূষিত কৰি ৰাষ্ট্ৰীয় সন্মানক ৰাজনৈতিক উৎকোচলৈ ৰূপান্তৰিত কৰি পেলালে। ইয়াৰ পিছত আত্ম-সন্মানবোধ থকা কোনোবা মানুহে এনে ধৰণৰ ৰাষ্ট্ৰীয় সন্মান গ্ৰহণ কৰি নিজকে সন্মানিত বোধ কৰিবনে ?

এই বছৰ দুজন শ্ৰেষ্ঠ অসমীয়া – তথা সৰ্বজনশ্ৰদ্ধেয় শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী আৰু চৈয়দ আব্দুল মালিকে পদ্মভূষণ উপাধি লাভ কৰিছে। ইয়াৰ আগতেও অসমীয়া ভাষাৰ এজন শ্ৰেষ্ঠ কবি শ্ৰীনৱকান্ত বৰুৱাক পদ্মভূষণ দিয়া হৈছিল। তেওঁলোকৰ প্ৰত্যেকজনেই এই সন্মানৰ যোগ্য আৰু আমি তেওঁলোকক লৈ গৌৰবান্বিত। কিন্তু তথাপিও আমাৰ মনত এটা প্ৰশ্ন থাকি যায় ঃ কি যুক্তিত বা কি মাপকাঠিত স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ আৰু ড° মহেশ্বৰ নেওগ কেৱল পদ্মশ্ৰী ?

কোনোবাই ভাবিব পাৰে যে মই নিজে কোনো ৰাষ্ট্ৰীয় সন্মান নোপোৱাৰ কাৰণেহে ৰাষ্ট্ৰীয় সন্মানৰ বিৰুদ্ধে এনেকৈ বিষোদ্গাৰ কৰিছো। তেওঁলোকৰ জ্ঞাতাৰ্থে কৈ থব খোজো যে ১৯৮২ চনতেই মোক পদ্মশ্ৰী দিবলৈ প্ৰস্তাৱ কৰা হৈছিল। কিন্তু মই সবিনয়ে সেই সন্মান ল'বলৈ অস্বীকাৰ কৰিলো। মানুহৰ আন্তৰিক প্ৰীতি আৰু শ্ৰদ্ধাতকৈ ডাঙৰ সন্মান আন একো নাই।

# আলোচনা, আলফা, চৰকাৰ আৰু বিৰোধীপক্ষ

হিতেন মহন্ত

ফেব্ৰুৱাৰী মাহৰ শেষত আলফা আৰু চৰকাৰৰ মাজত আলোচনা হ'ব বুলি মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বাতৰি কাকতৰ জৰিয়তে ব্যক্ত কৰিছে। আলোচনাৰ তাৰিখ এতিয়াও ঠিক হোৱা নাই। আলোচনা কেতিয়া অনুষ্ঠিত হ'ব এই বিষয়ে আলফাই এতিয়াও ৰাজহুৱাভাৱে মতামত প্ৰকাশ কৰা নাই। কেৱল বাতৰি কাকতত প্ৰকাশ পাইছে যে আলফাৰ কেন্দ্ৰীয় নেতৃবৃন্দই আলোচনাৰ বিষয় লৈ সংগঠনটোৰ বিভিন্ন জিলা, আঞ্চলিক কমিটীৰ সৈতে যোগাযোগ কৰিছে। কিন্তু সেইবোৰ বাতৰি কাকতৰ সংবাদদাতাই যোগান ধৰা বাতৰিহে। আলফাৰ কেন্দ্ৰীয় সমিতিয়ে এই সন্দৰ্ভত এতিয়াও কোনোধৰণৰ মতামত প্ৰকাশ কৰা নাই। সেইদৰে বাতৰি কাকতত এই কথাও প্ৰকাশ পাইছে যে আলোচনা ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহতে অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও আলফাৰ নেতৃবৃন্দই যোৱা ১৪ জানুৱাৰীত সামৰিক বাহিনীৰ অভিযান স্থগিত ৰখাৰ পৰা এই সময়ছোৱাত বিভিন্ন জিলা, আঞ্চলিক কমিটীৰ সৈতে যোগাযোগ সম্পূৰ্ণ কৰিব নোৱৰাৰ বাবেই এই কাম সম্ভৱ হৈ নুঠিল।

আনহাতে ফেব্ৰুৱাৰী মাহৰ শেষত আলোচনা অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী শইকীয়াই ব্যক্ত কৰিছে যদিও এই সময়তে বিভিন্ন বাতৰি কাকতত বাতৰি প্ৰকাশ পাইছে যে আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱা চৰকাৰৰ সৈতে আলোচনাৰ বিৰোধী। সেইদৰে বাতৰি কাকতত মাজেসময়ে বাতৰি পৰিবেশন কৰি কোৱা হৈছে যে আলফাৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱা বৰ্তমান অসমত নাই! পৰেশ বৰুৱা বৰ্তমান ২০০ জন সহকৰ্মীৰে সৈতে বাংলাদেশত আছে। এই বাতৰি পৰিবেশন কৰাৰ এদিনৰ পিছতেই হয়তো আকৌ কোৱা হৈছে যে আলফাৰ মুখ্য সেনাধ্যক্ষজন বৰ্তমান উজনি অসমত আছে। উজনি অসমৰ তেওঁ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি জিলা আৰু আঞ্চলিক কমিটীৰ সৈতে যোগাযোগ ৰক্ষা কৰিছে। এই যোগাযোগেৰে তেওঁ আলোচনাৰ বিৰোধিতা কৰিছে। এনেবোৰ বাতৰিয়ে স্বাভাৱিকতে সৰ্বধসাধাৰণ ৰাইজক বিভ্ৰান্ত কৰিছে। আনহাতে এইবোৰ বাতৰিৰ সন্দৰ্ভত আলফাৰ কেন্দ্ৰীয় কমিটীৰ নীৰৱতাই জনসাধাৰণৰ সন্দেহ আৰু বিভ্ৰান্তি বৃদ্ধি কৰিছে। মুখ্যমন্ত্ৰী শইকীয়াই যদিও ব্যক্ত কৰিছে যে পৰেশ বৰুৱাৰ অনুপস্থিতিয়ে আলোচনাৰ পথত কোনো বাধাৰ সৃষ্টি নকৰে, তথাপিও এই বিষয়ত এতিয়াও সন্দেহ থাকি গৈছে।

সি যি কি নহওক যোৱা ২৯ জানুৱাৰীত আলফাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াই গুৱাহাটীৰ পৰা প্ৰকাশ কৰা বিবৃতিটো অতি তাৎপৰ্যপূৰ্ণ। সেই বিবৃতিৰ জৰিয়তে অনুপ চেতিয়াই ব্যক্ত কৰিছিল যে ১৭ ডিচেম্বৰত ঘোষণা কৰা অস্ত্ৰ সম্বৰণৰ পিছত ঘটিত অপহৰনকে আদি কৰি কোনো হিংসাত্মক কাৰ্যৰ সৈতে আলফাৰ সম্পৰ্ক নাই। ইয়াৰ লগতে চেতিয়াই ঘোষণা কৰিছিল যে উক্ত বিবৃতি প্ৰকাশৰ পিছত সংগঠনৰ সকলো পৰ্যায়ৰ বিষয়ববীয়া আৰু সদস্যই সংগঠনৰ নামত পুঁজি সংগ্ৰহ আৰু দুচকীয়া বা চাৰিচকীয়া যানবাহন জনসাধাৰণৰ পৰা লৈ ব্যৱহাৰ কৰিব নোৱাৰিব। লক্ষণীয় বিষয়টো হ'ল এয়ে যে এই বিবৃতি প্ৰকাশ হোৱাৰ পিছৰে পৰা এই পৰ্যন্ত আলফাৰ কোনো সদস্য হিংসাত্মক কাৰ্যৰ সৈতে জড়িত হোৱা নাই। এই পটভূমিতেই এই বিষয়টোত নিশ্চিত হ'ব পাৰি যে পলমকৈ হ'লেও আলফাৰ সৈতে চৰকাৰৰ আলোচনা হ'ব। অৱশ্যে আলোচনাৰ গাঁথনি কি হ'ব বা কিহৰ ভিত্তিত এই আলোচনা হ'ব সেই বিষয়ে এতিয়াও স্পষ্ট ধাৰণা প্ৰকাশ পোৱা নাই। মুখ্যমন্ত্ৰী শইকীয়াই অৱশ্যে অলপতে ব্যক্ত কৰিছে যে অৰ্থনৈতিক উন্নয়নেই আলোচনাৰ ভিত্তি হ'ব। স্বাধীন অসমৰ দাবী আলোচনাৰ ভিত্তি নহয়। কিয়নো আলফাই নিজেই সেই দাবী পৰিহাৰ কৰি স্বাধিকাৰৰ দাবী উত্থাপন কৰিছে। সেয়ে হ'লেও আলোচনাৰ ভিত্তি সমপৰ্কে এই পৰ্যন্ত আলফাৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ নীৰৱতাই এই বিষয়েটো অস্পষ্টতাৰ সৃষ্টি কৰিছে।

সি যি কি নহওক আলোচনাৰ বিষয়টোক কেন্দ্ৰ কৰিয়েই ৰাজ্যখনৰ প্ৰধান বিৰোধী ৰাজনৈতিক দলবোৰে আলোচনাৰ বিষয়ত উক্ত দলবোৰক আঠাত নোলোৱাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰিছে। বিধানসভাৰ বিৰোধী ৰাজনৈতিক দলবোৰে আলফা আৰু অন্যান্য জ্বলন্ত সমস্যাৰ বিষয়ে আলোচনা কৰাৰ বাবে শীঘ্ৰে বিধানসভাৰ এখন গোপন বৈঠক আহ্বান কৰিবলৈ ৰাজ্যপাল লোকনাথ মিশ্ৰৰ ওচৰত দাবী জনাইছে। অসমৰ সমস্যা সমাধানৰ বাবে চৰকাৰে আঞ্চলিক আৰু ৰাষ্ট্ৰীয় দলবোৰৰ সম্মিলন আহ্বান কৰাৰ বাবেও বিৰোধী ৰাজনৈতিক দলবোৰে দাবী জনাইছে। বিৰোধী ৰাজনৈতিক দলবোৰৰ এই দাবীৰ যুক্তিযুক্ততা আছে। কিয়নো চৰকাৰে শপত গ্ৰহণ কৰাৰ পিছতেই ৰাজ্যখনলৈ শান্তি ঘূৰি অহাৰ স্বাৰ্থতেই সৰ্বদলীয় সভাৰ আয়োজন কৰিছিল। সেই সভাত প্ৰধান বিৰোধী ৰাজনৈতিক দলবোৰৰ উপস্থিত সৰ্বদলীয় সভাই অসমলৈ স্থায়ী শান্তি ঘূৰি অহাৰ স্বাৰ্থত হিংসা বৰ্জন কৰি আলোচনাত বহিবলৈ আলফাৰ প্ৰতি আহ্বান জনাইছিল। অৰ্থাৎ চৰকাৰখনে বিৰোধী পক্ষক সেই সময়ত আস্থাত লৈছিল। বিৰোধী পক্ষইও ৰাজ্যখনলৈ স্থায়ী শান্তি ঘূৰি অহাৰ স্বাৰ্থতেই নিজৰ দায়িত্ব পালনৰ পৰা বিৰত থকা নাছিল। তেনেস্থলত চৰকাৰে এতিয়া আলোচনাৰ বিষয়ত বিৰোধী ৰাজনৈতিক দলবোৰক এৰাই চলাৰ যুক্তি ক'ত? সেইদৰে আলফাইও ৰাজহুৱাভাৱে ঘোষণা কৰিছিল যে বিভিন্ন দল, সংগঠন, বুদ্ধিজীৱী আৰু ৰাইজৰ মতামতৰ প্ৰতি সন্মান জনাই অসমৰ স্থায়ী শান্তিৰ স্বাৰ্থতেই সংগঠনটোৱে আলোচনাৰ বাবে আগবাঢ়ি আহিছে। গতিকে এতিয়া সমস্যাটো সমাধানৰ ক্ষেত্ৰত বিৰোধীপক্ষৰ লগতে ৰাইজৰ মতামতক উলাই কৰাৰ যুক্তি ক'ত? আলফাই সদায়ে দোহাৰি আহিছে যে অসমৰ জনগণৰ মতামতকে সংগঠনটোৱে শ্ৰদ্ধা জনাই আহিছে। সেয়ে আলোচনাৰ গাঁথনি আৰু আলোচনাৰ ভিত্তি কি হ'ব সেইটো আনুষ্ঠানিক আলোচনা অনুষ্ঠিত হোৱাৰ আগেয়ে অসমৰ ৰাইজক অৱগত কৰোৱাটো বাঞ্চনীয়। আলোচনাৰ বিষয়বস্তু অৱগত নকৰাকৈ চৰকাৰ আৰু আলফাৰ নেতৃবৃন্দই আলোচনাত বহিলে জনসাধাৰণৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হ'ব। ফলস্বৰূপে আলোচনাৰ অন্তত কিবা সমাধানৰ সূত্ৰ উলিয়ালেও ৰাইজে সেইটো বিশ্বাসত নল'ব। সকলো পক্ষক আস্থাত নোলোৱাকৈ মীমাংসাত উপনীত হ'লে অসম চুক্তিৰ দৰেই তাৰ দশা হ'ব। সাময়িকভাৱে সেই চুক্তিয়ে ৰাজ্যখনলৈ শান্তি ঘূৰাই আনিলেও অদূৰ ভৱিষ্যতে তাৰ পৰিণতি মাৰাত্মক হৈ উঠিব পাৰে। অন্ততঃ আলোচনাৰ পথত এতিয়ালৈকে যিদৰে আগবঢ়া হৈছে, সেইটোৱে তাৰেই ইংগিত বহন কৰিছে। সেইটো যাতে হ'ব নোৱাৰে তাৰ বাবে চৰকাৰ আৰু আলফা উভয়পক্ষই সজাগ হ'ব লাগিব।

আনহাতে বিৰোধীপক্ষ একেলগে লগলাগি যে ৰাজ্যখনৰ বৃহত্তৰ অংশ জনসাধাৰণক প্ৰতিনিধিত্ব কৰে সেইটোও কোনেও অস্বীকাৰ কৰিব নোৱাৰে। গতিকে আলোচনাৰ ক্ষেত্ৰত বিৰোধীপক্ষক উলাই কৰি চলা মানে বৃহত্তৰ অংশ জনসাধাৰণকে উলাই কৰাটো সূচাব। বিৰোধী দলবোৰক আস্থাত ল'লেই চৰকাৰে কৃতিত্ব হেৰুৱাব বুলি ভাবি ল'ব নালাগিব। ■







# প্ৰস্তাৱিত আই, আই, টিৰ শৈক্ষিক উদ্দেশ্য (২)

অসমত প্ৰস্তাৱিত ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠানটোৰ (আই, আই, টি) শৈক্ষিক কাৰ্যসূচী সম্পৰ্কে যোৱা সংখ্যাত আমি উল্লেখ কৰিছিলো। এই শৈক্ষিক কাৰ্যসূচী তিনিটা শৈক্ষিক বিভাগত বিভক্ত কৰা হৈছে ঃ (১) বিভাগ (Departments) (২) আন্তঃবিভাগীয় কেন্দ্ৰসমূহ (Inter-disciplinary Centres) (৩) কেন্দ্ৰীয় শৈক্ষিক সা-সুবিধা (Central Academic Facilities)।

প্ৰতিষ্ঠানটোৰ প্ৰাথমিক পৰ্যায়ত নিম্নোক্ত বিভাগসমূহ থাকিব।

(১) বিভাগঃ

(ক) Chemical Engineering;
(খ) Civil Engineering;
(গ) Computer Science & Engineering;
(ঘ) Elecrtonics & Communications Engineering;
(ঙ) Industrial Design;
(চ) Mechanical Engineering;
(ছ) Petroleum Engineering;
(জ) Humanities & Social Sciences;
(ঝ) Applied Biological Sciences;
(ঞ) Physics;
(ট) Mathematics;
(ঠ) Chemistry;
(ড) Management Science.

২। আন্তঃবিভাগীয় কেন্দ্ৰসমূহঃ

(ক) Computer Aided Design & Manufacture;
(খ) Electronic Designs;
(গ) Energy Engineering;
(ঘ) Safety Engineering & Disaster Management;
(ঙ) Agri. and Forest Resources Technology.

৩। কেন্দ্ৰীয় শৈক্ষিক সা-সুবিধাঃ

(ক) Education Technology;
(খ) Central Workshop;
(গ) Computer Centre;
(ঘ) Central Library;
(ঙ) Central Instrumentation Facility — (Analytical Instruments, Instruments Maintenance & Repairs);
(চ) Voice, Data and Picture Communication Network;
(ছ) Mass Media Communication Facility;
(জ) Classroom Complex including TVI Lecture Theatres;
(ঝ) Conference Centre.

প্ৰস্তাবিত আই, আই, টি খনৰ পাঠ্যক্ৰম সমূহৰ শৈক্ষিক উদ্দেশ্যৰ (Academic Objective) বিষয়ে অসমৰ ছাত্ৰ-ছাত্ৰী তথা ৰাইজ যাতে উপকৃত হ'ব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই প্ৰতিষ্ঠানটোৰ বিভাগসমূহৰ এটি চমু আভাষ দাঙি ধৰা হ'ল।

**১। Chemical Engineering:**

এই পাঠ্যক্ৰমৰ প্ৰস্তাবিত শৈক্ষিক উদ্দেশ্যসমূহ হ'ল, B. Tech., M. Tech., M.S. (গৱেষণাৰ দ্বাৰা) আৰু Ph. D. পৰ্যায়লৈকে উচ্চ মানদণ্ড সম্পন্ন ৰাসায়নিক অভিযান্ত্ৰিক শিক্ষা প্ৰদান। নতুন উন্নত আৰু সংশ্লিষ্ট প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় প্ৰায়োগিক গৱেষণাৰ বাবে মৌলিক সা-সুবিধা প্ৰদান। চৰকাৰ তথা উদ্যোগ উন্নয়নৰ বাবে পৰিকল্পনা আৰু কাৰিকৰী সমস্যা সমাধানৰ বাবে পৰামৰ্শমূলক সেৱা আগবঢ়োৱা। সক্ৰিয় বৃত্তিজীৱী আৰু শিক্ষাব্ৰতীসকলৰ বাবে নিয়মিত শৈক্ষিক কাৰ্যসূচী পৰিচালনা কৰা।

**২। Civil Engineering :**

এই চিভিল ইঞ্জিনিয়াৰিং বিভাগত এক আধুনিক বি, টেক (B. Tech.) পাঠ্যক্ৰম প্ৰৱৰ্তন। থলুৱা উদ্যোগৰ সহযোগে শৈক্ষিক কাৰ্যসূচীত বৰঙণি যোগোৱাৰ সম্ভাৱনা থকা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰৱৰ্তন। সামগ্ৰিকভাৱে ৰাষ্ট্ৰীয় উন্নয়ন আৰু বিশেষকৈ আঞ্চলিক উন্নয়নৰ ক্ষেত্ৰত মৌলিক আৰু প্ৰায়োগিক গৱেষণাৰ ব্যৱস্থা কৰা। চৰকাৰ, উদ্যোগ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহলৈ অব্যাহত শৈক্ষিক কাৰ্গসূচী আৰু পৰামৰ্শমূলক সেৱা আগবঢ়োৱা।

**৩। Computer Science & Engineering :**

এই পাঠ্যক্ৰমৰ উদ্দেশ্য হ'ল, নিম্নস্নাতক মহলা (undergradute), স্নাতকোত্তৰ আৰু গৱেষণামূলক পৰ্যায়লৈকে শৈক্ষিক কাৰ্যসূচীত উদ্‌গণিমূলক পৰিবেশৰ সুবিধা প্ৰদান। বিভাগটোৱে ন-ন সমস্যা সমাধানৰ পদ্ধতি উদ্ভাৱন কৰিব আৰু সমসাময়িক নতুন নতুন প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত সৃজনিমূলক কামত প্ৰয়োগ কৰিব।

**৪। Electronics & Communications Engineering:**

এই বিভাগৰ প্ৰাথমিক উদ্দেশ্য হৈছে – নিম্নস্নাতক, স্নাতকোত্তৰ আৰু গৱেষণা পৰ্যায়ত ইলেক্ট্ৰনিক আৰু কমিউনিকেচন ইঞ্জিনিয়াৰিঙৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰা। এই বিভাগৰ আন এটা উদ্দেশ্য হৈছে, ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক তত্ত্বগত আৰু কাৰিকৰী কৌশলগত জ্ঞান যথোপযুক্তভাৱে সম্পূৰ্ণ হৈ উঠাৰ পিছত এই বিষয়ত ছাত্ৰ-ছাত্ৰীসকলক সামগ্ৰীকভাৱে বিশেষজ্ঞ হিচাপে গঢ়ি তুলিবলৈ আঁচনি লোৱা হ'ব। স্নাতকোত্তৰ পৰ্যায়ত প্ৰতিষ্ঠানৰ ভিতৰত চলি থকা বিভিন্ন প্ৰকল্পত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰা হ'ব। ব্যক্তিগতভাৱে গৱেষণাৰ সাফল্যৰ স্বীকৃতিৰ উপৰিও ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰাসঙ্গিক উন্নয়নমূলক কামৰ বাবেও পিএইছ, ডি ডিগ্ৰী প্ৰদান কৰা হ'ব।

**৫। Industrial Design:**


এই বিভাগৰ উদ্দেশ্য হ'ল, উৎপাদিত সামগ্ৰী আৰু ব্যৱস্থা, যিবিলাক ব্যৱস্থাৰে ইয়াক ব্যৱহাৰ কৰা হয়, তাৰ সম্পৰ্কটোৱেই হৈছে, ঔদ্যোগিক নক্সাৰ (Industrial Design) মূল বিষয়। মানুহ নিৰ্মিত উৎপাদনৰ বাতাবৰণ নক্সাৰ যোগেদি পৰিবৰ্তন অনাৰ বাবে বৃত্তিগত নক্সাকাৰীক উদ্‌গণি দিয়া; ছাত্ৰ-ছাত্ৰীসকলক নক্সা তৈয়াৰ কৰাত নক্সা উদ্ভাৱন আৰু নক্সাৰ প্ৰস্তুতি আৰু ভাৰতীয় পৰিবেশৰ লগত অনুশীলন কৰা; তৰুণ নক্সাকাৰীসকলক ঐতিহাসিক পটভূমিত নক্সা প্ৰস্তুতিৰ প্ৰতি আকৰ্ষণ





OKDISCD

## ভাৰতীয় প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰস্তাৱিত পৰিষদখনৰ গাঁথনিৰ এক আৰ্হি




## নিম্নোক্ত বিভাগসমূহৰ বিভিন্ন পাঠ্যক্ৰমত শিক্ষা লাভ কৰিব পৰা ছাত্ৰ- ছাত্ৰীৰ সংখ্যা ঃ

**Chemical Engineering:**
B. Tech. in Chemical Engineering- 45 per year
M. Tech. in Chemical Engineering- 10 "
M. Tech. in Process Engineering - 10 "
M. Tech. in Polymer Engineering- 10 "
M. Tech. in Biochemical Engg.- 10 "
M. S. (by research)- 5 "
Ph. D.- 20 Students

**Civil Engineering:**
B. Tech. in Civil Engineering- 45 per year
M. Tech. in Building Technologh & Construction Management- 15 "
M. Tech. in Geotechnical Engg.- 15 "
M. tech. in Water Resources Engg.- 15 "
M. S. (by research)- 5 "
Ph. D.- 20 Students

**Computer Science & Engineering:**
B. Tech. in Computer Science & Engg.- 45 per year
M. Tech. in Computer Science & Engg.- 20 "
M. S. (by research)- 5 "
Ph. D.- 5 "
Modular-PG Certificate/PG Diploma/M. Tech.- Need based

**Electronics & Communications Engg.:**
B. Tech. in Electronics & Communications Engg.- 45 Per year
M. Tech. in Integrated Circuit Design.- 15 "
M. Tech. in Digital Hardware Design.- 15 "
M. Tech. in Satellite communication and Remote Sensing.- 15 "
M. Tech. in Fibre Optical Communitation.- 15 "
M. S. (by research).- 5 "
Ph. D.- 20 Students



**Industrial Design:**
B. Des. in Industrial Design.- 20 per year
M. Des. (2 years by research equivalent to M. Tech.)- 10 "
M. Tech. in Product Development- (Jointly with engg. deptts.) 10 "

**Mechanical Engineering:**
B. Tech. in Mechanical Engg.- 45 per year
B. Tech. in Manufacturing Engg.- 30 "
M. Tech. in Machine Design.- 15 "
M. Tech. in Manufacturing Engg. & Management.- 15 "
M. Tech. in Computer Integrated Manufacture. *- 15 "
M. Tech. in Pipeline Engineering.- (for sponsored Candidates) 10 "
M. Tech. in Maintenance Engg. and management.- 10 "
M. S. (by research)- 5 "
Ph. D./D. Tech.- 20 Students.
* (Inter-disciplinary programmes to be coordinated by the Mechanical Engg. Deptt.)

**Petroleum Engineering:**
B. Tech. in Petroleum Engg.- 20 per year
M. Tech. in Petroleum Engg.- 20 "
with Specialisation in Mathematical Modelling/Enhanced Recovery Techniques/-Production Processing/Natural Gas Engineering.
M.S. (by research).- 5 "
Ph.D/D. Tech.- 20 students.

**Humanities & Social Sciences:**
— Core and elective Courses, in the areas of focus for undergraduate Students against the humanities & Social Sciences and open elective slots;
— research Programme leading to the Ph. D. degree in the areas of focus of the department with a strength of 20 students.

**Applied Biological Sciences:**
— Core and elective courses in Applied Biological Sciences for undergraduate students of the institute;
— 5 years integrated M. Sc. programme in Applied Biological Sciences with an intake of 20 students per year through the JEE (Joint Entrance Examination).
— research Programmes leading to the Ph. D. degree in Applied Biological Sciences with a total strength of 20 students.

**Department of Physics:**
— Core and elective courses in basic and applied physics for undergraduate students of the institute:
— 5 years integrated M.Sc. programme in engineering physics with an intake of 20 students per year through JEE;
— 2 years (post B.Sc.) M. Sc. Programme in applied physics with an intake of 20 students per year;
— M. Tech. programme in Optoelectronics with an intake of 15 students per year.
— research programme leading to the Ph.D. degree in Applied Physics with a total strength of 20 students.

**Department of Mathematics:**
— core and elective courses in Applied mathematics for undergraduate and post graduate students of the institute;
— 5 years integrated M. Sc. programme in Mathematics with computer Science with an intake of 20 students per year through JEE;
— 2 years Post B. Sc.) M. Sc. programme in statistics and Operation Research with an intake of 20 students per year.
— Research programmes leading to the Ph. D. degree in Applied Mathematics with a total strength of 20 students.

**Department of Chemistry:**
— Core and elective courses in the fundamentals of Chemistry for undergraduate students of the institute;
— 2 years (Post B. Sc.) M. Sc. Programme in Chemistry with an intake of 20 students per year;
— research programmes leading to the Ph. D. degree in chemistry with a total strength of 20 students.

**Department of Management Science:**
B. Tech. in Management Science.- 20 per year
M. Tech. in Management Science.- 20 "
Ph. D. in Management Science.- 20 students
Modular/PG Certificate/PG Diploma/M. Tech. need based

কৰা; বিশেষকৈ যন্ত্ৰ উৎপাদিত সামগ্ৰীৰ বিষয়ত নক্সাৰ গঠন আৰু আকৃতিৰ ক্ষেত্ৰত সংবেদনশীলতা গঢ়ি তোলা. তেওঁলোকক অনুভৱ কৰোৱা হ'ব যে নক্সা এটা ব্যৱহাৰকাৰী কেন্দ্ৰী কাম আৰু ব্যৱহাৰকাৰীজনৰ উপকাৰৰ বাবেই নক্সা প্ৰস্তুত কৰা হয়।

নক্সাৰ বিভিন্ন ক্ষেত্ৰত প্ৰায়োগিক আৰু তত্বগত গৱেষণাৰ বিকাশ; বৃত্তিগত নক্সাকাৰী আৰু গৱেষকসকলৰ ব্যৱহাৰৰ বাবে নক্সাৰ ক্ষেত্ৰত তথ্যভাণ্ডাৰ (data bases)গঠন কৰা; নক্সাৰ সা-সজুলি প্ৰয়োজনত উদ্যোগসমূহলৈ পৰামৰ্শমূলক সেৱা আগবঢ়োৱা; প্ৰতিষ্ঠানিক গৱেষণাৰ উৎপাদন, উন্নয়ন আৰু বাণিজ্যিক মূল্য



CKDISCD

বৃদ্ধিৰ বাবে উদ্যোগীক নক্সাৰ সা-সজুলি যোগান ধৰি Institute Technology Innovation Park-ক সহায় কৰা; শৈক্ষিক কাৰ্যসূচীৰ যোগেদি উদ্যোগসমূহৰ লগত যোগাযোগ ৰক্ষা কৰা; দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু কাৰিকৰী বিকাশৰ ক্ষেত্ৰত নক্সা যে এটা আহিলা, সেই ধাৰণা উন্নত কৰা।

**৬। Mechanical Engineering:**

এই বিভাগৰ উদ্দেশ্য হ'ল, বি, টেক; এম, টেক; এম, এছ (গৱেষণাৰ দ্বাৰা) আৰু পিএইছ ডি/ ডি, টেক পৰ্যায়লৈ উচ্চ মানদণ্ড সম্পন্ন শিক্ষা প্ৰদান কৰা; নতুন উন্নত আৰু সংশ্লিষ্ট প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় প্ৰায়োগিক গৱেষণাৰ বাবে মৌলিক গৱেষণাৰ সুবিধা প্ৰদান; চৰকাৰ আৰু উদ্যোগৰ ক্ষেত্ৰত পৰিকল্পনা আৰু কাৰিকৰী সমস্যা সমাধানৰ বাবে পৰামৰ্শমূলক সেৱা আগবঢ়োৱা; সক্ৰিয় বৃত্তিজীৱী আৰু শিক্ষাব্ৰতীসকলৰ বাবে প্ৰচলিত শৈক্ষিক কাৰ্যসূচী পৰিচালনা কৰা; প্ৰতিষ্ঠানটোৰ বিভিন্ন বিভাগ/কেন্দ্ৰৰ মাজত আন্তঃপাঠ্যক্ৰম কাৰ্যসূচী ব্যৱস্থা কৰা।

**৭। Petroleum Engineering:**

এই বিভাগৰ উদ্দেশ্য হ'ল – স্নাতক, স্নাতকোত্তৰ আৰু গৱেষণা পৰ্যায়ত পেট্ৰোলিয়াম ইঞ্জিনিয়াৰিঙৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰা যাতে পেট্ৰোলিয়াম উদ্যোগৰ ক্ষেত্ৰত সম্পূৰ্ণ নিষ্ঠা আৰু একাগ্ৰতা থকা উচ্চ মানদণ্ড সম্পন্ন জনশক্তি সৃষ্টি কৰিব পৰা যায়; পেট্ৰোলিয়াম উদ্যোগৰ সৈতে সহযোগিতামূলক গৱেষণা আঁচনিৰ জৰিয়তে নতুন আৰু প্ৰাসঙ্গিক কৌশল বা প্ৰযুক্তি উদ্ভাৱন কৰা আৰু তাক কাৰ্যকৰী ব্যৱহাৰৰ কাৰণে সেই উদ্যোগলৈ হস্তান্তৰ কৰা; পৰিকল্পনা আৰু প্ৰযুক্তি বিদ্যা সম্পৰ্কীয় সমস্যা সমাধানৰ বাবে পৰামৰ্শমূলক সেৱা আগবঢ়োৱা; বিভিন্ন হ্ৰস্বকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।

**৮। Humanities & social Sciences:**

এই বিভাগটোৰ শৈক্ষিক উদ্দেশ্য হৈছে সমাজৰ সদস্য হিচাপে প্ৰযুক্তি বিদ্যাৰ ছাত্ৰসকলৰ কলা আৰু বিজ্ঞানৰ বিভিন্ন বিষয়ৰ যথোপযুক্ত জ্ঞান প্ৰদান কৰা, মানৱীয় সমস্যা আৰু সামাজিক বৈচিত্ৰ্যতা সম্পৰ্কে সচেতন কৰি তোলা আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি সজাগ কৰি তোলা, ৰাষ্ট্ৰীয় পুনৰ গঠনৰ ক্ষেত্ৰত ব্যক্তি হিচাপে, বৃত্তিধাৰী হিচাপে অথবা পেছাদাৰী হিচাপে আৰু সমাজৰ সদস্য হিচাপে ৰাষ্ট্ৰীয় পুনৰ নিৰ্মাণত তেওঁলোকৰ দায়িত্বৰ বিষয়ে উপলব্ধি কৰোৱা; ইঞ্জিনিয়াৰিং আৰু প্ৰযুক্তি বিদ্যাৰ ছাত্ৰসকলৰ বাবে কলা আৰু সমাজ বিজ্ঞান কাৰ্যসূচীৰ ঘাই উদ্দেশ্য হ'ল, নিম্নোক্ত বিষয়সমূহৰ উন্নতি সাধন।

লিখিত আৰু মৌখিক দুয়োক্ষেত্ৰতে সংযোগৰ দক্ষতা বৃদ্ধি; বৰ্তমান আৰু অতীতৰ মানৱ সংস্কৃতিৰ জ্ঞান বৃদ্ধি কৰা আৰু এটাই আনটোক কেনেকৈ প্ৰভাবান্বিত কৰে তাৰ বিষয়ে অৱগত কৰোৱা; মানৱীয় প্ৰযত্নৰ অন্তৰালত থকা সংজ্ঞা, ধাৰণা আৰু চিন্তাৰ পদ্ধতিৰ বিষয়ে সজাগ কৰা; সমাজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক গাঁথনিৰ বিষয়ে বুজাই তোলা; যোগাযোগৰ পদ্ধতি বা নিজৰ প্ৰকাশ কলাৰ প্ৰতি সজাগ কৰোৱা; বৌদ্ধিক, নৈতিক আৰু সামাজিক সমস্যাৰ আৰু বৈজ্ঞানিক তথা প্ৰযুক্তি বিদ্যাৰ সম্পৰ্কীয় কাৰ্যকলাপ আৰু অনুশীলনৰ ফলাফল সম্পৰ্কে সজাগ কৰি তোলা।

কলা আৰু সমাজ বিজ্ঞান বিভাগৰ অধীনত ভালেমান শাখা-প্ৰশাখা আছে। প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত বিস্তৃতভাবে সাধাৰণ শিক্ষাৰ পাঠ্যক্ৰম সামৰি লোৱা সম্ভৱ নহয়। অভিযান্ত্ৰিক বিষয়ৰ প্ৰত্যাহ্বানসমূহ যাতে প্ৰযুক্তি বিদ্যাৰ ছাত্ৰসকলে গ্ৰহণ কৰিব পাৰে সেই উদ্দেশ্য ৰাখিহে ইয়াৰ অঞ্চল তথা পাঠ্যক্ৰম নিৰ্দ্ধাৰণ কৰা হয়।

**৯। Applied Biological Sciences:**

এই পাঠ্যক্ৰম সংহত এম, এছ চি (Integrated M.Sc) কাৰ্যসূচীৰ অন্তৰ্ভুক্ত হ'ব। অভিযান্ত্ৰিক আৰু জৈব বিদ্যা সম্পৰ্কীয় বিভিন্ন শাখাৰ শিক্ষা প্ৰদানৰ বাবে অভিযান্ত্ৰিক আৰু প্ৰযুক্তি বিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকললৈ জৈব বিদ্যা বিজ্ঞানৰ গুণগত শৈক্ষিক কাৰ্যসূচী এই পাঠ্যক্ৰমৰ অধীনত আগবঢ়োৱা হ'ব।

এই সম্পৰ্কীয় সকলো শাখাৰ (Molecular Biology and Genetics-including genetic engineering and r-DNA technic, Biochemistry, Microbiology and Biophysics) শৈক্ষিক আৰু গৱেষণা প্ৰশিক্ষণ প্ৰদান; মৌলিক আৰু প্ৰায়োগিক ব্যৱস্থাই জন্ম নিয়ন্ত্ৰণ, পৰিবেশ, কৃষি, বনাঞ্চল, জীৱজন্তুৰ জন্ম আদি ভালেমান বিষয় এই পাঠ্যক্ৰমে সামৰি ল'ব।

**১০। Department of Physics:**

এই পাঠ্যক্ৰমে পদাৰ্থ বিজ্ঞান বিভাগৰ অধীনত অভিযান্ত্ৰিক আৰু কাৰিকৰী বিদ্যাৰ মহাবিদ্যালয়ৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ অভিযান্ত্ৰিক পদাৰ্থ বিজ্ঞানৰ মৌলিক জ্ঞান প্ৰদান কৰিব। প্ৰায়োগিক পদাৰ্থ বিজ্ঞানৰ বিষয়ে স্নাতকোত্তৰ পৰ্যায়ৰ উচ্চস্তৰৰ শৈক্ষিক (advanced academic) আৰু গৱেষণাৰ প্ৰশিক্ষণ দিব; চিনাক্ত কৰা অঞ্চলসমূহত মৌলিক তথা প্ৰায়োগিক গৱেষণাৰ ব্যৱস্থা কৰা। এই পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ'ব –

**১১। Department of Mathematics:**

গণিত শাস্ত্ৰ বিভাগে এই পাঠ্যক্ৰমক সামৰি ল'ব। বিজ্ঞানসম্মত ধ্যান-ধাৰণা, নীতি আৰু দৃষ্টান্ত সমূহৰ অধ্যয়নৰ বিষয়ত অভিযান্ত্ৰিক ছাত্ৰ-ছাত্ৰীসকলক প্ৰায়োগিক অঙ্ক শাস্ত্ৰৰ শিক্ষা প্ৰদান কৰা হ'ব; প্ৰায়োগিক অঙ্ক শাস্ত্ৰ, পৰিসংখ্যা আৰু গৱেষণা তথা কম্পিউটাৰ বিজ্ঞানৰ ক্ষেত্ৰত জনশক্তিৰ নাটনি পূৰাব পৰাকৈ উচ্চস্তৰৰ শৈক্ষিক আৰু গৱেষণামূলক প্ৰশিক্ষণ স্নাতকোত্তৰ মহলাত থাকিব; নিৰ্দ্ধাৰিত গুৰুত্বপূৰ্ণ অঞ্চলত মৌলিক আৰু প্ৰায়োগিক গৱেষণা পৰিচালনা কৰা হ'ব।

**১২। Department of Chemistry:**

এই বিভাগৰ শৈক্ষিক উদ্দেশ্য হ'ল – অভিযান্ত্ৰিক আৰু প্ৰযুক্তি বিদ্যা বিভাগৰ নিম্নস্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰসায়ন বিভাগত মৌলিক আৰু প্ৰায়োগিক বিষয়ৰ পাঠ্যক্ৰম থাকিব; স্নাতকোত্তৰ মহলাৰ বাবে প্ৰায়োগিক ৰসায়ন বিভাগত উচ্চস্তৰৰ পৰ্যায়ৰ প্ৰায়োগিক আৰু গৱেষণা প্ৰশিক্ষণ দিয়া হ'ব; চিনাক্ত কৰা অঞ্চলসমূহত মৌলিক আৰু প্ৰায়োগিক গৱেষণা পৰিচালনা কৰা হ'ব।

**১৩। Management Science:**

এই পৰিচালনা বিজ্ঞান বিভাগটোৰ উদ্দেশ্য হ'ল – উপযুক্ত অভিযন্তাৰূপে গঢ়ি তুলিবৰ বাবে অভিযান্ত্ৰিক ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যা সমাধান আৰু সিদ্ধান্ত গ্ৰহণৰ দক্ষতা বৃদ্ধি কৰাৰ বাবে প্ৰয়োজনীয় পৰিচালনা সম্পৰ্কীয় প্ৰশিক্ষণ প্ৰদান; কাৰিকৰী পৰিচালনাৰ লগতে অভিযান্ত্ৰিক ভিত্তিক সংগঠনবিলাকৰ পৰিচালনা সম্পৰ্কীয় কৌশল সম্পৰ্কে সচেতন নিম্নস্নাতক আৰু স্নাতকোত্তৰ মহলাৰ প্ৰশিক্ষণপ্ৰাপ্ত এক জনশক্তি সৃষ্টি কৰা; অভিযান্ত্ৰিক উৎপাদন, ৰক্ষণাবেক্ষণ আৰু নিৰ্মাণ আদিৰ দৰে বিভিন্ন বিষয়ত সংযুক্ত সামাজিক, কাৰিকৰী ব্যৱস্থাৰ ক্ষেত্ৰত গৱেষণামূলক কাৰ্যসূচী উন্নত কৰা। ■

হৰেন বুঢ়াগোহাঞি





# দেশপ্ৰেম, একতা আৰু আন্তৰ্জাতিক অৱস্থা

ড০ মছউদ্দুল হক

দেশপ্ৰেম, একতা আদি এনেকুৱা অনুভূতি – যাৰ কোনো বিকল্প নাই। যিখন দেশৰ মানুহৰ মাজত এনে অনুভূতি নাই তেনে দেশে স্বাধীন দেশ হিচাপে অস্তিত্ব ৰক্ষা কৰিব পৰাৰ সম্ভাৱনাও নাই। ষ্টেলিনৰ আমোলৰ ছোভিয়েত ৰাছিয়াত অভাৱ আছিল, অনাটন আছিল। কিন্তু তেওঁলোকৰ দেশপ্ৰেম আছিল অনুকৰণীয়। হিটলাৰৰ বিশাল সু-সজ্জিত বাহিনীৰ লগত ৰুছবাসীয়ে অস্ত্ৰ, খাদ্য আৰু কাপোৰৰ প্ৰচণ্ড অভাৱতো আনকি হতা-হতি যুদ্ধত লিপ্ত হোৱাৰো অজস্ৰ ঘটনা বুৰঞ্জী হৈ আছে। তেওঁলোকৰ লক্ষ্য আছিল এটাই – দেশৰক্ষা। তেতিয়া কোন শ্লাভ, কোন বাল্টিক, কোন কাজাখ কোনেও চিন্তা কৰা নাছিল।

ৰুছ দেশৰ সেই জীৱন-পণ যুদ্ধৰ স্মৃতি পাঁচ দশক পূৰ নৌহওঁতেই ছোভিয়েত ৰাছিয়াৰ পোন্ধৰটা গোট বেলেগ হৈ পৰিছে। ছোভিয়েত ৰাছিয়াত ক্ষুদ্ৰ জাতি সমূহৰ সমস্যা সমাধান হ'ল বুলিয়ে আমাৰ ধাৰণা আছিল। ষ্টেলিনৰ জাতি সমস্যা সমাধানৰ ব্যৱস্থাৱলী আমি বেদৰ বিধান বুলিয়ে ভাবি আহিছো। পিছে ১৯৯২ চনত আহি দেখা গ'ল ছোভিয়েত ৰাছিয়া আৰু নাই। সমাজতন্ত্ৰৰ নামত সমাজৰ কল্যাণ নকৰি দলৰ কল্যাণত ব্যস্ত হৈ পৰি গণতান্ত্ৰিক ভিত্তি আৰু মানৱতাবাদী দৃষ্টিভংগী লুপ্ত কৰি পেলোৱা হ'ল। যোৱা তিনিটা দশকত ৰাছিয়াই আমেৰিকান সাম্ৰাজ্যবাদৰ লগত প্ৰতিযোগিতা কৰিবলৈ গৈ আচলতে সাম্ৰাজ্যবাদৰ পথকে ললে। আফগানিস্তানত খুঁটি পুতিবলৈ গৈ আৰু ভাৰত মহাসাগৰত স্থিতি সবল কৰিবলৈ গৈ অৰ্থনৈতিক ভেটিটো নষ্ট কৰিলে। সৰ্বোপৰি দলৰ নামত চলিল ব্যাপক দুৰ্নীতি, সুবিধাবাদী নেতৃত্বৰ বিলাসিতা আৰু স্বাৰ্থপৰতা। জনসাধাৰণৰ বাবে দল নহৈ দলৰ বাবেহে জনসাধাৰণক ব্যৱহাৰ কৰাৰ ব্যৱস্থা হ'ল। স্বাভাৱিক পৰিণতি পতন।

## পুঁজিবাদৰ দাদাগিৰি

কোনোৱে হয়তো ক'ব যে ৰাছিয়া খণ্ড-বিখণ্ড হয় হওক, আমাৰ কি আহে যায়? কথাটো দেখাত সঁচা যেন লাগিলেও কিন্তু আজিৰ আন্তৰ্জাতিক পৰিস্থিতিত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ বাবে আটাইতকৈ ডাঙৰ বিপদ আমেৰিকান পুঁজিবাদৰ দাদাগিৰি। এই দাদাগিৰিৰ স্বৰূপ আমি যোৱা বছৰ (১৯৯১) ইৰাকত দেখিছো। ৰাষ্ট্ৰসংঘৰ প্ৰতিষ্ঠা হৈছিল পৃথিৱীক যুদ্ধৰ পৰা ৰক্ষা কৰিবলৈ। কিন্তু আমেৰিকাই ৰাষ্ট্ৰসংঘৰ হতুৱাই যুদ্ধ ঘোষণা কৰালে। শিশু, বৃদ্ধ, নিৰস্ত্ৰ ভগনীয়া কোনোৱে ৰেহাই নেপালে। লক্ষাধিক মৃত আৰু বিকলাংগৰ তেজৰ বিনিময়ত আহিল জয়। বোমাৰ আক্ৰমণ হাস্পাতাল, স্কুল, ৰেল আৰু বাছৰ ষ্টেচনতো চলিল। ইৰাকী নেতা ছাদ্দাম হুছেইনৰ অনমনীয় মনোভাব আৰু নিৰীহ মানুহক পণ হিচাপে লৈ কৰা অহংকাৰ নিন্দনীয়। কিন্তু আমেৰিকাই যিটো কৰিলে তাক গৰিহণা দিয়াৰ ভাষা নাই।

আমেৰিকাৰ নেতৃত্বাধীন ২৮খন ৰাষ্ট্ৰৰ সন্মিলিত বাহিনীৰ হেজাৰ গুণে শক্তিশালী অস্ত্ৰ আৰু যোগাযোগ ব্যৱস্থাৰ সন্মুখত ইৰাকী সেনাৰ সাহস আৰু দৃঢ়তা অতুলনীয়। যোৱা তিনিটা দশকত একমাত্ৰ ভিয়েতনামৰ বাহিৰে আন কোনো দেশৰ জনসাধাৰণে এনে দেশপ্ৰেম আৰু একতা দেখুওৱা নাই। আমেৰিকান সাহায্যপুষ্ট কুৰ্দিছ প্ৰত্যাহ্বানৰ পাছতো, যুদ্ধ বিধ্বস্ত অৰ্থনীতি সত্ত্বেও ইৰাকে যিদৰে মূৰ দাঙি আছে, সি বহুতৰে বাবে আচৰিত কথা। ইৰাকৰ সাহস আৰু দেশপ্ৰেমৰ কথা কোৱাৰ অৰ্থ কিন্তু কুৰ্দসকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ অস্বীকাৰ কৰাটো নহয়।

## কুৱেইটৰ দেশপ্ৰেম

যুদ্ধৰ আগতে কুৱেইটৰ জনসংখ্যা যোল্ল লাখ। জনসংখ্যাতকৈ বেছি বিদেশী শ্ৰমিক আৰু বিষয়া। তেলৰ আয়ৰ যোগেদি কুৱেইটৰ জনমূৰি আয় পৃথিৱীৰ ভিতৰতে বেছি। নিজৰ দেশত টকা খটাবলৈ ঠাই নাই বাবে টকা জমা কৰিছে জেনেভা, পেৰিছ, লণ্ডন আৰু নিউয়ৰ্কত। বিলাসী কুৱেইটি সকলৰ মাত্ৰ এমুঠি আছে পুলিচ আৰু সেনাবাহিনীৰ উচ্চ পদবোৰত। সৈন্যসকল পাকিস্তান আৰু বাংলাদেশৰ। অভিযন্তা, চিকিৎসক, দক্ষ শ্ৰমিক হিচাপে ভাৰতীয় মানুহ আছে দুই লাখৰ ওপৰ। ইফালে ইৰাক হ'ল আৰব ৰাষ্ট্ৰ সমূহৰ ভিতৰত জনবল আৰু কাৰিকৰী দিশত উন্নত, কিন্তু আৰ্থিক ভাবে দুৰ্বল। একে আৰব ৰাষ্ট্ৰ হোৱা সত্ত্বেও কুৱেইট আৰু চৌদি আৰবে ইৰাক টনকিয়াল হোৱাটো নিবিচাৰে – আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাৰ্থত। তেলৰ মূল্য নিৰ্দ্ধাৰণৰ পৰা সৃষ্ট বিবাদৰ সুযোগত ইৰাকে কুৱেইট অধিকাৰ কৰি পেলালে। কুৱেইটৰ ভেৰোণীয়া সৈন্য ফৰিং চিটিকা দিলে। কুৱেইটি নাগৰিকে নিজৰ নিজৰ হীৰা মুকুতা খটোৱা লাইমচিন, মাৰ্চিডিছলৈ লগুৱা লিকচৌসহ চৌদি আৰবলৈ পলাল।

আৰ্থিক স্বচ্ছলতাই যে দেশপ্ৰেম নবঢ়ায় তাৰ সুন্দৰ উদাহৰণ কুৱেইট। ইৰাকক প্ৰায় ধ্বংস স্তূপত পৰিণত কৰি কুৱেইট মুক্ত হোৱাৰ পাছৰ অৱস্থা চাওক। কুৱেইটি ভগনীয়া সকলে স্বদেশলৈ আহি দেখিলে খোৱা পানী, বিজুলীৰ পৰা বিলাসিতা ব্যৱস্থালৈকে সকলো নতুনকৈ গঢ়িবলৈ বহুত সময় লাগিব। পৰিশ্ৰম কৰিব লাগিব। তেওঁলোক জাৰ্মানী, ফ্ৰান্স আৰু আমেৰিকাৰ বিলাসী হোটেলবোৰত থাকিবলৈ গুচি গ'ল। দেশখন পুনৰ্নিৰ্মাণ কৰি দিব লাগিব ভাৰত, পাকিস্তান, বাংলাদেশ, শ্ৰীলংকাৰ শ্ৰমিক অভিযন্তাই। নাগৰিকসকল দেশলৈ আহিব সুখ-স্বাচ্ছন্দ্যৰ ব্যৱস্থাবোৰ সম্পূৰ্ণ হলেহে।

## হিটলাৰ, চিয়াং কাইশেক আৰু কামাল পাছা

দেশপ্ৰেমৰ উদাহৰণ দিবলৈ গৈ বহুতে হিটলাৰৰ দেশপ্ৰেমৰ কথা কয়। কিন্তু



OKDISCD

হিটলাৰৰ দেশপ্ৰেম আচলতে জাতি-প্ৰেমহে। তেওঁৰ দেশপ্ৰেমত, জাৰ্মানীত অনা আৰ্যৰ বাবে স্থান নাই। ত্ৰিশৰ দশকৰ সাংঘাতিক মুদ্ৰাস্ফীতি, নিবনুৱা সমস্যা আৰু ভগ্নপ্ৰায় অৰ্থনীতিৰ সমুখত জাৰ্মান যুৱক শক্তিয়ে হিটলাৰৰ মাজত দেখা পাইছিল নতুন সূৰ্যোদয়। পিছে মোহমুক্ত ভাবে ইতিহাস অধ্যয়ন কৰা সকলে জানে হিটলাৰ মেধাবীও নাছিল, বিপ্লৱীও নাছিল। 'মেইন কেম্ফ'ত এনে কোনো তত্ত্ব নাই যিটোৱে সু-সভ্য জাৰ্মান সকলক স্বাভাৱিক অৱস্থাত আকৰ্ষণ কৰিব পাৰে। কিন্তু কেৱল প্ৰচাৰ আৰু হুলস্থূলৰ জোৰত এক জাতি, এক দেশ, এক পতাকাৰ ধ্বনিয়ে দেশখন এনেকৈ মতলীয়া কৰিলে যে সকলো দুখ-কষ্ট, অভাৱ-অভিযোগৰ বাবে দায়ী কৰা হ'ল ইহুদীসকলক। আৰ্যৰক্তৰ বিশুদ্ধতা ৰক্ষা কৰিবলৈ হত্যা কৰা হ'ল নিযুতৰ পাছত নিযুত ইহুদীক। এই ইহুদীসকলৰ পূৰ্বপুৰুষে হাজাৰ বছৰ ধৰি জাৰ্মান অৰ্থনীতি, জাৰ্মান সংস্কৃতি, জাৰ্মান প্ৰগতিৰ বাবে আগবঢ়োৱা সীমাহীন অবদানৰ কথা পাহৰি পেলোৱা হ'ল মুহূৰ্ততে।

চিয়াং কাই শ্বেকক কিন্তু দেশপ্ৰেমিক বুলি ভবা মানুহ খুব কম। অথচ ড° চান য়াৎ চেনৰ গণতান্ত্ৰিক বিপ্লৱৰ পৰা ত্ৰিশৰ দশকৰ আৰম্ভণিলৈকে মাৰ্শ্বাল চিয়াং কাই শ্বেকে কৰা নাই কি? বিশাল দেশখনৰ একতা আৰু অৰ্থনৈতিক ভেটি দৃঢ় কৰিবলৈ তেওঁৰ কাৰ্যসূচী আছিল বিশাল। মাও-চে-টুং, চু-এন-লাই আদিৰ লগত আৰম্ভণিৰ বছৰবোৰত তেওঁ সহযোগিতা কৰাত পিছ হোহকা নাছিল। কিন্তু মাও আৰু চু-ৰ নেতৃত্বত কৃষক আন্দোলন যিমানে শক্তিশালী হ'ল, চিয়াঙৰ নেতৃত্ব সিমানেই প্ৰতিক্ৰিয়াশীল হ'ল। শেষত জাপানী আক্ৰমণৰ সুদীৰ্ঘ বুৰঞ্জীত চিয়াং পৰিণত হ'ল জাপানৰ সহযোগীত। পিছে আকৌ মন কৰক সামান্য ফৰমোচা দ্বীপত আবদ্ধ হৈ পৰাৰ পাছত চিয়াঙৰ কাৰ্যকলাপ। ক্ষুদ্ৰ দেশখনৰ অৰ্থনৈতিক গাঁথনি তেখেতে এনেকৈ গঢ় দিলে যে টাইৱান আজিও পৃথিৱীৰ বহুত উন্নত দেশতকৈও বেছি আগবঢ়া।

হিটলাৰ আৰু চিয়াং কাই শ্বেকৰ সমসাময়িক তুৰস্কৰ সৈনিক কামাল পাছাৰ দেশপ্ৰেমো লক্ষ্যনীয়। ১৯২০-২১ চনৰ বুৰঞ্জীলৈ মনত পেলাওক। তুৰস্কত চুলতানক গাদীচ্যুত কৰিছে ইংৰাজে। আমাৰ ভাৰতৰ দৰে দেশতো মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে দাবী কৰিছে চুলতান অৰ্থাৎ খলিফাক গাদী ঘূৰাই দিবলৈ। ভাৰতত খিলাফত আন্দোলনক অসহযোগ আন্দোলনৰ লগত জাপি দিয়া হৈছে। উদ্দেশ্য হিন্দু-মুছলমানৰ ঐক্য দৃঢ় কৰা। কংগ্ৰেছৰ মহৎ উদ্দেশ্যলৈ প্ৰণিপাত জনাইও আমি ক'ব পাৰো যে ব্যৱস্থাটো আছিল সাংঘাতিক ভুল বিশ্লেষণৰ ওপৰত নিৰ্ভৰশীল। তুৰস্কত কামাল পাছাৰ নেতৃত্বত যুৱক শক্তিয়ে যুদ্ধ কৰিছে এফালে বৃটিছ সাম্ৰাজ্যবাদৰ লগত আৰু আনফালে চুলতানৰ সৈন্যৰ লগত। ধৰ্মীয় গোড়ামি, সুদীৰ্ঘ সামন্তবাদী ঐতিহ্য সকলো একে সময়তে দলিয়াই পেলাবলৈ তুৰ্কী সকলক মান্তি কৰাইছিল কামাল পাছাৰ নেতৃত্বত মহান দেশপ্ৰেমিক যুৱ শক্তিয়ে। ইছলামী সামন্তবাদ আৰু ইউৰোপীয় সাম্ৰাজ্যবাদ ইয়াৰ আগতে কোনো দেশে এনেদৰে উঘালিবলৈ সমৰ্থ হোৱা বাদেই কাৰ্যসূচীকে লব পৰা নাই। আজিৰ তুৰস্ক আমেৰিকান সাম্ৰাজ্যবাদৰ পুতলাত পৰিণত হোৱাটো এটা সম্পূৰ্ণ সুকীয়া অৱস্থা।

## ছোভিয়েত ৰাছিয়াৰ পতন

ইৰাকৰ যুদ্ধৰ আগলৈকে আমেৰিকান সাম্ৰাজ্যবাদৰ লক্ষ্য আছিল এটাই – ছোভিয়েত ৰাছিয়াক আভ্যন্তৰীণ সংকটত আৱদ্ধ ৰখা। আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰতিযোগিতা বন্ধ কৰাটো আছিল দীৰ্ঘকালীন উদ্দেশ্য। সমৰাস্ত্ৰৰ প্ৰতি-যোগিতা দোপত দোপে বঢ়াই নি একেবাৰে ষ্টাৰৱাৰ কাৰ্যসূচী পোৱাটো আছিল টোপ। ছোভিয়েত ৰাছিয়াই টোপ গিলি ফান্দত পৰিল। প্ৰতিযোগিতাত নামিল। বাহ্যিক আড়ম্বৰ টিকাই ৰাখিবলৈ গৈ ছোভিয়েত অৰ্থনীতি ফোঁপোলা হ'ল। আফগানিস্তান অভিযানে অৰ্থনীতিক ভাঙি পেলোৱাই নহয় আদৰ্শ আৰু জনগণৰ সমৰ্থনো হেৰুৱালে। আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰত মহাসাগৰত একাধিপত্য বিস্তাৰৰ সুবিধা পালে ৰুছ আগ্ৰাসনৰ ভয় দেখুৱাই। ইফালে ইৰাণ আৰু আফগানিস্তানৰ মৌলবাদী চিন্তা সীমান্তৰ ৰুছ গণৰাজ্য কেইখনত পৰিবলৈ সুবিধা পালে।

ব্ৰেজনেভৰ পাছত ছোভিয়েত নেতৃত্ব অতি দুৰ্বল। পাৰ্টি আৰু নেতাসকল হৈ পৰিছিল জনসাধাৰণৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন। আজিৰ পৰিস্থিতিয়ে দেখুৱায় যে গৰ্বাচেভৰ দূৰদৃষ্টি মুঠেই নাছিল। নামনাচ ভাবে হলেও ক্ষমতাত থাকিবলৈ গৈ গৰ্বাচেভেই সৃষ্টি কৰিলে বিকল্প শক্তিৰ মহাৰথী বৰিছ য়েল্টছিনক। মাত্ৰ ছমাহ আগতেও য়েল্টছিনৰ ক্ষিপ্ৰ সংশোধনবাদী বজাৰ অৰ্থনীতিক পূৰ্ণ সমৰ্থন যোগোৱা আমেৰিকা যুক্তৰাষ্ট্ৰই আজি য়েল্টছিনক লক্ষ্য কৰিছে ভয়েৰে। শ্লাভ ঐতিহ্যৰ নামত ৰাছিয়া, বেলাৰুছ আৰু ইউক্ৰেইনৰ যি একতাৰ কথা কোৱা হয়, সেয়া কোনো পৰীক্ষিত ঐতিহ্য নিৰ্ভৰ নহয়। বৰং ৰাছিয়াৰ বিশালতা আৰু জনসংখ্যাই তাৰ প্ৰায় সমানেই উন্নত বেলাৰুছ আৰু ইউক্ৰেইনত বিদ্ৰোহ সৃষ্টি কৰাৰহে সম্ভাৱনা। য়েল্টছিনৰ অহংকাৰে ককেচীয় গণৰাজ্য কেইখনক (জৰ্জিয়া, আৰ্মেনিয়া, আজাৰবাইজানত) বিদ্ৰোহী কৰি তুলিছে – আৰু বেছিকৈ বিদ্ৰোহী কৰি তোলাৰো লক্ষণ দেখা গৈছে। সকলোতকৈ ডাঙৰ বিপদ হ'ল প্ৰায় ত্ৰিশ হাজাৰ পাৰমাণবিক অস্ত্ৰ। কাৰোবাৰ ভুলত সামান্য এটাও বিস্ফোৰিত হলে বা ভুল মানুহৰ হস্তগত হলে পৃথিৱী জুৰি বিপদ সৃষ্টি কৰিব পাৰে। প্ৰায় পঞ্চাশ লাখ ছোভিয়েত সৈন্যৰ নিয়ন্ত্ৰণ আৰু ভৰণ-পোষণৰ প্ৰশ্নটো সহজে নিষ্পত্তি হ'ব পৰা বিধৰ নহয়। খাদ্যৰ পৰা আৰম্ভ কৰি প্ৰতিটো অত্যাৱশ্যকীয় দ্ৰব্যৰ সাংঘাতিক অভাৱৰ সমুখত কেৱল বৈদেশিক সাহায্যৰ দ্বাৰা ৰুছ দেশৰ সমস্যাৰ সমাধান অসম্ভৱ। আজিৰ পৰিস্থিতিত য়েল্টছিনতকৈ গৰ্বাচেভহে পশ্চিমীয়া ৰাষ্ট্ৰবোৰৰ বাবে বেছি গ্ৰহণযোগ্য। পিছে ডবাৰ চালত ভুল হৈ গ'ল। বৰিছ য়েল্টছিনে গণতন্ত্ৰ আৰু প্ৰাচুৰ্যৰ যি সপোন জনসাধাৰণক দেখুৱাইছে, খুব সোনকালেই তাৰ অসাৰতা ধৰা পৰিবলৈ বাধ্য। ধনতান্ত্ৰিক ব্যৱস্থাই দেশৰ পুনৰ গঠনত কেনে ভূমিকা লব সমস্ত পৃথিৱীয়েই আগ্ৰহেৰে লক্ষ্য কৰিছে। কিন্তু খোদ আমেৰিকাৰ বুকুতে উদ্যোগ ক্ষেত্ৰত দেখা দিয়া সংকট আৰু নিবনুৱা সমস্যাৰ ভয়াবহতাই স্পষ্ট কৰি দিছে যে ধনতান্ত্ৰিক ব্যৱস্থাৰ মাজতো বহুতে ভবা ধৰণৰ সাংঘাতিক স্থিতিস্থাপকতা (elasticity) নাই।

## ছোভিয়েতৰ পতন, ভাৰতৰ কিছু সমস্যা

ছোভিয়েত ৰাছিয়াৰ বিঘটনে ভাৰতৰ বাবেও কম বেছি পৰিমাণে দুঃশ্চিন্তাৰ বাৰ্তা কঢ়িয়াই আনিছে। অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতৰ বহিৰ্বাণিজ্যৰ এটা বিৰাট অংশৰ ছোভিয়েত ৰাছিয়াই ক্ৰেতা। যাৰ ফলত ভাৰতীয় ভালেমান সামগ্ৰীৰ এখন নিৰ্দিষ্ট বজাৰ আছিল। এইখন বজাৰ সম্পূৰ্ণ নেহেৰালেও ভাৰতীয় সামগ্ৰী পশ্চিমীয়া উন্নত সামগ্ৰীৰ লগত প্ৰতিযোগিতাত কিমান দূৰ টিকিব চিন্তা কৰিবলগীয়া হ'ব। আনফালে পেট্ৰোল আৰু পেট্ৰোলজাত সামগ্ৰীৰ যিটো যোগান ছোভিয়েতে ধৰি আহিছে সেইটোও কমিবলৈ বাধ্য। তেল যোগানৰ পৰা হ'ব পৰা সমস্যা আমি অহা বিত্তীয় বছৰতহে আচলতে অনুভৱ কৰিম।

পিছে তাতোকৈ ডাঙৰ দুঃশ্চিন্তাৰ কাৰণ হ'ল আমাৰ দেশখনৰ ভৌগোলিক অৱস্থান। ভাৰত-পাকিস্তানৰ উত্তৰত হিন্দুকুশ পৰ্বতৰ সিপাৰেই কাজাখাস্তান, কিৰঘিজীয়া। কাষতে তাজিকিস্তান, উজবেকিস্তান, তুৰ্কমেনিয়া। এই বিশাল ছোভিয়েত মধ্য এচিয়াৰ প্ৰতিটো জনগোষ্ঠীৰ সুকীয়া ঐতিহ্য, ভাষা আৰু সাজ-পাৰ থকা সত্ত্বেও মিলো আছে প্ৰচুৰ। এই অঞ্চল অৰ্থনৈতিক ভাবে পিছ পৰা। কিন্তু কয়লাৰ পৰা ইউৰেনিয়াম, তাম আদিও যথেষ্ট আছে। আমুৰ দৰিয়া, চিৰদৰিয়া, জেৰাভচান, কুপেডাঘ উপত্যকাত হয় শ্ৰেষ্ঠতম কপাহৰ খেতি।

কিন্তু অভাৱ খাদ্য সামগ্ৰীৰ। সংস্কৃতি আৰু গোষ্ঠীগতভাবে এই অঞ্চলৰ জনগোষ্ঠীবোৰ মূলতে মংগোলীয়। ফাৰঘানা, আশ্কাবাদ, চমৰকন্দ, তাছকন্দ, বুখাৰা আদি ঠাইৰ নাম মনলৈ অহাৰ লগে লগে স্বাভাৱিকতে মনত পৰে মহাযোদ্ধা চেংগিজ খানৰ কথা, বিলাসী সম্ৰাট কুবলাই খানৰ কথা, মনত পৰে তৈমুৰৰ পৰা আৰম্ভ কৰি বাবৰলৈকে মোগল বীৰ সকলৰ কথা। মাৰ্কো পল' আৰু তেওঁৰ পাছৰ বহু ভ্ৰমণকাৰীৰ টোকাত এই ঠাইবোৰ সুদূৰ চীন আৰু ইৰাকৰ বচৰা, ইটালিৰ ৰোম, গ্ৰীছৰ এথেনক আৰু তুৰস্কৰ কন্‌ষ্টান্টিনোপল সংযোগ কৰা বাণিজ্য পথৰ সংযোগ স্থল হিচাপে অমৰ হৈ আছে। পাকিস্তান, আফগানিস্তানৰ সীমান্তত থকা জনগোষ্ঠীবোৰ – পাখতুন, বেলুচ, পাঠান আদিৰ ভাষা-সংস্কৃতি, কলা-কৃষ্টিৰ প্ৰচুৰ সাদৃশ্য আছে। বহু বিশ্লেষকে মংগোলীয় মহাসংঘ গঠনৰ সম্ভাৱনাৰ কথাও কৈছে। কিন্তু মংগোলীয় ঐতিহ্যৰ লগত এই অঞ্চলৰ মানুহৰ পৰিচয় যোৱা কেইবা শ বছৰ ধৰি নাই। এনে ঐতিহ্যৰ স্মৃতি ইমান ক্ষীণ হৈ পৰিছে যে মংগোলীয় মহাসংঘ গঠনৰ কোনো সম্ভাৱনা বাস্তৱত ৰূপায়িত হ'ব নোৱাৰে। তথাপি সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকা বহুতো সংগঠনে এই অঞ্চলৰ ৰাজনৈতিক অস্থিৰতাৰ সুযোগ লব পাৰে। ভাৰতৰ বাবে এনে সন্ত্ৰাসবাদী আৰু কূটাঘাতকাৰীৰ পৰা যিমান বিপদ, পাকিস্তানৰ বাবেও তাতকৈ কম নহয়।

## ইছলামী ঐক্য অবাস্তৱ

পাকিস্তান আৰু ইৰাণৰ মৌলবাদী শক্তিসমূহে ইছলামী ঐক্যৰ সম্ভাৱনাৰ আশা কৰিছে। কিন্তু ৰাষ্ট্ৰ গঠনত ধৰ্মৰ ভূমিকা কাহানিবাই শেষ হৈছে। কুৰি শতিকাত ভাৰতীয় উপমহাদেশৰ বাহিৰে ক'তো ধৰ্ম ভিত্তিক ৰাষ্ট্ৰ গঠনৰ চেষ্টা হোৱা নাই। সংস্কৃতি আৰু গোষ্ঠীগত একতাৰ শক্তি বহুত বেছি। ইছলামৰ পীঠস্থান আৰব দেশবোৰত একে ভাষা, একে সংস্কৃতি, একে ধৰ্ম হোৱা সত্ত্বেও কিন্তু তেত্ৰিশখন ৰাষ্ট্ৰ। বাস্তৱতাৰ পৰা আঁতৰি আহি ইছলামী ঐক্যৰ প্ৰবক্তা সকলে ক'ব খোজে যে ইৰাণৰ মৌলবাদী শক্তিৰ পুনৰুত্থানৰ পাছত ইউৰোপৰ দেশ-বোৰতো ইছলামী মৌলবাদী শক্তিবোৰ জাগি উঠিছে। মধ্য এচিয়াত নুঠিব কিয়?

ইছলামী মৌলবাদীৰ প্ৰবক্তা সকলে মন নকৰা কথাটো হ'ল ইউৰোপত সমাজবাদী শিবিৰৰ ভাঙোনৰ অন্যতম শক্তি যোগাইছে আমেৰিকান পুঁজিবাদে। গণতন্ত্ৰৰ নামত এই দেশবোৰত গীৰ্জাহি নতুনকৈ শক্তি লাভ কৰিছে। গীৰ্জাহি সমাজবাদ বিৰোধিতা কৰা শক্তিবোৰক সমৰ্থন কৰি নিজৰ শক্তি বৃদ্ধি কৰিছে। লেক্ ৱালেচাৰ পৰা বৰিছ য়েল্টছিনলৈকে কোনেও স্বীকাৰ নকৰিলেও তেওঁলোকৰ শক্তিৰ মূলত গীৰ্জাৰ পুনৰুত্থানো আছে। খৃষ্টান ধৰ্মৰ পুনৰুত্থানে ইছলামী মৌলবাদৰ উত্থানত পৰোক্ষভাৱে শক্তি যোগাইছে। কিন্তু আন্তৰ্জাতিক শক্তি বিন্যাসত ইছলামী মৌলবাদক সমৰ্থন কৰিব পৰা কোনো অৰ্থনৈতিক শক্তি নাই। গতিকে ইছলামী মৌলবাদে ৰাষ্ট্ৰ গঠনৰ কথা বাদেই কোনো ধৰণৰ ৰাজনৈতিক শক্তিকেন্দ্ৰও সৃষ্টি কৰিব নোৱাৰে। য়েল্টছিনৰ দৰে অহংকাৰী ৰুছ নেতাৰ কাৰ্যকলাপে মধ্য এচিয়াৰ গণৰাজ্য কেইখনৰ মাজত কিছু পৰিমাণে একতা স্থাপন কৰিব পাৰিব। এনে একতা ইছলামী ঐক্যৰ নামত হোৱাৰ কোনো সম্ভাৱনা নাই – হ'ব প্ৰায় একে ধৰণৰ অৰ্থনৈতিক অৱস্থা আৰু মস্কোৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া ভৌগোলিক অৱস্থানৰ বাবে। ছোভিয়েতৰ বিঘটনৰ ফলত এই গণৰাজ্যবোৰ মস্কোৰ ওপৰত নিৰ্ভৰশীল হৈয়ে থাকিব লগা হোৱাৰ আন এটা কাৰণ হ'ল পাকিস্তান, ইৰাণ আদিৰ অৰ্থনৈতিক গাঁথনি এনে নহয় যাক অনুকৰণ কৰিব পাৰি।

## একতা ওপৰৰ পৰা জাপি দিব নোৱাৰি

আমাৰ ভালেমান নমস্য ৰাজনীতিজ্ঞইও একতাৰ নামত হুলস্থূল কৰিছে। একতা ওপৰৰ পৰা জাপি দিব নোৱাৰি। অৰ্থনৈতিক ভাবে তেনেই পিছ পৰা আমাৰ ভাৰতৰ জনগোষ্ঠীবোৰৰ আশা-আকাংক্ষা ফলৱতী হোৱাকৈ ব্যৱস্থাবোৰ নহলে বিচ্ছিন্নতাবাদী প্ৰবণতা দূৰ নহয়। পাকিস্তানত পাঞ্জাব হ'ল অৰ্থনীতি, প্ৰশাসন, সৈন্যবাহিনী সকলোৰে কেন্দ্ৰ। বেলুচ, পাঠান, সিন্ধী, পাখতুন – সকলোৱেই শোষিত, আৰু আত্মনিয়ন্ত্ৰণৰ দাবীত সৰব। একেই পাঞ্জাবী হোৱা সত্ত্বেও ভাৰতত তেওঁলোক সিমান বেছি ক্ষমতাৰ অধিকাৰী নহয়। গতিকে পাঞ্জাবৰ উগ্ৰপন্থীয়ে, সন্ত্ৰাসবাদীয়ে পাকিস্তানৰ পাঞ্জাবলৈ চাই থকাটো স্বাভাৱিক। দেশ বিভাজনে সৃষ্টি কৰা এই সামাজিক অৱস্থাটো লক্ষ্য নকৰিলে পাঞ্জাবৰ সমস্যা সমাধান হ'ব নোৱাৰে। কাশ্মীৰৰ ক্ষেত্ৰতো কথা একেটাই। আজাদ কাশ্মীৰ বুলি পাকিস্তানৰ দখলত থকা অংশ ভাৰতৰ কাশ্মীৰতকৈ ডাঙৰ, বসতিও বেছি। অথচ পাকিস্তানৰ আটাইতকৈ পিছ পৰা অঞ্চল এই আজাদ কাশ্মীৰ। ভাৰতীয় কাশ্মীৰৰ বাবে পাকিস্তানত অন্তৰ্ভুক্ত হোৱাৰ চিন্তাটোৱেই অবাস্তৱ। তেওঁলোকে বিচাৰিছে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ। স্বাধীনতা, আত্মনিয়ন্ত্ৰণ আৰু পাকিস্তানত অন্তৰ্ভুক্ত হোৱাৰ দাবীৰ মাজত আকাশ-পাতাল প্ৰভেদ। একতাৰ নামত কাশ্মীৰী জনমানসৰ আবেগ আৰু অনুভূতিক অপমান কৰি একতা আনিব নোৱাৰি। মুঠতে ভাৰতৰ আজিৰ পৰিস্থিতিত দেশপ্ৰেম, একতা আদি অনুভূতিবোৰ দৃঢ় কৰিবলৈ সম্পূৰ্ণ বেলেগ কাৰ্যসূচী লাগিব।

# কৃতিত্বৰ ৰাজমহলত বৃষবৃক্ষৰ শিপা

গীতাৰ্থ পাঠক

আলফা সমস্যাটো সমাধানৰ ফালে আগুৱাই আনি অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই দেশজোৰা প্ৰশংসা বুটলিছে হয়, কিন্তু শইকীয়াৰ কৃতিত্বৰ সদ্যনিৰ্মিত এই ইমাৰতৰ গাঁথনিত ইতিমধ্যে ঘুণে ধৰিবলৈ আৰম্ভ কৰিছে। যদিহে এই পচন চলি থাকে তেনেহ'লে এই ইমাৰতটো ধঁহি পৰিবলৈ বৰ বেছি সময়ৰ প্ৰয়োজন নহ'ব।

মন্ত্ৰী হ'লেই কোনো কোনো মন্ত্ৰীয়ে 'হাঁ দৈ আজিয়েই খাই ল' মনোবৃত্তি লৈ উঠিপৰি লাগি যায়। শইকীয়া মন্ত্ৰীসভাত এনে 'হাঁ দৈ আজিয়েই খাই ল' বিধৰ মন্ত্ৰী যে নাই সেই কথা বাস্তৱ পৰিস্থিতিয়ে প্ৰতিপন্ন নকৰে। মন্ত্ৰীৰ লগতে বিষয়াসকলৰো গা উঠে। এনেদৰে লুটিপুটি খোৱাৰ প্ৰতিযোগিতা কেতবোৰ খণ্ডত আৰম্ভ হৈছে, কেতবোৰ আৰম্ভ হওঁ হওঁ। এই লুটিপুটি খোৱা সংস্কৃতিৰ কৱলত পৰি যিসকল নিষ্ঠাৱান বিষয়া বা কৰ্মচাৰী আছে তেওঁলোকে ভুগিবলৈ ধৰিছে।

চৰকাৰী প্ৰতিষ্ঠান, নিগম, বোৰ্ড ইত্যাদিৰ অৱস্থা আটায়ে জানে। অসম পৰিবহন নিগম, বিদ্যুৎ বোৰ্ড, বেচা-কিনা নিগম, বীজ নিগম ইত্যাদিকে ধৰি চৰকাৰী খণ্ডত চলা কল-কাৰখানাসমূহৰ কোটি কোটি টকা লোকচানৰ কথা সকলোৱে জানে। এই ঘোৰ অন্ধকাৰৰ মাজতো বিজুলীৰ চিক্‌মিকনিৰ দৰে দুই চাৰিটা খণ্ডত কোনো কোনো বিশেষ বিষয়াৰ তৎপৰতাত লাভজনক পৰিস্থিতিৰ সৃষ্টি নোহোৱা নহয়। এনে এক গুণগত আৰু ব্যৱসায়িক দিশত সফল অনুষ্ঠানৰ ভিতৰত ষ্টেট্‌ফেডৰ দ্বাৰা পৰিচালিত তৃপ্তি বনস্পতি আৰু সৰিয়হ তেল উৎপাদন গোটটো। এই তৃপ্তি বনস্পতি আৰু সৰিয়হ তেল গোটটোৱে অসমত বনস্পতি আৰু মিঠাতেল উৎপাদন আৰু বিপনন কৰাৰ আগে আগে অসমৰ বজাৰৰ পৰা কুসুম, স্বপন, ভাল্‌ডা ইত্যাদি বনস্পতি আৰু মিঠাতেলৰ কোম্পানীয়ে মাহে কোটি কোটি টকা অসমৰ পৰা লৈ গৈছিল। যেতিয়াৰ পৰা 'তৃপ্তি'ৰ উৎপাদন আৰম্ভ হ'ল তেতিয়াৰ পৰাই অসমৰ বাহিৰৰ পৰা অহা 'তৃপ্তি'ৰ এই সাফল্যৰ গুৰিতেই আছে এজন জেনেৰেল মেনেজাৰ। আমি জনাত দুৰ্নীতিৰ সৈতে আপোচ নকৰাৰ বাবে এইজন বিষয়া বহুতৰে অপ্ৰিয়। তথাপি মানুহজনৰ গুণৰ কথা সুঁৱৰিয়েই তেওঁক আগৰ চৰকাৰসমূহে আমনি দিয়া নাছিল। এইবাৰ কিন্তু তেওঁৰ গাত হাত পৰিল। সিওঁ নাটকীয়ভাবে। এই বিষয়াজনে কিবা ব্যক্তিগত কাৰণত ছুটী লৈ দিল্লীলৈ যোৱাৰ দিনাই আবেলি এজন অসম প্ৰশাসনিক বিষয়াক তেওঁৰ পদটোত

> প্ৰতিটো চাকৰিৰ বাবেই হেনো টকা দিব লাগে। টকা দিলে হেনো কাম হয়। কিন্তু কাক টকা দিব লাগে? এই কথা সুধিলে হতভাগ্য নিবনুৱা যুৱকসকলে উত্তৰ দিয়ে যে কোনোবা দালাল আছে হেনো। এনেদৰে দালালক টকা দি চাকৰি হৈছে নে নাই নাজানো, কিন্তু যিহেতু দালালৰ এই সংস্কৃতি আৰম্ভ হৈছে নিশ্চয়তাৰ সত্যতাও আছে।

নিযুক্ত কৰি তেওঁক গুৱাহাটীৰ কাৰ্যালয়লৈ বদলি কৰি লৈ আহে। বনস্পতি কি বস্তু কেনেকৈ উৎপাদন কৰে তাৰ প্ৰযুক্তিৰ আলুতালুকে নোপোৱা বিষয়া এগৰাকীক হঠাৎ কিয় 'তৃপ্তি' গোটলৈ লৈ যোৱা হ'ল আৰু এনেদৰে অসন্মানজনক ভাবে এই বিষয়াগৰাকীক কিয় গুৱাহাটীৰ মুখ্য কাৰ্যালয়লৈ অনা হ'ল – আঁৰৰ কাৰণ কি – ৰাইজে অনুমান কৰক। দুৰ্নীতিৰ ওচৰত সেওঁ মানিব নোখোজা বাবেই এই বিষয়াজনক আঁতৰাই কিহবাৰ বাট মোকলোৱা হ'ল। যদিহে সেইটো হয়, তেনেহ'লে দুদিন পিচত এই গোটটো পৰিবহন নিগম বা বেচা-কিনা নিগমৰ দৰে লোকচান ভৰা গোটত পৰিণত হ'ব। 'স্বপন' আৰু 'কুসুম'ৰ দৰে অসমৰ বাহিৰৰ বৃহৎ বনস্পতি তথা মিঠাতেলৰ কোম্পানীবোৰে অসমৰ পৰা কোটি টকা উলিয়াই লৈ যাব। অসমৰ বাহিৰৰ এই কোম্পানীৰ সৈতে ওপৰ মহলৰ যোগাযোগ নাইতো!

বাতৰি কাকতত খবৰ ওলাইছে বোলে গুৱাহাটীত অৱস্থিত অশোক গ্ৰুপ আৰু অসম পৰ্যটন নিগমৰ যৌথ খণ্ডত প্ৰতিষ্ঠিত ব্ৰহ্মপুত্ৰ অশোক হোটেলত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সচিব (প্ৰফুল্ল মহন্তৰ দিনৰে পৰা)ৰ পৰা আৰম্ভ কৰি আৱৰ্ত ভৱনলৈকে মুঠ সাত লাখৰো অধিক টকা বাকী। যোৱা দুবছৰৰ পৰা তিনিমাহৰ ভিতৰৰ বাকী এইখিনি। এতিয়া হোটেল কৰ্তৃপক্ষই হোটেল চলাবলৈ গৈ ধনৰ অভাৱত ভুগিছে। হোটেল আজি বন্ধ হওঁ কালি হওঁ অৱস্থা। অসম পৰ্যটন নিগমৰ কাজিৰঙাৰ নিবাস কেইটাৰো অৱস্থা একেই কাৰণতেই তথৈবচ। বিশেষকৈ এতিয়া অসম পৰ্যটন নিগমে ভাৰত পৰ্যটন নিগমৰ পৰা কেইবছৰ মান আগেয়ে অধিগ্ৰহণ কৰি লোৱা 'অৰণ্য' নিবাসটোৰ হাড় ডালহে আছেগৈ। ভাৰত পৰ্যটন নিগমে নিবাসটো এৰি দিয়াৰ পিচত আজিলৈকে সেইটোৰ কোনো মেৰামতি নাই। উন্নয়নৰ কোনো ব্যৱস্থা নাই। কাৰণ বৃহৎ পৰিমাণৰ লোকচান। মন্ত্ৰী-বিষয়াসকলে কাজিৰঙালৈ দলবান্ধি গৈ এই নিবাসটোত থাকে, খায়, কিন্তু পা-পইচা দিয়াৰ কোনো নাম নাই। এনেদৰে বছৰৰ পিচত বছৰ ধৰি এই অৱস্থা চলাৰ ফলত 'অৰণ্য' নিবাসৰ অৱস্থা অসমৰ নাঙঠ হোৱা অৰণ্যৰ দৰে মুকলি হৈ যাব ধৰিছে।

একেদৰেই সিদিনা খবৰ ওলাইছে পৰিবহন নিগমৰ ৬১ লাখ টকা দুৰ্নীতিৰ কথা। অসমৰ চাৰিটা বাছৰ বডি নিৰ্মাতাই বছৰৰ পিচত বছৰ ধৰি নিগমে কিনা নতুন গাড়ীবোৰ বডি নবনোৱাকৈ পেলাই ৰাখিছে। প্ৰতিদিনে নিগমৰ একোখন গাড়ীয়ে দিনে হেজাৰ টকাকৈ আয় দিলেহেঁতেন, এই বডি নিৰ্মাতাসকলৰ ওপৰ মহলত থকা হাতৰ বাবেই তেওঁলোকৰ ওপৰত লগোৱা ৬১ লাখ টকা জৰিমনাৰ এশভাগ ৰেহাই দিবলৈ ওলাইছে। এনেদৰে ৩১খন বাছ ১৯৯০ চনৰ পহিলা জানুৱাৰীৰ পৰা এই বডি নিৰ্মাতাসকলৰ কাৰখানাত পৰি আছে। প্ৰতিদিনে কমেও এই বাছকেইখনৰ পৰা ৩১ হাজাৰ টকা লোকচান চলি আছে।

এনে অজস্ৰ দুৰ্নীতিৰ খবৰ দিনে নিশাই আহি আছে। দুৰ্নীতিৰ আটাইতকৈ জঘন্যতম উদাহৰণ চাকৰিত মকৰল কৰাৰ ক্ষেত্ৰত পোৱা যায়। চাকৰিৰ কাৰণে হাবাথুৰি খাই ঘূৰি ফুৰা বহু যুৱকক লগ পোৱাৰ সৌভাগ্য ঘটে। তেওঁলোকৰ মুখৰ পৰা সদায়েই শুনা যায় – সম্প্ৰসাৰণৰ বিষয়াৰ চাকৰি পাবলৈ হ'লে হেনো ৩০ হেজাৰ টকা দিব লাগে, মাধ্যমিক স্কুল শিক্ষকৰ বাবে ৫০ হেজাৰ, মজলীয়া স্কুলৰ শিক্ষকৰ বাবে ৩০ হেজাৰ দিব লাগে। এনেদৰে প্ৰতিটো চাকৰিৰ বাবেই হেনো টকা দিব লাগে। টকা দিলে হেনো কাম হয়। কিন্তু কাক টকা দিব লাগে? এই কথা সুধিলে হতভাগ্য নিবনুৱা যুৱকসকলে উত্তৰ দিয়ে যে কোনোবা দালাল আছে হেনো। এনেদৰে দালালক টকা দি চাকৰি হৈছে নে নাই নাজানো, কিন্তু যিহেতু দালালৰ এই সংস্কৃতি আৰম্ভ হৈছে নিশ্চয় তাৰ সত্যতাও আছে। আলফা সমস্যা সমাধানত কৃতিত্ব ল'ব খোজা মুখ্যমন্ত্ৰী শইকীয়াই এই সত্যতা যাচাই কৰি চাওঁক।

পিচে এই দালালসকল কোন? চাকৰি, ঠিকা ঠুকলি আৰু ৰেহাই আদি আদায় কৰি দিয়া ই দালালসকল হেনো দিছপুৰতেই পিয়াপি দি ফুৰে। জনতা ভৱনৰ বাৰান্দাৰ পৰা মন্ত্ৰী-বিষয়াৰ ভিতৰ মহলত হেনো এওঁলোকক দেখা যায়। অগপ চৰকাৰৰ দিনতো এওঁলোক আছিল, এতিয়াও আছে – অৱশ্যে নতুন এচাম। যেতিয়ালৈকে এই দালাল সংস্কৃতি চলি থাকিব, যেতিয়ালৈকে নিষ্ঠাৱান বিষয়া-কৰ্মচাৰী লাঞ্চিত আৰু প্ৰতাৰণাৰ বলি হৈ থাকিব আৰু দুৰ্নীতিৰ পুলি-পোখাই মহীৰুহ হৈ শিপা মেলিব তেতিয়া মুখ্যমন্ত্ৰী শইকীয়াৰ কৃতিত্বৰ ৰাজমহলৰ গাঁথনিত এই শিপাই ফাটৰ সৃষ্টি কৰিব। সময় থাকোতে এই বৃষবৃক্ষ নিৰ্মূল কৰক, অন্যথাই কি ফল হ'ব পাৰে মাননীয় মুখ্যমন্ত্ৰীয়ে ভালদৰে জানে। ■



# শিক্ষা বিভাগত দুৰ্নীতি,স্বজনপ্ৰীতি আৰু দালালৰ পয়োভৰ

ৰাজ্যখনত শিক্ষক পদত নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতি, স্বজনপ্ৰীতি আদিৰ অভিযোগ উঠিছে। বিভিন্ন জিলাৰ পৰা এইবোৰ বাতৰি প্ৰতিদিনে বাতৰি কাকতত প্ৰকাশ পাইছে। নলবাৰী, নগাওঁ জিলাতেই দুৰ্নীতিৰ অভিযোগ বেছিকৈ উত্থাপিত হৈছে। শিক্ষক পদত নিযুক্তিক কেন্দ্ৰ কৰিয়েই দালালৰ সংখ্যা বৃদ্ধি পাইছে। এই দালাল সকলেই এতিয়া চাকৰিৰ প্ৰতিশ্ৰুতি দি শিক্ষক পদৰ প্ৰাৰ্থীসকলৰ পৰা ব্যাপক পৰিমাণৰ টকা সংগ্ৰহ কৰিছে। জানিব পৰা মতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদ এটাৰ বাবে ১৫/২০ হেজাৰ টকা আদায় কৰা হৈছে। সেইদৰে মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক পদ এটাৰ বাবে ২৫/৩০ হেজাৰ টকা আদায় কৰা হৈছে। শিক্ষক পদৰ বাবে বিভিন্ন জিলাত অনুষ্ঠিত কৰা সাক্ষাৎ গ্ৰহণৰ সময়তেই প্ৰাৰ্থীসকলৰ পৰা দালালে ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। দালালক টকা দিয়াৰ পিছত চাকৰি পোৱাৰ আশা নেদিখে বহু সংখ্যক প্ৰাৰ্থীয়ে এতিয়া বিভাগীয় মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীক লিখিতভাবে অভিযোগ কৰাৰ কথা জানিব পৰা গৈছে। কিন্তু প্ৰাৰ্থীসকলৰ এই অভিযোগ অৰণ্যৰোদনত পৰিণত হোৱা বুলি জানিব পৰা গৈছে।

আনহাতে শিক্ষা বিভাগত এতিয়া কেৱল বদলিৰ কাম চলিছে। জানিব পৰা মতে ভাল ঠাইত পোষ্টিং পোৱা বাবে ভাল মাননী দিবলগীয়া হৈছে। অভিযোগ মতে দালালৰ জৰিয়তেই বদলিৰ কাম চলিছে। শিক্ষা বিভাগতেই এতিয়া দালালৰ সংখ্যা বেছি। নিযুক্তি, বদলিৰ কাম কৰি দালালসকলেও বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰিছে বুলি জানিব পৰা গৈছে। মুঠতে মাননী দিব নোৱাৰিলে হেনো শিক্ষা বিভাগত নিযুক্তি নাপায়, বদলিও নহয়। শিক্ষা বিভাগত নিযুক্তি পোৱাৰ বাবে হেনো মাননীটোহে মুখ্য, শিক্ষাগত অৰ্হতা গৌণ।

আনহাতে যোৱা সাত মাহে অৰ্থাৎ নতুন চৰকাৰখনে শপত গ্ৰহণ কৰাৰ পিছত বেছিভাগ দপ্তৰতেই উন্নয়নমূলক কাম সম্পূৰ্ণ বন্ধ হৈ আছে। কেৱল এইবোৰ দপ্তৰত বদলি আৰু পোষ্টিঙৰ কাম চলি আছে। উন্নয়নমূলক কাম-কাজ বন্ধ হৈ থকাৰ বাবেই জনতা ভৱনত এতিয়া মানুহৰ ভিৰ ক্ৰমান্বয়ে হ্ৰাস পাইছে। জনতা ভৱনত এতিয়া সাধাৰণ ৰাইজৰ পৰিবৰ্তে বিষয়া-আমোলাৰ ভিৰ দেখা যায়। নিজৰ বদলি, পোষ্টিঙৰ বাবেই এতিয়া বিষয়া-আমোলাবোৰে অনবৰত জনতা ভৱনলৈ দৌৰিব লগীয়া হয়। যিকোনো উপায়ে মন্ত্ৰীক সন্তুষ্ট কৰি ৰখাটোৱেই এতিয়া বিষয়া-আমোলাৰ প্ৰধান কাম হৈ পৰিছে।

জনপ্ৰিয়তা অৰ্জনৰ বাবে সম্প্ৰতি মন্ত্ৰী সকলৰ মাজত প্ৰতিদ্বন্দ্বিতা চলিছে। ক'ৰবাত ৰাজহুৱা সভা এখনত ভাষণ নাইবা বিভাগীয় কিবা এটা কাম কৰাৰ পিছতেই মন্ত্ৰীসকলে এতিয়া সেইবোৰ বাতৰি কাকত, দূৰদৰ্শন, ৰেডিঅ'ৰ জৰিয়তে প্ৰচাৰ হোৱাৰ বাবে বিশেষ ভাবে নিৰ্দ্দেশ দিয়ে। এজন কেবিনেট মন্ত্ৰী এতিয়া এই ক্ষেত্ৰত সকলোৰে আগত। বৰ্তমানৰ এই কেবিনেট মন্ত্ৰীজন এসময়ত সংযুক্ত সংখ্যালঘু মৰ্চাৰ নেতা আছিল। বিধান সভাত অগপ চৰকাৰক শলঠেকত পেলোৱাৰ বাবে এই নেতাজনে সদায় চেষ্টা চলাইছিল। মন্ত্ৰী হৈ এতিয়া তেওঁ জনপ্ৰিয়তা অৰ্জনৰ কামত মনোনিবেশ কৰিছে। বিভাগীয় সাধাৰণ কাম এটা কৰিলেই সেইটো প্ৰচাৰ কৰাৰ বাবে বাতৰি কাকতলৈ তেওঁ নিজেই ফটো, প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰে।

আনহাতে মন্ত্ৰীসকলে জনপ্ৰিয়তা অৰ্জনৰ বাবে কিছুসংখ্যক স্থানীয় সংবাদদাতাক স্নেহভাজন কৰি লৈছে। যদিহে এই স্থানীয় সংবাদদাতাসকলে প্ৰেৰণ কৰা মন্ত্ৰীৰ ফটো, বাতৰি কাকতত কেতিয়াবা প্ৰকাশ নাপায়, তেনেহ'লে তেওঁলোকে বাতৰি কাকতলৈ ফোন কৰে এই বুলি– "অমুক মন্ত্ৰীৰ যদিহে ফটো, বাতৰি আদি প্ৰকাশ নাপায়, তেনেহ'লে মই প্ৰেৰণ কৰা মন্ত্ৰীৰ ফটো, বাতৰি প্ৰকাশ নাপায় কিয়?" বাতৰি কাকত বিশেষকৈ দৈনিক বাতৰি কাকতৰ সহ-সম্পাদকসকলে এতিয়া প্ৰায়েই এইবোৰ প্ৰশ্নৰ উত্তৰ দিব লগীয়া হয়।

## সাহিত্য সভা, আছু আৰু মুখ্য মন্ত্ৰী

অসম সাহিত্য সভাৈল মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াক আমন্ত্ৰণ জনোৱাৰ বাবে সদৌ অসম ছাত্ৰ সংস্থাই অসন্তুষ্টি প্ৰকাশ কৰিছে। আছুৱে সাহিত্য সভা বৰ্জনৰ ভাবুকি দিছে। আছুৱে যুক্তি প্ৰদৰ্শন কৰিছে যে ইয়াৰ আগেয়ে কোনো ৰাজনৈতিক নেতাক সাহিত্য সভাৈল মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱা নাছিল।

কিন্তু এইবাৰ মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। কামৰূপ জিলা ছাত্ৰ সংস্থাৰ বিষয়ববীয়া আৰু সাহিত্য সভাৰ বিষয়ববীয়াৰ মাজত এই বিষয় লৈ অলপতে লক্ষীৰাম বৰুৱা সদনত বাক্-বতণ্ডাও হয়। এই বাক্-বিতণ্ডাৰ সময়ত

সাহিত্য সভাৰ সভানেত্ৰী নিৰ্মলপ্ৰভা বৰদলৈও উপস্থিত আছিল। সভানেত্ৰী গৰাকীয়ে ছাত্ৰ সংস্থাৰ বিষয়ববীয়া কেইজনক বুজাবলৈ চেষ্টা কৰে। কিন্তু

ছাত্ৰ নেতা কেইজনক সৈমান কৰিব নোৱাৰি বাক্-বিতণ্ডা চলি থকাৰ সময়তে সভানেত্ৰী গৰাকীয়ে ক্ষোভেৰে সেই ঠাই পৰিত্যাগ কৰে।

## দূৰদৰ্শনৰ ছিৰিয়েল

গুৱাহাটী দূৰদৰ্শনে বৰ্তমানে প্ৰচাৰ কৰা এখন অসমীয়া ছিৰিয়েলৰ বাবে কৰ্তৃপক্ষ তীব্ৰ সমালোচনাৰ সমুখীন হব লগা হৈছে। ছিৰিয়েলখন প্ৰচাৰ কৰাৰ বাবে গুৱাহাটী দূৰদৰ্শনৰ কৰ্তৃপক্ষক সমালোচনা কৰি বিভিন্ন ঠাইৰ পৰা প্ৰতিদিনে চিঠি আহে বুলি জানিব পৰা গৈছে। কৰ্তৃপক্ষই এতিয়া কিবা এটা অজুহাত দেখুৱাই ছিৰিয়েলখনৰ প্ৰচাৰ বন্ধ কৰিব পাৰিলেই হেনো ৰক্ষা পৰে। কিন্তু গুৱাহাটী দূৰদৰ্শনৰ হাতত এতিয়া সেইখনৰ সলনি প্ৰচাৰ কৰাৰ বাবে অন্য ছিৰিয়েলো নাই। অন্য ছিৰিয়েল হাতলৈ আহিলে সেইখন বন্ধ কৰাৰ বাবে গুৱাহাটী দূৰদৰ্শন কৰ্তৃপক্ষ এক প্ৰকাৰ সিদ্ধান্তলৈ আহিছে বুলি জানিব পৰা গৈছে।

## সূতা প্ৰকল্পৰ প্ৰকৃত উদ্দেশ্য কি ?

বোম্বেৰ বছিমি গ্ৰুপ তথা বোম্বে চিথুৰ মিলৰ স্বত্বাধিকাৰীজনে অসম ঔদ্যোগিক উন্নয়ন নিগমৰ সহযোগত দৰং জিলাৰ চিপাঝাৰ অঞ্চলত প্ৰাগ বছিমি চিনথেটিকচ্ লিমিটেড নামৰ এটা সূতা উৎপাদন প্ৰকল্প নিৰ্মাণ কৰিছে। বঙাইগাওঁ ৰিফাইনেৰী আৰু পেট্ৰোকেমিকেলচ্‌ত উৎপাদিত কেঁচামালেৰে এই পি এফ ৱাই আৰু পি ওৱাই নামৰ দুবিধ সূতা এই প্ৰকল্পটোত উৎপাদন কৰা হব। দেশ আৰু বিদেশত এই সূতাৰ চাহিদা প্ৰতিদিনে বৃদ্ধি পাইছে।

অসমৰ থলুৱা উদ্যোগৰ লগতে থলুৱা লোকক কৰ্ম-সংস্থাপন দিয়া হব বুলি বম্বে চিল্ক মিলৰ স্বত্বাধিকাৰ হেমন্ত ব্যাসে প্ৰচাৰ চলাইছে। জানিব পৰা মতে তেওঁৰ আচল উদ্দেশ্য অন্যহে। বঙাইগাওঁ ৰিফাইনেৰী আৰু প্ৰেট্ৰোকেমিকেলচ্‌ত উৎপাদিত কেঁচামাল অতি কম মূল্যত ক্ৰয় কৰি সূতা উৎপাদনেৰে মুনাফা লুটিব। উল্লেখযোগ্য যে অসম ঔদ্যোগিক নিগম এই প্ৰকল্পটোৰ অংশীদাৰ হ'লেও ইয়াৰ পৰিচালনাৰ দায়িত্ব সম্পূৰ্ণৰূপে হেমন্ত ব্যাসৰ ওপৰত ন্যস্ত থাকিব। অৰ্থাৎ তেওঁ যিকোনো মূল্যত উৎপাদিত সূতা অসমৰ বাহিৰত বিক্ৰী কৰিব পাৰিব। ফলস্বৰূপে এই পুঁজিপতিজনৰ পুঁজি টনকিয়াল হব আৰু অসম চৰকাৰ বা অসমৰ ৰাইজ এই প্ৰকল্পটোৰ দ্বাৰা বিশেষ উপকৃত নহব বুলি সচেতন মহলে আশংকা কৰিছে।


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

**ডাঃ এ, নেইছাৰ এম, ডি**
উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিকছ**
কুমাৰপাৰা, গুৱাহাটী-৭৮১০০৯






# বাস্তৱৰ অলীকতা, জীৱনৰ অনুকৃতি আৰু 'প্ৰিয়ম্বদা'

কুমুদ বৰুৱা

(১)

যোৱা তিনি-চাৰিটা দশকৰ অসমীয়া কবিতাৰ আধুনিক ধাৰাই কাব্যিক ধ্যান-ধাৰণাৰ উত্তৰণ প্ৰক্ৰিয়াত ইমানেই ব্যক্তি কেন্দ্ৰিকতা আৰু জটিলতা বৃদ্ধি কৰিলে যে আমাৰ দৰে সাধাৰণ পাঠকৰ বাবে, সেইবোৰ কবিতাৰ সৰহ ভাগৰে অনুভূতিৰ অংশীদাৰ হোৱাটো প্ৰায় দুৰূহ হৈ পৰিছিল। কিন্তু সুখৰ বিষয় যে সদ্য-প্ৰকাশিত কবিতাৰ পুথি 'প্ৰিয়ম্বদা'ৰ আৱিৰ্ভাৱে আমাৰ মনৰ সেই হতাশা কিছু দূৰ হলেও নাইকিয়া কৰিবলৈ সক্ষম হৈছে। বহুতো গুণী-জ্ঞানী সাহিত্যিক আৰু সমালোচকেই শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠকদেৱৰ এই ক্ষুদ্ৰ কবিতা-সংকলনটিৰ গুণানুকীৰ্ত্তন কৰালৈ চাই আমিও সেই 'নতুন' কবিতাবোৰৰ অনুভূতি লাভ কৰাৰ লগতে নিজস্ব মতামত ব্যক্ত কৰাৰ লোভো সম্বৰণ কৰিব নোৱাৰিলো।

'প্ৰিয়ম্বদা'ৰ ওপৰত কৰা প্ৰথম আলোচনাটো পঢ়িবলৈ পাওঁ যোৱা মাৰ্চ মাহৰ দ্বিতীয় পষেকৰ 'সূত্ৰধাৰ'ৰ পাতত। তাত সম্পাদক শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে অতি স্পষ্ট ভাষাত এই মন্তব্যবোৰ কৰিছেঃ 'সপোনতো ভবা নাছিলো যে কবিতা পঢ়াৰ লগে লগে তাৰ ছন্দৰ তালে তালে হৃদয়খন নাচি উঠিব খোজাৰ এনে অভিজ্ঞতা জীৱনত আকৌ এবাৰ হ'ব।' 'কবিতাৰ ভাব, ভাষা, উপমা আৰু কল্পনা ইমান বেছি সজীৱ আৰু মৌলিক যে ভাব হয় যেন সৃষ্টিৰ প্ৰথম প্ৰভাতৰ এজন আদিম মানৱেহে ভাবৰ আৰু বিজুলিৰ এই ৰাস-লীলা কল্পনা কৰিছে, যি আদিম মানৱৰ চকু হাজাৰ হাজাৰ বছৰৰ বিদ্যা-বুদ্ধি কবি-প্ৰসিদ্ধিয়ে ঘোলা কৰি পেলোৱা নাই।' 'থোৰতে মই কেৱল ইয়াকে ক'ব পাৰো যে কবিতাৰ এটা এৰা-সুঁতি বা মৰা-সুঁতিক জ্ঞানানন্দ শৰ্মা পাঠকৰ দুৰ্নিবাৰ আবেগ আৰু কল্পনাই পুনৰ ন-পানীৰ খলকনিৰে প্ৰাণ চঞ্চল কৰি তুলিছে।'

ডঃ হীৰেণ গোহাঁই দেৱৰ মন্তব্যও প্ৰশংসা সূচক। তেখেতে 'আজিৰ অসম'ত (৯ এপ্ৰিল, ১৯৯১) এই বুলি মন্তব্য কৰিছেঃ 'আমাৰ আজিৰ কবিতা, গল্প-প্ৰবন্ধৰ ভাষা কিছু বিজতৰীয়া হৈ পৰিছে। অসমীয়া ভাষাৰ মূল শিপাডালৰ পৰা ৰস আহৰণ কৰা কবিতা দুৰ্লভ। সেই সময়তে 'জোনাক ৰাতিৰ ব্ৰহ্মপুত্ৰ' নামৰ কবিতাটো পঢ়ি অৱশ মগজ যেন সজীৱ হৈ পৰিল।' 'কবিতাবোৰত আমাৰ থলুৱা পৰম্পৰা আৰু দেশীয় ঐতিহ্যৰ ৰত্ন-ভাণ্ডাৰৰ পৰা বিধে বিধে ইংগিত আৰু সূচনা আহৰণ কৰি খাজি থোৱা হৈছে। তেনে পৰীক্ষা হয়তো আমাৰ প্ৰয়োজন হৈছে। সকলোতকৈ ডাঙৰ কথা, শৰ্মা পাঠকে পাঠকৰ লগত এটা সংযোগ স্থাপনৰ বাবে নিজে এক উদ্যোগ লৈছে। এই উদ্যোগে সময়ে সময়ে সৃষ্টি কৰিছে এক অভিনৱ সৰসতা আৰু আপুৰুগীয়া ব্যঞ্জনা।'

'অগ্ৰদূত'ত (১৪ এপ্ৰিল, ১৯৯১) শ্ৰীযুত হিৰণ্য কুমাৰ ভট্টাচাৰ্যদেৱে এইদৰে লিখিছেঃ 'ষাঠি ,আৰু সত্তৰৰ দশকৰ সৰহভাগ কবিতাই আমাৰ সীমিত জ্ঞানৰ বাবে বুজি পোৱা নাছিলো – আজিও বহুবোৰ বুজি নেপাওঁ। 'প্ৰিয়ম্বদা'ই যেনিবা এই হতাশা আৰু ব্যৰ্থতাৰ ওৰ পেলালে।'

সাহিত্যানুৰাগী সম্পাদক শ্ৰীযুত ধীৰেন্দ্ৰনাথ বেজবৰুৱাদেৱে যোৱা ২০ এপ্ৰিলৰ 'The Sentinel' নামৰ ইংৰাজী দৈনিকত প্ৰশ্ন তুলি মন্তব্য কৰিছে এই বুলিঃ 'It is difficult to subscribe to the view that poetry ought to be something like a message that the reader surrenders to in enjoyment without having to make any effort in order to be able to enjoy and appreciate. This is one extreme position. Somewhere near the other end of the spectrum is the thesis that poetry is the language of suggestion rather than the language of meaning, and, will therefore, call for some effort at participation on the reader, specially since modern poetry can also be very personal poetry. At the very other end of the spectrum (according to some) is the poetry of T. S. ELIOT.....' This preamble of a digression has become necessary because of a slim volume of sixteen poems in Assamese by Jnanananda Sarma Pathak —PRIYAMBADA — which has attracted some attention since its publication last December..... In the ultimate analysis, PRIYAMBADA must be seen as a literary experiment... Is there much more of statement than suggestion?...... If Mr. Sarma Pathak really expects even the neo-literate to understand every line of all his poems, he will notice that there is no dearth of classical mythical allusions in them over which his lay readers can trip.'

চাৰিওজন সমালোচকৰ প্ৰবন্ধৰ পৰা বছা বছা অংশ বিশেষভাৱে উদ্ধৃত কৰাৰ



OKDISCD

অৰ্থ হ'ল এয়ে যে আটাইখিনি বিচাৰেই 'প্ৰিয়ম্বদা'ৰ সম্যক মূল্যায়নৰ স্বাক্ষৰ বহণ কৰিবলৈ সক্ষম হৈছে। সঁচা কথা, শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠকদেৱৰ কবি জীৱনৰ প্ৰথম কবিতাবোৰৰ নতুন ধৰণৰ ছন্দ, লয় তথা অসমীয়া থলুৱা ভাষাৰ ব্যৱহাৰে অসমীয়া কবিতা পাঠকৰ মনত যে বিশেষ অনুভূতিৰ আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হ'ব তাত সন্দেহ নাই। এনেকুৱা অভিনৱ কাব্যিক কৌশল প্ৰয়োগ কৰিয়েই হয়তো, ডঃ হীৰেণ গোহাঁইদেৱে কোৱাৰ দৰে, তেখেতে পাঠকৰ লগত এটা সংযোগ স্থাপনৰ নিজে এক উদ্যোগ লৈছে। যোৱা তিনি-চাৰিটা দশক জুৰি এই গুৰুত্বপূৰ্ণ কথাটোকে তেখেতৰ পূৰ্বসূৰী সকলৰ কোনেও একো চিন্তা চৰ্চা নকৰিলে। এই মংগলজনক ঘটনাটো সম্ভৱ হ'ল এই কাৰণেই যে প্ৰায় দুকুৰি বছৰৰ পিছত হলেও আমাৰ কবি সাহিত্যৰ জগতলৈ পুনৰ এবাৰ ঘূৰি আহিছে। শ্ৰীযুত ধীৰেন বেজবৰুৱাদেৱে কোৱাৰ দৰে এলিয়টীয় দুৰ্বোধ্যতা আৰু দ্ব্যৰ্থতাৰ প্ৰতি তাহানিতেই তেখেতে কৰা জেহাদ ঘোষণাৰ অন্যতম পৰিণাম ৰূপেও এই ঘটনাৰ কাৰণ ব্যাখ্যা কৰিব পৰা যায়।

'প্ৰিয়ম্বদা'ৰ কবিতাবোৰৰ ভাব, ভাষা আৰু কল্পনা মাজে মাজে ইমান বেছি সজীৱ আৰু মৌলিক হৈ উঠিছে যে, তাৰ মোহত হৃদয় আৰু মন এনেভাবে আচ্ছন্ন হৈ পৰে যে, তন্ময় মুহূৰ্ততো ভাব হয়, তেনে আপুৰুগীয়া, ব্যতিক্ৰম কাব্যিক অনুভূতিৰ সঁচাই কোনো তুলনা পাবলৈ নাই। মনত বিশ্বাস বাঢ়িবলৈ ধৰিছে, 'মোৰ মন যায়', 'বিজুলি' আৰু 'জোনাক ৰাতিৰ ব্ৰহ্মপুত্ৰ' –এই তিনিওটা অনবদ্য কবিতাৰ ভাষা আৰু কাব্যিক ব্যঞ্জনাৰ সঁচাই কোনো তুলনা পাবলৈ নাই। প্ৰায়েই, মনলৈ ভাব আহিছে, এই দ্বন্দ্বমুখৰ, যান্ত্ৰিক, কৃত্ৰিম আৰু ক্ৰমান্বয়ে বিশৃংখল হৈ পৰা সমাজ-জীৱন তথা সভ্যতাৰ মাজতো, ব্যক্তিৰ মনোজগতত শৈশৱ আৰু যৌৱনৰ যিবোৰ মৰহিব নোৱৰা অমূল্য অভিজ্ঞতা আৰু সৌন্দৰ্য তৃষ্ণাৰ সাঁচ ৰৈ যায়; কৰ্মব্যস্ত জীৱনত থমকি ৰৈ অথবা কোনো অনুপ্ৰাণিত মুহূৰ্তত স্মৃতিশক্তিৰ জৰিয়তে তাক চিৰন্তন ৰূপত কল্পনা কৰাৰ অৱসৰ মানুহৰ জীৱনলৈ যে কেতিয়াবা আহে, তাৰ জানো কোনো মূল্য সঁচাই নাই? তাৰ শ্ৰেণী চৰিত্ৰ অথবা সামাজিক ভূমিকা যেনেকুৱাই নহওক কিয়, কেতিয়াবা দেখোন এইবোৰক বৰ্জনীয় ৰোমান্টিক ভাব-বিলাস বুলিবৰ মন নেযায়। আমাৰো কেতিয়াবা মন যায় – 'আকৌ এবাৰ মই/সৰু হৈ যাবলৈ/ৰহধলা পৃথুৱীৰ/ দলঙত বহি বহি/বৰ বৰ শাল মাছে/পানীৰ তলত/ফুচ ফুচ মেল পতা/মনে মনে চাবলৈ' নাইবা, 'মৰ গেলা গৰমত/....গছৰ ডালত বহি/কৰদৈ-জামু-লেচু/টেঙা আম কলিবোৰ/ ধুমধাম খাবলে।' 'জোনাক ৰাতিৰ ব্ৰহ্মপুত্ৰ'ৰ অভিনৱ, সমৃদ্ধ কল্পনা আৰু কল্পচিত্ৰৰ সৌন্দৰ্যত অন্তৰ্নিহিত ছন্দ আৰু লয়ে মোৰেই কিয় সকলোৰেই শুকাই যাব ধৰা অনুভূতিক কোমল ছাঁয়াৰে সজীৱ কৰি নোতোলেনে? এই কবিতাৰ মৌলিকতা তথা সাধাৰণ ভাষাৰ অসাধাৰণ ব্যৱহাৰত ধৰা দিয়া অক্ষয় ব্যঞ্জনাই (Suggestive-ness) কেৱল মোৰেই কিয় সকলো ৰসিক কবিতা-প্ৰেমী ব্যক্তিৰেই অন্তৰ্জগতত বিচিত্ৰ আবেগ আৰু অনুভূতিৰ আলোড়ন তুলিবলৈ সক্ষম হ'ব। নিঃসন্দেহেই সংকলনটিৰ ই অন্যতম শ্ৰেষ্ঠ কবিতা। 'বিজুলি'ৰ অভিনৱ কল্পনাৰ ব্যঞ্জনায়ো আমাৰ অন্তপ্ৰাণত সৃষ্টি কৰে অপূৰ্ব 'অনুভূতিৰ লীলায়িত অনুৰাগ। অবুজ যৌৱন-তৃষ্ণাৰ এটা ব্যতিক্ৰম কৌতূহল প্ৰকাশ পোৱা 'পুৰুৰৱা' কবিতাতো কবিৰ নিজস্ব, আত্মীয় কাব্যিক ভাষাই সৃষ্টি কৰিছে অনুভূতিৰ অন্য এক ব্যঞ্জনা – তাৰ ব্যাপ্তিয়ে মোক হলে হতভম্বহে কৰি তুলিছে। কবিয়ে মনত ৰখা ভাল হ'ব, 'যয়াতিৰ নতুন যৌৱন'ৰ কৌতূহল আৰু অক্ষম আকাংক্ষাৰ পৰিণতি হ'ব নিঃসন্দেহেই কৰুণ। 'প্ৰিয়ম্বদা' নামৰ কবিতাত কোনো এক আহুকলীয়া অভিজ্ঞতাৰ কল্পনাও মন কৰিব লগীয়া। প্ৰিয়ম্বদা যৌৱন আৰু যৌনতাৰ প্ৰতীক নে সুন্দৰৰ বিপুল সম্ভাৱৰ প্ৰতীক? কবিতাটোৰ এটা পোনপটীয়া অন্তৰ্লীন অৰ্থত, কবিৰ কল্পনা আমাৰ বিচাৰত এটা Default of imagination। অন্যান্য অৰ্থ আমাৰ অভিজ্ঞতাৰ সীমাৰ বাহিৰত। কবিতাৰ সাৰ্থকতাৰ স্বাৰ্থত, অন্য এক অৰ্থ বিচাৰৰ প্ৰেক্ষাপটত মোৰ ধাৰণা, ভাষাৰ কিছু দৈন্য আৰু সেই অনুপাতে অনুভূতি ৰূপায়ণৰ ব্যৰ্থতাই কবিতাটো সাঁথৰতহে পৰিণত কৰিছে; তাক অৰ্থময় আৰু ৰসোত্তীৰ্ণ কৰি তুলিব পৰা নাই। ব্যক্তিকেন্দ্ৰিক ক্ষোভ, অসহায়তা আৰু হতাশাৰ গ্লানি আৰু উপলব্ধিৰে সিক্ত 'অন্তিম প্ৰাৰ্থনা' নামৰ কবিতাত আমাৰ হৃদয় দেখোন সিক্ত হৈ নুঠে! 'অন্তিম প্ৰাৰ্থনা'তকৈ 'যৱনিকা'ৰ উপলব্ধি যথেষ্ট সজাগ বুলি আমি পতিয়ন যাব পাৰো। কিন্তু কবিৰ বাবে তাৰ কাৰণ অজ্ঞাত (?) বাবেই, তাৰ কাব্যিক অনুভূতিয়েও আমাক উদ্বুদ্ধ কৰি তুলিব পৰা নাই। কবিৰ আন্তৰিকতাই এনেকুৱা সৰল উপলব্ধিৰ মূলধন বুলি আশ্বস্ত হোৱাত বাদে, প্ৰশংসাৰ আন কোনো বিকল্প আমাৰ হাতত নাই।

আলোচিত কবিতাবোৰৰ বাহিৰেও কবিয়ে আমাক বেলেগ ধৰণৰ কবিতাৰ জগত এখনলৈকো নিমন্ত্ৰণ কৰি লৈ যায়। এইখনো এখন সুকীয়া কবিতাৰ জগত। ইয়াত আছে কবিৰ নানা ৰঙী যৌৱন, মানৱীয় আদিম কামনা-বাসনা আৰু প্ৰেমাসক্তিৰ স্বাভাৱিক, নিজস্ব উত্তাপৰ জীৱনতৃষ্ণা। কোনো আদৰ্শ নৈতিকতাৰেও কেতিয়াবা কবিয়ে জীৱন-যৌৱন উপভোগ কৰিবলৈ বিচৰা নাই। ইয়াত কবি জ্ঞানী, নিৰ্ভীক আৰু বাস্তৱবাদী, কিন্তু চিনিকেল। কবিতাবোৰৰ বিশেষত্ব এয়ে যে তাত কবিৰ বুদ্ধি, প্ৰজ্ঞা, যুক্তি, আবেগ আৰু ইন্দ্ৰিয়-সংজ্ঞা ইত্যাদি বিচিত্ৰ প্ৰতিক্ৰিয়াৰ সমাহাৰে অসমীয়া কবিতাত অপৰিচিত এক ব্যতিক্ৰম গীতিময় কাব্যিক অনুভূতিৰ সৃষ্টি কৰিছে। কবিতা বিশেষে সেই অনুভূতিৰ তাৰতম্য ঘটা নাই বুলি নকওঁ। 'আবেগময় চিন্তা' বুলিলে আমাৰ মনত যেনে ধৰণৰ প্ৰতিক্ৰিয়া সম্ভৱ হ'ব পাৰে – তাৰেই যেন প্ৰতিধ্বনি শুনা পাওঁ এই কবিতাবোৰত। বহুক্ষেত্ৰত যেন আবেগৰ স্থান অধিকাৰ কৰি 'কল্পনাৰ লজিকে' সাধাৰণৰ লগত অসাধাৰণৰ মিলনো সম্ভৱ কৰি তুলিছে। 'যৌৱনৰ ৰামধেনু ৰঙৰ প্ৰতি হাবিয়াস' আৰু যৌৱনৰ বিচিত্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা এইবোৰ কবিতাত (যথা – 'জাগৃতি', 'সঞ্জীৱনী', 'দুটা বেলিৰ জুই', 'পূৰ্ণানন্দ', 'দেৱদাস') অনুভূতি আৰু কল্পনাৰ সজীৱ আধিভৌতিক সমাহাৰে মোক হলে সোতৰশ শতিকাৰ Metaphysical কবিতাবোৰলৈ, বিশেষ-ভাবে কবি জন ডনলৈহে (John Donne) বেছিকৈ মনত পেলাই দিছে। এইবোৰ কবিতাত প্ৰেমাসক্তি, অনুভূতিৰ গাঢ়তা আৰু কোমলতা, বিশেষ ধৰণৰ সংবেদন-শীলতা (Sensibility), আমাৰো অনুভূতিক বিহ্বল কৰি তুলিব পৰা ক্ষমতা; মুখ্যতঃ আবেগ আৰু চিন্তা, ভাব আৰু ভাষাৰ মধুৰ ব্যঞ্জনাই আমাক মেটাফিজিকেল কবিৰ গুৰু জন ডনৰ প্ৰেমৰ কবিতাবোৰলৈহে মনত পেলাই দিয়ে। এইবোৰ কবিতাত Metaphysical Conceitৰ ব্যৱহাৰো বিশেষভাবে মন কৰিবলগীয়া। কোনো বিশেষ, নিৰ্দিষ্ট সময়ৰ চেতনাত কল্পনা আৰু আবেগ-অনুভূতিৰ ঘনীভূত ৰূপেই এনেবোৰ কবিতাক অপৰূপা কৰি তুলিছে। মোৰ দৃষ্টিত, এনে মাপ-কাঠিৰে জুখিলে উল্লিখিত কেউটা কবিতাই অনন্য সাৰ্থক কবিতা। দুখৰ বিষয় এনেবোৰ অনুপম কবিতাৰ মাজতো 'আমাক বিচাৰ লাগে' জাতীয় নিম্নস্তৰৰ কবিতায়ো সংকলনটিত স্থান পাইছে।

(২)

কবিগুৰু এলিয়ট, এজৰা পাউণ্ড আদি কবিৰ Vers Libre অথবা Free Verseৰ প্ৰভাৱত অসমীয়া আধুনিক কবিতায়ো পৰম্পৰাগত ছন্দৰ ব্যৱহাৰৰ প্ৰতি উদাসীন মনোভাব লৈ নতুন আধুনিক কবিতাৰ জন্ম দিলে। এই অভিযানত অসন্তুষ্টি প্ৰকাশ কৰা সকলৰ ভিতৰত অন্যতম আছিল আমাৰ আলোচ্য কবি শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠকদেৱ। তেখেতে তাহানিতেই দৃঢ়তাৰে লিখিছিল যে ছন্দই কবিতাক পংগু নকৰে। ছন্দোবদ্ধতাৰ সাধাৰণ অৰ্থ সহযোগিতা। শব্দাৱলীৰ এই সহযোগিতা বা সংঘবদ্ধতাক বন্দিত্বৰ আখ্যা দিয়া ভুল। ছন্দই কবিতাক দিয়ে লীলায়িত গতি। এই অধ্যায়ত সেয়েহে তেখেতৰ কাব্য-আলোচনাৰ 'ইস্তাহাৰ' স্বৰূপ 'নতুন কবিলৈ মুকলি চিঠি' নামৰ এলানি ৰচনাৰ (ৰচনা-কাল ১৯৫৩-৫৬) জৰিয়তেই আমি তেখেতৰ কাব্য-চিন্তা তথা মূল কাব্যিক বিশ্বাসসমূহৰ ওপৰত আলোকপাত কৰিবলৈ চেষ্টা কৰিম।

শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠকদেৱৰ কাব্যিক চিন্তা পৰ্যালোচনা কৰিলে দেখা যায় যে তেখেতে সাহিত্যক বাস্তৱৰ অবিকল সত্য প্ৰতিফলন কৰিব পৰা নিষ্পন্দ প্ৰগতিশীলতা হিচাপে চোৱা নাই। আনহাতে কবি এলিয়ট বা তেওঁৰ সমৰ্থক সকলৰ দৰেও সাহিত্যক বিশেষ ধৰণৰ জীৱনৰ অনুকৃতি ৰূপতো বিচৰা নাই। 'বাস্তৱৰ অলীকতা', 'জোনাক ৰাতিৰ পোহৰ' ইত্যাদি বাক্যাংশেৰে তেখেতে কবিৰ 'আদিম চেতনা' আৰু 'আদিম অনুভূতি'ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তাৰ উপৰি কবিতাই আনন্দদানৰ মাজেৰে নতুন বাণীৰেও পাঠকক উদ্বুদ্ধ কৰি তোলাৰ ওপৰতো তেখেতে গুৰুত্ব প্ৰদান কৰিছে। কিন্তু সেই বাস্তৱতা প্ৰেছ ৰিপৰ্টাৰৰ বিৱৰণ অথবা সাময়িক জীৱনৰ প্ৰতিচ্ছবি বা Photography নহয়। কবিতাই সেই মহান দায়িত্ব পালন কৰিব লাগিব, পাঠকৰ মন আৰু হৃদয়ত বিশিষ্ট কাব্যিক অনুভূতিৰ (Art emotion) আলোড়ন তুলি। সামাজিক জীৱনত আমি যেনেকৈ 'নৈতিকতা' (Morality) বোলা বস্তু এটাত বিশ্বাস কৰো আৰু তাৰ মূল্য দিওঁ; ঠিক সেই দৰে কলাৰ ক্ষেত্ৰতো আমাৰ সৌন্দৰ্যবোধে এক Moralityত বিশ্বাস কৰে। এই 'সৌন্দৰ্য নৈতিকতা' (Aesthe[illegible] Morality) নগ্ন বাস্তৱৰ প্ৰতিষেধক। আন্ধাৰ কোঠাৰ যৌন জীৱনৰ তৃষ্ণা আদিম মানৱীয় সত্য আৰু বাস্তৱ ঘটনা। কিন্তু তাৰ উলংগ প্ৰকাশে আমাৰ স্থূল অনুভূতিক পৰাস্ত কৰিলেও, শেষ বিচাৰত সেই সত্যই আমাক আমোদ দিব নোৱাৰে। তেনে উলংগ প্ৰকাশে আমাৰ সুকুমাৰ অনুভূতিক শ্বক ট্ৰিটমেন্টহে (Shock treatment) দিয়ে। তুচ্ছ দৈনন্দিন জীৱনৰ লাপি-লুপা অথচ অপৰিহাৰ্য ঘটনাবোৰৰ বাস্তৱতা কোনেও নুই কৰিব নোৱাৰে; কিন্তু তাৰ পৰিবৰ্জনবিহীন স্থূল বৰ্ণনাত আমাৰ কাব্যিক অনুভূতিৰ (Poetic emotion) উদ্ৰেক নহয়, তেনে প্ৰকাশত 'সৌন্দৰ্য নৈতিকতা'ৰহে সহজ মৃত্যু ঘটে।

ইয়াৰ বিপৰীতে এলিয়টীয় কবিতাৰ অন্তৰ্নিহিত লয় (Rhythm), তেওঁ বিচৰা সাংগীতিক যোগসূত্ৰতা, আনুভূতিক কম্পন, ঐতিহ্যৰ বৈচিত্ৰ্যৰ মাজত একতা ইত্যাদিৰ জৰিয়তে যদিওবা আধুনিক কবিতাৰ কাব্যিক অনুভূতি সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়, সেইবোৰৰ ওপৰতো শ্ৰীযুত শৰ্মা পাঠকদেৱে বিশেষ গুৰুত্ব দিয়া নাই। সেইবোৰ কথা মানি লৈও তেখেতে বেলেগ এবিধ নতুন প্ৰগতিশীল কবিতাৰ কথা কৈছে – যি কবিতা যুগৰ লিপিকা। আমাৰো ধাৰণা অসমীয়া থলুৱা জীৱনত হয়তো আৰু এনেবোৰ অপ্ৰচলিত বুলি প্ৰমাণ হোৱাটো ধ্ৰুৱ। যোৱা তিনি চাৰিটা দশকৰ কবিতাই অসমত গৰিষ্ঠ সংখ্যক পাঠকৰ মাজতেই জনপ্ৰিয়তা হেৰুওৱাটো এনে অপৰিণামদৰ্শী, একদিশদৰ্শী কাব্য-চৰ্চাই মূলতঃ দায়ী। অসমৰ বিশেষ থলুৱা পৰিবেশত এলিয়টীয় পাশ্চাত্য ধাৰাৰ চৰ্চা যে মুষ্টিমেয় প্ৰতিভাশালী শ্ৰেণীৰ হাতত আবদ্ধ হৈ পৰিল, সি অসমীয়া সাহিত্যৰ ইতিহাস-ঐতিহ্যৰ বাবে, এই দৃষ্টিত, কল্যাণকৰ তথা সুখকৰ কোনোটোৱেই নহয় যদিও তেনে সমস্যাতো বিতৰ্কৰ অৱকাশ থাকি যায়।

অন্ধ এলিয়ট-প্ৰীতি, যথাৰ্থ বুদ্ধি, মেধা আৰু সাধনাৰ অভাৱ, অথবা যোগ্য প্ৰতিভা সম্পন্ন মুষ্টিমেয়ৰ ঢুকি নোপোৱা ব্যক্তি কেন্দ্ৰিকতাৰ ফলত আধুনিক অসমীয়া কবিতাৰ মাজলৈ এনেকুৱা দুৰ্বোধ্যতা, আত্মম্ভৰিতা আৰু জটিলতা আহি পৰিল যে, সাধাৰণ 'অকবি' পাঠকে বিমোৰ হৈ কবিতা পঢ়াকে বাদ দিলে। সমস্যাটো কিছু বেলেগ ধৰণৰো। কবিতাৰ যি অন্তহীন ব্যাপ্তিৰ বাবে কৰ্মসাধনাতকৈ জ্ঞান-সাধনাকহে বুৰ্জোৱা তথা অন্যান্য বহুতো প্ৰগতিশীল কবিয়েও বেছি গুৰুত্ব দিয়ে, সেইটোহে বোধহয় কবিতাই জনপ্ৰিয়তা হেৰুওৱাৰ এটা অন্যতম কাৰণ। কবিতাৰ গৰিষ্ঠসংখ্যক পাঠকৰ উদাসীনতাৰ প্ৰকৃত কাৰণৰ প্ৰতি আমাৰ আধুনিক ন-পুৰণি কবি সকলে মনোযোগ নিদিব পাৰে; বিপৰীতে তেওঁলোকৰ আছুতীয়া 'সজ্জিত' প্ৰেক্ষাগৃহত (Theatre) 'সমৃদ্ধ' কবিতা আবৃত্তিৰে বন্ধ ঘৰৰ ভিতৰখন মুখৰিত কৰি ৰাখিব পাৰে; মহা দুৰ্দিনৰ দিনতো তাক জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টাত ব্ৰতী হ'ব পাৰে, সেয়ে কওঁ, কবি সকলৰ বাবে প্ৰধান সমস্যা হ'ব লাগিছিল সেইটোহে। সমস্যাটো কবিৰ আত্ম-সমালোচনালৈ ভয়ৰ। কেইবাটাও দশক জুৰি চলি থকা এনে অমনোযোগিতাৰ এটা বৈষম্যমূলক চৰিত্ৰৰো উমান পোৱা যায়। কোনো এক হীনমন্যতাত ভোগা (নে এইটো Superiority Complex?) অথবা স্ব-ব্যক্তিসত্তাৰ সম্ভাব্য পতনত (The fall of the individual) আশংকিত কবিয়ে এখন বৰ ৰহস্যময় আৰু কৰুণ মুখা (Mysterious and tragic mask) ব্যৱহাৰ কৰি আহিছে। সেইখন মুখাৰ তলৰ কবিক আমাৰ কেতিয়াবা চিনি পোৱা যেনো লাগে। তাৰ ৰূপটো এনেকুৱাঃ বৰ্তমানৰ জড়াগ্ৰস্ত সভ্যতাৰ ক্ৰমবৰ্ধমান জটিলতা আৰু অসুস্থতাৰ – তাৰ নিৰ্বোধ অথবা যান্ত্ৰিক দুৰ্বলতাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি, তাৰেই পলসময় ভূমিত আধুনিক দুৰ্বোধ্য আৰু 'জ্ঞানগৰ্ভ' কবিতাৰ ভাল ফচল ফলাই, তামাম মুনাফা কমোৱাতেই যেন আমাৰ আত্ম-প্ৰত্যয়হীন, সংবেদনশীল আৰু মানৱদৰদী কবি ব্যস্ত হৈ পৰিছে। মানুহৰ দুখ-দুৰ্দশাক কবিতাৰ পণ্য জ্ঞান কৰাই যেন এওঁলোকৰ একমাত্ৰ লক্ষ্য। কিন্তু কথা হ'ল এনে এক আহুকলীয়া জীন নোযোৱা



সূত্ৰধাৰ ▫ ১৬–২৯ ফেব্ৰুৱাৰী, ১৯৯২

পৰিৱেশৰ পৰা আমাক অচিৰেই মুক্তি লাগে।

সৌভাগ্যৰ কথা যে জীৱনৰ বিয়লি বেলাতো আমাৰ শ্ৰদ্ধেয় কবি শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠকদেৱে সেই দায়িত্বৰ বোজা গ্ৰহণ কৰি এঘড়ী যুঁজিবলৈ কঁকালত টঙালি বান্ধিছে। বহুদিনৰ আগতেই অৱশ্যে তেখেতে এই সমস্যাটোৰ গুৰুত্ব বুজি পাইছিল আৰু স্পষ্ট ভাষাতেই তাৰ বিৰোধিতাও কৰিছিল। কিন্তু দুখৰ বিষয় যে কোনো অজ্ঞাত কাৰণত তেখেতে সুদীৰ্ঘ দিনৰ বাবে নীৰৱতা অৱলম্বন কৰি আছিল। চাকৰি জীৱনৰ গধুৰ দায়িত্ব আৰু কৰ্মব্যস্ততাকে সকলোৱে তেনে নীৰৱতাৰ কাৰণ হিচাপে লক্ষ্য কৰিছে।

ৰসিক পাঠকে ৰচনাখন পঢ়ি চালে লক্ষ্য কৰিব, শ্ৰীযুত শৰ্মা পাঠকদেৱে 'নতুন কবিলৈ মুকলি চিঠি'ত যি নতুন কবিতাৰ কথা কৈছে, সেই কবিতা বৰ্তমান যুগৰ সমাজ-জীৱনৰ লগত খাপ-খোৱা 'সৰ্বাত্মক' কবিতা আৰু বিশেষ ভাবে সেইবোৰ 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' (কবিতাটোৰ কবি শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য) জাতীয় কবিতা। কিন্তু আমোদজনকভাবে 'প্ৰিয়ম্বদা'ত তাৰ চিন মোকাম পৰ্যন্ত নাই। কবিৰ জীৱনত এনে পৰিবৰ্তনৰ ৰহস্য কি?

প্ৰসংগক্ৰমে কৈ থোৱা ভাল হ'ব যে, তেখেতৰ আলোচনাত শ্ৰীযুত ধীৰেন্দ্ৰনাথ বেজবৰুৱাদেৱে যিটো বৈপৰীত্য 'প্ৰিয়ম্বদা'ত লক্ষ্য কৰিছে, তাৰ সঠিক কাৰণ বিচাৰিবলৈ হলে আমি কবিৰ 'নতুন কবিলৈ মুকলি চিঠি'লৈ উভতি চাব লাগিব। সূক্ষ্মভাবে অনুধাৱন কৰিলে সকলো পাঠকেই এটা সত্য লক্ষ্য কৰিব যে সেই লানি ৰচনাত কবি প্ৰথম অৱস্থাত ঘোৰ এলিয়ট বিৰোধী আছিল। কিন্তু পিছলৈ লাহে লাহে কবিৰ সেই আত্মবিশ্বাস হ্ৰাস পাই আহিছে আৰু ৰচনাখনৰ প্ৰায় মাজ ভাগতে তেওঁ এলিয়টৰ কবিতাক স্পষ্ট ভাষাতেই প্ৰশংসা কৰিছেঃ 'এই কৃতিত্বৰ কাৰণে 'ৱেষ্টলেণ্ড' কুৰি শতিকাৰ শ্ৰেষ্ঠ কবিতা' (পৃঃ ১৮)। আমাৰ ধাৰণাত কোনো কবিয়েই ঐতিহ্য-চিন্তাৰ পৰা হয়তো নিজকে মুক্ত কৰিব নোৱাৰে। সাধাৰণ পাঠকৰ লগত সংযোগ স্থাপন কৰিবলৈ উদ্যোগী কবিয়েও সাহিত্যৰ ঐতিহ্যৰ পৰা নিজকে মুক্ত কৰিবলৈ সক্ষম নহয়। কিন্তু সুখৰ বিষয় এইটোৱেই যে তেনে আহুকালৰ মাজতো শ্ৰীযুত শৰ্মা পাঠকদেৱে, নিজস্ব প্ৰতিভাৰ বলত কাব্যিক অনুভূতি আৰু পাঠকৰ মাজৰ ব্যৱধান হ্ৰাস কৰি অনাৰ কৃতিত্ব নিঃসন্দেহেই দাবী কৰিব পাৰে। এনেকুৱা মন্তব্যই নিশ্চয় অতীতৰ কবি এলিয়টৰ বিৰল প্ৰতিভা আৰু তেওঁৰ সাৰ্থক কবিতাক অস্বীকাৰ কৰাটো নুবুজায়।

কিন্তু তেনে কৃতিত্ব সত্ত্বেও আমি নিশ্চয় প্ৰশ্ন তুলিব পাৰো যে 'প্ৰিয়ম্বদা'ত জীৱনৰ অনুকৃতি – তাৰ 'অলীক বাস্তৱতা'ত, তেনে বাস্তৱতা আৰু জীৱনৰ মাজৰ ব্যৱধান কেনে ধৰণে হ্ৰাস পাইছে? প্ৰশ্নটো কবিৰ কাব্যিক অনুভূতিৰ, প্ৰকৃত কলাৰ কেন্দ্ৰীয় বিশ্বাসটোৰ লগত জড়িত প্ৰশ্ন। মোৰ ব্যক্তিগত ধাৰণা যে এই বিষয়টো এতিয়াও কবিৰ বাবে কোনো এক Hobson's choice হে। বাস্তৱ অভিজ্ঞতাৰ জৰিয়তে ধাৰণাটো সহৃদয় পাঠকে শুদ্ধ বুলি বিবেচনা কৰিলে, ক'ব পৰা যাব যে 'প্ৰিয়ম্বদা'ৰ কবিতাবোৰ এক বিশেষ শ্ৰেণীগত দৃষ্টিভংগীৰেহে অনুভূত হোৱা যেন ভাব হয়। কবিতাবোৰক 'জোনাক ৰাতিৰ পোহৰ' বুলি দাবী কৰিবলৈ কবিৰ নিশ্চয় মন যাব। কিন্তু কবি সম্পূৰ্ণৰূপে মানৱদৰদী হয় নে নহয়, সেই বিচাৰ পাঠকে নিশ্চয় কৰিব পাৰিব বুলি মোৰ বিশ্বাস। বিশেষ এটা দৃষ্টিকোণৰ পৰা তেখেত কিন্তু আমাৰো প্ৰিয় কবি হ'ব পাৰিছে। সেই বিশেষ অৰ্থতহে কবিতাবোৰ 'নতুন' বুলিও মোৰ ধাৰণা। এই 'নতুনত্ব'ই অসমীয়া কাব্যামোদীলৈ জোনাক নিশাৰ কোমলতা আৰু মন জুৰ পৰি যোৱা মলয়াৰ এছাটি বা কঢ়িয়াই আনিছে। কবিতাবোৰ পৰীক্ষামূলক বুলি ধৰিলেও কবিৰ কৃতিত্ব বিশেষভাবে মন কৰিবলগীয়া। 'প্ৰিয়ম্বদা'ৰ প্ৰচাৰিত ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাও শ্ৰদ্ধাসহকাৰে ইয়াত স্মৰণযোগ্য। গতিকে নিঃসন্দেহেই প্ৰশ্ন তুলিব পৰা যায় যে তেনে জনপ্ৰিয়তাই অসমীয়া কবিতাৰ আকাশত যথাৰ্থ কাব্যিক অনুভূতিৰ এটা অমোঘ সামগ্ৰিক ধাৰণাক মহিমামণ্ডিত কৰি তুলিব পাৰিবনে? 'প্ৰিয়ম্বদা'ৰ নতুনত্বই নতুন অসমীয়া কবিতাৰ পথ-প্ৰদৰ্শকৰ গধুৰ দায়িত্ব বহণ কৰিবলৈ সমৰ্থবান হ'বনে? কবিতাৰ পাঠকৰ সমস্যাটো সমাধানৰ এটা আশাব্যঞ্জক, স্বাস্থ্যকৰ Revival সম্প্ৰতি বহুলভাবে প্ৰচাৰিত হোৱালৈ লক্ষ্য ৰাখি আমি দাবী কৰিব পাৰোনে যে কবিতাবোৰে যুগৰ স্বাক্ষৰো বহণ কৰিছে?

কিন্তু কবিয়ে দাবী কৰা মতে ১৮শ শতিকাৰ ভেজাল classical সাহিত্য কৃতিক কুৰি শতিকাৰ আধুনিক কবিতাই চেৰ পেলালেও, আজি পৰ্যন্ত দিগ্‌ভ্ৰান্ত আধুনিক অসমীয়া কবিতা যেন বৌদ্ধিক বিলাস আৰু বিলাপৰ নামান্তৰ মাথোন। যুগৰ বতাহে তাত কি ধৰণে চোৱাইছে, আমি কিন্তু সেই ৰহস্যৰ জ্ঞান লাভ কৰিবলৈ সমৰ্থবান হ'ব পৰা নাই। 'প্ৰিয়ম্বদা'ই অৱশ্যে সেই মোহ ত্যাগ কৰি তাৰ পৰা বহুদূৰ আঁতৰি আহিছে বুলিও বিশ্বাস জন্মিছে। আন নহলেও পাঠকক আগত ৰাখি কবিয়ে 'প্ৰিয়ম্বদা'ক সজাবলৈ যত্ন কৰিছে। কিন্তু সেই Audience এলিয়টৰ আটোমটোকাৰি 'প্ৰেক্ষাগৃহ'ৰ কাব্যামোদী নহলেও, তেওঁলোক কোনো আহল-বহল ক্ৰীড়া প্ৰেক্ষাগৃহৰ (Stadium) Audience বুলিহে কোনো কোনোৱে ক'ব খোজে। মোৰ 'বিপ্লৱী কবি বন্ধুৱে'তো তাক 'Theatre of illusion' বুলিও আখ্যা দিবলৈ পিছ সোঁহকা নাই। আন কোনো অত্যুৎসাহী 'বিপ্লৱী কবি'য়ে চেপা মন্তব্য কৰিব খোজে – 'মন্দঃ কবিঃ যশঃ প্ৰাৰ্থী' বুলি। আমাৰ বিচাৰত এনে নানা তৰহৰ প্ৰতিক্ৰিয়াৰ এটাই সম্ভাব্য কাৰণ হ'ব পাৰেঃ চাৰি দশকৰ আগতেই দুৰ্নিবাৰ স্বতঃস্ফূৰ্ততাৰে নতুন দিনৰ ভৱিষ্যত ঘোষণা কৰা কবিয়ে কিন্তু 'প্ৰিয়ম্বদা'ত 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি'ৰ সফলতাৰ ন্যায্যতা জনপ্ৰিয় কৰাৰ পৰিবৰ্তে, তেনে দায়গ্ৰস্ততা পৰিহাৰ কৰি চলিবলৈহে চেষ্টা কৰিছে যেন লাগে। ইয়াৰ অৰ্থ এনেকুৱা নেকি যে 'প্ৰিয়ম্বদা'ৰ কবিতাবোৰে যুগৰ স্বাক্ষৰ বহণ কৰিবলৈ ইচ্ছুক নহয়? মন্তব্যটো বৰ একাচেকা যেন লাগিলেও তাৰ সত্যতাও অস্বীকাৰ কৰা টান। কিন্তু এনেবোৰ নতুন কবিতাই অসমীয়া কবিতাৰ উত্তৰণ বা বিবৰ্তনৰ প্ৰক্ৰিয়াত কি ধৰণৰ ভূমিকা ল'ব, তাৰ মূল্যায়নহে আমাৰ বাবে অধিক প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ হৈ পৰিছে। সন্দেহ নাই 'প্ৰিয়ম্বদা'ৰ আৱিৰ্ভাৱে যিবোৰ অনিৰ্ণীত কাব্যিক সমস্যাৰ গুৰুত্ব পুনৰ এবাৰ আমাৰ সমুখত আনি তুলি ধৰিছেহি, তেনে সমস্যাৰ আলোচনাৰ জৰিয়তেই উল্লিখিত সমস্যাৰ ব্যাখ্যাও সম্ভৱপৰ। সেয়ে তেনেবোৰ সমস্যাৰ আলোচনাৰ মাজেদিয়েই আমি সেই প্ৰশ্নৰো উত্তৰ বিচাৰিবলৈ সক্ষম হম।

## (৩)

'প্ৰিয়ম্বদা'ৰ কৃতিত্ব আৰু জনপ্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত উত্থাপিত হ'ব পৰা সমস্যাটোৰ আলোচনা মই ডঃ হীৰেণ গোঁহাইদেৱৰ 'সাহিত্য আৰু বিজ্ঞান' নামৰ এখন তাৎপৰ্যপূৰ্ণ ৰচনাত উল্লিখিত



সাহিত্যৰ আউলীয়া সমস্যাটোৰ আলোচনাৰ সহায়েৰেই নতুনকৈ আৰম্ভ কৰিব বিচাৰো।

বিদগ্ধ ইংৰাজ সাহিত্য-সমালোচক আই এ ৰিচাৰ্ডছৰ (I. A. Richards) কাব্য-চিন্তাও এই প্ৰসংগত চিন্তনীয় বিষয়। মাৰ্ক্স-এংগেলচৰ সাহিত্য সম্পৰ্কীয় কল্পলোকৰ (Vision) উপস্থাপনাও ইয়াত বিশেষভাবে প্ৰণিধানযোগ্য। বহুতেই মন্তব্য কৰাৰ দৰেই 'নতুন কবিলৈ মুকলি চিঠিত' (পৃঃ ৫৭) আনকি প্ৰগতিশীল কবিৰ চমজদাৰ ব্যক্তি শ্ৰীযুত শৰ্মা পাঠকদেৱেও সাহিত্য সম্পৰ্কত মাৰ্ক্সৰ ধাৰণাৰ ভ্ৰান্তিমূলক মন্তব্য কৰিছে। 'উচ্চস্তৰৰ সাহিত্যই অৱশ্যে আমাক জীৱনৰ গভীৰ সত্য উপলব্ধি কৰোৱা যেন লাগে, কিন্তু ৰিচাৰ্ডছৰ মতে সি এটা ভ্ৰম। আমাৰ Nervous systemৰ সমতা (equilibrium) উৎপাদন কৰি সাহিত্যই এনে ভ্ৰম বা মোহৰ জন্ম দিয়ে। সাহিত্য সেয়ে সত্য দৰ্শনৰ অস্ত্ৰ নহয়, আবেগিক স্বাস্থ্য (emotional health)ৰ ঔষধহে।' (সৃষ্টি আৰু যুক্তি, পৃঃ ১০৪)। ৰিচাৰ্ডছৰ 'Principles of Literary Criticism' নামৰ গ্ৰন্থৰ ৩৬ পৃষ্ঠাৰ দ্বিতীয় পৰিচ্ছেদৰ আলোচনাতো আমি এনে ধাৰণাৰ প্ৰতিধ্বনি শুনো। চমুকৈ কবলৈ হলে আমি যদি সমালোচক আই এ ৰিচাৰ্ডছৰ কাব্য-চিন্তাৰ এনেকুৱা ধ্যান-ধাৰণা মানি লওঁ, তেনে পৰিস্থিতিত, 'প্ৰিয়ম্বদা'ৰ এনে ব্যতিক্ৰম আলোচনাৰো আচলতে কোনো প্ৰয়োজন নাই। কিন্তু সাহিত্যৰ মূল্য একমাত্ৰ স্নায়বিক সঁহাৰিৰ মাপকাঠিৰে জুখিবলৈ অন্যান্য সমালোচক সকলে আপত্তি কৰিলে আৰু সেয়ে ৰিচাৰ্ডছৰ এই বৈপ্লৱিক সিদ্ধান্তও যুগমীয়া নহ'ল। কিন্তু সেই কথাৰ সত্যতা অস্বীকাৰ কৰাটোও সহজসাধ্য নহয়। তাৰ উপৰি মানুহৰ অন্তৰ্জগতৰ অপৰিবৰ্তনীয়, চিৰন্তন আৰু বিশ্বজনীন 'আদিম অনুভূতি' এটা অথবা কলাৰ স্বতন্ত্ৰ ৰূপ এটা আছে বুলি যি সকলে বিশ্বাস কৰে, সেই সকলৰ মতে আমি মানুহৰ স্নায়বিক সত্তা (Nervous system), ইন্দ্ৰিয়-সংজ্ঞা (sensation) আৰু তাৰ মাজেদি ৰূপায়িত হোৱা 'sensous experience'ৰ মূল ধাৰণা এটা মানি ললেও, শ্ৰীযুত জ্ঞানানন্দ শৰ্মা পাঠক দেৱৰ অসমীয়া কবিতাত অদ্বিতীয় আসনখন প্ৰায় স্থায়ী হৈ পৰিব। কিন্তু সমস্যাটো হ'ল সেই sensousness এ 'অন্তৰ্জগত'ৰ অমোঘ ধাৰণাটোৰ লগত মিতিৰালি কৰিলে, তাৰ প্ৰতি অত্যধিক প্ৰীতিয়ে আধুনিক জড়াগ্ৰস্ত সভ্যতাত, জনগণৰ স্বাৰ্থত, তাৰ প্ৰধান প্ৰধান দ্বন্দ্ব সমূহৰ বাস্তৱতাও আওহেলা কৰি চলিব। তেনে ধৰণৰ মোহে নতুন কবিতালৈকো কঢ়িয়াই আনিব অতীত মুখিতা, ব্যক্তিকেন্দ্ৰিক প্ৰেমাসক্তি, ব্যক্তিগত বিদ্ৰোহ। আৰু শেষ পৰ্যয়ত এনে ব্যক্তিকেন্দ্ৰিক আত্ম-সচেতনতাই প্ৰকৃত শ্ৰম, সাধনা আৰু সিদ্ধিলাভৰ বাটত বিধি-পথালি দি কবিক বিষাদ আৰু ব্যৰ্থতাৰ বন্দীশালত হে বন্দী কৰি ৰাখিব। কোনো কোনো কবিৰ বাবে হয়তো Tragedyয়েই মানুহৰ জীৱনৰ Central fact of human existence' হিচাপে পৰিগণিত হ'ব।

তথাপিতো কিন্তু এনে দ্বন্দ্বৰ এটা গ্ৰহণযোগ্য ব্যাখ্যা আমি বিজ্ঞান আৰু সাহিত্যৰ আলোচনাৰ জৰিয়তে লাভ কৰিবলৈ সমৰ্থ হওঁ। ডঃ হীৰেণ গোঁহাইদেৱে তেখেতৰ 'সাহিত্য আৰু বিজ্ঞান' নামৰ ৰচনাখনত এই দ্বন্দ্বৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হ'ব পৰা এটা তাৎপৰ্যপূৰ্ণ বিতৰ্কত অংশগ্ৰহণ কৰি তাৰ যুক্তি নিৰ্ভৰ ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা কৰিছে। বিষয়টোৰ গুৰুত্বলৈ চাই তাৰ অধিক আন্তৰিকতাপূৰ্ণ চৰ্চা আমি অসমীয়া ভাষাত ইতিপূৰ্বে হোৱা বুলি জানিব পৰা নাই। সি যি কি নহওক, কাব্যৰ পৰিবৰ্তন প্ৰক্ৰিয়াত 'প্ৰিয়ম্বদা'ৰ আৱিৰ্ভাৱকে মই তেনে চিন্তাৰ বাবে উপযুক্ত অৱসৰ হিচাপে গ্ৰহণ কৰিম বুলি মনস্থিৰ কৰিছো।

বিজ্ঞানৰ লগত সাহিত্যৰ পাৰ্থক্যৰ যুক্তি তৰ্কত মানুহৰ অন্তৰ্জগতৰ অপৰিবৰ্তনীয়, চিৰন্তন সত্যৰ অস্তিত্ব স্বীকাৰ কৰিবলৈ চেষ্টা কৰা হয়। দ্বিতীয়তে অতীতৰ বা অন্য সমাজৰ সাহিত্য-কলাই এতিয়াও আমাক আকৰ্ষণ কৰিব পৰাৰ সেই চিৰন্তন মোহিনী শক্তিৰ প্ৰভাৱত মন্তব্য কৰা হয় যে মানুহৰ অন্তজৰ্গতৰ এটা চিৰন্তন, অপৰিবৰ্তনীয় অস্তিত্ব চিৰপ্ৰবহমান। এই দুয়োটা যুক্তিতে সামাজিক পৰিবৰ্তনে স্পৰ্শ কৰিব নোৱৰা কিছুমান উপাদান কলাৰ স্থায়ী আবেদনৰ ভিত্তি বুলি ধৰি লোৱা হয়। সেই চিৰন্তন, অপৰিবৰ্তনীয় উপাদানেই যেতিয়া কোনো সাহিত্যক প্ৰভাৱিত কৰে, তেনে সাহিত্যই পাঠক সমাজত অনুভূতিৰ আলোড়ন তুলিবলৈ সক্ষম হয় বুলি আমাৰ এটা ধাৰণা প্ৰবল। কিন্তু সময়ৰ অগ্ৰগতিত তেনে ধাৰণা যে বাতুলতা মাথোন, তালৈ কোনেও চকু নিদিয়ে। নানান বাস্তৱ ঘাত-প্ৰতিঘাতৰ মাজতো আজিৰ শিল্পীয়ে বিষয়টোৰ দ্বান্দ্বিক দৃষ্টিকোণবোৰৰ সম্যক জ্ঞান লভিবলৈ চেষ্টা নকৰাটো আমাৰ বিচাৰত স্থূল বুদ্ধিৰহে পৰিচায়ক।

ইংৰাজ কবি শ্বেলীৰ 'Defence of Poetry'ৰ মূল তত্ত্বটো গ্ৰহণ কৰি, মেথ্যু আৰ্ণল্ডৰ 'Study of Poetry' আৰু আই এ ৰিচাৰ্ডছৰ 'Science and Poetry'ৰ মূল বক্তব্যৰ পোহৰত, উল্লিখিত সমস্যাটোৰ আলোচনা কৰি ডঃ হীৰেণ গোহাঁইদেৱে লিখিছে যে, দেখাত যুক্তিপূৰ্ণ যেন লাগিলেও 'চিৰন্তন উপাদান'ৰ সত্যটো ঘপহকৰে মানি লবও নোৱাৰি। তেখেতৰ যুক্তিবোৰ এনে ধৰণৰঃ

(ক) বিজ্ঞানে ধৰিব নোৱৰা ৰূপ-ৰস গন্ধ-বৰ্ণময় সৃষ্টিৰ বিশেষত্ব আৰু বাস্তৱতা কাব্যৰ ভাষাৰ বিশেষ ধৰ্মহিহে ধৰা পেলাব পাৰে বুলি যুক্তিৰ খাতিৰত তৰ্ক কৰা যায় যদিও, বিজ্ঞানৰ বক্তব্য জানো মানুহৰ জীৱন আৰু বিশ্বজগত সম্পৰ্কে উদাসীন? নিশ্চয় নহয়। বিজ্ঞানৰ দৃষ্টিকোণো সাহিত্য-কলাত এই বাবেই প্ৰয়োজন যে তাৰ উদাসীনতাৰ সুযোগ লৈ সাহিত্য-কলাতো নতুন ৰহস্যবাদে (Mysticism) আৰু অন্ধকাৰ বাদে (Obscurantism) গা কৰি উঠিব পাৰে। সাহিত্য কোনো পাৰমাৰ্থিক জ্ঞানৰ উৎস নহয়, ই বস্তুজগতত থকা মানুহৰ বিষয়েই জ্ঞান।

(খ) ওঠৰ-ঊনৈশ শতিকাত ইউৰোপৰ বাবে আফ্ৰিকাৰ জনজাতীয় সমাজত চলা মুখাবোৰ আৰু কাঠ খোদাইবোৰ আছিল বীভৎস, বৰ্বৰোচিত (savage), আৰু আজি সি উচ্চতম সৌন্দৰ্যবোধৰ প্ৰতীক!! আমি বুকুত হাত দি ক'ব পাৰো নে যে খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত গ্ৰীক বিলাকে ঈস্কিলাচৰ (Aeschylus) নাটকৰ পৰা যি উপলব্ধি আহৰণ কৰিছিল, আমিও কুৰি শতিকাত সেই একেই উপলব্ধিকে আহৰণ কৰিছো?

এনেবোৰ সত্যৰ পৰা প্ৰমাণ হয় যে সকলো মানুহৰ হৃদয় আৰু ৰসবোধৰ চিৰন্তন, প্ৰবহমান ঐক্যৰ একো প্ৰমাণ নাই।

ডঃ গোহাঁইদেৱে সেয়ে লিখিছে যে কাৰ্ল মাৰ্ক্সৰ উক্তিক আমি সহজে আওকাণ কৰিব নোৱাৰো। প্ৰতি যুগৰ বিশ্ববীক্ষাৰ লগত সেই যুগৰ কলাৰ ওত-প্ৰোত সম্পৰ্ক থাকে। আৰু সেই বিশ্ববীক্ষাৰ লগত আন এটা যুগৰ বিশ্ববীক্ষাৰ বিৰোধ ঘটিলে, দ্বিতীয় যুগত প্ৰথম যুগৰ কলাৰ ৰসাস্বাদন দুঃসাধ্য হোৱাটো স্বাভাৱিক। 'চিৰন্তন উপাদান'ৰ দোহাই দি এই ঘটনা আমি উৰাই দিব

নোৱাৰো।

ডঃ গোহাঁইদেৱৰ ইয়াৰ পিছৰ আলোচনাৰ পৰা এইটো পোহৰলৈ আহে যে মাৰ্ক্সীয় ৰসতত্ত্বৰ দ্বান্দ্বিক দৃষ্টিকোণবোৰ তথা তাৰ সূক্ষ্মতা (উদাহৰণ স্বৰূপে মই উল্লেখ কৰা কডৱে'লৰ উক্তিত লক্ষ্য কৰিব পৰা দ্বান্দ্বিক দৃষ্টিকোণটোও এই ক্ষেত্ৰত পৰিহাৰ কৰিলে নচলিব) পৰিহাৰ কৰি চলিলে কবি বা পাঠক উভয়েই নিৰ্দিষ্ট সূত্ৰ বা উক্তিৰ মাজেৰে প্ৰকাশ পোৱা অৰ্দ্ধসত্যৰ জৰিয়তেই কোনো সাহিত্যিক বিশ্ববীক্ষাৰ প্ৰকাশত সন্তুষ্ট হ'ব। ধাৰণা হয়, আমাৰ কবি শ্ৰীযুত শৰ্মা পাঠক দেৱৰ পক্ষেও কাৰ্ল মাৰ্ক্সৰ ক্ষেত্ৰত ভুল দেখাতো সহজ হৈ পৰিছে। কিন্তু বস্তুজগতৰ পৰিবৰ্তনৰ প্ৰভাৱ জানো তেখেতে অস্বীকাৰ কৰিব পাৰিব? সেই সম্পৰ্কৰ দ্বন্দ্ব প্ৰকাশ নকৰিলেও, নিজাকৈ হলেও অস্বীকাৰ কৰাটো তেখেতৰ পক্ষে সঁচাই কেতিয়াবা সম্ভৱ হয় নে? (প্ৰসংগত উল্লেখ কৰিব পাৰি যে বুৰ্জোৱাৰ মায়াৰ সংসাৰত, ৰোমান্টিক কবি হলেও কীটছেই সম্ভৱ প্ৰথম মহান কবি যি বস্তুজগতৰ বাস্তৱতাক এৰাই চলিব নোৱৰা প্ৰভাৱ অনুভৱ কৰিব পাৰিছিল; কিন্তু তেনে উপলব্ধি সত্ত্বেও, তেওঁৰ কবিতাৰ শব্দ সম্ভাৰত প্ৰাত্যহিক বাস্তৱ আৰু বস্তু জগতৰ শব্দ বিন্যাসৰ উপস্থিতি লক্ষ্য কৰিলেও, সেইবিলাক আছিল কৃত্ৰিম ভাষা) সাহিত্য-কলাই তাৰ সামগ্ৰিক অনুভূতি আৰু অৱকাশেৰে একোটা বিশ্ববীক্ষাৰ সমগ্ৰ পৰিস্থিতি আৰু contextহে ৰূপায়িত কৰে বুলি ভবাই সেয়ে বুদ্ধিমানৰ কাম হ'ব।

এইভাবেই ডঃ হীৰেণ গোহাঁইদেৱে কবি এলিয়টৰ ঐতিহ্য-চিন্তা আৰু কবি শেলীৰ 'Defence of Poetry' মূল যুক্তিৰ মাজৰ এটা সমন্বয় সূত্ৰ দাঙি ধৰি এইটো কথা স্পষ্ট কৰিব খুজিছে যে ব্যক্তি আৰু সমাজৰ মনোজগত কেৱল পৰিবৰ্তিতই নহয়, ক্ৰমশঃ পৰিপুষ্ট, প্ৰসাৰিত আৰু সমৃদ্ধ হয়। চেতন জগতৰ পৰিবৰ্তন প্ৰক্ৰিয়াত কেৱল স্মৃতিৰ লীলাই ক্ৰিয়া নকৰে, বাস্তৱ সমাজৰ সমূহীয়া চেতনায়ো তাত ক্ৰিয়া কৰে। যুগে যুগে হোৱা অভিজ্ঞতাই ইটোৱে সিটোক সম্পূৰ্ণ নিচিহ্ন নকৰি পৰস্পৰে পৰস্পৰৰ লগত সংযোগ স্থাপন কৰি সমগ্ৰ সংস্কৃতি গঢ়ি তোলে। সেয়ে অতীতৰ কলা বা সাহিত্য অধ্যয়ন কৰাটো আমাৰ বাবে অসম্ভৱ নহয়। কাৰণ সেই কলা বা সাহিত্য এখন সমাজৰ সমগ্ৰ সংস্কৃতি বা চেতনাৰ অংগ বিশেষ মাত্ৰ। কিন্তু অতীত যুগ এটাই নিজৰ যুগৰ কলা বা সাহিত্য যি চকুৰে চাব, আমাৰ যুগত সেই একেখিনি বস্তু আমি একে চকুৰে চাব নোৱাৰো। পৰিবৰ্তন তথা বিকাশে আমাৰ যুগত আমাৰ দৃষ্টি অতীতৰ দৃষ্টিতকৈ কিছু বেলেগ কৰিছে। আকৌ ঠিক এই বাবেই আমাৰ বৰ্তমান অভিজ্ঞতাৰ প্ৰভাৱত আমি অতীতৰ কলা আৰু সাহিত্য অধ্যয়ন কৰো। সেইবোৰ নিৰ্বাচন আৰু বিচাৰ কৰোতে আমাৰ বৰ্তমান অভিজ্ঞতাইয়ো আমাক কিছুদূৰ প্ৰভাৱিত কৰে।

পৰিবৰ্তিত পৰিস্থিতিত সেয়ে শেলীৰ সৃষ্টিশীল মানৱসত্তাৰ ধাৰণাটো কিছুদূৰ বাস্তবায়িত হ'ব ধৰিছে। মানৱসত্তা মানে বিশ্বৰ লগত ঐতিহাসিক আদান-প্ৰদান, ক্ৰিয়া-প্ৰতিক্ৰিয়াত ৰত সমাজবদ্ধ মানুহ। বিজ্ঞান আৰু কলাৰ উৎস আৰু পৰিবেশ একেটাই; কিন্তু কলাৰ মাজত বিৰাজ কৰে মানৱ সত্তাৰ ঐতিহাসিক আত্ম-চেতনা। মানুহে কলাৰ দৰ্পণত দেখা পায় মানৱীয় বাস্তৱৰ সৃষ্টিশীল, সক্ৰিয়, বিষয়ীগত (subjective) দিশটো। ইয়েই শেলীৰ 'অমৰ আত্মা' বা অন্য ভাষাত স্থায়ী সাংস্কৃতিক চেতনা বা ঐতিহ্য। কিন্তু মানৱ সংস্কৃতিৰ সকলো সৃষ্টি, সকলো অভিনৱ উপাদানৰ উদ্ভৱ হয় সমাজবদ্ধ মানুহৰ লগত বিশ্বৰ আদান-প্ৰদানৰ পৰা। সমাজবদ্ধ মানুহে বিজ্ঞানত সন্ধেদ পায় তাৰ অস্তিত্ব তথা কৰ্মৰ জাগতিক পৰিবেশৰ; কলা আৰু সাহিত্যত সন্ধেদ পায় তাৰ অস্তিত্ব তথা কৰ্মৰ সক্ৰিয় দিশৰ। কিন্তু জাগতিক পৰিবেশৰ আভাস বিনে কলাৰ ৰূপসৃষ্টি অসম্ভৱ। কলা আৰু বিজ্ঞান এক অখণ্ড, দ্বন্দ্বময়, পৰিবৰ্তনশীল প্ৰক্ৰিয়াৰ দুটা পিঠি মাত্ৰ। এই প্ৰক্ৰিয়াই হ'ল Labour, praxis, মানৱীয় সত্য।

কলা আৰু সাহিত্যয়ো তাৰ দৃষ্টিকোণেৰে, তাৰ বিশিষ্ট moodত প্ৰকাশ কৰে এই মানৱীয় সত্য, এই Labour, এই praxis। বিজ্ঞানৰ অৱদান সি কেতিয়াও নাকচ নকৰে। বিজ্ঞানে বিশেষ মনোযোগ নিদিয়া মানুহৰ ঐতিহ্য আৰু চেতনাৰ দিশটো (শেলীৰ 'অমৰ' মানৱসত্তা) কলাই প্ৰকাশ কৰে। সেয়ে যদিও এটা যুগৰ বিশেষ ধাৰণা বা মনোভাব সেই যুগৰ কলা আৰু সাহিত্যই প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰে, তথাপি সেই ধাৰণাবোৰেই সেই সাহিত্যৰ মূল্য নিৰূপণ নকৰে। মানৱসত্তাৰ adventureৰ লক্ষণ হিচাপেহে সাহিত্যত সিহঁতৰ মূল্য। যুগৰ ভাবধাৰাৰ মাজত এই 'অমৰ' আৰু বিৰাট মানৱসত্তাৰ ছায়াপাত থাকিলেহে সেই সাহিত্য স্থায়ী সাহিত্য, সৎ সাহিত্য হয়। আকৌ যদিও ব্যক্তিৰ অনুভূতি আৰু আবেগ সাহিত্যৰ উপাদান, তথাপি কেৱল সংকীৰ্ণ ব্যক্তিগত প্ৰতিক্ৰিয়াৰেও মহৎ সাহিত্য ৰচিত হ'ব নোৱাৰে। মহৎ সাহিত্যই ব্যক্তিগত প্ৰতিক্ৰিয়াৰ মাজত সেই বিৰাট মানৱসত্তা বা মানৱমন প্ৰতিফলিত কৰিব পাৰিব লাগিব, যুগে যুগে বিভিন্ন সমাজৰ, বিবিধ সংস্কৃতিৰ মাজেৰে যাৰ বিকাশ ঘটিছে। মানৱমন কোনো নিৰাবয়ব ইন্দ্ৰিয়াতীত ৰহস্য নহয়, সি মানৱীয় ঐতিহ্য, মানৱীয় সংস্কৃতি, মানুহৰ Labourৰ বিকাশমান, বিভাসমান চেতনা।

ডঃ গোহাঁইদেৱৰ এই তাৎপৰ্যপূৰ্ণ ধাৰণাবোৰৰ সহায়ত আমিও নিশ্চয় মন্তব্য কৰিব পাৰো যে সাহিত্য-কলাৰ স্থায়ী আবেদনৰ ভিত্তি যদিও দেখাত সামাজিক পৰিবৰ্তনে স্পৰ্শ কৰিব নোৱৰা চিৰন্তন উপাদানৰ প্ৰবহমান প্ৰতিক্ৰিয়া বুলি ধাৰণা হয়; দৰাচলতে বস্তুজগতৰ পৰিবৃৰ্তনীয় বাস্তৱক সি কেতিয়াও আওকাণ কৰি চলিব নোৱাৰে। তেনে ইচ্ছাকৃত অমনোযোগিতাই আবেগ-অনুভূতিৰ ব্যক্তিগত প্ৰতিক্ৰিয়াৰ মাজলৈ সংকীৰ্ণতাহে কঢ়িয়াই আনে। তেনে পক্ষপাতিত্বই কেতিয়াও 'যুগৰ লিপিকা' সাৰ্থক, যুগোত্তীৰ্ণ সাহিত্য কলাৰ সৃষ্টি কৰিব নোৱাৰে।

এনে মাপকাঠিৰে জুখিলে, আমাৰ বিচাৰত 'প্ৰিয়ম্বদা'ৰ সাৰ্থকতা আপেক্ষিকহে, সম্পূৰ্ণ নহয়। সামগ্ৰিক অনুভূতিৰ আলোড়ন সৃষ্টিত আগ্ৰহৰ অভাৱ তথা এক অখণ্ড, দ্বন্দ্বময়, পৰিবৰ্তন আকাংক্ষী মানৱমনৰ অনুপস্থিতিৰ অৰ্থতেই সেয়ে 'প্ৰিয়ম্বদা'ৰ সাৰ্থকতাক আমি আংশিক বুলিহে ভাবিবলৈ লৈছো। জনপ্ৰিয়তাই সম্পূৰ্ণতা আৰু সাৰ্থকতাৰ একমাত্ৰ মাপকাঠি নহয়। সকলো মানৱীয় কল্পনাত বিশ্বাসী কবিয়েই হয়তো এই অৰ্থতেই নিৰলস সাধনাত বহিব লাগিব, যি অৰ্থত কেৱল বৰ্তমানতে আৱদ্ধ নেথাকি অতীতৰ অবলোকন আৰু উপলব্ধিত গভীৰতা অৰ্জন কৰিব পাৰিব লাগিব আৰু তাৰ লগে লগে ভৱিষ্যতৰ ইংগিত আৰু প্ৰতিশ্ৰুতিও বলিষ্ঠভাবে ফুটাই তুলিবলৈ সক্ষম হ'ব পাৰিব লাগিব। 'প্ৰিয়ম্বদা'ৰ প্ৰতিভাবান কবিৰ পৰাও ভৱিষ্যতে আমি তেনেকুৱা নতুন কবিতা আশা কৰিব পাৰোনে? সূ





# অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৫)

সুজিত চৌধুৰী

আজিৰ অসমৰ যি সংকট, সি মূলতে অসম আন্দোলনৰ ধাৰাবাহিকতাৰ মাজৰ পৰাই উদ্ভৱ হৈছে বুলি ক'ব পাৰি। সেই কাৰণে অসম আন্দোলনৰ পটভূমিৰ সঠিক বিশ্লেষণ নকৰাকৈ আজিৰ পৰিস্থিতিৰ মূল্যায়ন কৰাও সম্ভৱ নহয়। ওপৰে ওপৰে চালে ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলন বা ১৯৭০–৭১ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনৰ লগত অসম আন্দোলনৰ কোনো গুণগত পাৰ্থক্য নাই। পাৰ্থক্য যিখিনি আছে সি কেৱল পৰিমাণগত। অসম আন্দোলন ইমান দীঘলীয়া কাল ধৰি চলিল আৰু আন্দোলনৰ প্ৰতি গণ সমৰ্থনো ইমান ব্যাপক হ'ল যে দুয়োতাকেই প্ৰায় অসাধ্য সাধন বুলি ক'ব পাৰি। সঁচা কথা ক'বলৈ গ'লে অসমীয়া মানুহে ইমান বিপুল সংখ্যাত আৰু ইমান দীঘল দিন ধৰি ইয়াৰ আগতে আৰু কোনো মৰণ পণ সংগ্ৰামত লিপ্ত হোৱা নাছিল। গোটেই ভাৰতবৰ্ষতে ইয়াৰ তুলনা পোৱা কঠিন। এইখিনিতে মনত ৰখা দৰকাৰ যে পৰিমাণগত উপাদানেও কোনো কোনো সময়ত গুণগত পৰিবৰ্তন সাধন কৰিব পাৰে। এই বিচাৰত প্ৰাথমিক দৃষ্টিত যি পাৰ্থক্যটোক পৰিমাণগত বুলি ধাৰণা হোৱা সম্ভৱ সি শেষ পৰ্যন্ত অসম আন্দোলনক গুণগত ভাবেও অন্য এটা উচ্চতৰ মাত্ৰালৈ উত্তীৰ্ণ কৰি দিছিল।

অসম আন্দোলনে এনে মাত্ৰা অৰ্জন কৰিলে কিয়? ৰাজ্যৰ জনবিন্যাসৰ যি প্ৰশ্নত অসম আন্দোলন গঢ়ি উঠিছিল সেই জনবিন্যাসৰ প্ৰশ্ন সম্পৰ্কে আন্দোলনৰ ডেৰ-দুই বছৰৰ আগতেও সামগ্ৰিক সচেতনতাতো দূৰৰ কথা, ৰাজনৈতিক মহলত কোনো দুশ্চিন্তা আছিল বুলিও ধাৰণা নহয়। জৰুৰী অৱস্থাৰ সময়ত বাক্ স্বাধীনতা নাছিল। কিন্তু ১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহতেই জৰুৰী অৱস্থা উঠাই লোৱা হৈছিল। অসমত ৰাজ্য বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহত। এই এবছৰ সময়ৰ ভিতৰত বাতৰি কাকত আৰু ৰাজনৈতিক দলবোৰে নিজৰ বক্তব্য স্বাধীনভাৱে প্ৰকাশ কৰিবলৈ সম্পূৰ্ণ সুযোগ পাইছিল। কিন্তু এই সময়ছোৱাৰ ভিতৰত বিদেশী সমস্যা বুলি কিবা এটা গুৰুত্বপূৰ্ণ সমস্যা যে আছিল তাৰ কোনো সাক্ষ্য প্ৰমাণ এইসময়ৰ কাকত আলোচনীত বিচাৰি পোৱা নাযায়। এই বিষয়ে যদি কাৰোবাৰ মনত কিবা সন্দেহ থাকে তেন্তে তেওঁ গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত আৰু আলোচনীবোৰৰ পুৰণি ফাইল ঘুকটি নিজেই তাৰ সত্যাসত্য বিচাৰ কৰি চাব পাৰে। বৰং ভোটাৰ তালিকা প্ৰশ্নত যিসকল লোক পিছলৈ আন্দোলনৰ সমৰ্থক হৈ উঠিছিল তেওঁলোকেও কিন্তু সেই সময়ত একেবাৰে বিপৰীত কথাহে কৈছিল। উদাহৰণ স্বৰূপে মালিগাঁও ৰেলৱে ক'লনিৰ কিছুমান মানুহৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ যোৱাৰ কাৰণে ক্ষোভ প্ৰকাশ কৰি শ্ৰীমতী ৰেণুকা দেৱী বৰকটকীয়ে বিবৃতি দিছিল। জনতা দলৰ ৰাজ্য শাখাৰ সভাপতি গোলাপ বৰবৰাই এই বুলি ঘোষণা কৰিছিল যে নিৰ্বাচনৰ মনোনয়ন দিবৰ সময়ত ৰাজ্যখনৰ জনগাঠনিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। সেই অনুযায়ী গুৱাহাটীকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ কেইবাটাও নগৰীয়া আৰু আধা নগৰীয়া সমষ্টিত বঙালী-হিন্দু প্ৰাৰ্থীসকলক জনতা দলৰ মনোনয়ন দিয়া হৈছিল। যদি মানুহৰ মনত তেতিয়া এনেকুৱা ভাৱ থাকিলহেঁতেন যে বাংলাদেশীসকলে নীৰৱ আক্ৰমণৰ দ্বাৰা অসম দখল কৰিব খুজিছে তেতিয়া হ'লে গোলাপ বৰবৰা তথা জনতা দলৰ পক্ষে বঙালী হিন্দুক মনোনয়ন দিয়া বৰ সহজ নহ'লহেঁতেন।

এই কথা দিনৰ পোহৰৰ দৰেই স্পষ্ট যে ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে অসমৰ বাতৰি কাকতবোৰে বা ৰাজনৈতিক নেতাসকলে বিদেশী সমস্যাটোক আলোচনাৰ যোগ্য বিষয় বুলি ভবা নাছিল। নিৰ্বাচনৰ ঠিক আগে আগে নিবাৰণ বৰাই গঠন কৰিলে পি এল পি বা পূৰ্বাঞ্চলীয় লোক পৰিষদ। নগেন হাজৰিকাই গঠন কৰিলে অসম জাতীয়তাবাদী দল। এই দুয়োটাই আছিল আঞ্চলিকতাবাদী দল আৰু একপ্ৰকাৰে এই দল দুটাই আছিল অসম আন্দোলনৰ আগৰণুৱা। পূৰ্বাঞ্চলীয় লোক পৰিষদে উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য লগ লগাই ঐক্যবদ্ধ দল গঠনৰ কথা কৈছিল। উদ্দেশ্য আছিল 'ভাৰতীয়' শোষণৰ পৰা এই অঞ্চলৰ মুক্তি। এই দলৰ নিৰ্বাচনী ইস্তাহাৰতেই অসমৰ পৰিপ্ৰেক্ষিতত 'বহিৰাগত' কথাটো প্ৰথমবাৰৰ বাবে ব্যৱহৃত হ'ল। আৰু তেওঁলোকৰ বহিষ্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হ'ল। অসম জাতীয়তাবাদী দলে পোনপটীয়াকৈ বঙালীৰ বিৰুদ্ধে বক্তব্য দাঙি ধৰিলে। এই দলৰ নিৰ্বাচনী ইস্তাহাৰত ৰবীন্দ্ৰনাথৰ পৰা আৰম্ভ কৰি সকলো বঙালী মনিষীকেই সম্প্ৰসাৰনবাদী বঙালী জাতীয়তাবাদী বুলি চিহ্নিত কৰা হ'ল। চি পি এমক কোৱা হ'ল বঙালী জাতীয়তাবাদৰ 'ট্ৰোজান হৰ্ছ' (Trojan Horse)। এই দুটা দলে উত্থাপন কৰা বিষয়বোৰেই অসম আন্দোলনৰ আগজাননী দিছিল সঁচা, কিন্তু নিৰ্বাচনৰ মাত্ৰ কেইদিনমানৰ আগতেহে এই আটাইবোৰ প্ৰসঙ্গ প্ৰথমবাৰৰ কাৰণে ৰাইজৰ সমুখলৈ অনা হ'ল। অসমৰ ভোটদাতাসকলে দুয়োটা দলকেই নিৰ্বাচনত সম্পূৰ্ণভাবে পৰাজিত কৰি তেওঁলোকে দাঙি ধৰা দাবীবোৰ সম্পৰ্কে নিজৰ মতামত ব্যক্ত কৰিলে। কোৱা বাহুল্য যে 'বিদেশী' শব্দটোৱে তেতিয়ালৈকে ৰঙ্গমঞ্চত ভুমুকি মৰা নাছিল। তেতিয়ালৈকে ভাৰতীয় বহিৰাগতসকলহে অসমত অবাঞ্চিত বুলি বিবেচিত হৈছিল। আৰু এটা তথ্যও বিশেষভাৱে চিন্তনীয়। পি এল পিৰ মূল হোতা নিবাৰণ বৰা আৰু অসম জাতীয়তাবাদী দলৰ মূল হোতা নগেন হাজৰিকা এই দুয়োজনেই আঞ্চলিকতাবাদী ৰাজনৈতিক বক্তব্যৰ জৰিয়তে মঞ্চত নমাৰ আগতে সৰ্বভাৰতীয় ৰাজনৈতিক দলত স্থান পাবলৈ চেষ্টা কৰিছিল। যিহেতু নিবাৰণ বৰাৰ সমাজতন্ত্ৰী দলৰ



OKDISCD

লগত সম্পৰ্ক আছিল, সেই কাৰণে তেওঁ জনতা দলত যিকোনো এটা সন্মান পদ পাবলৈ বিচাৰিছিল। নগেন হাজৰিকাই অসমত জগজীৱন ৰামৰ চি এফ ডিৰ শাখা প্ৰতিষ্ঠা কৰিছিল। জনতা দল আৰু চি এফ ডিৰ মিলন হোৱাৰ পিচত নগেন হাজৰিকাই জনতা দলত উচিত পদমৰ্যাদা দাবী কৰিছিল। কিন্তু গোলাপ বৰবৰাৰ নেতৃত্বত অসমত যি জনতা দল গঠিত হ'ল সেই দলত এওঁলোক কোনো এজনেও সন্মানজনক আশ্ৰয় নাপালে। অৰ্থাৎ ব্যক্তিগত বঞ্চনাৰ বেদনাৰ পৰাহে নিবাৰণ বৰা আৰু নগেন হাজৰিকাৰ আঞ্চলিকতাবাদৰ উদ্ভৱ হৈছিল; আঞ্চলিক সমস্যা সম্পৰ্কে কোনো ধৰণৰ ধাৰাবাহিক সচেতনতা বা উপলব্ধিৰ পৰা নহয়। যিসকল লোকে সৰ্বভাৰতীয় ৰাজনৈতিক দলত আকাংক্ষিত স্থান নাপাইহে আঞ্চলিকতাবাদৰ তত্ত্ব দাঙি ধৰিলে, তেওঁলোকৰ প্ৰত্যয়ৰ গভীৰতা আৰু আন্তৰিকতালৈ স্বাভাৱিকতেই প্ৰশ্ন উঠিব পাৰে।

এই বিশ্লেষণৰ পৰা এনেকুৱা এটা সিদ্ধান্তলৈ নাহি নোৱাৰি যে ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত নিৰ্বাচন আৰু তাৰ পৰৱৰ্তী ৰাজনৈতিক ঘটনা প্ৰবাহৰ মাজত এনে কিবা এটা বস্তু আছিল যিটো বস্তুৱে অসম আন্দোলনৰ ভিত্তি স্থাপন কৰিছিল। অসমত চৰকাৰ পৰিবৰ্তনৰ লগে লগেই ভাষাৰ নামত একোটা আন্দোলন গঢ়ি উঠে ই প্ৰায় ৰুটিনত পৰিণত হৈছে। উদাহৰণ স্বৰূপে বিমলা প্ৰসাদ চলিহা মুখ্যমন্ত্ৰী হোৱাৰ পিচত ১৯৬০ চনত ৰাজ্যভাষা আন্দোলন হ'ল আৰু ১৯৭০ চনত শৰৎ চন্দ্ৰ সিংহ শাসনাধিষ্ঠিত হোৱাৰ পিচত ১৯৭১ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনে এই গতানুগতিকতা চিহ্নিত কৰাত সহায় কৰে। সেইদৰে গোলাপ বৰবৰা মন্ত্ৰীসভাৰ কাৰ্যভাৰ গ্ৰহণৰ পাচত অসম আন্দোলনৰ অৱতাৰণাও একেই আৰ্হিত খাপ খায় পৰিছে। কিন্তু মই আগতেই কৈছো যে ১৯৭৯ চনৰ আন্দোলনত পৰিমাণগত পাৰ্থক্যই এটা গুণগত পাৰ্থক্য প্ৰদান কৰিছিল আৰু সেই উত্তৰণৰ কাৰণ এই গতানুগতিক আৰ্হিৰ মাজত বিচাৰিলে ভুল হ'ব। ভাষা-সংস্কৃতিৰ আশংকাবোধক চূড়ান্ত পৰ্যায়ত নুতুলিলে এনেকুৱা সৰ্বাত্মক আন্দোলন গঢ়ি উঠিব নোৱাৰে। কেনেধৰণে এই আতঙ্কবোধ গঢ়ি তোলা হৈছিল তাক নিৰূপণ কৰাতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল যে সঁচাকৈয়ে কোনে পোনপ্ৰথম আতঙ্কিত হৈ উঠিছিল? প্ৰকৃততে আৰম্ভণিত আতঙ্কগ্ৰস্ত হোৱা এই লোকসকলেই তেওঁলোকৰ আতংকগ্ৰস্ততা জনসাধাৰণৰ মনত সঞ্চাৰিত কৰাত সক্ষম হৈছিল। এওঁলোক কোন আৰু এওঁলোকে কিয় বিপন্ন বোধ কৰিছিল?

১৯৭৮ চনৰ বিধানসভাৰ নিৰ্বাচনত অসমত যিবিলাক গুৰুত্বপূৰ্ণ ঘটনা ঘটিছিল, সেইবোৰ সাধাৰণ দৃষ্টিত সমসাময়িক সৰ্বভাৰতীয় পটপৰিবৰ্তনৰ অংশ যেন লাগিলেও প্ৰকৃততে অসমৰ ৰাজনৈতিক ক্ষমতাবিন্যাসত সেইবোৰৰ স্বতন্ত্ৰভাৱে প্ৰভাৱ পৰাৰ সম্ভাৱনা নুই কৰা নাযায়। গণতন্ত্ৰত ক্ষমতা জনসাধাৰণৰ হাতত ন্যস্ত বুলি যদিও ভবা হয়, তথাপিও জনগণৰ সংখ্যালঘিষ্ঠ অংশইহে ৰাষ্ট্ৰক্ষমতাৰ সুফল সদায় ভোগ কৰি থাকে। উন্নত দেশত পুঁজিপতিসকলে আৰু তেওঁলোকৰ সহযোগী মধ্যবিত্ত শ্ৰেণীয়ে এই সুবিধা ভোগ কৰে। আমাৰ দেশতো কোনো কোনো ৰাজ্য বা অঞ্চলত এই দ্বৈত সহযোগিতাৰ সম্পৰ্ক বিৰাজমান। কিন্তু অসমৰ পৰিস্থিতি অলপ বেলেগ। অসমীয়াৰ মাজত প্ৰকৃত অৰ্থত ঔদ্যোগিক মূলধনৰ জন্ম হোৱা নাই, আনকি ব্যৱসায়িক পুঁজিৰ সঞ্চয়ও অতি সামান্য। সেয়ে অসমীয়া সমাজৰ আৰ্থিক সংগতিৰ লগত ৰাজ্যৰ উদ্যোগ বা বৃহৎ ব্যৱসায়ৰ পোনপটীয়া সম্পৰ্ক অতি সামান্য বুলি কোৱা যায়। ৰাষ্ট্ৰীয় অৰ্থ-ভাণ্ডাৰ অৰ্থাৎ ৰাজ্য চৰকাৰৰ ৰাজকোষেই একমাত্ৰ উৎস, যাৰ ওপৰত অসমীয়া সমাজে সহজে নিয়ন্ত্ৰণ স্থাপন কৰিব পাৰে। কোৱা বাহুল্য যে ভোট নিৰ্ভৰ গণতন্ত্ৰত ৰাজ্যৰ অনা অসমীয়া জনগোষ্ঠীয়েও নিজস্ব ৰাজনৈতিক ক্ষমতাৰ অনুপাত অনুযায়ী এই চৰকাৰী পুঁজিৰ অংশীদাৰ হোৱাত আগ্ৰহী। স্বাধীনতাৰ আগতে সুৰমা উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত অৰ্থৰ বিতৰণ ব্যৱস্থা লৈ সংঘাটৰ সৃষ্টি হৈছিল। স্বাধীনতাৰ পাচত মূলতে আমোলাতন্ত্ৰৰ ৰূপপৰিবৰ্তনৰ ফলত চৰকাৰী অৰ্থভাণ্ডাৰ অসমীয়া সমাজৰ এক বিশেষ শ্ৰেণীয়ে নিয়ন্ত্ৰণ কৰি আছে। প্ৰচলিত ধাৰণা মতে সুবিধাভোগী এই শ্ৰেণীটো হৈছে অসমীয়া বৰ্ণহিন্দু সম্প্ৰদায়। এইটো এটা অতি সৰলীকৃত ব্যাখ্যা। স্বাধীনতাৰ লগে লগে এই কথাটো হয়তো সত্য আছিল কিন্তু এতিয়া প্ৰকৃত সত্য হৈছে অসমীয়া বৰ্ণহিন্দু সমাজে নিজৰ এই সুবিধাজনক অৱস্থানটো কব্জা কৰি ধৰি ৰখা নাই আৰু সমাজত তথাকথিত নিম্নবৰ্ণৰ অগ্ৰণী অংশৰ মাজত তাৰ বিস্তাৰ ঘটিছে। জাতিভেদ প্ৰথাৰ লগত জড়িত উন্নাসিকতা কোনো সময়তেই ইয়াত বংগদেশৰ দৰে প্ৰৱল আৰু গভীৰ নাছিল। ফলত নক্নেশ্বিত অনুচ্চবৰ্ণৰ মানুহবোৰে অসমীয়া নবৌশ্বিত সমাজৰ সৈতে সমমৰ্যাদাপূৰ্ণ অৱস্থানত অধিষ্ঠিত হৈছে। সমন্বিত এই মধ্যবিত্ত সমাজ একেধাৰে ৰাষ্ট্ৰীয় অৰ্থভাণ্ডাৰৰ নিয়ামক, অসমীয়া ভাষা-সংস্কৃতিৰ সংৰক্ষক তথা সম্প্ৰসাৰক।

১৯৭৮ চনৰ উত্তপ্ত ৰাজনৈতিক পৰিবেশত নিৰ্বাচনী ৰাজনীতিৰ যি ফলাফল, তাত বহুতো নতুন লক্ষণ দেখা গৈছিল। প্ৰথমতে দেখা যায়, কংগ্ৰেছে ৰাষ্ট্ৰক্ষমতা নিজৰ হাতত ৰাখিব নোৱাৰিলে। শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বাধীন প্ৰদেশ কংগ্ৰেছে তেতিয়াও অ বি চি-মুছলিম-চাহ জনজাতিৰ ঐক্যৰ শ্ল'গানে ৰাজনীতি কৰিছিল, কিন্তু কংগ্ৰেছ দল জিকিলেও যে তাৰ ফালৰ পৰা কোনো প্ৰত্যাঘাতৰ সম্ভাৱনা নাই, সেই সম্পৰ্ক ৰাজ্যৰ সুবিধাভোগী শ্ৰেণীটো নিশ্চিত আছিল। কংগ্ৰেছৰ পৰাজয়ত এই শ্ৰেণীটোৰ মাজত এটা অনিশ্চয়তাবোধৰ সৃষ্টি হ'ল। দ্বিতীয়তে, জনতা দলৰ সংখ্যাগৰিষ্ঠতা লাভৰ ক্ষেত্ৰত বঙালী হিন্দু-মুছলমানৰ অৱদান আছিল উল্লেখযোগ্য আৰু প্ৰকাশ্য। যিকোনো ৰাজনৈতিক দলেই সমৰ্থক শ্ৰেণীৰ স্বাৰ্থৰ হকে কাম কৰে। এইবাৰ জনতা দলৰ সমৰ্থনৰ ভিত্তিত নতুন এটা সুবিধাকামী গোষ্ঠী উদ্ভাৱনৰ বাট সূচল কৰিলে। ফলত আগৰ প্ৰতিষ্ঠিত সুবিধাভোগী শ্ৰেণীটো শংকিত হৈ পৰাটো অস্বাভাৱিক নাছিল। তৃতীয়তে, সেইবাৰেই অসমত প্ৰথম বামপন্থীসকল মিলি তেইসখন আসন লাভ কৰিছিল। পশ্চিমবঙ্গত চি পি এমৰ সাফল্যই ইয়াত প্ৰভাৱিত কৰা বুলি ভবাৰ থল আছিল। যিকোনো সুবিধাভোগী শ্ৰেণীৰেই বামপন্থাৰ সম্পৰ্কে দুশ্চিন্তাগ্ৰস্ততা থাকে, অসমতো তাৰ ব্যতিক্ৰম নাছিল। তদুপৰি বামপন্থীৰ মুৰব্বী দল চি পি এম অসমত বঙালী পাৰ্টি হিচাপে, আৰু অন্য বামপন্থী দলবোৰও পশ্চিমবঙ্গীয় ভাৱধাৰাৰে প্ৰভাৱিত আৰু বামপন্থীৰ শক্তি বৃদ্ধিক বঙালীৰ শক্তি বৃদ্ধি বুলি ধৰি লৈ তাক প্ৰমাণ কৰা বৰ কঠিন নহ'ল। ৰাজ্য চৰকাৰ গঠন কৰিবলৈ আকৌ চি পি এমৰ সমৰ্থনৰ প্ৰয়োজন হ'ল। সৰলীকৃত ভাৱে এই তত্ত্ব দাঙি ধৰা হ'ল যে, যিহেতু চৰকাৰ বঙালী সমৰ্থকৰ ওপৰত নিৰ্ভৰশীল সেয়ে আনুপাতিক ভাবে ৰাষ্ট্ৰযন্ত্ৰৰ ওপৰতো বঙালীৰ প্ৰভাৱ থাকিব। চতুৰ্থতে, বিধানসভাত মুছলীম বিধায়কসকলে ৰাজ্য মন্ত্ৰীসভা ভঙা-পতা কাৰ্যত সদায় গুৰুত্বপূৰ্ণ





ভূমিকা লৈ আছিল। কিন্তু কংগ্ৰেছ দলৰ মনোনয়নত অহা এই বিধায়কসকল সাম্প্ৰদায়িক ভিত্তিত দাবী উত্থাপনত যিমান আগ্ৰহী আছিল, সেইবোৰৰ আদায় কৰা কাৰ্যত সিমান সক্ৰিয় নাছিল। সাধাৰণতে ব্যক্তিগত লাভৰ বাবেই সম্প্ৰদায় ভিত্তিত দাবী তোলাৰ আৰু হেঁচা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। ফখৰুদ্দিন আলি আহমেদ বা মইনুল হক চৌধুৰীয়েও এই ধৰণৰ ৰাজনীতিকেই কৰিছিল। ১৯৭৮ চনৰ এটা নতুন মুছলীম বিধায়কৰ দল আহিল যাৰ সৰহসংখ্যকেই কংগ্ৰেছী ৰাজনীতিৰ পৰা মুক্ত বামপন্থী বা উদাৰপন্থীৰ লোক। কংগ্ৰেছৰ মুছলিম নেতৃবৃন্দৰ ৰাজনীতি আছিল পুৰা মাত্ৰাই ধৰ্মকেন্দ্ৰিক বা ধৰ্মভিত্তিক, ভাষা সংস্কৃতিৰ ক্ষেত্ৰত সংখ্যাগৰিষ্ঠৰ লগত থকাটোকে তেওঁলোকে নীতি হিচাপে গ্ৰহণ কৰিছিল। ১৯৭৮ চনত এনেকুৱা কিছুমান মুছলিম বিধায়ক আহিল, যিসকল ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত নিস্পৃহ নাছিল। বৰঞ্চ তেওঁলোকৰ কোনো কোনোৱে সাংস্কৃতিক নেতৃত্বৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱাহে দেখা গৈছিল। গোলাম ওচমানীৰ নিচিনা নেতাৰ অভ্যুদয়ৰ পাচত বঙালী হিন্দু মুছলমান একেটা মঞ্চত থিয় দিব পাৰে, এনে অসম্ভৱ আৰু অভূতপূৰ্ব সম্ভাৱনাক লৈ জল্পনা-কল্পনা চলিবলৈ ধৰিলে। মাইৰন ৱেনাৰৰ বিশ্লেষণৰ অসমীয়া অনুবাদ ইতিমধ্যে প্ৰকাশিত হৈ গৈছে। ৱেনাৰে তাত দেখুৱাইছে, বঙালী হিন্দু আৰু মুছলমানে যদি অসমত সঁচাকৈয়ে একে মঞ্চত ৰাজনীতি কৰে তেন্তে ৰাজ্যৰ ক্ষমতাৰ ভাৰসাম্যই সলনি হৈ যাব। গুৱাহাটী পৌৰসভা নিৰ্বাচনত চি পি এমৰ উল্লেখযোগ্য সাফল্যই এবছৰৰ ভিতৰতে এই পৰিবৰ্তনৰ বাস্তৱ সম্ভাৱনাক প্ৰকট কৰিছিল।

অৰ্থাৎ স্বাধীনতাৰ পাচত ১৯৭৮-তেই সৰ্বপ্ৰথম অসমীয়া সমাজৰ ক্ষমতাভোগী অংশটিয়ে ৰাষ্ট্ৰযন্ত্ৰ আৰু ৰাষ্ট্ৰপুঁজিৰ ক্ষেত্ৰত নিজৰ প্ৰতিষ্ঠিত ভূমিকা সম্পৰ্কে শংকাবোধ কৰিছিল। যিবোৰ কাৰণে এই শংকাৰ উদ্ভৱ হ'ল সেই কাৰণবোৰ সাময়িক নহয় বুলি চিহ্নিত হ'ল আৰু সেইবোৰ সমাধানৰ স্থায়ী পথৰ অনুসন্ধান চলিল। যি গোষ্ঠীক ক্ষমতালোভী অংশ বুলি অভিহিত কৰা হৈছে, সেইটো হৈছে এখন বিস্তৃত সমাজ, তাৰ নীতি নিৰূপণ আৰু এটা বিশিষ্ট স্তৰৰ মানুহৰ দ্বাৰা নিয়ন্ত্ৰিত, এওঁলোকক আমি সেই গোষ্ঠীৰ অন্তৰ্বলয় বা Core group হিচাপে ধৰি ল'ব পাৰো। মধ্যবিত্ত সমাজৰ বুদ্ধিজীৱী প্ৰতিষ্ঠিত ব্যক্তিসকলৰ স্বাভাৱিক মত বিনিময়ৰ মাধ্যমেৰে এই নীতি বিলাক নিৰ্দ্ধাৰিত কৰে। যিহেতু ৰাষ্ট্ৰীয় অৰ্থ ভাণ্ডাৰেই একমাত্ৰ স্থানীয় পুঁজি, সেয়ে ইয়াৰ নিয়ামক হিচাপে এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ আমোলাৰ সুনিৰ্দিষ্ট ভূমিকা থাকে। সমাজৰ অন্যান্য অগ্ৰণী অংশৰ নেতৃস্থানীয় মানুহে এই ক্ষেত্ৰত এটা পৰিপূৰক ভূমিকা লয়। এই আলোচনাৰ প্ৰথম পৰ্যায়তে উল্লেখ কৰা হৈছে যে অসমৰ ৰাজনীতিক এওঁলোকে বাহিৰৰ পৰা নিয়ন্ত্ৰণ কৰি থাকে। তাৰ লগত আৰু এটা কথা উল্লেখ কৰা প্ৰয়োজন যে সংকটৰ সময়তো এই ৰাজনীতিক সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা এওঁলোকৰ আছে। ১৯৭৮ চনৰ নিৰ্বাচনত কাৰ্যকৰীভাবেই ক্ষমতা হস্তান্তৰৰ যি সম্ভাৱনা এই গোষ্ঠীৰ ক্ষেত্ৰত বাস্তৱ আকাৰে দেখা দিছিল, তাৰ প্ৰতিকাৰত এওঁলোকে প্ৰথমেই এই সিদ্ধান্ত দিছিল যে ৰাজ্যৰ প্ৰতিষ্ঠিত ৰাজনৈতিক দল বা নেতৃত্ব এই সম্ভাৱনা প্ৰতিৰোধ কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে আৰু তেওঁলোকক বৰ্জন কৰাৰ নতুন পৰিকল্পনা তৈয়াৰ কৰিব লাগিব। উল্লেখযোগ্য যে নিবাৰণ বৰাৰ নিচিনা নেতা আন্দোলনৰ প্ৰথম পৰ্যায়ত আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰবক্তাৰ ভূমিকা পালন কৰা স্বত্বেও যে শেষ পৰ্যন্ত কেন্দ্ৰীয় নেতৃত্বত তেওঁ তিষ্টিব নোৱাৰিলে, তাৰ কাৰণ হ'ল প্ৰতিষ্ঠিত আৰু প্ৰচলিত ৰাজনৈতিক নেতৃত্ব সম্পৰ্কে নিয়ন্ত্ৰক গোষ্ঠীৰ এই বিৰূপতা। দীনেশ গোস্বামীয়েও অসম গণ পৰিষদৰ নীতি নিৰূপণত কোনো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব নোৱৰাৰ কাৰণো ইয়েই। যিয়েই নহওক কিয়, এটা নতুন কৌশলৰ সূচনা হ'ল। তাৰ সক্ৰিয় অংশৰ দায়িত্ব আৰোপিত হ'ল ছাত্ৰ-যুৱ অংশৰ ওপৰত, আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদ নামৰ অন্তৰালত অৱসৰপ্ৰাপ্ত এক দল আমোলাই আৰু কিছুমান বুদ্ধিজীৱীয়ে আন্দোলনৰ নেপথ্য নিয়ন্ত্ৰকৰ ভূমিকা গ্ৰহণ কৰিলে।

আন্দোলনৰ সময়ত এই দলটিয়ে দুৰ্দান্ত সাফল্যৰে কাম কৰিছিল কিন্তু ক্ষমতা দখলৰ পাচত আৰু তেওঁলোকৰে কৌশলটো আগবাঢ়িব নোৱাৰিলে। সেই ব্যৰ্থতাৰ বাবেই জন্ম হ'ল আলফাৰ, এই প্ৰথমবাৰৰ বাবে অসমৰ ক্ষমতাভোগী অংশ অন্তঃবিৰোধৰ চিকাৰ হ'ল আৰু তাৰ ফলতেই ৰাজ্যৰ ৰাজনৈতিক স্থিতিশীলতা আৰু প্ৰশাসনিক সংহতি এক প্ৰৱল প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'ল।


পূৰবী প্ৰকাশনৰ পৰা

*নতুন আৰু বৰ্ণাঢ্য সাজেৰে অলপতে প্ৰকাশ পাব*

**জনক্ৰান্তি**

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

## গধূলিৰ তৰাবোৰ

বীৰেশ্বৰ বৰুৱা

গধূলিৰ তৰাবোৰ চাবলৈ বাহিৰলৈ ওলালো।
দেখো: ঘন ডাৱৰে আকাশ ঢাকিছে।
সদায় দেখি অহা চৰাই-হালিলৈ চালো :
ধুমুহাই সিহঁতৰ বাহ আজুৰিছে।

ক'ৰবাৰ পৰা এটা ৰিঙা সুৰ ভাহি আহে
বুকুখনিয়ে মোচৰ খায়।

মোৰ মনটোৱে সকীয়ায় :
ডাৱৰ আঁতৰিব। তৰাবোৰে মুখ দেখুৱাব।
চিনাকি চৰাই-হালিয়ে নতুন বাহ সাজিব।
কিন্তু এটা ৰিঙা সুৰ ভাহি আহি থাকিব
বুকুখনিয়ে মোচৰ খাব।

যৌৱন বৰ কঠিন কাল। পাৰ হব খুজিও
সি ৰেশ টানি থাকে
যেন গাতে লাগি থকা চুৰিয়াহে।
এনে কি তোমাৰ এই তৰুণ মুখশ্ৰীও
মোৰ সেই প্ৰথম যৌৱনৰ অবুজ ভাবনাৰ
এক পৰিণত অবয়বহে।



## মুখামুখি

জীৱন নৰহ

কিমান একান্ত ঘনিষ্ঠতাত আয়োজিত হৈ যায় নিজৰ
ভিতৰতে একোটাকৈ ভয়ংকৰ মৃত্যুৰ সহজ সমাৰোহ।
উদয়াচলত দুজন গুলিবিদ্ধ.....
অস্তাচলত আততায়ীৰ হাতত তিনিজন নিহত....
পুলিচ আৰু সৈনিক দ্বাৰা বাৰজন উগ্ৰপন্থীক
আটকাধীন..

মানুহ মুখী আত্মীয়তাত কেৱে গঢ়ি তুলিব পৰা নাই
একান্ত নিজস্বতাত প্ৰেম বিষয়ক এটি নিটোল গ'লা।
আজি সাংবাদিকৰ ৰাজহুৱাৰ মেল.......
আজি ৰাজহুৱাৰ কবি সমাৰোহ.....
গাওঁ চুবুৰিত গঢ়ি উঠা নাই ভাওনা বিষয়ক আনুষ্ঠানিক
উৎসৱ
গাওঁ চুবুৰিত গঢ়ি উঠা নাই শংকৰ-মাধৱৰ হাত
চাপৰিৰ কীৰ্তন-দশম।

আমি খুউৱ সহজতে বিচ্ছিন্ন হৈ যাম সময়ৰ সতে যিহেতু
আমি সময়ক পাঠ কৰিব নোৱাৰিম
আমি নিঃকিন ভাবেই বিচ্ছিন্ন হৈ যাম অফুৰন্ত
ভালপোৱা আদি নিচেই ঘৰুৱা অধিকাৰৰ পৰা
যিহেতু আমি নিজকে আয়ত্তাধীন কৰিব নোৱাৰিম।
সাৱধান হোৱা হে প্ৰাথমিক মানুহ
হাত উজাই নিদিবা ধুমুহা লগা মানুহৰ হাতত
সময়ৰ আগত নত হোৱাৰ আগতে সময়ৰ সতে হাত ধৰা
আহা আমি নিজস্ব আয়ত্তাধীনত একোটাকৈ উৎসৱ
পাতো
যিটো উৎসৱত উদ্ভৱ হ'ব কাগজ, কলম আৰু হাতৰ
নান্দনিক সম্পৰ্ক।□

## মইনা খোৰোং

তীৰ্থ ফুকন

মইনা খোৰোঙলৈ মোৰ যোৱা যে নহ'ল।

যোৱা মানেই জানো যোৱা
আৰু অহা মানেই অহা?
অহা আৰু যোৱাৰ বাটত
কোট কোৱা বনৰ মাজত
টোকনী পুখুৰী হৈ বৈ যায় ব-ছেৰা জীৱন।

হয়তোবা গৈ থাকে,
ৰান্ধনী বেলিৰ ৰঙ
গালেমুখে সানি লৈ
দূৰ্বৰি বনৰ সতে বাটত উৰ্মলি থকা
গোধূলিৰ সুৰে সুৰে
গৰখীয়া গীত গাই গাই
হয়তোবা গৈ থাকে
পাহ মেলা এজাক সপোন।

হয়তোবা সিমূৰতে, সিমূৰতে ক'ৰবাত
সাঁতুৰি নোপোৱা পাৰ নদীৰ সিপাৰে
বগাই নোপোৱা কোনো পাহাৰ-টিঙতে
আছে মইনা খোৰোং,
টোকনী পুখুৰী এই ব-ছেৰা জীৱনৰ
পাহ মেলা সপোনৰ অমৃত-আশ্ৰয়
সেই মইনা খোৰোং।

মইনা খোৰোঙলৈ মোৰ যোৱা যে নহ'ল। □







# শিল্পী সাধক

মনোৰমা বৰুৱা


"এটা পেসমেকাৰেৰ আয়ুস ক'ত ?" তুমি বাৰু জানানে এটা 'পেচমেকাৰৰ' কিমান ? আচলতে কথাটো কি জানা–, এই যে তোমাৰ হাতত থকা টৰ্চ লাইটটো , এইটো তাৰ ভিতৰত থকা বেটাৰী দুটাৰ সহায়ত জ্বলি থাকে। তুমি যদি অবাবতে টৰ্চটো জ্বলোৱা নুমুওৱা কৰি থাকা, নিৰ্দ্দিষ্ট সময়ৰ আগতেই বেটাৰীৰ আয়ুস শেষ হৈ টৰ্চ লাইটটো নজ্বলা হব। 'পেচমেকাৰ' টোও এটা সৰু বেটাৰীহে। কাণ পাতিলেই শুনিবা তাৰ টিক্‌টিক্ শব্দ। সময় গৈ আছে ..............


যেতিয়াই এই কথা কেইআষাৰ মোৰ মনত পৰে, দুটা মিশ্ৰিত অনুভূতিয়ে মোৰ মনত অনুৰনন তোলে। কথাখিনিৰ সৈতে মিহলি হৈ থকা বিষাদৰ সুৰটোৱে মোক বিষন্ন কৰি তোলে, আনহাতে সেই প্ৰচণ্ড ব্যক্তিত্বৰ সৈতে হোৱা মোৰ অন্তৰঙ্গ আলাপৰ স্মৃতিয়ে মোক গৰ্বিত কৰি তোলে। বাতৰি কাকতত সদ্যহতে প্ৰকাশ হোৱা দুটা বাতৰিয়ে মোৰ সেই স্মৃতি পুনৰ জগাই তুলিছে আৰু লগতে সেই মিঠা স্মৃতিৰ সৈতে জড়িত ব্যক্তিজনৰ সুদীৰ্ঘ দেহ আৰু প্ৰখৰ বুদ্ধিদীপ্ত মুখখন সঘনে মনত পৰিছে। সেই বাতৰি দুটাৰ প্ৰথমটো হ'ল–,

১৯৯২ চনৰ চলচ্চিত্ৰ জগতৰ সৰ্ব্বশ্ৰেষ্ঠ সন্মান 'অস্কাৰ' বঁটা প্ৰদানৰ বাবে আমেৰিকাৰ 'অকাডেমী অব মোচন পিকচাৰ্চে' মনোনীত কৰিছে সত্যজিত ৰায়ক। আৰু আনটো বাতৰি হ'ল, পশ্চিমবঙ্গ চৰকাৰে সম্প্ৰতি এটা যাদুঘৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। নবনিৰ্মিত এই মিউজিয়ামটো হব কলিকতাৰ 'নন্দন' প্ৰেক্ষাগৃহৰ লগতে। তাত থাকিব সত্যজিত ৰায়ে কৰা প্ৰতিখন কথাছবি, তথ্যচিত্ৰ। কোনোবাই চাবলৈ বিচাৰিলে সেইবোৰ তাতে দেখুৱাৰ সু-ব্যৱস্থাও থাকিব। তাত থাকিব সত্যজিতৰ সমস্ত ৰচনাৱলী, তেওঁ অকাঁ ছবি, তেওঁৰ ছবিৰ স্ক্ৰিপ্ট, ডিজাইন বিজ্ঞাপন সমূহৰ নমুনা তেওঁৰ শিশু সাহিত্য সম্ভাৰ ষ্টীল ফটোগ্ৰাফ। মুঠৰ ওপৰত সম্পূৰ্ণ আৰু সমগ্ৰ সত্যজিত থাকিব সেই মিউজিয়ামত। সেইটো হব সত্যজিত ৰায়ৰ অহা জন্ম দিৱসত পঃবঙ্গ চৰকাৰৰ তৰফৰ পৰা জন্মদিনৰ উপহাৰ, শ্ৰীৰায়লৈ।

মৃত্যুৰ পিছত কোনো গুণী জনৰ মৃত্যু বাৰ্ষিকী পাতিবলৈ জন্মৰ সঠিক চন তাৰিখ বিচাৰি চলাথ কৰি আৱক্ষ মূৰ্ত্তিত মালা দি বাকী গোটেই বছৰটো পাহৰি থকাৰ পৰিৱৰ্তে গুণী জ্ঞানী ব্যক্তিক এইদৰে শ্ৰদ্ধা মৰম সন্মান জনাবলৈ বিচৰাটো সঁচাকৈয়ে বৰ আনন্দৰ কথা। প্ৰশংসনীয় প্ৰচেষ্টা। গতিকে ওপৰোক্ত দুয়োটা বাতৰিয়ে আমাৰ সকলোৰে বাবে সুখবৰ।

'অস্কাৰ' পুৰস্কাৰে সত্যজিত ৰায়ৰ লগতে সমগ্ৰ ভাৰতবৰ্ষকে সন্মানিত কৰিছে। প্ৰতিজন ভাৰতীয়ই তেওঁৰ বাবে গৌৰৱান্বিত অনুভৱ কৰিছে। সত্যজিত ৰায়ে আজিৰ এই সু-দিনৰ বাবে আৰম্ভণীতে কিছু কষ্ট ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। প্ৰথম ছৱি 'পথেৰ পাঁচালী' কৰিবলৈ গৈ স্ত্ৰী শ্ৰী মতী বিজয়া ৰায়ৰ সোণৰ অলঙ্কাৰো বন্ধকত দিব লগা বা বেচি দিব লগীয়া হৈছিল, তথাপিও যেতিয়া সামান্য কিছু অৰ্থৰ অভাৱত ছৱি শেষ কৰিব নোৱাৰি হতাশ হৈ পৰিছিল। তেতিয়া কোনোবা শুভাকাঙ্খী বন্ধুৱে উপদেশ দিলে, পশ্চিমবঙ্গৰ তেতিয়াৰ মন্ত্ৰী বিধান ৰায়ৰ ওচৰ চাপিবলৈ। কিন্তু বিধান ৰায়েই বা তৎক্ষণাৎ কেনেকৈ টকা দিয়ে ছবি শেষ কৰিবলৈ ? শেষত "পথেৰ পাঁচালী"ক 'Songs of the Road" বুলি কৈ পি, ডব্লিউ, ডি, ৰ শিতান (Head) ৰ টকা দিয়ে। তেনেকৈ মুক্তি লাভ কৰিলে ছৱিখনে ১৯৫৫ চনত। প্ৰথম অৱস্থাত "পথেৰ পাঁচালীয়ে" দৰ্শকৰ সামান্যতম মনোযোগ আকৰ্ষণ কৰিবলৈও সমৰ্থ নহল। ১৯৫৬ চনত ছবিখন কান কথাছৱি মহোৎসৱলৈ গ'ল। প্ৰথম দুই তিনিটা প্ৰদৰ্শনীত দৰ্শক, সমালোচক কোনেও ছৱিখনক প্ৰাপ্য মৰ্যাদা নিদিলে। কিন্তু জৰ্জ সাঁদুল চাহাবে হঠাতে ছৱিখনৰ সৌন্দৰ্য, ছৱিখনৰ বাণী (massage) আৱিস্কাৰ কৰি পেলালে। তেওঁ ছৱিঘৰৰ বাহিৰৰ পৰা দৰ্শকক





*লেখিকাক দিয়া সত্যজিৎ ৰায়ৰ এটি অটোগ্ৰাফ*

মাতি মাতি আনি ছৱিখন দেখুৱালে লগে লগে আৰম্ভ হ'ল আলোচনা সমালোচনা। অৱশেষত সেই ছৱিখনে "কাণ উৎসৱত" শ্ৰেষ্ঠ মানবিক দলিল " ৰূপেৰে পুৰস্কৃত হ'ল। তাৰপিছত সেই ছৱিখনে দেশ বিদেশৰ অসংখ্য পুৰস্কাৰ লাভ কৰিলে। সেইখন ছৱিৰেই সত্যজিৎ ৰায় বিখ্যাত হৈ পৰিল। "পথেৰ পাঁচালী" য়েই হ'ল সত্যজিৎ ৰায়ৰ কথাছৱিৰ পথ নিৰ্দেশক।

সুকুমাৰ ৰায়ৰ একমাত্ৰ পুত্ৰ প্ৰথম অৱস্থাত আছিল শান্তিনিকেতনৰ কলাভৱনৰ ছাত্ৰ। নিজৰ অনিচ্ছা স্বত্বেও যাব লগা হৈছিল তালৈ মাকৰ আগ্ৰহৰ বাবে। গৈ কিন্তু এটা বিশেষ লাভ হৈছিল। ক্ৰমান্বয়ে তেওঁ উপলব্ধি কৰিছিল, ভাৰতীয় শিল্পকলাৰ সুবিশাল বিস্তৃতি আৰু ৰহস্য। তাত থকা গ্ৰন্থাগাৰটোত আৱিস্কাৰ কৰিলে, জাপানী শিল্প, চীন দেশৰ শিল্পকলাৰ মায়াবী কাৰিকৰী লগতে অজন্তা ইলোৰাৰ শিল্প ভাস্কৰ্যৰ গভীৰতা, সৌন্দয্য আৰু লগতে পাশ্চাত্য শিল্পকলা শৈলীৰ সৈতে ভাৰতীয় শিল্পকলাৰ বিভিন্নতা বা স্বকীয়তা। শান্তিনিকেতনে আৰু দিলে সত্যজিতক প্ৰকৃতিৰ সৈতে সুগভীৰ আত্মীয়তা আৰু একাত্মতা। সত্যজিতৰ কথাছৱিত প্ৰকৃতিক যি ধৰণে ব্যৱহাৰ কৰা হৈছে তাৰপৰাই অনুমান কৰিব পাৰি প্ৰকৃতিক তেওঁ কি ধৰণে অনুভৱ কৰে। নেচাৰেলিষ্টিক ফেনোমেনন আয়ত্ব কৰিছিল বাবেই ছৱিত প্ৰকৃতিয়ে সহজে ধৰা দিছিল। শান্তিনিকেতনৰ পৰা আহি জীৱিকা গ্ৰহণ কৰিলেহি ডি, জে, কীমাৰ নামৰ বিজ্ঞাপন সংস্থা এটাত। কিন্তু ক্ৰমান্বয়ে যুৱক সত্যজিত অসহিষ্ণু হৈ উঠিল। তেওঁৰ কল্পনা আৰু কৰি থকা কামবোৰৰ মাজত আকাশ পাতাল পাৰ্থক্য। বিজ্ঞাপন সংস্থাৰ কামৰ মাজেৰে নিজকে যেন সঠিকভাবে প্ৰকাশ কৰিব পৰা নাই। মেলি ধৰিব পৰা নাই। চাকৰিৰ সীমাৱদ্ধতাই তেওঁৰ শিল্পী প্ৰতিভাক মুকলি হবলৈ দিয়া নাই। বিজ্ঞাপন সংস্থাৰ মক্কেলৰ মেজাজৰ ওপৰত ভৰষা কৰি কাম কৰিব লাগে। এৰি দিলে তেওঁ চাকৰি। আত্মপ্ৰকাশৰ মাধ্যম ৰূপে নিৰ্বাচিত কৰিলে চলচ্চিত্ৰক। ছবি কৰিবলৈ আৰম্ভ কৰিলে মানুহৰ ওপৰত থকা আস্থা আৰু স্বদেশ প্ৰীতিৰে চকুত নতুন দিনৰ আশাৰ সপোন। মনত উদ্যম। তেওঁৰ প্ৰতিখন ছবিয়েই কয়, স্বদেশৰ মাটি আৰু মানুহৰ কথা। কিন্তু ক্ৰমান্বয়ে তেওঁৰ চিন্তাধাৰা, বিচাৰ, বিশ্লে-ষণৰ সলনি হৈ আহিল। সামাজিক ৰাজনৈতিক প্ৰেক্ষাপটৰ সলনিৰ লগে লগে তেওঁৰ স্বপ্নভঙ্গ হবলৈ ধৰিলে। মানুহৰ মূল্যবোধৰ অৱক্ষয়, নৈতিক স্খলনত হতাশ হোৱা আশাভঙ্গৰ ছৱি দেখো তেওঁৰ পৰবৰ্তী ছৱি 'জনঅৰণ্য' 'গণশত্ৰু' বা 'শাখা প্ৰশাখা'ত।

সত্যজিতৰ ছৱিৰ এটা সম্পূৰ্ণ একক নিজস্ব ষ্টাইল আছে। বিষয় বস্তু নিৰ্বাচনৰ বৈশিষ্ট আছে। আৰু এটা বিশেষ সম্পদ আছে, সেইটো হ'ল শ্বটৰ মিতব্যয়িতা আৰু নতুন নতুন চিত্ৰভাষা, মৰ্জ্জিত পৰিমিত সঙ্গীতৰ ব্যৱহাৰ মুঠতে এই সকলোবোৰ বৈচিত্ৰই একেআষাৰে পৰিচয় কৰি দিয়ে "এইখন সত্যজিত ৰায়ৰে ছবি। আনহাতে আকৌ, চৰিত্ৰ সমূহৰ নানান ঘটনাত বিবৰ্তিত ৰূপ আৰু মানসিক উত্তৰনেও তেওঁৰ কথাছৱিৰ স্বকীয়তা প্ৰকাশ কৰে, অৱশ্যে লগতে এইটোও যেন অনুভৱ হয় তেওঁৰ চৰিত্ৰসমুহে নিজৰ অতি পৰিচিত আবেষ্টনীৰ পৰা মুক্ত হৈ ওলাই আহিব নোৱাৰে। তথাপিও নিজ নিজ ক্ষেত্ৰত তেওঁৰ চৰিত্ৰ সমুহ সফল আৰু তাতেই সত্যজিতৰায়ৰ সাৰ্থকতা।

এই সাৰ্থক শিল্পীজনক একেবাৰে ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য মোৰ ঘটিছিল বাবেই বুজিব পাৰিছিলো এজন শিল্পী বা সৃষ্টিশীল মানুহ সফল হৈ উঠিবলৈ কিমানখিনি কৰ্ম্মনিষ্ঠা আত্মসংযম বা সাধনাৰ প্ৰয়োজন।

১৯৯০ চনৰ জুনমাহত সাংস্কৃতিক সঞ্চালকালয়ে কলিকতাত আয়োজন কৰা জ্যোতিদিৱস উপলক্ষে বিভাগীয় নিৰ্দেশত মই কলিকতালৈ যাবলগীয়া হৈছিল। 'নন্দন' প্ৰেক্ষাগৃহত জ্যোতিপ্ৰসাদৰ "জয়মতী" কথাছৱি, 'শিশিৰমঞ্চ'ত 'কাৰেঙৰ লিগিৰি' নাটকৰ অভিনয় আৰু লগতে জ্যোতিপ্ৰসাদ ৰচিত গীতমাত পৰিবেশনৰ আয়োজন কৰা হৈছিল। উদ্দেশ্য আছিল, সৰ্বভাৰতীয় ক্ষেত্ৰত জ্যোতিপ্ৰসাদক পৰিচয় কৰি দিয়া। তালৈ কলিকতাৰ প্ৰায় সকলো গুণী জ্ঞানী বিশিষ্ট লোকক আমন্ত্ৰণ জনোৱাৰ কথা। সেইমতেই পশ্চিম বঙ্গৰ জনসংযোগ বিভাগৰ পৰা নাম ঠিকনা সংগ্ৰহ কৰি নিমন্ত্ৰণী পত্ৰ সমূহ সাজু কৰা হ'ল। অফিচৰ কোঁঠালৈ মোক মাতি নি তেতিয়াৰ সঞ্চালক স্বৰ্গগত গিৰিজা প্ৰসাদ দাসে কলে,- সময় তেনেই কম আছে। গতিকে অকল ল'ৰা হতঁৰ ওপৰতে এৰি দিলে নহব। গাড়ী এখন লৈ তুমিও যোৱা। কিছু চিঠি তুমিও দিয়া। চাবা, যাকেই নিমন্ত্ৰণ নজনোৱা কিয়, তেওঁ যেন নিমন্ত্ৰণ ৰক্ষা কৰে। কলিকতালৈ ইয়াৰ আগতে গৈছো যদিও পৰিয়ালৰ আন সকলোৰে সৈতে ফুৰিবলৈহে গৈছিলো। এইদৰে একেবাৰে অকলে হাতত দায়িত্ব লৈ যাবলৈ কিছু ভয়, কিছু শঙ্কা অনুভৱ কৰিলো। তাতে বাট ঘাটো বৰ ভালকৈ চিনি নেপাওঁ কিন্তু দায়িত্ব যিহেতু ললোৱেই উপায়তো নাই। বিভাগীয় গাড়ী আৰু বিশ্বাসযোগ্য গাড়ীচালক লক্ষীন্দৰ পাছোৱানক লৈ ওলালো। হাতত এজাপ নিমন্ত্ৰণী পত্ৰ। এফালৰ পৰা চিঠি দি গলো–, আশাপূৰ্ণা দেৱী, ডঃ ৰমা চৌধুৰী, উৎপল দত্ত, ৰুমা গুহঠাকুৰতা, সৌমিত্ৰ মুখাৰ্জী, ডঃ ভূপেন হাজৰিকা, দেৱযানী চলিহা, তৃপ্তি মিত্ৰ কে আদি কৰি বহুজন গুণী সুপ্ৰতিষ্ঠিত ব্যক্তিক। সেইসকলক ব্যক্তিগতভাবে লগপোৱাৰ সুযোগ পাই নিজকে সৌভাগ্যশালী যেন লাগিছিল। উৎফুল্লিত হৈছিলো। শেষত দেখিলো হাতত আৰু মাত্ৰ দুখন চিঠিহে আছে গৈ তাৰে এখনৰ ঠিকনা হ'ল, এচ ৰয়, লেক্ৰয় বিশ্বপ ৰোড। আনখন একেটা ঠিকনাৰে চি ৰয়। ভাবিলো এইদুখনো একেহাতে দি থৈয়ে যাও। গাড়ী ঘুৰালো। কাৰ নাম কাৰ ঠিকনা তেতিয়ালৈ নেজানোও। ইজন সিজনক সোধোতে দেখুৱাই দিলে এপাৰ্টমেন্টটো। মই গাড়ীৰ পৰা নমাৰ লগে লগে এজন চকীদাৰ ধৰণৰ মানুহ কোবেৰে আগবাঢ়ি আহিল আৰু আমি অহাৰ কাৰণ জানিবলৈ বিচাৰিলে। কলো। তেওঁ কলে চিঠিখন সেই চিঠিৰ বাকচটোতে পেলাই দিয়ক কাৰণ ওপৰলৈ যোৱা মানা আছে। তেনেতে কান্ধত কেমেৰা লৈৱা চিত্ৰ সাংবাদিক এজন আগবাঢ়িআহি উপযাচিয়েই কলে "মাদাম, কৈ লাভ নাই। তেখেতে দেখা নকৰে।" তথাপিও কাগজ এটুকুৰাত নিজৰ নামটো লিখি চকীদাৰজনক অনুৰোধ কৰিলো, যাতে এেইখন মই দেখা কৰিবলৈ অহা ভদ্ৰলোকজনক এবাৰ দেখুওৱা হয়। সঞ্চালকৰ নিৰ্দ্দেশ আছিল যাকেই নিমন্ত্ৰণ কৰো, তেওঁ যেন আহে। ব্যক্তিগত ভাবে লগ কৰিবলৈ সেইকাৰণেই বিছাৰিছিলো।)

নিতান্ত অনিচ্ছা স্বত্বেও থেৰো গেৰো কৈ চকীদাৰজন ওপৰ মহলালৈ গ'ল গৈ। আৰু মোৰ মুৰ্খামীত ওচৰত ৰৈ আমোদ পাই থকা চিত্ৰসাংবাদিকজনে তাচ্ছিল্যৰ হাঁহি এটি মাৰিলে "কিছু লাভ হবেনা মাদাম।"

হঠাতে কিজানো ভাবি (অথবা একোৱেই নভবাকৈ) সন্মুখত থকা লিফট্খনত উঠি তিনিমহলাৰ বুটামটো টিপি দিলো। নিষেধৰ ভঙ্গীত হাঁহাকাৰ কৰি উঠিল সেই সাংবাদিকজন। কিন্তু ইতিমধ্যে লিফট্ উঠিবলৈ আৰম্ভ কৰিলে। টুক্ কৈ ৰঙা বিজুলী সংকেটটো জ্বলি উঠিল। লিফট্ ৰৈ গ'ল লাহে লাহে লিফ্টৰ লোৰ দুৱাৰখন মেল খালে। আৰু মই নেওঁৰ মুখামুখী হৈ গ'লো। সমগ্ৰ পৃথিৱীখনেই যেন লিফ্টৰ লগতে ৰৈ গ'ল। সময়ো যেন থমকি ৰ'ল কেই মুহুৰ্তমান।

অত্যন্ত কঠোৰ মুখভঙ্গী আৰু ক্ৰুদ্ধ অভিব্যক্তিৰে মই পঠিওৱা চকিদাৰজনক কিবা এটা কৈ আছে। ংতখেতৰ চকু তেতিয়ালৈ মোৰ ওপৰত পৰা নাছিল। কিন্তু চকীদাৰজনৰ পৰিছিল আৰু তেওঁযেন আগতকৈও ভয় খাই উঁঠা যেন মোৰ লাগিল। চকীদাৰৰ দৃষ্টি অনুসৰণ কৰি তেখেতেও মোলৈ চালে। মোৰ অনুভৱ হ'ল যেন, তেওঁৰ ক্ৰোধান্বিত প্ৰখৰ দৃষ্টিয়ে মোৰ কলিজাটো আজুৰি বাহিৰলৈ টানি আনিলে। যথেষ্ট বিনয়েৰে মই তেখেতৰ অনুমতি বিচাৰিলো লিফটৰ পৰা ওলাই আহিবলৈ। চকীদাৰ জনক যাবলৈ নিৰ্দ্দেশ দি মোকো "উৰণীয়া বাকচ" টোৰ পৰা ওলাই আহিবলৈ ইঙ্গিত দিলে আৰু সুধিলে– "মোৰ ব্যক্তিগত লিফ্ট ব্যৱহাৰৰ অনুমতি আপোনাক কোনে দিলে ?

ইতিমধ্যে মইও ভৰিৰ তলৰ মাটি বিচাৰি পাইছো। ৰক্তসঞ্চালনৰ গতিও সবাভাৱিক হৈছে। সহজ আৰু নম্ৰ ভাষাৰে উত্তৰ দিলো,– লিফ্টখন যে কাৰোবাৰ একান্ত ব্যক্তিগত হব পাৰে সেই ধাৰণাটোৱেই মোৰ নাছিল। (মোৰ অস্পৰ্ধা আৰু অজ্ঞতাই বোধকৰো মানুহজনক অবাক কৰিছিল।)

আৰু লিফটত উঠাৰ কিছু আগলৈকে সচাঁকৈ মই নেজানিছিলো মইকাৰ ওচৰলৈ গৈছো। আৰু যেতিয়া জানিলো, তেতিয়া তেওঁক লগ নোপোৱাকৈ উভতি অহাৰ প্ৰশ্নই নুঠে। মোৰ হাতত থকা চিঠিৰ এচ, ৰয়, বিশ্ব বৰেণ্য শিল্পী সত্যজিত ৰয়, আৰু এচ, ৰয়, তেওঁৰ পুত্ৰ চিৰঞ্জীৱ ৰয়, বুলি জনাৰ পিছত, চিঠিৰ বাকছত চিঠি পেলাই থৈ বা চকীদাৰৰ হাতত চিঠি দি যোৱাৰ দূৰ্ভাগ্যৰ কথা মই ভাবিবই নোৱাৰিলো। মন্দিৰৰ দুৱাৰ মুখলৈ আহি বিগ্ৰহত মূৰ নোদোৱাকৈ কিয় যাম বাৰু ? হব নোৱাৰিছে বিগ্ৰহ শিলৰ কঠিন মূৰ্ত্তি।

তেওঁৰ চেহেৰা ক্ৰমে সহজ হৈ আহিল। কপালৰ কুঞ্চিত ৰেখাবোৰ মিলি যাবলৈ ধৰিলে। মোক কলে– আহা মোৰ লগত। তেওঁৰ পিছে পিছে গৈ এটা কোঠাত সোমালো। কলে "বহা। সৰু চাপৰ বেতৰ মূঢ়াটোত বহিলো। মোক বহিবলৈ কৈ তেওঁ সৰু ইজেল এখনৰ আধা অকাঁ ছৱিখন আকিঁবলৈ ধৰিলে। হাতত পেঞ্চিল তুলিকা। টেপৰেকৰ্ডাৰত এটা কেছেট বাজি আছিল। আন এটা যন্ত্ৰত কেছেট এটা ঘূৰি আছিল। সঠিক নেজানিলেও বুজিছিলো কিবা মিউজিক ট্ৰেন্সফাৰ কৰি আছে। তেওঁ মোক বহুৱাই থৈ মোৰ উপস্থিতিৰ বিষয়ে সম্পূৰ্ণ বিস্মৃত হৈ নিজৰ আধৰুৱা কামত মনোনিবেশ কৰিলে। মইও সেই সুবিশাল দীৰ্ঘদেহী ব্যক্তিৰ আত্মমগ্ন, ধ্যানস্থ ৰূপলৈ চাই পাহৰি গলো সৃষ্টি স্থিতি কাল। খট্‌কৈ সৰু শব্দ এটা হৈ কেছেট শেষ হ'ল। সুৰ স্তব্ধ হ'ল, মূৰ্চনাটো ভাহি থাকিল কোঁঠাটোত। তেওঁ মোলৈ মূৰ তুলি চালে। মুখত স্নেহ আৰু প্ৰশ্ৰয়ৰ কোমলতা। "তোমাক নোসোধাইকয়ে তুমি বুলি সম্বোধন কৰিলো, মানুহক দেখা কৰিবলৈ সময় নাই বুলি কওতে তুমি বেয়া পাইছা নহয়। কেনেকৈ কৰো বাৰু তুমিয়েই কোৱাছোন। দেখিছাই মোৰ কামবোৰ। কামৰ তুলনাত সময় তেনেই কম। প্ৰতিটো কামেই নিৰ্ধাৰিত সময় সাপেক্ষ। এই ছৱিখিনি আঁকি শেষ কৰি দিব লাগে শিশু আলোচনী "সন্দেশ"ৰ বাবে। এই আধা লিখা খিনি পূজা সংখ্যা আলোচনীৰ বাবে লিখা ডিটেক্‌টিভ উপন্যাস খনৰ। মিউজিকটো কৰি আছিলো মোৰ নতুন কথাছৱিখনৰ বাবে। পৰশিলৈ যাম কাণ মহোৎসৱলৈ। তাৰোপৰি মোৰ ছৱিৰ পৰিকল্পনা, ডিজাইন, সঙ্গীত কেমেৰা সকলোতো মই নিজেই কৰো, মাজতে মোৰ অসুস্থতাৰ বাবে এই কামবোৰত যতি পৰিছিল। বয়সওটো হ'ল। নে কি কোৱা ?

উত্তৰ দিবলৈ মোৰ একো নাছিল। আছিল মাথো মোৰ অসীম মুগ্ধতা। চকীদাৰজনক ফালি দিয়া কাগজ টুকুৰাৰ আনটোফাল তেখেতলৈ আগবঢ়াই দিলো। অত্যন্ত ক্ষীপ্ৰতাৰে নিজৰ নামটো চহী কৰি কাগজ টুকুৰা ওভতাই দি কলে– "তুমি অসমৰ ছোৱালী, ষাঠীৰ দশকত এবাৰ মই অসমলৈ গৈছিলো। ব্ৰহ্মপুত্ৰৰ বুকুত সূৰ্য্য ডুবাৰ দৃশ্য এতিয়াও মই সপোণৰ দৰে দেখা পাও।"

অসমৰ লগতে মোৰ তোমাকো ভাল লাগিল। বেছি ভাল লাগিল তোমাৰ জেদী মনটোক। অথচ, তুমি মোক বেয়া পাই অসমলৈ ঘূৰি যাবা, কাৰণ মই তোমাৰ নিমন্ত্ৰণ নেৰাখো। পাৰিলে বুজাৰ চেষ্টা কৰিবা, এই যে কামবোৰ কৰিছো এইবোৰ তোমালোকলৈ মোৰ উত্তৰ পুৰুষলৈ। নতুন প্ৰজন্মলৈ। এইবোৰ কৰিবলৈ এৰি মিটিং সভা গাই থাকিলে গ্ৰন্থৰ ফিটা কাটি, মূৰ্ত্তি উন্মোচন কৰি ফুৰিলে, মোৰ হাতত থকা কামবোৰ শেষ হব কেতিয়া ? মিটিং সভা আনে কৰিলেও হব কিন্তু মোৰ কামবোৰটো ময়েই কৰিব লাগিব।

জানাই ছাগে এটা পেচমেকাৰৰ আয়ুস কিমান ?

# শুভ্ৰ, প্ৰকৃতি আৰু ফৰিজম্

নাজমা মুখাৰ্জী

মোৰ শিশু পুত্ৰ শুভ্ৰৰ স্কুলীয়া জীৱনে তৃতীয় বছৰত ভৰি দিলে। বিগত দুটা বছৰ স্কুললৈ অহা-যোৱা কৰি শুভ্ৰই প্ৰভূত অভিজ্ঞতা লাভ কৰিলে –যিবোৰ অভিজ্ঞতাই তাক বহুত সময়ত আনন্দৰ সন্ধান দিছিল আৰু বহুতো ক্ষেত্ৰত তাৰ কণমানি জীৱনটোত জটিলতাৰো সৃষ্টি কৰিছিল। তাৰ আনন্দবোৰ আছিল নিতান্তই স্বাভাৱিক আৰু সহজাত। অমুক বন্ধুৱে তাক পেন্সিল এডাল দিলে, তমুকক সি ৰাবাৰ এডাল উপহাৰ দিলে। কোনো বন্ধুৰ জন্মদিন উপলক্ষে সি এটা চকলেট পালে। শিক্ষয়িত্ৰীয়ে তাক এই বিৰাট বিশ্বৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ এটাৰ জ্ঞান দান কৰিলে।

যিবোৰ কাৰণে শুভ্ৰৰ জীৱনত জটিলতাৰ সৃষ্টি হৈছিল, সেই কাৰণবোৰ কিন্তু অকণমানি নাছিল, কাৰণবোৰ আছিল ভয়ানক। যাৰ বাবে সি স্কুলত থকা সময়খিনি আমি শান্তিত কটাব পৰা নাছিলো।

যোৱা দুটা বছৰ সি যিখন স্কুলত পঢ়িলে, তাৰ সহপাঠী হিচাপে সি এনেকুৱা এটা দুৰ্দান্ত ল'ৰা পাইছিল যে তাৰ আচৰণ বহুত সময়ত ভয় লগা আছিল। এবাৰ বি শুভ্ৰৰ পেটত জোতাৰে গুৰিয়াইছিল, এবাৰ স্কেলেৰে চকুত খোঁচ মাৰিব খোজোতে ভাগ্যে যেনিবা চকুৰ কাষত গৈ খোঁচাটো পৰিল! আকৌ এবাৰ পেচাব কৰিবলৈ টয়লেটলৈ যাওঁতে সি বাহিৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিছিল। এই উৎপাতবোৰ নিঃসন্দেহে ভয়ানক আছিল। অত্যাচাৰত জৰ্জৰিত শুভ্ৰই তাৰ ফল ঘৰতো আহি ভুগিছিলহি। মাজে মাজে পেট আৰু মূৰত তাৰ বিষ হৈছিল। যাৰ ফলত তাৰ স্কুল খতি কৰাবলৈ আমি বাধ্য হৈছিলো।

অকল যে শুভ্ৰই সেই দুৰ্দান্ত ল'ৰাটোৰ অত্যাচাৰৰ বলি হৈছিল এনে নহয়; আন বহুতো ল'ৰাই তাৰ মাৰকিল খোৱাটো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছিল।

প্ৰথমতে মই ভাবিছিলো, স্কুলত যিহেতু মাক-দেউতাকৰ সলনি শিক্ষয়িত্ৰী আৰু পৰিচাৰিকা সকল আছেই, এই সমস্যা সমাধান কৰিব তেওঁলোকেই। অত্যাচাৰৰ আতিশয্য বাঢ়ি যোৱাত মই এদিন গোচৰো দিলোগৈ। শুনিলো সেই দুৰ্দান্ত ল'ৰাটোক এসেকা দিলেও শিক্ষয়িত্ৰীয়ে। দুদিনমান সি ঠিকেই থাকিল। পিছত লাহে লাহে তাৰ অত্যাচাৰ আৰু বাঢ়ি যাবলৈ ধৰিলে। ইমানবোৰ ল'ৰা-ছোৱালীৰ ওপৰত সমানে দৃষ্টি ৰখাটো শিক্ষয়িত্ৰীৰ বাবেও সম্ভৱপৰ নাছিল।

শুভ্ৰৰ জন্মৰ আগতেই মই মেনকা গান্ধীয়ে নিজ পুত্ৰৰ সৈতে গঢ়ি তোলা পাৰিবাৰিক জীৱনটোৰ বিষয়ে কিছু কথা মেনকাই লিখা প্ৰবন্ধ এটা পঢ়ি জানিছিলো। তাত মেনকাই লিখিছিল – 'বৰুণ অতি চোকাবুধীয়া ল'ৰা। তাৰ কাৰণো আছে যথেষ্ট। আঠ-ন মাহ মান বয়সৰ পৰাই মই বৰুণক পাৰিপাৰ্শ্বিক জগতখনৰ বিষয়ে বুজাবলৈ আৰম্ভ কৰিছিলো।' এইবোৰ কথা কৈ শেষত মেনকাই এই বুলি মন্তব্য কৰিছিল যে শিশুক শিকোৱাবলৈ পঢ়ুৱাবলৈ এক নিৰ্দিষ্ট বয়সলৈ অপেক্ষা নকৰি শিশু অলপ বুজা হোৱাৰে পৰা অৰ্থাৎ আঠ-ন মাহ মান বয়সৰ পৰাই তাক পাৰিপাৰ্শ্বিক জগতখন চিনাবলৈ বুজাবলৈ আৰম্ভ কৰা উচিত।

প্ৰবন্ধটো পঢ়ি বহুত কথা শিকা হ'ল। শুভ্ৰৰ শিশু অৱস্থাতে তাৰ বুদ্ধিমত্তাৰ উমান মই পালো। সাত মাহ সম্পূৰ্ণ কৰাৰ আগতেই সি স্পষ্ট ভাষাৰে মা-বাবা ক'ব পৰা হ'ল। আঠ মাহ বয়সত সি তিনিটা শব্দযুক্ত বাক্য কব পৰা হ'ল। কেতিয়াবা নিজে আৰু কেতিয়াবা আনে শিকাই দিলে। 'কাক আম খায়' (কাউৰীয়ে আম খায়), 'শুভ্ৰ কলা খায়' (শুভ্ৰই কল খায়) আদি বাক্য তাৰ মুখত আঠ মাহ বয়সতে অতি স্পষ্ট আছিল। কৰ্কশ মাতৰ ক'লা চৰাইটো যে কাক অৰ্থাৎ কাউৰী আৰু কেতিয়াবা সেউজীয়া, কেতিয়াবা হালধীয়া মিঠা ফলবিধ যে আম, সেই ধাৰণা সি আমাৰ পৰাই পাইছিল। তেতিয়া আমি থকা ঘৰটোৰ পিছ পিনৰ চোতালত এজোপা আম গছ আছিল। তাৰ পকা আমবোৰ খাবলৈ অনবৰতে কাউৰী আহি থাকিছিল। বাৰান্দাৰ পৰা সেই দৃশ্য চাই চাই সি অনায়াসেই 'কাক আম খায়' বুলি মন্তব্য কৰি পেলাইছিল।

এইদৰেই শুভ্ৰই নিজে নিজেই পাৰিপাৰ্শ্বিক জগতখনক চিনিবলৈ আৰম্ভ কৰিলে। ময়ো তাক সেই বয়সতে নীলা আকাশ, সেউজীয়া গছ, হালধীয়া ৰঙা ফুল, ক'লা অন্ধকাৰৰ লগত পৰিচয় কৰাই দিলো। মুঠৰ ওপৰত সি এবছৰমান বয়সতে পাৰিপাৰ্শ্বিক জগতখনৰ বহুত কথাই জনা হ'ল। দু-বছৰ তিনি মাহ বয়সত সি আমাৰ ঘৰৰ কাষেৰে বৈ যোৱা ক্ষীণ, লেতেৰা পানীৰ ভৰলু নদীখনৰ পানীবোৰ চাই চাই গতিশীল পানীখিনিৰ বিষয়ে এটা কবিতাৰ শ্ৰুতলিপিও দিলে। কবিতাটো মই সযতনে ডায়েৰিত লিখি থৈছো।

মোৰ এজন বন্ধুৱে আহি এবাৰ এটা খবৰ দিছিল – ৰাছিয়াৰ এগৰাকী মহিলাই শিশুৰ ব্যক্তিত্ব গঠন সম্পৰ্কে এখন উৎকৃষ্ট কিতাপ লিখিছে। তেখেত নিজে এসময়ত দুটি যঁজা শিশুৰ মাতৃ আছিল। এতিয়া ল'ৰা দুটি ডাঙৰ হৈছে, স্ব স্ব ক্ষেত্ৰত প্ৰতিষ্ঠিতও হৈছে। শিশু দুটিক ডাঙৰ কৰাৰ অভিজ্ঞতাৰে তেওঁ লিখা কিতাপখনৰ ভাৰতীয় ভাষাৰ অনুবাদ এতিয়া গুৱাহাটীৰ বজাৰতো পোৱা যায়। কিতাপখন পঢ়া হোৱা নাই। কিন্তু নপঢ়াকৈয়ে মই অনুমান কৰিছো, মহিলা গৰাকীয়ে নিশ্চয় কিছুমান সজীৱ অভিজ্ঞতাৰে পুথিখন ৰচনা কৰিছে। শুভ্ৰই যেতিয়া তাৰ বন্ধু-বান্ধৱৰ সৈতে খেলি থাকে, গভীৰ মনযোগেৰে মই লক্ষ্য কৰো যে – আমি ভবাতকৈ পাৰিপাৰ্শ্বিক জগতখনৰ বহুত বেছি কথাই সিহঁতে জানে। আমি মাক-দেউতাকবোৰে দৈনন্দিন কাম কাজেৰে ভৰা সংসাৰখন কিদৰে পৰিচালনা কৰো, তাকো সিহঁতৰ দৃষ্টিত ধৰা নিদিয়াকৈ নাথাকে। পাৰিপাৰ্শ্বিক জগতখনক সিহঁতে ইমান সূক্ষ্মভাবে অনুধাৱন কৰে যে, যেতিয়া কোনো কাৰণত তাৰ প্ৰকাশ আমি লক্ষ্য কৰো, ভাব হয় সিহঁতৰ মনৰ অতলত আৰু বহুতো কথাই আছে!

আমি প্ৰতিদিনে খবৰৰ কাগজত প্ৰত্যক্ষ কৰা অপহৰণ, লুণ্ঠন, হত্যাৰ ঘটনাই কেনেকৈ চাৰি-পাঁচ বছৰীয়া ল'ৰা-ছোৱালীক প্ৰভাৱিত কৰিব পাৰে, তাক শুভ্ৰ আৰু তাৰ বন্ধু কেইটাৰ ক্ষেত্ৰতে গম পাইছো। শুভ্ৰৰ পুতলা সন্তোষ আৰু স্বস্তিকাক লৈ সিহঁতে এদিন গঢ়ি তুলিছিল এটা অপহৰণৰ ঘটনা। নিজৰ সৰু লংপেন্টৰ চিকোণ বেল্টেৰে বান্ধি পেলালে সন্তোষ-স্বস্তিকাক। আৰু তাৰ পিছত প্লাষ্টিকৰ খেলনা টেলিফোনেৰে খবৰ গ'ল সিহঁতৰ দেউতাকলৈ – সন্তোষ-স্বস্তিকাক আমি বান্ধি থৈছো। ইয়াতকৈ বেছি আৰু কি ক'ব সিহঁতে?

এইহেন শিশু সকলৰ ভিতৰৰে এটা শুভ্ৰৰ মানসিক আৰু শাৰীৰিক দ্বন্দ্বৰ উপশম ঘটাবলৈ মাক হিচাপে মই কি কৰিব পাৰো? সেই দুৰ্দান্ত ল'ৰাটিক ধমকিয়াবগৈ পাৰো, শুভ্ৰক অন্য স্কুললৈ লৈ গলেই সমস্যাৰ সমাধান হ'ব বুলি ভাবিব পাৰো! আৰু কি পাৰো?

মই শুভ্ৰক প্ৰকৃতিৰ ওচৰলৈ ওভোতাই নিলো। আজি প্ৰায় তিনি বছৰ ধৰি আমাৰ ফ্লেটৰ খিৰিকিৰ বাহিৰ পিনে এজাক বনৰীয়া মৌমাখিৰ অহা-যোৱা। সিহঁতে প্ৰতিবাৰে আহি নিৰ্দিষ্ট ঠাই টুকুৰাত বাহ সাজে আৰু দুই তিনি মাহমান থাকি আকৌ উঠি গুচি যায়। কেইমাহমান পিছত আকৌ আহে, আকৌ যায়। প্ৰথম প্ৰথম সিহঁত আহোতে আমি বৰ ভয় খাইছিলো। তেতিয়া গৰম কালি আছিল। সৰু ঘৰ, খিৰিকি অনবৰতে মেলা থাকিছিল। সিহঁতে বাহ সজাত শুভ্ৰৰ কথা চিন্তা কৰি খিৰিকি বন্ধ কৰি দিয়াত অসহ্য গৰমত আমাৰ কি যে নগুৰ নাগতি নহৈছিল! উশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। গৰমৰ পৰা অব্যাহতি পাবলৈ আমি প্ৰায়েই ঘৰৰ পৰা ওলাই গৈ বেলকনি, ছাদ আদিত ইফাল-সিফাল কৰি সময় কটাইছিলো। কিন্তু ছাদে বাৰান্দাই আৰু কিমান সময় কটাম? লাহে লাহে আমি খিৰিকি খুলিবলৈ ললো। সিহঁতৰ সৈতে বুজাবুজিলৈ আহিলো। মৌমাখিবোৰ এতিয়াও আমাৰ খিৰিকিৰ বাহিৰ পিনে আছে। গতিকে শুভ্ৰকো সিহঁতৰ গতি প্ৰকৃতি বুজাব লগাত পৰিলো। সিহঁতৰ tit for tat প্ৰকৃতিটো শুভ্ৰই ভালকৈ বুজি ললে। সি সিহঁতৰ প্ৰতি কোনো দুষ্টালি সুলভ আচৰণ নকৰে।

এই tit for tat সূত্ৰটোৰ প্ৰতি শুভ্ৰ বৰ আকৰ্ষিত হ'ল। সিহঁতক জোকালেহে কামুৰিব, নহলে নাকামোৰে..... সিহঁতক নোজোকালে আমাৰ বিপদো নাই..... সিহঁতৰ পৰা শুভ্ৰই একধৰণৰ কঠোৰ নিৰাপত্তা লাভ কৰিলে। ময়ো এই ছেগতে দুৰ্দান্ত ল'ৰাটোৰ পৰা শুভ্ৰৰ নিৰাপত্তা বিষয়ক সূত্ৰটো আৱিষ্কাৰ কৰি পেলালো।

যুগ যুগ ধৰি প্ৰকৃতিয়েই গ্ৰহণ কৰি আহিছে মানুহৰ অভিভাবকত্ব। আমাৰ সকলো ঔৎসুক্যৰ নিৰসনো কৰিছে প্ৰকৃতিয়েই। প্ৰকৃতিৰ বহুতো ৰূপৰ ভিতৰত, বহুতো ৰঙৰ ভিতৰত মই খঙাল ৰূপটো, ৰংটো বুটলি আনিলো। সেইটো সময়তে মই ফৰিজম্ সম্পৰ্কে কিছু কথা পঢ়ি আছিলো। 'ফৱ' শব্দটোৰ অৰ্থ বন্য জন্তু। ১৯০৫ খৃষ্টাব্দত সমালোচক লুই ভক্সেলেছে কথাটো প্ৰথমে ব্যৱহাৰ কৰিছিল। সেই সময়ত ইউৰোপৰ এদল কবি-শিল্পীয়ে বিষম আৰু পাশৱিক ধৰণে অঘটন ঘটাই এক উদ্দাম, গতিবান বাস্তৱক প্ৰকাশ কৰিব বিচাৰিছিল। ফবিষ্ট চিত্ৰ, ফবিষ্ট কবিতা দেখি, পঢ়ি, উপভোগ কৰি মই বুজিলো – ফবিষ্ট সকলে সম-সাময়িক যুগ-সংকটৰ গৰাহৰ পৰা ৰক্ষা পাবলৈ প্ৰকৃতিৰ কৰ্কশ ৰূপটিৰ স্বৰূপ নিজৰ মনোজগতত গাঁথি লৈ চিত্ৰ বা কবিতা ৰচনা কৰিছিল। প্ৰকৃতিৰ উদ্দাম ৰূপটো আছিল এটা শক্তিশালী নিৰাপত্তা – যাৰ আশ্ৰয়ত থাকি তেওঁলোকে সম-সাময়িক যুগসংকটৰ বিৰুদ্ধে কঠোৰ ভাষাৰে মাত মাতিব পাৰিছিল।

আমাৰ ভাৰতীয় কবি-শিল্পী সকলো ফৰিজম্‌ৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। প্ৰখ্যাত ভাৰতীয় কবি জীৱনানন্দৰ বহুতো কবিতাত ফবিষ্ট ধাৰণা পোৱা যায়। শালিকাৰ হালধীয়া ৰঙৰ কঠিন ঠেং, উৰি উৰি কান্দি ফুৰা সোণালী পাখিৰ/চিলনীৰ মাজত বিচাৰি পোৱা যায় এনে এক ৰূঢ় বাস্তৱক, তেতিয়া আৰু সেই চৰাই দুবিধক নিৰ্বোধ প্ৰাকৃতিক উপাদান বুলি ভাব নহয় – ভাব হয় সিহঁত যেন এই মানৱ সমাজৰে ভিতৰুৱা একো একোটা সংগ্ৰামী সত্তা। অসমীয়া সাহিত্যত হোমেন বৰগোহাঞিৰ 'সাপ' কবিতাটোৰ কথাই এই মুহূৰ্তত মোৰ মনলৈ আহিছে। এই সাপ স্বপ্নৰ অৰণ্যত বিচৰণশীল, উজ্জ্বল সোণালী বৰণৰ; কিন্তু মৃত্যুৰ ক্ৰূৰ আবেগ আছে তাৰ দৃষ্টিত।

ফৰিজম্ শিল্পৰ এটি প্ৰকাশ ধাৰা। বন্য উত্তালতাৰ মাধ্যমেৰে সমাজৰ সংস্কাৰেই ফৰিজমৰ মূল প্ৰেৰণা। ভয়তে আঁতৰি ফুৰি স্কুল খতি কৰি নহয়; মোৰো আছে প্ৰয়োজনীয় উত্তাল শক্তি – জনা নাই, চিনা নাই? এই দৰেই তাৰ 'সহপাঠী'ৰ মুখামুখি হবলৈ শুভ্ৰক মই সাজু কৰালো। ■

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰা: লি:, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

# আজিও পাহৰা নাই

তোষপ্ৰভা কলিতা

মানুহৰ জীৱন বিচিত্ৰ অভিজ্ঞতাৰ ভঁৰাল। এটা জীৱনত ক'ত যে অদ্ভুত অদ্ভুত ঘটনা ঘটে, ক'ত যে বিভিন্ন জনৰ লগত যোগাযোগ স্থাপন হয়! এনে একোটা হঠাৎ যোগাযোগৰ মুহূৰ্ততে হয়তো একো একোজনৰ জীৱনৰ গতিয়েই সলনি হয়, কোনো অচিন-অজান লোকে হয়তো অন্ধকাৰৰ মাজেদিয়েই আহি হঠাৎ এজনক আসন্ন মৃত্যুৰ মুখৰ পৰা বচাই অন্ধকাৰতে বিলীন হৈ যায়। জীৱনলৈ অপ্ৰত্যাশিতভাবে একো একোটা মুহূৰ্ত আহে, যি মুহূৰ্ত একোজন মানুহৰ মনত মণি-মুকুতাৰ দৰে চিৰকাললৈ উজ্জ্বল হৈ তিৰবিৰাই ৰৈ যায়। সাধাৰণ সময়ত আনুষ্ঠানিকতাৰ মাজেৰে চিনাকি হৈয়েই হেৰাই যোৱা হাজাৰ মুখৰ মাজত বিদ্যুৎ চমকৰ দৰে উজ্জ্বলি উঠা সেই এটি ক্ষণৰ নায়ক সেই ব্যক্তি দেখ-নেদেখ হৈ আধা চিনাকি হৈ ৰোৱা মুখেৰেও জ্বলজ্বল পটপট হৈ স্মৃতিত ৰৈ যায়। ৰাস্তাৰ কাষত ৰৈ থাকোতে দেখা, গাড়ীৰে পাৰ হৈ যোৱা এজনী ছোৱালীৰ মুখক লৈ বঙালী কবিয়ে অন্তৰস্পৰ্শী কবিতা লিখিছে। কবিতাৰ দৰেই মৰ্মস্পৰ্শী আৰু গভীৰ প্ৰভাৱ পেলাব পৰা তেনে হঠাৎ দৰ্শনৰ ঘটনা আপামৰ জনসাধাৰণৰ জীৱনতো মাজে সময়ে ঘটে।

মোৰ জীৱনতো তেনে ঘটনা ঘটিছে। তাৰে কেইটিমান এই চুটি ৰচনাত উল্লেখ কৰিব খুজিছো।

দুই যুগৰ আগৰ ঘটনা। এবাৰ বহাগৰ পহিলা তাৰিখে পশ্চিম গুৱাহাটীত বিহু-সন্মিলনী চাবলৈ গৈ প্ৰচণ্ড ধুমুহাৰ কবলত পৰিছিলো। চকুৰ পলকতে ৰুদ্ৰ মূৰ্তি ধৰা বা মাৰলীৰ খুন্দাত বিহুতলীৰ একেবাৰে সমুখতে থকা মানুহ ঘৰলৈ আন বহুতৰে লগতে আশ্ৰয় বিচাৰি যাবলৈ চেষ্টা কৰোতে মই কেইবাবাৰো পৰি গৈছিলো। মোক বাৰে বাৰে পৰি যোৱা দেখি কোনোবা এজনে আন্ধাৰ পোহৰৰ মাজতে মোৰ কোলাৰ কেঁচুৱাজনীক দাঙি লৈ গুচি গৈছিল। ইতিমধ্যে দৰজা বন্ধ কৰি ৰখা মানুহ ঘৰৰ বাৰান্দাত তিল ধাৰণৰ বাবেও ঠাই নথকাকৈ মানুহ জমা হৈছিল। বাৰান্দাৰ বাহিৰতে মুকলি আকাশৰ তলত মোৰ আত্মীয়াৰ লগত ধাৰাসাৰ বৰষুণত তিতি ৰৈ থাকোতে অনন্তকাল যেন লগা সেই সময়ছোৱাত মোৰ ছোৱালীজনী চিৰকাললৈ হেৰাই গ'ল বুলি মই ব্যাকুল হৈ পৰিছিলো। মোৰ আত্মীয়াৰ পুত্ৰই ধুমুহা শাম কটৰ লগে লগেই মোৰ পৰা প্ৰায় পাঁচ ফুট আঁতৰতে বাৰান্দাত. তাইক কোলাত লৈ থকা মানুহ এজনৰ পৰা তাইক বিচাৰি আনি দিছিল। হেৰোৱা সন্তানকতো পুনৰ ঘূৰাই পালোৱেই, পিছত ঘৰত তিতা কাপোৰ-কানি খুলি দিওঁতে তাইৰ ডিঙিৰ সোণৰ চেইনডালো অক্ষত অৱস্থাতে থকা দেখি মোৰ সেই অচিন মহানুভৱ লোকজনৰ প্ৰতি কৃতজ্ঞতাই ডিঙিত খুন্দা মাৰি ধৰিছিল। মোৰ আত্মীয়াৰ পুত্ৰয়ো তেওঁক চিনি নাপায়। সেই অচিন লোকজনৰ মানৱতাৰ এই প্ৰকাশ মই চিৰদিন শ্ৰদ্ধাৰে মনত ৰাখিম।

আন এবাৰ। তেতিয়া জাগীৰোডত চিনেমা হল নাই। অসমলৈ দূৰদৰ্শনৰ সুবিধা সম্প্ৰসাৰিত কৰিব লাগে বুলি সম্ভৱ কোনেও সপোন দেখাও নাছিল। স্থানীয় ৰেলৱে হাইস্কুলৰ সাহায্যাৰ্থে মাজে সময়ে ভাল চিনেমা থিয়েটাৰ অনা হৈছিল। তেনেকৈয়ে এবাৰ অনা হৈছিল মোৰ বহু প্ৰত্যাশিত চাহেব-বিবি-গোলাম চলচ্চিত্ৰখন। তেতিয়া জাগীৰোডৰ ৰেলৱে অভাৰব্ৰীজো নাছিল। মই চিনেমাখন চাই ঘৰত এৰি যোৱা সন্তানৰ বাবে উদ্বিগ্নতাত ৰেলৰ আগত পৰি মৰিবই খুজিছিলো। ৰেল গাড়ীৰ ইঞ্জিনৰ চকু ছাট মাৰি ধৰা পোহৰত মই আহি থকা ৰেলগাড়ীখন বহুত দূৰত আছে বুলি আৰু লৰালৰি কৈ পাৰ হৈ যাব পাৰিম বুলি খোজ আগবঢ়াইছিলো। মোৰ ওচৰতে ৰৈ থকা আন বহুত মানুহৰ মাজৰ পৰা কোনোবা এজনে অন্ধকাৰতে. আৰ্তকণ্ঠে চিঞৰি উঠিলঃ 'নাযাব, নাযাব, ৰেলখন পালেহিয়েই। কথাষাৰৰ তীক্ষ্ণতাত মই স্বয়ংক্ৰিয়ভাবেই খোজটো পিছুৱাই আনিলো আৰু ঠিক সেই মুহূৰ্ততে, কথাষাৰ শেষ হোৱা মাত্ৰকেই যেন মোৰ ঠিক বুকুৰ ওপৰেদিহে হুচ্‌হুচ্‌কৈ ৰেলখন পাৰ হৈ গ'ল। চকাৰ তলত সম্ভাব্য পিণ্ডৰ আকৃতি লোৱা মোৰ নিজৰ ৰক্ত-মাংসৰ দমটো দেখি দেখিয়ে মই পিছৰ দুদিন দুৰাতি কটাইছিলো। অযাচিতে মোৰ জীৱন ৰক্ষা কৰা সেই মোৰ অচিনাকি পৰমাত্মীয় লোকজনক মই কেতিয়াও নাপাহৰো।

১৯৬৮ চনত ভাষিক সংঘাতৰ ধামখুমীয়াত জাগীৰোডৰ পৰা তেজপুৰ সাহিত্য সভালৈ যোৱাৰ পথত গুৱাহাটীত বৰ ঘমঘন্টৰ মাজত পৰিছিলো। পল্টন বজাৰত মোৰ-স্বামীৰ লগত ভয়ে-শংকাই কিংকৰ্তব্য বিমূঢ় হৈ থিয় দি থাকোতে উন্মাদপ্ৰায় ডেকা এজন দৌৰি আহি ফোঁপাই-জোপাই হাত জোৰ কৰি মোক কলে, 'আপুনি ........ মেখেলা চাদৰ .....পিন্ধিছে ..... নমস্কাৰ ..... নমস্কাৰ..... ।' পিছ মুহূৰ্ততে সিফালৰ পৰা গাড়ী এখন অহা দেখি সেইখন ৰখাই তাৰ নাম্বাৰপ্লেট অসমীয়াতে লিখিবলৈ কবৰ কাৰণে তেওঁ দৌৰি গুচি গ'ল। সেই মুখখন এতিয়া চাগে' প্ৰৌঢ়তাৰ মাজত হেৰাই গৈছে; হয়তো তেওঁৰ ল'ৰা-ছোৱালীয়ে ইংৰাজী মাধ্যমত পঢ়াৰ ফলত আৰু অসমীয়া ভাষালৈ শ্ৰদ্ধাৰ অভাৱত অসমীয়া বাক্য এটাও শুদ্ধকৈ লিখিব নোৱাৰে। তথাপি তেওঁৰ সেই সময়ৰ সেই উন্মাদনাক মই শ্ৰদ্ধাৰে সোঁৱৰো। মোৰ এনে লাগে যেন তেওঁক দেখিলে মই এতিয়াও ঠিক চিনি পাম।

আন এবাৰ। অসমৰে এঠাইত। বাছ বেয়া হোৱাত কিছু সহযাত্ৰীৰে সৈতে বাটৰ কাষত ৰৈ আছিলো। বেছিভাগ সহযাত্ৰীয়েই ট্ৰাক আদি যানবাহনত যেয়ে য'তে পালে উঠি গ'লগৈ। সেই বাটেৰে ড্ৰাইভাৰ-চালিত গাড়ী এখনত একমাত্ৰ আৰোহী হৈ ওলালহি এক অসমীয়া বিষয়া। চৰকাৰী গাড়ী। কেইজনমান সহযাত্ৰীয়ে নিজৰ কথা চিন্তা নকৰি অন্ততঃ মোক মোৰ স্বামীৰে সৈতে (মহিলা যাত্ৰী আৰু নাছিল) গুৱাহাটীলৈকে 'লিফট্' এটা দিবলৈ তেখেতক অনুৰোধ কৰিলে। তেখেতে অত্যন্ত ৰূঢ় ভাবে সেই অনুৰোধ প্ৰত্যাখ্যান কৰি অকলেই আমাৰ আগেদি গুচি গ'ল। মানুহজনৰ পৰিচয় কোনোবা এজনে আটাইকে জনাই দিছিল। সেই অসৌজন্য যেনেকৈ নাপাহৰো, ঠিক তেনেকৈয়ে নাপাহৰো আন এজন অচিনাকিৰ সৌজন্য। মোৰ মা, স্বামী, চাৰিটা ল'ৰা-ছোৱালীসহ আমি মুঠ সাতজন দাৰ্জিলিঙৰ পৰা ফুৰি উভতি অহাৰ বাটত বঙাইগাঁৱৰ বি আৰ পি এল-ত চাকৰি কৰা আমাৰ ভতিজাৰ ঘৰলৈ যাবলৈ বাটত ৰৈ আছো। কিনকিনীয়া বৰষুণ, গাড়ী-মটৰ নাই। ফুৰি-চাকি অহা লেতেৰা পেতেৰা কাপোৰ এসোপা টোপোলা-টাপলিসহ এক পল্টন মানুহ, দেখিলেই বিতৃষ্ণা আহিব লগা অৱস্থা। বৰষুণত তিতি থকা আমাৰ এনেহেন দলটোক দেখি গাড়ীৰে সিফালৰ পৰা আহি থকা এজন অনা-অসমীয়া বিষয়াই উপযাচি গাড়ী ৰখাই আমাৰ গন্তব্য স্থলৰ কথা সুধিলে আৰু আগ্ৰহেৰে আমাক লৈ গৈ ভতিজাৰ কোৱাৰ্টাৰত থৈ আহিলগৈ। ভতিজা তেওঁক দেখি সন্ত্ৰস্ত হৈ উঠিল 'ছাৰ' বুলি। পিছত জানিলো সেইজন তেওঁলোকৰ ওপৰৱালা মিঃ মুলে। এনে সৌজন্য এই জীৱনত খুব কমেইহে পাইছো।

সিদিনা অলপতে আৰু এটা অপ্ৰত্যাশিত ঘটনা ঘটিল। চামগুৰিৰ পৰা নগাঁৱলৈ এখন ফ'ৰ জিৰ' চেভেন গাড়ীত উঠি আহিছো! উঠিয়েই কণ্ডাক্টৰক অনুৰোধ জনালো যেন বাটত নামি যাব লগা কোনো যাত্ৰী থাকিলে মোক জনায় আৰু ছিটটোত বহিবলৈ যেন সুবিধাকণ দিয়ে। ওৰে বাটে অনেক যাত্ৰী নামিল, অনেক উঠিল। যাত্ৰী নমাত ছিট খালি হওঁতে লগে লগে ওচৰতে থিয় হৈ থকা অনেক পুৰুষ যাত্ৰী বহিল। দেখ দেখকৈয়ে কণ্ডাক্টৰে মোৰ অনুৰোধ উলাই কৰিলে। ড্ৰাইভাৰ-কণ্ডাক্টৰ- ডেকা- বুঢ়া-ল'ৰা কোনেও মোৰ এই থিয় হৈ অহাত একো গুৰুত্ব দিয়া নাই আৰু এইটোৱেই বৰ্তমান স্বাভাৱিক। ভদ্ৰ পোছাকৰ ইস্ত্ৰিৰ ভাঁজ ভাগি যাতে জলহু দেখা নাযায়, তেনে সাৱধানতাৰে বহি বা লৰচৰ কৰি ডেকা-বুঢ়া আটায়ে আপোন-আপোন খৈনী-চিগাৰেট আদি খাই আৰু কথা-বতৰা পাতি মগ্ন। গাড়ী নগাওঁ টাউন সোমাল। অসমীয়া নাৰীক অশ্ৰদ্ধা কৰা পশুতুল্য লোকৰ ৰূপত যি সকল চি আৰু পি-ৰ লোকক সজোৱাত আমি অভ্যস্ত, তেনে কেইজনমান লোক গাড়ীখন চেক কৰিবলৈ আগ বাঢ়ি আহিল। এজন চি আৰ পি তেনেই ল'ৰামতীয়া (ল'ৰাই বুলি ক'বলৈকে মন যায়) গাড়ীৰ আৰোহী সকলক প্ৰথমতে এটা প্ৰচণ্ড ধমক দিলে 'আউৰত'ক থিয় কৰাই অনা দেখি। লগে লগেই ড্ৰাইভাৰ, কণ্ডাক্টৰ, আৰোহী সকল – এই সকলো মোক ছিট এটা দিবলৈ অতিশয় ব্যগ্ৰ হৈ পৰিল। চি আৰ পি জনে এজন মানুহ হিচাপে অন্য ৰাজ্যৰ মহিলা এগৰাকীৰ প্ৰতি অনুকম্পা দেখুৱালে। মোৰ নিজৰ জীৱনত এইটোও এটা স্মৰণীয় মুহূৰ্ত। সেই 'ল'ৰা'জনৰ মুখখনো চাগে মই কাহানিও নাপাহৰিম।


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য ?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১০০% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১০০৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**

এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)

# দুৰ্বোধ্যতাৰ অভিযোগ আৰু অসমীয়া পাঠক সমাজ

ঘনশ্যাম গগৈ

এগৰাকী লেখকৰ বাবে আটাইতকৈ দুঃখজনক মুহূৰ্ত কোনটো হ'ব পাৰে? ........নিঃসন্দেহে সেই মুহূৰ্তটো, যিটো মুহূৰ্তত তেওঁৰ লেখাৰ ওপৰত দুৰ্বোধ্যতাৰ অভিযোগ উত্থাপিত হয় অথবা কোনোবাই তেওঁৰ লেখাৰ তাৎপৰ্য ভুলকৈ অনুধাৱন কৰে। বহু পাঠকে এই অভিযোগ আৰু ভুল পৰ্যবেক্ষণবোৰ প্ৰকাশ্যৰূপত দাঙি ধৰিবলৈ সক্ষম নোহোৱাত লেখকজনৰ প্ৰতি অতিশয় ভুল ধাৰণা এটা বদ্ধমূল হৈ ৰৈ যাব পাৰে। ইয়াৰ ফলস্বৰূপে লেখকগৰাকী জ্যামিতিক হাৰত পাঠক সমাজৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ আশংকা থাকে। এইক্ষেত্ৰত অৱশ্যে উক্ত বিশেষ চাম পাঠকৰ কথাহে ক'ব খোজা হৈছে। দুৰ্বোধ্যতাৰ অভিযোগটো এটা সাময়িক অভিযোগ নহয় কিয়নো, কোনোকালেই সকলো পাঠকে সকলো-ধৰণৰ লেখা পঢ়িব অথবা পঢ়ি উঠি তাৰ সঠিক তাৎপৰ্য অনুধাৱন কৰিবলৈ সক্ষম হ'ব বুলি কৈ দিব নোৱাৰি। আলোচ্য প্ৰসংগতো আমি এই অভিযোগটো তেনে এক পটভূমিতে বিচাৰ কৰি চাব খুজিছো যি পটভূমিত লেখক - লেখিকাসকলে তেওঁলোকৰ লেখাৰ জৰিয়তে সৰ্বসাধাৰণ গৰিষ্ঠ সংখ্যক পাঠকক নিজৰ লক্ষ্য কৰি ল'ব বিচাৰে। এনে লেখকসকলৰ লেখাৰ বিষয়বোৰত নিহিত হৈ থকা সাৰ্বজনীন আবেদনবোৰ যেতিয়া দুৰ্বোধ্যতাৰ অভিযোগত অভিযুক্ত হৈ পৰে তেতিয়া কেৱল লেখক গৰাকীয়েই নহয় প্ৰচাৰ 'মিডিয়া'টোও সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ বিচাৰত বেয়াকৈ পৰাস্ত হয়। সদ্যহতে 'দুৰ্বোধ্যতা'ৰ প্ৰসংগটো অৱতাৰণা কৰাৰ কাৰণ আপাততঃ দুটাঃ ১। পাঠক সমাজৰ একাংশৰ দুৰ্বোধ্যতাৰ অভিযোগৰ প্ৰতি দৃষ্টি ৰাখি লিখিবলৈ লেখক সকলক উৎসাহিত কৰা অথবা মনোযোগ আকৰ্ষণ কৰা আৰু ২। দুৰ্বোধ্যতাৰ অভিযোগ উত্থাপনৰ পৰ্যায়ৰ পৰা সহৃদয় পাঠক সকলৰ বীক্ষা উন্নত কৰিবলৈ তেখেতসকলক সচেষ্ট কৰি তোলা।

সাম্প্ৰতিক কালত দুৰ্বোধ্যতাৰ অভি-যোগত সঘনে অভিযুক্ত দুটা প্ৰকাশ মাধ্যম হৈছে কবিতা আৰু নিবন্ধ। এই দুটা বিষয়ৰ তুলনাত গল্প, উপন্যাস, ভ্ৰমণ আৰু মনোৰঞ্জক কাহিনী আদিৰ পাঠকৰ সংখ্যা দেখদেখকৈ অধিক। কবিতা পাঠৰ সময়ত কবিৰ অনুভূতিৰ পৰ্যায়লৈ নিজৰ অনুভূতিক উন্নীত (elevated) কৰাত ব্যৰ্থতা তথা প্ৰবন্ধকাৰৰ চিন্তাৰ সক্ৰিয় অংশীদাৰ হ'বলৈ বহুতৰে অনীহা – এই দুটাই উক্ত দুয়োক্ষেত্ৰতে উত্থাপিত দুৰ্বোধ্যতাৰ অভিযোগৰ অন্যতম কাৰণ। কাৰণবোৰ বিশ্লেষণ কৰি দূৰীকৰণ কৰি এই দুয়োটা মাধ্যমক সমানে জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত কবি, প্ৰবন্ধকাৰ, সমালোচক সকল যত্নপৰ নহ'লে 'সাহিত্য' বাস্তৱপক্ষে সমাজ পৰিবৰ্তনৰ বাহন স্বৰূপে সফল হোৱাত ব্যৰ্থ হোৱাৰ সম্ভাৱনাই অধিক।

আধুনিক কবিতাৰ দুৰ্বোধ্যতাৰ অভিযোগ সম্পৰ্কত প্ৰখ্যাত বাঙালী কবি, ঔপন্যাসিক, প্ৰবন্ধকাৰ সুনীল গঙ্গোপাধ্যায়ে ১৯৮৭ চনত 'সময়-সংহিতা'ক দিয়া এটা সাক্ষাৎকাৰত কৈছিল – 'কবিতা বিশুদ্ধ বস্তু। এইবিধ বস্তু সকলোৰে বাবে নহয়। নুবুজা বুলি যদি কোনোবাই ভাবে – গল্প, উপন্যাস পঢ়াই ভাল। কবিতা হ'ল তেওঁৰ বস্তু – যিয়ে পঢ়ে, শ্ৰদ্ধা কৰে আৰু ভাল পায়।' – কবি গৰাকীৰ এই উক্তিৰ নিৰ্মম সত্যতা অনস্বীকাৰ্য; কিন্তু বাস্তৱ অৱস্থাৰ পৰিবৰ্তন ঘটাবলৈ আমি উপায় উদ্ভাৱন কৰিবৰ হ'ল।

একেটা সাক্ষাৎকাৰতে কবি গৰাকীয়ে অৱশ্যে কবিতাৰ বক্তব্য সহজবোধ্য কৰি প্ৰকাশ কৰাত কবিসকলৰ সহায়ক হ'ব পৰাকৈ কিছু ইংগিতো দিছে। যথা – 'সদায় সৰু-সৰু কবিতা লিখিলে বক্তব্যৰ গুৰুত্ব কমি গৈ আংগিকটোৱে ডাঙৰ হৈ পৰে। সেইবাবে মাজে মাজে দুই এটা ডাঙৰ কবিতা লিখিব লাগে। তেতিয়াতো কবিতাৰ যোগেদি বক্তব্য দাঙি ধৰিবলৈ বাধ্য হ'ব লাগিব।' ইত্যাদি। কথাখিনি প্ৰণিধানযোগ্য।

প্ৰবন্ধৰ ওপৰত অহা দুৰ্বোধ্যতাৰ অভিযোগৰ প্ৰকৃতি কবিতাৰ ওপৰত উত্থাপিত একেধৰণৰ অভিযোগৰ পৰা পৃথক বুলি ক'ব পাৰি। প্ৰবন্ধৰ যোগেদি বক্তব্যৰ বিশদ ব্যাখ্যা আগবঢ়োৱা হয় যদিও ভাষা আৰু বাক্যৰীতিয়েই বোধকৰো বিষয়বস্তুক দুৰ্বোধ্য কৰি তোলে। এইখিনিতে প্ৰখ্যাত সাহিত্যিক, চিন্তক হোমেন বৰগোহাঞিদেৱৰ এখন পাতনিৰ কিছু উদ্ধৃতি দিয়া অপ্ৰাসংগিক নহ'ব। 'আধুনিক যুগৰ জন্ম কাহিনী' নামৰ গ্ৰন্থৰ পাতনিত তেখেতে লিখিছে – 'পুথিখনত ইচ্ছা কৰিয়েই কিছু কঠিন শব্দ ব্যৱহাৰ কৰা হৈছে। উদ্দেশ্য হ'ল অভিধানৰ সহায় লবলৈ ছাত্ৰ-ছাত্ৰীসকলক বাধ্য কৰা। বৰ্তমানকালত বেছিভাগ শিক্ষিত মানুহৰে শব্দ-সম্ভাৰ ইমান কম যে তাৰ দ্বাৰাই আধুনিক ভাবধাৰা প্ৰকাশ কৰা বা আধুনিক ভাবধাৰাৰ অৰ্থোদ্ধাৰ কৰা সম্ভৱ নহয়। শিক্ষাৰ অন্যতম উদ্দেশ্য হোৱা উচিত মানুহৰ শব্দ-সম্ভাৰ বৃদ্ধিত সহায় কৰা। এবাৰো অভিধান নোচোৱাকৈ যিখন কিতাপৰ আটাইবোৰ শব্দৰ অৰ্থ শিক্ষাৰ্থীয়ে বুজিব পাৰে, তেনে কিতাপ পঢ়ি শিক্ষাৰ্থীয়ে নিজৰ শব্দ-সম্ভাৰ কেতিয়াও বৃদ্ধি কৰিব নোৱাৰে।'

ওপৰৰ কথাখিনি নিশ্চয় প্ৰবন্ধৰ ক্ষেত্ৰতো বিশেষভাবে প্ৰযোজ্য। কাৰণ প্ৰবন্ধ পঢ়ি তাৰ বিষয়বস্তু হজম কৰিবলৈ শব্দৰ ওপৰত থকা দখলো এক অন্যতম প্ৰয়োজন। ইয়াৰ উপৰিও গভীৰ বিশ্লেষণবোধ, মননশীল অধ্যয়ন তথা দৃষ্টিভংগীৰ ব্যাপকতা আদিৰ সমাহাৰ ঘটিলেহে গৰিষ্ঠসংখ্যক পাঠক সমাজ কি কবিতা, কি প্ৰবন্ধ সকলো সাহিত্য কৰ্মৰে গভীৰ প্ৰদেশলৈ অনুপ্ৰবেশ কৰিবলৈ সক্ষম হ'ব। আমি যদি স্বল্পায়াসতে সকলো পাবলৈ বিচাৰো তেনেহলে, সভ্যতাৰ দৌৰ (race)ত সমুখীন হোৱা বহুবোৰ বাধা (hurdles) অতিক্ৰম কৰিবলৈ সক্ষম হ'ব নোৱাৰিম।





# অসমৰ এটি পুৰণি পুথিভঁৰাল

স্বপ্না বেজবৰুৱা

যোৰহাট নগৰৰ উত্তৰে ৫ কিঃ মিঃ নিলগত থকা বালিগাওঁ কীৰ্ত্তিচন্দ্ৰ লাইব্ৰেৰীত সংগৃহিত গ্ৰন্থসমূহ বৰ্তমান অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদত পৰিণত হৈছে। কলিগাওঁ ছাত্ৰ-সন্মিলনে ৰাইজৰ দান বৰঙণিৰে ১৯২৩ চনতে বালিগাওঁ ৰিডিং ক্লাব নামেৰে পুথিভঁৰালটো স্থাপন কৰিছিল। সেই অঞ্চলৰ বিশিষ্ট পন্ডিত, সমাজকৰ্মী তথা লেখক মুকলিমুৰীয়া সত্ৰৰ অধিকাৰ বিদ্যাভূষণ কীৰ্ত্তিচন্দ্ৰ দেৱ গোস্বামীৰ মৃত্যুৰ পাছত তেখেতৰ স্মৃতি ৰক্ষাৰ্থে পুথিভঁৰালটো কীৰ্ত্তিচন্দ্ৰ লাইব্ৰেৰী নামেৰে নামকৰণ কৰা হয়। কীৰ্ত্তিচন্দ্ৰ দেৱ গোস্বামী বাঁহী আলোচনীৰ লেখক আছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ভৰপক অৱস্থাত ছাত্ৰ সকলে আন্দোলনত জঁপিয়াই পৰাৰ উপৰিও কিছুমান উন্নয়নমূলক কামো কৰিছিল। যি সময়ত পৰাধীন ভাৰতৰ বহু অঞ্চলত শিক্ষাৰ পোহৰেই পৰা নাছিল তেতিয়াৰ বালিগাঁৱৰ ছাত্ৰ সন্মিলনে পুথিভঁৰালটো স্থাপন কৰিছিল। পাছত ১৯৫০ চনত বালিগাওঁ মিলন মন্দিৰৰ লগতে এটা ঘৰ সাজে। বৰ্তমান পুথিভঁৰালটো মিলন মন্দিৰৰ সংলগ্ন। পুথিভঁৰালৰ বাবে কিতাপসমূহ ৰাইজৰ পৰা দান হিচাপেই সংগ্ৰহ কৰা হৈছিল। সংগৃহিত গ্ৰন্থসমূহৰ ভিতৰত থকা দুষ্প্ৰাপ্য গ্ৰন্থবোৰৰ ভিতৰত আছে –ৰাজসূয় কাব্য, সংস্কৃত ৰত্নমালা ব্যাকৰণ, ব্ৰনচনৰ অভিধান, কানীয়া কীৰ্ত্তনকে ধৰি অৰুণোদই, বাঁহী, আৱাহন, ৰংঘৰ, পখিলা, অৰুণ, বৰদৈচিলা, মৌচাক, পাৰিজাত আদি ভালে সংখ্যক পুৰণি আলোচনী। উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত ভালে সংখ্যক পুৰণি আলোচনীৰ সংগ্ৰহ আছিল যদিও সেইবোৰৰ মাত্ৰ খোলাটোহে আছে। ভিতৰৰ মূল্যবান প্ৰবন্ধবোৰ কোনো কোনো দুস্বভাৱৰ ব্যক্তিয়ে ফালি ফালি নিঃশেষ কৰিলে। আনহাতে ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ত সংগ্ৰহ কৰা পুৰণি আলোচনীসমহ কেতিয়াবাই উঁইয়ে খাই ধ্বংস কৰিলে বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ জিলা পুথিভঁৰালতো এইবোৰ পোৱাটো সুবিধাজনক নহয়। বৰ্তমান বালিগাওঁ কীৰ্ত্তিচন্দ্ৰ লাইব্ৰেৰীৰ দৰেই নলবাৰী জিলাৰ চামতাৰ এটা গ্ৰাম্য পুথিভঁৰালত এই আলোচনীসমূহ কিছু পৰিমাণে পোৱা যায়। অসমৰ কেইবাজনো বিশিষ্ট ব্যক্তি ড০ চন্দ্ৰ কটকী, মহেন্দ্ৰ বৰা, ডিম্বেশ্বৰ দয়াল শৰ্মা আদিয়ে তেওঁলোকৰ লেখাৰ বাবে বালিগাওঁ কীৰ্ত্তিচন্দ্ৰ লাইব্ৰেৰীৰ সহায় লৈ আহিছে। সময়ে সময়ে অসম প্ৰকাশন পৰিষদে এই পুথিভঁৰালৰ কাষ চাপে, ইয়াৰ উপৰিও ভালে সংখ্যক ব্যক্তিয়ে গৱেষণাৰ সমলৰ বাবেও ইয়াৰ সহায় লয়। এতিয়াও গুৱাহাটী বিশ্ববিদ্যালয়ৰে ধৰি বহু দূৰ-দূৰণিৰ পৰা বহু ব্যক্তি আহি থাকে। বৰ্তমান এই পুথিভঁৰালটোত মুঠ ১০ হাজাৰ ৬৫ খন কিতাপ আছে। ইয়াৰ ভিতৰত অসমীয়া কিতাপ ৩০৫৫খন, ইংৰাজী ২১২৯খন, বঙালী ৪৫৯খন আৰু সংস্কৃতৰ দুখন আছে। ৰাজা ৰামমোহন ৰায় সাহিত্য আছে




ফটো : স্বপ্না বেজবৰুৱা

৪৬২খন। গান্ধী সম্পৰ্কীয় কিতাপ আছে ৯৬খন আৰু আলোচনী আছে ৮২০খন। দান সূত্ৰে পোৱা এই কিতাপবোৰৰ কিছুমান ব্যক্তিগত দান আৰু কিছুমান অনুষ্ঠানৰ দান। ককিলামুখত থকা নিগমানন্দ সাৰস্বত আশ্ৰমেও ইয়ালৈ কিতাপ দান দিছিল। ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনে ভালেসংখ্যক কিতাপ দান কৰিছিল। ইয়াৰ উপৰিও ১৯২৩ চনৰ পৰাও আলোচনী বোৰ প্ৰকাশ স্থানৰ পৰা স্বইচ্ছাৰে ডাক যোগে পঠিয়াইছিল। পুথিভঁৰালটোত থকা আকৰ্ষণীয় বস্তু হ'ল –হাতে লিখা সাদিনীয়া বাতৰি কাকত বালিগাঁৱৰ বাতৰি আৰু হাতে লিখা আলোচনী অংকুৰ।

মন কৰিবলগীয়া বিষয় হ'ল যে ১০ হাজাৰ ৬৫খন কিতাপৰ ভিতৰত পাঠকক দিব পৰা কিতাপ আছে মাত্ৰ ৫০৮৭খন। বাকী কিতাপবোৰ সংৰক্ষণ ব্যৱস্থাৰ অভাৱত উৱলি যাবলৈ ধৰিছে। এইবোৰ অতি সোনকালে সংৰক্ষণৰ ব্যৱস্থা নকৰিলে বহুতো পুনৰ মুদ্ৰণ নোহোৱা মূল্যবান কিতাপ হেৰাই যাব। বিশেষকৈ শিশুৰ উপযোগী কিতাপ এখনো দিব পৰা অৱস্থাত নাই। এটা আলমাৰী ফটা চিটা শিশুৰ কিতাপে ভৰ্ত্তি হৈ আছে। ফলত সেই অঞ্চলৰ শিশু সকল পঢ়াৰ পৰা বঞ্চিত হৈছে। অৰ্থৰ অভাৱত কিতাপসমূহ মেৰামতি কৰিব পৰা নাই। পুৰণি আলোচনীৰ ভিতৰত পকাবন্ধা আছে আৱাহনৰ ১২টা সংখ্যাৰ এটা ডাঙৰ খন্ড, বাঁহীৰ ৪খনকৈ ৯টা খন্ড, মডাৰ্ন ইণ্ডিয়ান ৰিভিউৰ ১৫টা খন্ড, ৰামধেনুৰ ৫টা খন্ড। বাকী ৰংঘৰ, পখিলা, অকণ, বৰদৈচিলা, মৌচাক আদি পুঁজিৰ অভাৱত আজিও বন্ধাব পৰা নগ'ল। নৱযুগ আলোচনীৰ ৪টা সংখ্যাকৈ ৭টা খন্ড কেঁচা-বন্ধা অৱস্থাত আছে। বৰ্তমানে এই আলোচনী সমূহ এটা ভগা আলমাৰীতে আছে। সময় থাকোতেই এটা সুব্যৱস্থা নকৰিলে পাছত এইবোৰ ধ্বংস হবলৈ হলে অসমীয়া সাহিত্যৰ কেইবাটাও যুগৰ ইতিহাস হেৰাই যাব। কাৰণ কেইটামান নিগনি দালশলীয়া বা উঁই পৰুৱাৰ বাবে এইবোৰ বেছি সময়ৰ বস্তু নহয়। চৰকাৰী সাহায্যৰ অবিহনে বৰ্তমান এটা অনুষ্ঠানৰ পক্ষে এনে কাম সহজ নহয়। চৰকাৰে এটা এককালীন সাহায্য আগবঢ়াই সম্পদ সমূহ সংৰক্ষণ কৰিব পাৰে।

১৯৮৬ চনত চৰকাৰে গ্ৰাম্য পুথিভঁৰাল চৰকাৰীকৰণ আঁচনিখন কাৰ্যকৰী কৰিবলৈ লয়। তেতিয়াই কীৰ্ত্তিচন্দ্ৰ লাইব্ৰেৰীৰ ওপৰতো গ্ৰাম্য পুথিভঁৰাল বুলি ডাঙৰ



ফটো : মন্মা বেজবৰুৱা

*পুৰণি আলোচনীসমূহ থকা ভগা আলমাৰীটো দুচপৰা ইটাৰ ওপৰত তুলি থোৱা দেখা গৈছে*

নামফলক এখন লগাই দিছিল। লগতে এখন টেবুল আৰু ৬খন চকী সাহায্য হিচাপে দিয়াতেই কৰ্তব্য শেষ কৰিছিল। ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁৰাল সংস্থাই প্ৰায় ২০০মান কিতাপ যোগান ধৰিছিল। কিন্তু তেওঁলোকৰ কেন্দ্ৰীয় গুদামৰ পৰা ভালে সংখ্যক কিতাপ আজি পৰ্যন্ত গ্ৰাম্য পুথিভঁৰাল নাপালেগৈ। অগপ চৰকাৰৰ দিনতে পুথিভঁৰালটোলৈ ৭খন বাতৰি কাকত আৰু ৫খন আলোচনীৰ যোগান ধৰিছিল। তেতিয়া পুথিভঁৰালটোৰ লগতে অঞ্চলটোলৈকে সজীৱতা ঘূৰি আহিছিল। প্ৰতিদিনেই বয়স্ক লোকৰ পৰা শিশুলৈকে বহুতো লোকে পুথিভঁৰালটোলৈ নিয়মীয়াকৈ আহিছিল। কিন্তু পাছত আৰ্থিক সংকটৰ বাবে মাত্ৰ ২খন কাকতহে অনুমতি দিছিল। কিন্তু ১৯৮৮ চনৰ পৰা বাতৰি কাকতৰ বাবদ যোগান ধৰা টকা চৰকাৰে আদায় দিয়া নাই। ফলত পুথিভঁৰালটো বিপাঙতহে পৰিছে। চৰকাৰীকৰণ কৰাৰ পাছত পুথিভঁৰালটোৰ পৰিচালকক মাহিলী ২৫০ টকা আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক ১৭৫ টকাকৈ বানচ দিবলৈ লৈছে। অন্যান্য চৰকাৰী পুথিভঁৰালৰ দৰেই নিয়মীয়াকৈ খুলি ৰাখিব লগীয়া এই পুথিভঁৰালৰ কৰ্মচাৰীৰ বাবে এই বানচ যুক্তিসংগত নে? বৰ্তমানৰ পৰিচালকজন কীৰ্ত্তিচন্দ্ৰ গোস্বামীৰ নিজৰ পৰিয়ালৰ লোক হোৱাৰ বাবেহে নিষ্ঠাৰে অনুষ্ঠানটি চলাই আছে। অন্যথা তলা বন্ধ হৈ যোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

গ্ৰাম্য নিৰক্ষৰতা দূৰীকৰণৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰি অহা দেখা গৈছে। কেৱল টিপ চহীৰ পৰিবৰ্তে নিজৰ চহীটো কৰিব জনাটোকেই যদি শিক্ষিত বুলি ধৰা হয় তেন্তে নিৰক্ষৰতা কোনো দিনেই দূৰ নহ'ব। মানুহক প্ৰকৃততে শিক্ষিত কৰি তুলিবলৈ হ'লে জ্ঞানৰ পোহৰ বিলাব লাগিব। তাৰ বাবে লাগিব পুথিত সঞ্চিত জ্ঞান। আৰু এই পুথিৰ সঞ্চিত জ্ঞান গ্ৰামাঞ্চলত বিতৰণ কৰিব পাৰিব কেৱল আকৰ্ষণীয় পুথিভঁৰালৰ জৰিয়তে। সেয়ে চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে গ্ৰাম্য পুথিভঁৰালৰ ওপৰত গুৰুত্ব দিয়া উচিত। ◼





# মিছিং শব্দৰ উৎস

ডাঃ নুমল পেগু

যোৱা তিনিটা দশকত ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা মিছিং জনগোষ্ঠীৰ লোকক বুজাবলৈ 'মিৰি' শব্দৰ সলনি 'মিছিং' শব্দটো সঘনাই প্ৰয়োগ কৰা হৈছে। কিয়নো বহু শতিকা ধৰি ভৈয়ামৰ মানুহে 'মিৰি' শব্দটো নিৰ্বিচাৰে ব্যৱহাৰ কৰাৰ ফলত মিছিং সকলে ইয়াৰ মাজত এক অন্তৰ্নিহিত শ্লেষৰ সুৰ শুনিবলৈ পায়। সাম্প্ৰতিকে সেইবাবে নিজকে 'মিছিং' নামেৰে চিনাকি দিহে গৌৰৱ বোধ কৰে। একে কাৰণতে তেওঁলোকৰ সামাজিক অনুষ্ঠান সমূহ 'মিছিং বানো কৌবাং', 'মিছিং আগম্ কৌবাং' ইত্যাদিৰ নামকৰণ কৰা হৈছে। ওখ পাহাৰত থকা দিনৰ পৰাই তেওঁলোক 'মিছিং' আছিল যদিও ১৯০১ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনগোষ্ঠী সমূহৰ আলেখলেখ লওঁতে ইংৰাজ বিষয়া এল এ ৱাডেলে 'ভৈয়ামৰ মিৰি' সকলৰ নিজা নাম 'মিছিং' (Mishing) বুলি প্ৰথমে উল্লেখ কৰিছিল। সেই বাবে দুই এজনে 'মিছিং' শব্দ ভৈয়ামত সৃষ্টি হৈছে বুলি কোৱাৰ প্ৰয়াস কৰে। কিন্তু তেনেদৰে ভবাৰ কোনো থল নাই। 'আবতানি'ৰ সতিসন্ততি বুলি দাবী কৰি মিছিং সকলে নিজকে 'তানি' বুলিও কয়। 'তানি'ৰ সাধাৰণ অৰ্থ মানুহ বা মানৱজাতি। ই বিশেষ কোনো জাতিৰ সংজ্ঞা নহয়। 'মি' বা 'আমি'ৰ অৰ্থও 'মানুহ'।

পিছে, 'মিৰি' শব্দৰ সলনি গ্ৰহণ কৰা 'মিছিং' শব্দৰ অৰ্থ বা উৎস কি? এই বিষয়ে ভৈয়ামৰ জনসাধাৰণে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাটো স্বাভাৱিক। এই প্ৰবন্ধত 'মিছিং' শব্দৰ উৎস সম্পৰ্কত কিছু আলোকপাত কৰাৰ প্ৰয়াস কৰিম।

সাম্প্ৰতিক কালৰ দুই এগৰাকী লেখকে 'মিছিং' শব্দটো এটা 'সাধিত' বা যৌগিক শব্দ বুলি ধাৰণা কৰিছিল। এই ধাৰণাটো প্ৰথমে তৰুণ পামেগাম দেৱে 'অসমৰ জনজাতি' গ্ৰন্থত উল্লেখ কৰিছিল। তেখেতৰ মতে 'মি' (মানুহ) শব্দৰ লগত 'আছি' (পানী) যোগ হৈ 'মিছিং' হ'ব পাৰে। অন্য এগৰাকী বিশিষ্ট লেখকৰ মতে মিছিং শব্দ যৌগিক অৰ্থাৎ একাধিক শব্দ লগা লাগি সৃষ্টি হ'বলৈ হলে 'মি' (মানুহ) শব্দৰ লগত 'আন্‌ছিং' (শান্ত, নিৰ্জন) যোগ হৈহে মিছিং হোৱাৰ সম্ভাৱনা বেছি! দুয়োটা প্ৰতিপাদ্য বিষয়তে প্ৰত্যেকে নিজস্ব যুক্তি আগবঢ়াইছে। মিছিং সকল স্বভাৱতে নৈ-নিজৰাৰ পাৰত চাংঘৰ সাজি থাকিব বিচাৰে। সেয়েহে বছৰি গৰা খহনীয়াই ঘৰবাৰী উছন কৰিলেও পুনৰ নৈৰ দাঁতিতে ঘৰ সাজি লয়। নদীৰ কাষত থাকি ভালপোৱা স্বভাৱৰ পৰাই 'মি' + 'আছি' = মিছিং হোৱা বুলি যুক্তি আগবঢ়োৱা হৈছিল।

উল্লেখনীয় যে পুৰণি দিনত নিৰ্মল পানী যোগানৰ সমস্যা সমাধানৰ উপায় হিচাপে প্ৰায়বোৰ জনগোষ্ঠীয়ে নৈ-নিজৰাৰ পাৰত ঘৰ বান্ধিছিল। প্ৰকৃততে এই নদীৰ লগত মানুহ জাতিৰ জন্মাৱধি নিগূঢ় সম্পৰ্ক আছে। বিশেষ বাধা নাথাকিলে মানুহ মাত্ৰেই নদীৰ পাৰত বসবাস কৰিবলৈ ভাল পায়। অতীতৰ বহু সভ্যতা একোখন নদীক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছিল। ইউক্ৰেটিছ নদীৰ পাৰত যিদৰে বেবিলনীয় সভ্যতাই গঢ় লৈছিল সেই দৰেই নীল নদীৰ পাৰতো মিছৰীয়া সভ্যতাই উচ্চ শিখৰত আৰোহন কৰিছিল। তাহানি সিন্ধু নদীৰ পাৰতো হৰাপ্পা, মহেঞ্জোদাৰো আদি নগৰকেন্দ্ৰিক সংস্কৃতি গঢ়ি উঠিছিল। পুৰণি অসমতো দিহিং, দিচাং, দিখৌ, দিগাৰু আদি নদীৰ পাৰতে বড়ো সকলেও ঘৰ বান্ধিছিল। এনেবোৰ কাৰণত একক ভাবে মিছিং সকলে নদী মাতৃক জনগোষ্ঠী বুলি দাবী কৰিব নোৱাৰে। সেই কাৰণে মি+আছি যোগ হৈ 'মিছিং' হোৱাতো সন্দেহাতীত তথ্য নহয়।

দ্বিতীয়টো মতৰ সপক্ষেও সবল যুক্তি দৰ্শোৱা হৈছে। বিভিন্ন ঐতিহাসিক ঘটনাৰ পৰা জানিব পাৰি যে মিছিং সকল স্বভাৱগত ভাবে শান্তিপ্ৰিয় লোক। অতীতত প্ৰয়োজন হ'লে খাপৰ তৰোৱাল আৰু ধনুকাড় অকৃপণ ভাবেই ব্যৱহাৰ কৰিছিল। কিন্তু অহৰ্নিশে যুদ্ধবিগ্ৰহৰ মাজত জীয়াই থকাটো তেওঁলোকে নিবিচাৰিছিল। তুলনামূলক ভাবে শান্ত প্ৰকৃতিৰ হোৱা বাবে পাহাৰত থকা দিনতো কলহপ্ৰিয় ফৈদবোৰৰ লগত যুঁজবাগৰ লাগি মিছিং সকল অতিষ্ঠ হৈ উঠিছিল। ফলত সাৰুৱা মাটিৰ সন্ধানত তেওঁলোক ভৈয়ামলৈ নামি আহিল। স্বৰ্গদেউ চুহুম্লুঙৰ শদিয়া দখলৰ সময়ত (১৫২৩ খৃঃ) শদিয়া অঞ্চলত মিছিঙৰ কেইবাটাও ফৈদৰ লোক বাস কৰি থকা পাইছিল। সেইদিন ধৰি চেগা-চোৰোকাকৈ আহোমৰ লগত সংঘৰ্ষত লিপ্ত থাকি গদাধৰসিংহ ৰজাৰ দিনত আহোম সকলৰ লগত মিলিজুলি থাকিবলৈ সিদ্ধান্ত লয়। এনে ঐতিহাসিক ঘটনাৰ খেও ধৰি বুৰঞ্জীবিদ গেইটে মিছিং সকলক 'Peacable' অৰ্থাৎ 'শান্ত প্ৰকৃতিৰ' লোক বুলি আখ্যা দিছিল। সেই বাবে 'মিছিং' শব্দ যৌগিক বা সাধিত শব্দ হ'বলৈ হলে 'মি' (মানুহ)ৰ লগত 'আন্‌ছিং' (শান্ত) যোগ হৈহে গঠন হৈছিল। পিছে, ওপৰোক্ত দুটা মতৰ প্ৰবক্তা সকলৰ কোনোজনেই কেতিয়া, ইতিহাসৰ কোনটো স্তৰত শব্দটোৰ প্ৰচলন আৰম্ভ হৈছিল সেই তথ্য দিব পৰা নাই। এই বিবৰ্তন ভৈয়ামত হৈছিল বুলি কব নোৱাৰি।

আনহাতে, এই প্ৰবন্ধকাৰৰ লগতে বহুতৰে মত একে যে 'মিছিং' শব্দ 'সাধিত' শব্দ নহয়। মিছিং শব্দৰ প্ৰচলন বহু পুৰণি। মিছিং সমাজত প্ৰচলিত পুৰণি আঃ বাং আৰু কিম্বদন্তী সমূহত শব্দটোৰ উল্লেখ

থকালৈ চাই এই শব্দৰ প্ৰচলন তাহানি ওখ পাহাৰত থাকোতেই আৰম্ভ হৈছিল। পূৰণি কাহিনী মতে–

পোদং আনোকী অনাম্ দপাং দপাংকী পাদাম,
পোদং আনোকী অনাম্ দছিং, দছিংকী মিছিং
পোদং আনোকী অনাম্ দমি, দমিকী মিয়ং
ইত্যাদি (The Miris-1956)

অৰ্থাৎ মাতৃ পোদঙৰ পৰা দপাঙৰ জন্ম আৰু দপাঙৰ পৰা পাদাম, মাতৃ পোদঙৰ পৰা দছিং আৰু দছিঙৰ পৰা মিছিং আৰু সেই দৰে মাতৃ পোদঙৰ পৰা দমি আৰু দমিৰ পৰা মিয়ং সকল উদ্ভৱ হৈছিল। এই সূত্ৰমতে একে গৰাকী মাতৃ পোদঙৰ পৰাই পাদাম, মিয়ং পাছি ইত্যাদি জনগোষ্ঠী সমূহৰ সমান্তৰাল ভাৱে মিছিং সকলৰো উদ্ভৱ হৈছিল। পিছে, সেই মিছিং মূলসূঁতিটোৰ লগত কালক্ৰমত অন্যান্য সমগোষ্ঠীৰ কিছুলোক লগ লাগি মিছিং জনগোষ্ঠীৰ সম্প্ৰসাৰণ ঘটায়।

কিম্বদন্তীৰ কাহিনীৰ সত্যাসত্য বুৰঞ্জীৰ তুলাচনীৰে জোখা নহয়। কিন্তু এটা কথা সত্য যে – কথা নহলে উপকথাৰ জন্ম নহয়, আখ্যান নহলে উপখ্যান সৃষ্টি নহয়। মহাভাৰত-ৰামায়ণ মহাকাব্যৰ সত্যা-সত্যকো ইতিহাসৰ তুলাচনীৰে জোখা নেযায়। তত্ৰাচ, সেই সমস্ত কাহিনীক কবিৰ অলীক কল্পনা বুলিও উলাই কৰিব নোৱাৰি। সেয়ে হোৱা হ'লে ভগৱান শ্ৰীকৃষ্ণৰ মুখেদি নিসৃত শ্ৰীমদভাগৱত গীতাৰ বাণীয়ে যুগে যুগে মানুহৰ হৃদয় আন্দোলিত কৰিব নোৱাৰিলেহেঁতেন। কিন্তু গীতাৰ বাণীকো সন্দেহৰ চকুৰে চোৱা লোকৰ অভাৱ নাই। সেইদৰেই ওপৰোক্ত সূত্ৰৰ সত্যতাতো দুই এজনে সন্দেহ প্ৰকাশ কৰিছিল। যুক্তি দাঙি ধৰা হৈছিল যে পূৰণি মিছিং আদি সমাজত প্ৰচলিত পদ্ধতি মতে 'দছিঙ'ৰ শেষ অক্ষৰ তেওঁৰ সন্তান 'মিছিঙ'ৰ প্ৰথম অক্ষৰত নাই। উপকৰাকৈ চালে কথাষাৰ সঁচা যেন লাগে। পিছে কিছু গভীৰ ভাবে অধ্যয়ন কৰিলে অনুমান কৰা কঠিন নহয় যে 'মিছিং' নামৰ পুৰুষজন দছিঙৰ পুত্ৰ নহৈ প্ৰোপুত্ৰও হ'ব পাৰে। তেতিয়াও মিছিং সকল দছিঙৰ পৰাই অহাটো বুজাব। এটা কথা পাহৰা উচিত নহ'ব যে মিছিং সকলৰ 'পুৰুষ নামা' মৌখিক ভাবেহে পুৰুষে পুৰুষে সংৰক্ষণ কৰি ৰাখিছিল। 'মিবু' (দেউধাই) শ্ৰেণীৰ লোকসকলে তেনে মুখস্থ বিদ্যাত পাৰ্গত আছিল। প্ৰব্ৰজনৰ দীঘলীয়া কালছোৱাত বহুতো প্ৰাকৃতিক দুৰ্যোগ, যুদ্ধ বিগ্ৰহ অতিক্ৰম কৰিব লগীয়া হৈছিল। সেইবাবে বহু যুগৰ পিছত পূৰ্ব-পুৰুষৰ প্ৰথম স্তৰৰ দুই এজন পুৰুষৰ নাম লিখিত ব্যৱস্থাৰ অবিহনে স্মৃতিৰ পটৰ পৰা মঁচ খাই যোৱা একো আচৰিত কথা নহয়। আনহাতে 'পুৰুষনামা' ৰক্ষণাবেক্ষণৰ দায়িত্বত থকা অতীতজ্ঞানী 'মিবু' শ্ৰেণীৰ লোক ভৈয়ামত লোপ পাই আহিল। ফলত নিজ বংশৰ চৈধ্য-পুৰুষৰ বংশাৱলী কব পৰা লোক ভৈয়ামত বেছি নোলাব। বহুতে ভৈয়ামলৈ নামি অহা প্ৰথম পুৰুষ জনাৰ নামহে সংৰক্ষণ কৰি ৰাখিছে। বহুতৰ ক্ষেত্ৰত সেইখিনিও নাই।

উল্লেখনীয় যে এগৰাকী বিশিষ্ট লেখকে 'পোদং আনো'ৰ পৰা উদ্ভৱ হোৱা প্ৰথম পুৰুষৰ পৰা বৰ্তমানলৈকে সংগ্ৰহ কৰি দুটা ফৈদৰ 'পুৰুষনামা' স্থানান্তৰত প্ৰকাশ কৰিছে। (মিছিং সংস্কৃতিৰ আলেখ্য, ১৯৭২)। সেই বংশাৱলীৰ শুদ্ধাশুদ্ধ বিচাৰ কৰিবলৈ অতীত জ্ঞানী 'মিবু' পাবলৈ নাই। অৱশ্যে বৈজ্ঞানিক দৃষ্টিৰে এবাৰ চকু ফুৰালে ক'ব পাৰি যে সেই 'বংশাৱলী' বেছিদিনৰ নহয়। পাৰ্জিটাৰ, লাল আদি পণ্ডিত সকলে বুৰঞ্জীৰ বহু ৰাজবংশৰ পুৰুষনামা অধ্যয়ন কৰি নিৰ্ণয় কৰিছে যে একোজন ৰজাৰ ৰাজত্বকাল গড়ে মাত্ৰ ১৪ বছৰৰ পৰা ১৮ বছৰ। পঞ্চ-পাণ্ডৱৰ বংশধৰ পৰীক্ষিত ৰজাৰ পৰা ২৫ পুৰুষৰ পিছত কৌশম্বীৰাজ উদয়নলৈকে 'বংশাৱলী' উদ্ধাৰ কৰা হৈছে। সেই ৰজা উদয়নৰ ৰাজসভালৈ ভগৱান বুদ্ধ নিমন্ত্ৰিত হৈছিল। এই ঐতিহাসিক ঘটনাৰ পৰা মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধৰ সময় ২৫ পুৰুষৰ অন্তৰ, অৰ্থাৎ ৩৩৬ বছৰ আগত বুলি ঠাৱৰ কৰা হৈছে। দৃষ্টান্ত বিচাৰি দূৰলৈ নগলেও হয়। অসমত চাও চুকাফাই ৰাজ্য স্থাপন কৰিছিল ১২২৮ খৃষ্টাব্দত। তেওঁৰ বংশধৰ ৪০ গৰাকী ৰজাই ৬১০ বছৰ ৰাজত্ব কৰিছিল অৰ্থাৎ একোজন ৰজাই গড়ে মাত্ৰ ১৫ বছৰকৈ ৰাজত্ব কৰিছিল। এনে তথ্যৰ আধাৰত চালে 'চৈধ্য-পুৰুষ' বুলিলে অধিকতম ৩৫০ বছৰৰ পূৰ্বৰ কথাহে কোৱা হয়। অৰ্থাৎ ওপৰোক্ত মিছিঙৰ দুটা ফৈদৰ প্ৰাচীনত্ব ৩৫০ বছৰহে হৈছে। আনহাতে মিছিঙৰ কেইটামান ফৈদ স্বৰ্গদেউ চুহুমুঙৰ শদিয়া দখল কৰাৰ সময়ত (১৫২৩ খৃঃ) শদিয়া অঞ্চলত বসবাস কৰি থকাৰ কথা বুৰঞ্জীয়ে কয়। অৰ্থাৎ এইসকল মিছিং ফৈদ ভৈয়ামত বাস কৰাই ৫০০ বছৰৰো অধিক হৈছে। আৰু তেওঁলোক 'পোদং আনো'ৰ পৰা উদ্ভৱ হৈ বিভিন্ন পাহাৰ পৰ্বতত থকাৰ পিছতহে ভৈয়ামলৈ নামিছিল। সেই ভাবে তেওঁলোক 'পোদং আনো'ৰ পৰা উদ্ভৱ হোৱা কমেও এহেজাৰ বছৰ হ'ব। এনে বাস্তৱ উপলব্ধিৰ পৰা অনুমান কৰা কঠিন নহ'ব যে – লিখিত ব্যৱস্থাৰ অবিহনে এনে সুদীৰ্ঘ দিনৰ বংশাৱলী নিৰ্ভুল কৈ মনত ৰখাটো সম্ভৱপৰ নহয়। সেই বাবে দছিঙৰ পৰা মিছিং সকলৰ উদ্ভৱ হোৱা কিম্বদন্তীক উলাই কৰিব নোৱাৰি। তদুপৰি, ওখ পৰ্বতত এতিয়াও দছিং, মছিং, টুটিং আদি ঠাই আছে আৰু চিমং, আছিং ইত্যাদি নামৰ আদি সমগোষ্ঠীৰ লোক বৰ্তমান। সেয়ে দছিঙৰ পুত্ৰ বা প্ৰোপুত্ৰৰ পৰা মিছিং সকল উদ্ভৱ হোৱা কাহিনীটো কল্পনাপ্ৰসূত বুলি কব নোৱাৰি। লগতে এই প্ৰক্ৰিয়াটোৰ সত্যতা গ্ৰহণ কৰিব পাৰিলে 'মিছিং' শব্দৰ উৎস বা অৰ্থ লৈ কোনো সমস্যাৰে উদ্ভৱ নহয়। 'সাধিত' বা যৌগিক প্ৰক্ৰিয়াৰে 'মিছিং' শব্দ গঠনৰ ধাৰণাতো সাম্প্ৰতিক কালৰহে উদ্ভাৱন যেন লাগে।

প্ৰসংগতে মিছিং সকলৰ মাজত শুনিবলৈ পোৱা 'চুটীয়া মিৰি' শব্দৰ বিষয়েও দু-আষাৰ উল্লেখ কৰাটো সমীচীন হ'ব। আগতে কৈ আহিছো যে স্বৰ্গদেউ চুহুমুঙৰ চুটীয়া ৰাজ্য দখলৰ সময়ত (১৫২৩ খৃঃ) শদিয়া অঞ্চলত এক বুজন সংখ্যক মিছিং ফৈদ বসবাস কৰি থকা দেখা পাইছিল। সেই সকল মিছিং লোকক বুৰঞ্জীত শদিয়াৰ চুটীয়া ৰাজ্যৰ বাসিন্দা হিচাপে 'চুটীয়া মিৰি' বুলি উল্লেখ কৰিছিল। – "The Ahoms applied the term Chutia Miri to the Miris of the plains as they found them residents of Chutia Kingdom at the time of its conquest by the Ahoms" — (Ahom tribal relations — L. Devi 1968) আকৌ ঠায়ে ঠায়ে শদিয়াত থকা ভাবে 'শদিয়াল মিৰি' বুলিও উল্লেখ কৰিছিল। পিছে, পৰবৰ্তীকালত চুটীয়া ৰাজ্যৰ বাসিন্দা হিচাপে নামকৰণ কৰা 'চুটীয়া মিৰি' শব্দৰ লগত 'মিৰিচুটীয়া' শব্দক সনাপোটোকা কৰি বহুতে বিমোৰত পেলায়। বুৰঞ্জীবিদ এচ, ৰাজকুমাৰে এঠাইত কৈছে যে – মিৰি আৰু চুটীয়াৰ বৈবাহিক সম্বন্ধৰ ফলত উদ্ভৱ হোৱা কিছু সংখ্যক লোকক 'মিৰিচুটীয়া' বোলে। (চুটীয়া, ভূঞা আৰু মটক।) যদি মিৰি আৰু চুটীয়াৰ মাজত কিবা বৈবাহিক সম্বন্ধ ঘটিছিল তেনে ই তেনেই সীমিত পৰিয়ালৰ মাজতহে হৈছিল। কিয়নো 'মিৰি চুটীয়া' বুলি মিছিঙৰ মাজত কোনো খেল নাই।


আনহাতে মিছিঙৰ 'পাগৰ' দলৰ মানুহৰ মাজতহে 'চুটীয়ামিৰি' শব্দটো প্ৰচলন আছিল। 'মিৰি চুটীয়া' আৰু 'চুটীয়ামিৰি' শব্দ দুটাৰ পাৰ্থক্য নজনাৰ বাবে 'পাগ্ৰ' শব্দৰ উৎপত্তি সম্বন্ধেও কিছু ভুল ধাৰণা পৰিবেশন কৰা হৈছিল। সোনাৰাম পাঞাং কটকীৰ 'মিৰি জাতিৰ বুৰঞ্জী' কিতাপত উল্লেখ কৰিছিল যে চুটীয়াৰ লগত জাত যোৱা অৰ্থত 'মিপাগ্ পাগ্লা পাগ্ৰ' নাম পালে। কিন্তু এই মতবাদ বহুলোকে দৃঢ়তাৰে অস্বীকাৰ কৰে। এই প্ৰসংগলৈ এই শতিকাৰ তৃতীয় দশকত মিছিং সমাজৰ একাংশ লোকৰ মাজত উত্তপ্ত পৰিবেশৰ সৃষ্টি হোৱা পূৰণি চাম মিছিঙে জানে। বহুতে ভবাৰ দৰে 'পাগ্ৰ' শব্দ প্ৰকৃততে 'মিপাগ্ পগ্লা পাগ্ৰ'ৰ পৰা অহা নাই। ধ্বনি সাদৃশ্যৰ অজুহাত লৈ অযথা সৰলীকৰণ কৰা হৈছিল। কিয়নো মিপাগ্ (অ-মিছিং) শব্দৰ লগত 'আৰ' (সঁচা) যোগ হৈ 'পাগ্ৰ' শব্দ নিষ্পত্তি হ'লে ইয়াৰ অৰ্থ হবগৈ – 'সঁচা অসমীয়া' বা 'খাটি অসমীয়া', জাত যোৱা নুবুজায়।

দৰাচলতে 'পাগ্নাম্' শব্দৰ লগত 'আৰ' যোগ হৈহে 'পাগ্ৰ' শব্দ নিষ্পত্তি হৈছে। পাগ্ (গাঁথি দিয়া) মূল ধাতুৰ পৰা 'পাগ্নাম্' (পকোৱা, গাঁথি দিয়া) পাগ্গদ্ (গাঁথি দি চিন ৰখা), পাগ্মুৰ্ (সংৰক্ষণ কৰা, শুদ্ধ কৰা) শব্দবোৰ আহিছে। অন্যহাতে 'পাগ্নাম্' শব্দই শুদ্ধ বা নিৰ্ভেজাল অৰ্থও কৰে। নকলেও হ'ব যে মিছিঙৰ প্ৰথম দলৰ ফৈদবোৰ ভৈয়ামত থকা প্ৰায় ৫০০০ বছৰৰো অধিক হৈছে। তেওঁলোকে ভৈয়ামৰ অন্যান্য লোকৰ লগত আদানপ্ৰদান কৰাৰ বেছি সুযোগ পাইছিল। সেই বাবে তেওঁলোকৰ মাত কথা সাজ পাৰ আদিত ভৈয়ামৰ সংস্কৃতিৰ যথেষ্ট প্ৰভাৱ পৰিছিল। পাহাৰত বৈ লোৱা কাপোৰতকৈ ভৈয়ামত থকা মিছিং সকলে বেছি উন্নত ধৰণৰ সাজপাৰ তৈয়াৰ কৰি লৈছিল। সেই বাবে পাহাৰৰ পৰা পিছত নামি অহা মিছিং দলবোৰে শদিয়াত পূৰ্বৰে পৰা থকা লোক সকলক পাহাৰৰ মিছিং নহ'য় নেকি বুলিও সন্দেহ প্ৰকাশ কৰিছিল। পিছে, তেওঁলোকৰ এনে সন্দেহ অমূলক বুলি অগ্ৰগামী দলৰ লোকে দাবী কৰিছিল। ভৈয়ামত থকা সৰহ দিন হলেও তেওঁলোকে নিজৰ ৰক্ত প্ৰবাহ নিৰ্ভেজাল কৰি ৰখা কথাটো দোহাৰিবলৈ তেওঁলোকে 'পাগ্নাম্ আৰ' শব্দটো ব্যৱহাৰ কৰিছিল। পিছত এই 'পাগ্নাম্ আৰ' শব্দ দুটি যোগ হৈ 'পাগ্ৰ' শব্দ নিষ্পত্তি হৈছিল। এই সন্দৰ্ভত স্থানান্তৰত বহুলভাৱে চৰ্চা কৰা হৈছে। (The Mishings of the Brahmaputra Valley- 1981)

এই প্ৰসংগত ১৮৭২ চনত ই ট ডেল্টনে দিয়া এটি মন্তব্য প্ৰণিধান যোগ্য।

"......Other clans (i.e. Pagro etc.) cloth themselves and dress their hair more after the fashion of Assamese, but they keep their blood pure and have lost none of their physical characteristic of the tribes. They are yellow mangoloid type, tall and powerfully framed......" (Descriptive ethnology of Bengal — E. T. Dalton — 1872).

ওপৰোক্ত বিভিন্ন ধৰণৰ সংজ্ঞাবোৰক লৈ বিভিন্ন লোকৰ মাজত থকা ভুল ধাৰণাবোৰে যাতে সামাজিক ঐক্য সম্প্ৰীতিত বাধা সৃষ্টি কৰিব নোৱাৰে তাৰ বাবেই এই স্পষ্টীকৰণ দাঙি ধৰা হ'ল। সাম্প্ৰতিক কালত 'অপীন' বিচাৰেই মিছিং সমাজ গাঁথনিৰ মূল ভেটি দলগত নামবোৰ নহয়।



প্ৰকৃতি এতিয়া বসন্তৰ প্ৰতীক্ষাত


ফটো ঃ স্বপ্না বেজবৰুৱা

## চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ মনৰ কথাঃ

# ছবিয়ে শব্দ কৰে নিঃশব্দে

হৰিচৰণ দাস

অভিজ্ঞতা আৰু অধ্যয়নপুষ্ট চকু যুৰিৰে মানুহজন; জোপোহা বনৰ দৰে কেশগুচ্ছ। ডিঙিত এধাৰি মালা – এই মালা ধাৰি, ঢোলবিৰি, জাংফাই আদিতে অসমীয়া লোককৃষ্টিৰ উপাদানবোৰ। বহা কোঠাটোত আছে নানান বন-বননি, চিত্ৰ, ভাস্কৰ্য ইত্যাদি। কোঠাটোৰ দুৱাৰমুখত ওলমি আছে এটি টিলিঙা – মন্দিৰত ব্যৱহাৰ কৰা কাঁহৰ টিলিঙা। ঐতিহ্যৰ অভিনৱ সংৰক্ষণ!! এই সকলোবোৰ মিলি এক বৰ্ণাঢ্য শিল্পী সুলভ ব্যক্তিত্ব চিত্ৰশিল্পী প্ৰণৱ বৰুৱাৰ।




প্ৰণৱ বৰুৱাৰ তৈলচিত্ৰ

বৰুৱাদেৱক লগ পাওঁ মাজে মাজে। কেতিয়াবা বাটত, কেতিয়াবা ঘৰত। কিন্তু ছবি নোচোৱাকৈ ছবিৰ কথা সুধিলে তেওঁ বেয়া পায়। এদিন বাটত তেওঁক ছবিৰ কথা সোধোতে মোৰ মূৰটোত টুকুৰিয়াই দি তেওঁ কৈছিল – 'ছবি নোচোৱাকৈ ছবিৰ কথা নুসুবিধা।'

আমি, সৰ্বসাধাৰণ দৰ্শকসকলে প্ৰায়ে এটি অভিযোগ উত্থাপন কৰো – সেয়া হ'ল ছবিৰ দুৰ্বোধ্যতা। এদিন বৰুৱাদেৱক এই সম্পৰ্কে সুধিছিলো। তেওঁ কৈছিল – 'ছবি হ'ল এটা ভাষা। ভাষা শিকিবলৈ হলে প্ৰথমতে আখৰ শিকিব লাগিব, তাৰ পিছত ব্যাকৰণ। ছবি বুজিবলৈ হলেও ছবিৰ ভাষা প্ৰথমতে শিকি ল'ব লাগিব। কোনোবাই ছবি বুজি নাপাব পাৰে, কিন্তু সেই বুলি তেওঁ ছবিক উপলুঙা কৰিব কিয়? সকলোৱেই যে সকলো কথা বুজি পাব লাগিব তাৰ কি মানে আছে! মই এতিয়া উচ্চ গণিতৰ তত্ত্ব নুবুজো, সেই বুলিয়েই মই উচ্চ-গণিতক অৱহেলা কৰিমনে? কেতবোৰ মানুহে ছবি নোচোৱাকৈয়ে ছবিক উপলুঙা কৰে। অৱশ্যে এনে মানুহৰ ওপৰত ছবিৰ ভৱিষ্যত নিৰ্ভৰ নকৰে।'

বৰুৱাদেৱে এনে এক সময়ত ছবি আঁকিবলৈ লৈছিল, যিটো সময়ত, অসমত ছবি আৰু মানুহৰ মাজত আছিল এক বিৰাট ব্যৱধান। ছবি আঁকি জীৱন নিৰ্বাহ কৰাৰ ভাবনা আছিল কল্পনা-বিলাস মাত্ৰ। এনে এক প্ৰতিকূল পৰিবেশৰ মাজতো বৰুৱাদেৱে কেনেদৰে তেওঁৰ চিত্ৰকৰ জীৱনৰ আৰম্ভণি কৰিছিল সেই সম্পৰ্কে এদিন সুধিছিলো। তেওঁ কৈছিল – 'ছবি অঁকা মানুহৰ এক স্বাভাৱিক প্ৰবৃত্তি। ছবি মানুহৰ বুনিয়াদ শিক্ষা। প্ৰথমতে মানুহে ছবিকেতো আঁকিবলৈ শিকে। ছবি মই ভাল পাইছিলো সৰুৰে পৰা। আঁকিবলৈ চেষ্টা কৰিছিলো। মাণিক হাতীকাকতি নামৰ মানুহ এজনক প্ৰথমে মই ছবি অঁকা মানুহ হিচাপে লগ পাইছিলো। পিছলৈ তেওঁ অসমৰ মুখ্য স্থপতিবিদ হৈছিল। তেওঁৰ ছবি চাই ভাল লাগিছিল আৰু নিজে আঁকিবলৈ চেষ্টা কৰিছিলো। মানুহে যে ছবি আঁকিব পাৰে সেই কথা তেতিয়া উপলব্ধি কৰিছিলো। তেওঁৰ পৰিয়ালৰ এজনে মোক ৰঙৰ বাকচ এটা দিছিল। মনৰ উলাহতে ছবি আঁকি গৈছিলো। অ'ত ত'ত পুৰস্কাৰ পাইছিলো। মা-দেউতাইতে প্ৰশংসা কৰিছিল। ছবি অঁকাটো পিছে বাহিৰৰ কথা নহয়, ভিতৰৰ কথা।'

পিছলৈ ছবি অঁকাৰ প্ৰতি থকা এই আগ্ৰহে পঢ়া-শুনাৰ কথা তল পেলাই দিলে। কলেজৰ শিক্ষা সাং কৰি তেওঁ ঢাপলি মেলিলে বোম্বাইৰ চাৰ জে জে স্কুল অৱ আৰ্টলৈ। তাত পাঁচ বছৰীয়া শিক্ষা সাং কৰি ১৯৬৩ চনত ঘৰলৈ উভতি আহে। ঘৰলৈ আহি চাকৰি কৰাৰ কথা বাদ দি ছবি আঁকিয়েই জীৱন-যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে বৰুৱাদেৱে। কিন্তু ই আছিল এক প্ৰত্যাহ্বান। – 'যি সময়ত বোম্বেলৈ গৈছিলো সেই সময়ত ছবি আঁকি জীৱন যাপন কৰাটো হাস্যকৰ কথা আছিল। বন্ধত কেতিয়াবা ঘৰলৈ আহো আৰু যেতিয়া অসমীয়া মানুহক লগ পাওঁ যাত্ৰা পথত – তেতিয়া মোৰ ভাব হয় – মোক আকৌ সুধিব নেকি সেই একেই কথা, আৰ্ট পঢ়ি কি হ'ব? বয়স কম বাবেই ভৱিষ্যৎ অন্ধকাৰ দেখিছিলো। ছবি আঁকি জীয়াই থাকিবলৈ কেনেকৈ যুঁজিব লাগিব তাৰো মোৰ কোনো জ্ঞান নাছিল। কলাশিক্ষা সাং কৰি সম্পূৰ্ণ শিল্পী জীৱন যাপন কৰাৰ প্ৰতিশ্ৰুতিৰে অসমলৈ আহিছিলো। হয়তো মই বোম্বেতেই থাকি যাব পাৰিলোহেঁতেন। কিন্তু অসমৰ পৰা কিবা এটা কৰাৰ মানসেৰেই উভতি আহিছিলো। পিছে ইয়ালৈ আহি এটা বিৰাট বিপৰ্যয়ৰহে সন্মুখীন হলো। সি হ'ল ছবি আৰু মানুহৰ মাজত থকা ব্যৱধান। তেতিয়া মই নিজে ছবি অঁকাতকৈ তৃণমূলৰ পৰা কিবা এটা কৰিব খুজিছিলো। নগাওঁৰ এটা আগশাৰীৰ সাংস্কৃতিক গোষ্ঠী 'কল্লোল' গোষ্ঠীৰ লগত সেই বিষয়ে আলোচনা কৰিলো আৰু তেওঁলোকৰ উৎসাহতেই কল্লোল চিত্ৰাংকন বিদ্যালয়ৰ জন্ম হ'ল। তেনেকৈয়ে নগাওঁ চহৰৰ পৰা গাওঁ অঞ্চললৈ কলা শিক্ষা কেন্দ্ৰৰ প্ৰসাৰ ঘটিল। সকলোবিলাক শিক্ষা কেন্দ্ৰই যাতে এটা আদৰ্শেৰে গঢ়ি উঠে, তাৰ প্ৰতি মোৰ দৃষ্টি থাকে। কলাৰ স্খলন মই কেতিয়াও সহ্য কৰিব নোৱাৰো। কেৱল ভাৰততে নহয়, আন্তৰ্জাতিক কেইবাখনো শিশু-চিত্ৰাংকন প্ৰতিযোগিতাত নগাওঁৰ ল'ৰা-ছোৱালীয়ে পুৰস্কৃত হোৱাটোৱে কলাৰ শুদ্ধ ৰূপৰ পৰিচয় পোৱাটোকে বুজায়। তথাপিও অসমৰ কলা থাপনাত মোৰ শিল্প কৰ্মৰ এপাহি ফুল আগবঢ়োৱাৰ প্ৰচেষ্টাত সমাজসেৱাৰ ফাঁকে ফাঁকে ছবি আঁকি আছো। যেতিয়া অসমত থাকি নিজকে জনাৰ সুযোগ নাপাওঁ, তেনেস্থলত মাজে সময়ে বাহিৰত চিত্ৰ প্ৰদৰ্শনী কৰি আহিছো। সিবিলাকৰ কলা সমালোচনাত গম পাওঁ, ছবিবোৰ একেবাৰে ব্যৰ্থ হোৱা নাই। প্ৰশংসাও নোপোৱা নহয়। প্ৰখ্যাত শিল্পী গণেশ পাইন, বিমল দাসগুপ্তা, ভবেন সন্যাল, ৰামানন্দ বন্দোপাধ্যায়, ৰথীন মিত্ৰ আদিয়ে মোৰ ছবি আন্তৰিকতাৰে চাইছে। ইব্ৰাহিম এলকেজিয়ে মোৰ ছবিৰ ওপৰত মন্তব্য আগবঢ়াই মোক উৎসাহিত কৰিছিল। মোৰ জীৱনজোৰা শিল্পী জীৱনটো মিঠা-তিতা অভিজ্ঞতাৰে ভৰা।'



বৰুৱাদেৱৰ চিত্ৰকৰ জীৱনটো গঢ়ি উঠাত ঘৰখনৰ, মাক-দেউতাকৰ অৱদান অপৰিসীম। ঘৰত মৰমৰ মাজেৰে ডাঙৰ হৈছিল যদিও কলাশিক্ষাৰ বাবে বাহিৰলৈ যোৱাৰ ক্ষেত্ৰত ঘৰখনে কোনো বাধা প্ৰদান কৰা নাছিল। সৰুৰে পৰা এক আধুনিক পৰিবেশত ডাঙৰ দীঘল হৈছিল তেওঁ। তেওঁৰ মতে – 'দুটা বস্তুই ঘৰত পোৱা নাছিলো –জাতপাত ধৰ্মীয় বিচাৰ আৰু অৰ্থনৈতিক শ্ৰেণীৰ বাছ-বিচাৰ। সৰুৰে পৰা মানুহক মানুহ হিচাপে চোৱাৰ শিক্ষা পাইছিলো। সৰু ল'ৰা-ছোৱালী হালকো সেই শিক্ষাৰেই ডাঙৰ দীঘল কৰিছো। দেউতা প্ৰেমধৰ বৰুৱা কৃষি বিভাগৰ সঞ্চালক আছিল। মা –অমিয়া বৰুৱা। দেউতা দূৰৈত থকা বাবে আমি খুড়াৰ লগতে ডাঙৰ দীঘল হৈছিলো। খুড়া বৃত্তিত চিকিৎসক আছিল। নাম বিদ্যাধৰ বৰুৱা। জীৱনটোক সুখ-দুখৰ মাজত সহজ ভাবে ল'ব পৰাটো তেখেতৰ পৰাই আমি শিকিছিলো। জীৱনটো অপ্ৰয়োজনীয় প্ৰয়োজনেৰে ভৰা। গতিকে প্ৰয়োজনখিনি বুজি পালে জীৱনৰ গতিশীলতাত য'তি নপৰে।'

বৰুৱাদেৱৰ নিজস্ব দৃষ্টিভংগী বা দৰ্শন প্ৰতিষ্ঠিত জীৱনবোধৰ ওপৰত। জীৱনতকৈ কলা ডাঙৰ নহয়। তেওঁ কয় – 'হয়তো এটা সময়ত মই অংকনৰ যোগেদি কোৱা অভিজ্ঞতাতকৈ জীৱনৰ অভিজ্ঞতাই উচ্চ স্থান পাব। আৰু সেইকণ সুখলৈ মৃত্যু হলে মোৰ জীৱন সাৰ্থক হ'ব। ছবি, জীৱনতকৈ ডাঙৰ হ'ব নোৱাৰে। ই জীৱনৰ আনুষংগিক বা সমান্তৰাল এক কলা মাত্ৰ। ই কেতিয়াও জীৱন নহয়। সেয়েহে ছবিতকৈ মই গুৰুত্ব দিওঁ জীৱনৰ ওপৰত। ছবিক কিছু গুৰুত্ব দিওঁ এই কাৰণেই যে ই মোৰ বৃত্তি। মানুহক ভাল পোৱা আৰু ছবিক ভাল পোৱা একে কথা নহয়। কোনো কোনো শিল্পীয়ে ছবিত নিজক বিলীন কৰি দিব পাৰে মই নোৱাৰো।'

বৰুৱাদেৱৰ মতে ছবিখনত কি



OKDISCD

প্ৰতিফলিত কৰিব বিচৰা হয়, সেইটো ডাঙৰ কথা নহয়। ডাঙৰ কথা হ'ল ছবিখন ছবি হয়নে নহয়! সুদীৰ্ঘ ত্ৰিশ বছৰে বৰুৱাদেৱে ছবি আঁকি আহিছে মানুহক লৈ। মানুহেই তেওঁৰ ছবিৰ মূল উপাদান। 'মোৰ মনৰ বিভিন্ন অৱস্থাবোৰ, মানুহৰ প্ৰতীকেৰে ব্যক্ত কৰো – আৰু ক'ব নোৱাৰাকৈয়ে ই জনজীৱনৰ লগত সাঙোৰ খাই পৰে। আৰু সকলো চিন্তা আৰু সকলো প্ৰচেষ্টাৰে যেতিয়া ছবিখন ছবি হৈ নুঠে তেতিয়াই মোৰ শিল্পী জীৱনটো অসাৰ্থক হৈ পৰে। তথাপিও নতুন উৎসাহেৰে ছবি আঁকি যাওঁ। হয়তো সময়ে ক'ব মোৰ ছবি ছবিৰ শাৰীত পৰেনে নপৰে।....

....কিয় ক'ব নোৱাৰো, কোনো কলা শিল্পীৰ শিল্প কৰ্মৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ ত্ৰুটি কৰা নাই। প্ৰত্যেক শিল্পীৰে ছবিৰ প্ৰতি নিজস্ব এক দৰ্শন থাকে। সেই দৰ্শন ব্যক্তিগত ছবি জগতৰ, বিভিন্নজনৰ বিভিন্ন মনৰ দৰ্শনৰ মিল অমিলৰ প্ৰতি লক্ষ্য নকৰি তেখেতসকলৰ ছবিতহে মই নিমগ্ন হওঁ। মই প্ৰতিষ্ঠিত শিল্পী সকলৰ কথাহে কৈছো। এনেক্ষেত্ৰত কাৰোবাৰ কটু উক্তিয়ে মোক দুখ দিয়ে। আৰু সেই দুখ মই কেতিয়াও প্ৰকাশ নকৰো।

এতিয়া বয়স বাঢ়ি অহাৰ লগে লগে মোৰ ভয় হয়, মোৰ ছবিৰ অগ্ৰগতি অব্যাহত আছেনে? যদি পশ্চাদগামীও হৈছে, তথাপি মোৰ ক'ব লগা একো নাই। সেইটো নিৰ্ণয়ৰ ভাৰ মোৰ ওপৰত নহয়। মই মোৰ ওপৰত বিশেষকৈ ছবিৰ ওপৰত কোনো ধৰণৰ জোৰ জুলুম নকৰো।'

মানুহৰ জীৱনলৈ এনে কিছুমান মুহূৰ্ত আহে যিবোৰে জীৱনটোক বিশেষ ভাবে জোঁকাৰি যায়। জীৱন আৰু জীৱনাদৰ্শৰ গতিয়েই সলনি কৰি দিয়ে। তেনে এটা ঘটনাও বৰুৱাদেৱে এদিন উল্লেখ কৰিছিল। ঘটনাটো ঘটিছিল বোম্বাইত। ফুৰিবলৈ যাওঁতে। হঠাতে তেওঁৰ ভনীয়েকজনী সাগৰত পৰি যোৱাত তেওঁৰ বন্ধু সুৰেশ পন্ডিতে (পূব আফ্ৰিকাৰ) বচাবলৈ পানীত জঁপিয়াই পৰিল। তেওঁৰ সৰু কালৰ বন্ধু ৰমণী গোহাঁয়েও তেওঁৰ ভনীয়েকক বচোৱাৰ বাবে পানীত জঁপিয়াই পৰিল। তেওঁ কিন্তু নোৱাৰিলে – 'এক ভয়াবহতাই মোক আগুৰি ধৰিছিল। মোৰ ভনীজনী আৰু সুৰেশ ঢুকাল। ছমাহ মানৰ মূৰত ৰমণী বিবাহ কৰি আন এটা দুৰ্ঘটনাত মৃত্যু হ'ল। বন্ধুৰ পৰিচয় মই কেতিয়াও পোৱা নাছিলো। এই ঘটনাটোৱে মোক বন্ধুত্বৰ বিশালতাৰ উমান দিলে। বহু বছৰৰ মূৰত সুৰেশৰ দেউতাকে মোৰ দেউতালৈ দিয়া চিঠিত পঢ়িলো – হয়তো এই চিঠিখন দেউতাই দিয়া চিঠিৰ প্ৰত্যুত্তৰ আছিল। তাত লিখিছিল – 'মই নিজে গৌৰবান্বিত যে মোৰ ল'ৰাই তোমাৰ ছোৱালীক মৃত্যুৰ পৰা বচাবলৈ যাওঁতে নিজৰ জীৱন দান দিলে। তেওঁৰ মহানতাৰ ওচৰত মোৰ মূৰ দো খাই গ'ল।' এই বিৰল অভিজ্ঞতাই জীৱনৰ প্ৰতি এটা নতুন আবেগ আনি দিলে। এতিয়া নিজকে বিশেষভাবে ক্ষতিগ্ৰস্ত কৰিও আন এজনৰ উপকাৰ কৰাটো মোৰ স্বভাৱজাত প্ৰবৃত্তি হৈ পৰিছে। সেইজনৰ সামান্য হাঁহিয়ে মোৰ জীৱন সুন্দৰ কৰি তোলে। প্ৰত্যাশা মই কেতিয়াও কৰা নাই। আনকি ল'ৰা-ছোৱালীৰ পৰাও। তাহাঁতৰ নিজ নিজ জীৱন গতি সুন্দৰকৈ আগবাঢ়ি যোৱাটোৱেই মই কামনা কৰো।'

এনেকুৱা ভাববোৰে তেওঁৰ ছবিত প্ৰভাব পেলাই নেকি সুধিছিলো। তেওঁ কৈছিল – 'এনেকুৱা আবেগে ছবিক প্ৰভাবান্বিত কৰে। মনৰ কেতবোৰ আবেগিক অৱস্থাই ছবিখন হোৱাত কিছু সহায় কৰে – কিন্তু বেছি বিশেষ একো নকৰে। যি ঘটনাটো লৈ মই ছবি আঁকিবলৈ লওঁ, ছবিত সেই দৃশ্যটো প্ৰায় অদৃশ্য হৈ যায়। আৰু এনেবোৰ আবেগক আনে জনাৰ প্ৰয়োজন নহয় – ছবিয়ে সদায় নিজৰ ৰূপত মগ্ন থাকে। ছবিয়ে শব্দ কৰে নিঃশব্দে।

ছবি এখনত আবেগতকৈ কলাকৌশলহে গুৰুত্বপূৰ্ণ কথা। ছবি অঁকাটো এটা প্ৰক্ৰিয়া –তাত সোমাই পৰিলে আবেগৰ পৰা ক্ৰমাৎ আঁতৰি যোৱা যায়। ৰং, ৰেখা, কম্পোজিচন, ফৰ্মৰ কথা আহি পৰাৰ লগে লগে যিটো ঘটনাই তোমাক অনুপ্ৰাণিত কৰিছিল – সেইটো ঘটনা তোমাৰ মনৰ পৰা ক্ৰমাৎ বিচ্ছিন্ন হৈ যাব ধৰে – আৰু ছবিখনে গঢ় লৈ উঠে এক নিজস্ব ৰূপেৰে।'

বৰুৱাদেৱৰ প্ৰথম ছবি প্ৰদৰ্শনীখন অনুষ্ঠিত হৈছিল গুৱাহাটীত, লেখক আৰু শিল্পী সংঘৰ সৌজন্যত। এই প্ৰদৰ্শনী চাই নীলমণি ফুকনদেৱে হেনো বৰুৱাদেৱৰ গুৱাহাটীস্থ ষ্টুডিঅ'লৈ নিজে আহি অভিনন্দন জনাইছিল। এই অভিনন্দনে বৰুৱাদেৱক আপ্লুত কৰি তুলিছিল। ইয়াৰ পিছত বৰুৱাদেৱে কেইবাখনো যৌথ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ উপৰিও দুখন একক চিত্ৰ-প্ৰদৰ্শনীও অনুষ্ঠিত কৰে। কিন্তু কাকত আদিত তেওঁৰ ছবিৰ কোনো সমালোচনা নোহোৱাত তেওঁ দুঃখিত হৈ পৰে। সেইবাবে তেওঁ আৰ্থিক অনাটনৰ মাজে দিয়েই বন্ধু-বান্ধৱৰ সংযোগত কলিকতাৰ 'একাডেমী অৱ ফাইন আৰ্টছ'ত (১৯৭৯) এখন চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰে। এই প্ৰদৰ্শনীৰ চিত্ৰ সমালোচনা কেইবাখনো আগশাৰীৰ দৈনিক কাকতত প্ৰকাশ পোৱাৰ উপৰিও 'দেশ' আদি আলোচনীতো প্ৰকাশ পায়। সন্দীপ চৰকাৰে 'দেশ' আলোচনীত (৭ এপ্ৰিল ১৯৭৯) লিখিছিল এনেদৰে – 'শিল্পবোধ নাথাকাতে সাংবাদিক জীৱন নীৰব থেকেছেন। সুতৰাং নিজকে যাচাই কৰাৰ জন্যে তিনি কলকাতায় এলেন।..... প্ৰণবেৰ অংকন খুবেই জুৱাল। বাস্তৱ অংকনকে হৈনে বাড়িয়ে ভেংগে তিনি সুন্দৰ ৰূপাৰোপ কৰেন। তাৰ বিকৃতিকৰণ (ষ্টাইলাইজেচন) ক্ষেত্ৰে দাৰুণ মজা হয়। ৰেখাৰ জোৰটা ৰয়েছে বলে দীৰ্ঘায়িত বা সংচ্ছেদী গেয়ে আঘাত লাগেনা। তাৰ গোটা ৰচনাই একটা জমাই ব্যাপাৰ....। প্ৰণবেৰ মেয়েৰা সবই নগ্নিকা, কিন্তু কোথাও তাৰ ছবিকে অশ্লীল মনে হয়নি। বৰং গাছপালা প্ৰকৃতিৰ মতই তাৰা স্বাভাৱিক।'

এনে সমালোচনা সমূহে বৰুৱাদেৱক যথেষ্ট উপকৃত তথা উৎসাহিত কৰে। ইয়াৰ পিছত তেওঁ ৰাওনা হয় দিল্লীলৈ। তাত তেওঁ 'ললিত কলা একাডেমী'ৰ সৌজন্যত প্ৰদৰ্শনী অনুষ্ঠিত কৰে। এই প্ৰদৰ্শনীতো বৰুৱাদেৱে কেইবাগৰাকীও প্ৰখ্যাত শিল্পীৰ মতামত লাভ কৰিবলৈ সক্ষম হয়। বিশ্ববিখ্যাত নাট পৰিচালক, 'National School of Drama'ৰ প্ৰাক্তন সঞ্চালক আৰু বৰ্তমানৰ নতুন দিল্লীৰ স্থাপত্য কলা বিভাগৰ সঞ্চালক ই এল কেজিয়ে বৰুৱাদেৱৰ চিত্ৰ সমূহৰ ওপৰত মন্তব্য আগবঢ়াইছিল এনেদৰে – "There is a Rassionate ringing sincerity about the work and ability to identify with the socially appressed and to the aware the same time of the convulsive power, of poor and down trodon..... Genuine and moving work."

বৰুৱাদেৱৰ সৃষ্টিৰ মূল্যাংকন সমালোচক সকলে নিশ্চয় কৰিব। আমি হলে এটা কথা ক'ব পাৰো যে নগাওঁ অঞ্চলত (গাঁৱে-চহৰে) চিত্ৰকলাৰ পৰিবেশ ৰচনাত বৰুৱাদেৱৰ অৱদান উল্লেখনীয়। তেওঁৰ এই অৱদান তেওঁৰ সৃষ্টিতকৈও মূল্যবান বুলি আমি অনুভৱ কৰো। ■





শক্তিৰ বিকল্প উৎস

# স্থলজ উদ্ভিদৰ পৰা ইন্ধন

ড০ কুশল কুমাৰ বৰুৱা

শক্তিৰ বিভিন্ন বিকল্প উৎসবোৰৰ ভিতৰত সৌৰ শক্তিৰ ব্যৱহাৰেই প্ৰধান। সৌৰ শক্তি তিনিটা প্ৰধান পন্থাৰে ব্যৱহাৰ কৰিব পাৰি। দুটা হৈছে সৌৰ শক্তিৰ প্ৰত্যক্ষ ব্যৱহাৰ যেনে সৌৰ উষ্মীয় আৰু সৌৰ ভল্টীয়। তৃতীয়টো হৈছে সৌৰ শক্তিৰ পৰোক্ষ ব্যৱহাৰ যিটো উদ্ভিদৰ সালোক সংশ্লেষণ পদ্ধতিৰ যোগেদি পোৱা হয়। এই ধৰণে ব্যৱহাৰ কৰা শক্তি নবীকৰণীয় সম্পদ। এই নবীকৰণীয় সম্পদ উদ্ভিদৰ পৰা গ্ৰহণ কৰি শক্তিলৈ ৰূপান্তৰ কৰিব লাগে আৰু জীৱাশ্মৰ ইন্ধনবোৰ শক্তিৰ পুঁজি হিচাপে সংৰক্ষণ কৰিব লাগে। পেট্ৰোলিয়াম এবিধ হাইড্ৰ'কাৰ্বন আৰু ই সালোক সংশ্লেষণ পদ্ধতিৰ দ্বাৰাই প্ৰস্তুত হয়। সুস্থ আণবিক ভাৰৰ হাইড্ৰ'কাৰ্বন প্ৰস্তুত কৰা উদ্ভিদৰ ওপৰত বিশদ গৱেষণাৰ প্ৰয়োজন হৈছে। ৰবৰ উৎপাদন কৰা উদ্ভিদ Hevea brasiliensisৰ আণবিক ভাৰ ১ নিযুত কিন্তু Euphorbiaceae গোটৰ কিছুমান উদ্ভিদে আঠা প্ৰস্তুত কৰে যাৰ আণবিক ভাৰ ১০ হেজাৰ আৰু ইয়াক গেছ'লিনলৈ বিভাজন কৰিবলৈ সুবিধা হয়। ৰবৰৰ প্ৰধান উৎস হৈছে H. brasilensis আৰু ইয়াৰ পৰা বিশ্বৰ ১/৩ অংশ ৰবৰৰ উৎপাদন হয়। বাকী ২/৩ অংশ পেট্ৰ'লিয়াম কেঁচা দ্ৰব্যৰ পৰা পোৱা কৃত্ৰিম ইলাষ্টমাৰৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান পেট্ৰ'লিয়াম সংকটৰ বাবে কৃত্ৰিম ইলাষ্টমাৰ প্ৰস্তুত কৰা কঠিন হৈ পৰিছে। প্ৰাকৃতিক ৰবৰৰ নবীকৰণীয় উৎসবোৰৰ ভিতৰত compositae গোটৰ গুৱেয়ুল আৰু ৰাচিয়ান ডেনডেলিয়ন প্ৰধান। গুৱেয়ুল এবিধ জোপোহা গছ আৰু ইয়াৰ প্ৰত্যেকটো কোষৰ পৰা ৰবৰ পোৱা যায় বিশেষকৈ মূল আৰু কান্ডৰ কোষবোৰৰ পৰা বেছি উৎপাদন হয়। কিন্তু হিভিয়া ৰবৰ কেৱল কান্ডৰ পৰাহে পোৱা যায়। গুৱেয়ুল অব্যৱহৃত খৰাং, প্ৰায় খৰাং আৰু মৰুভূমি অঞ্চলত বেছিকৈ হয়। হিভিয়া আৰু গুৱেয়ুল ৰবৰৰ ৰাসায়নিক গঠন আৰু ভৌতিক ধৰ্ম একেই সেই বাবে গুৱেয়ুল ৰবৰৰ পৰাও বিভিন্ন শিল্পজাত সামগ্ৰী যেনে টায়াৰ ইত্যাদি প্ৰস্তুত হৈছে। গুৱেয়ুলৰ জীৱনকাল ৫০ বছৰ হোৱা বাবে এই উদ্ভিদক ৰবৰৰ সংৰক্ষিত ভান্ডাৰ হিচাপে গণ্য কৰা হয়। পেটেল (১৯৮১)ৰ এটা সমীক্ষাত প্ৰকাশ যে ভাৰতবৰ্ষত ১৯৮৫ চনত ৬৫ হাজাৰ টন প্ৰাকৃতিক ৰবৰ কম হ'ব আৰু ১৯৯০ চনত ১৭৬ হাজাৰ টন কম হ'ব যিটো হিভিয়া ৰবৰৰ পৰা পোৱা নাযাব। প্ৰাকৃতিক ৰবৰৰ ওপৰত নিৰ্ভৰ কৰিলেহে পেট্ৰ'লজাত সামগ্ৰীৰ পৰা কৃত্ৰিম ৰবৰৰ উৎপাদন কম কৰি পেট্ৰ'লজাত সামগ্ৰী ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰিব পৰা হ'ব। ভাৰতবৰ্ষৰ নিচিনা দেশত গুৱেয়ুল ৰবৰ হিভিয়া ৰবৰৰ এটা বিকল্প উৎস। ভাৰতবৰ্ষক ৰবৰৰ আত্মনিৰ্ভৰশীল কৰিবলৈ হলে ২৬০ হেজাৰ হেক্টৰ মাটিত গুৱেয়ুল ৰবৰৰ খেতি কৰিব লাগিব।

যুক্তৰাষ্ট্ৰৰ কেলভিন নামৰ এজন বিজ্ঞানীয়ে হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে কিয়নো এইবোৰ উদ্ভিদৰ পৰা ভৱিষ্যতৰ কৃত্ৰিম ইন্ধন আৰু ৰাসায়নিক কেঁচা দ্ৰব্য পোৱা যাব।

বুচানন নামে বিজ্ঞানীয়ে উদ্ভিদীয় আৰু পাদনৰসায়নীয় চৰিত্ৰ সমূহৰ তালিকা তৈয়াৰ কৰি যুক্তৰাষ্ট্ৰৰ উদ্ভিদ কুলত হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদৰ চিনাক্তকৰণ কৰিছে। এই উদ্ভিদবোৰৰ কিছুমান প্ৰয়োজনীয় প্ৰাচল হৈছে বৃদ্ধি আৰু বিকাশৰ অভ্যাস, শস্য হিচাপে অনুকূলনশীলতা, সহজভাবে খেতি কৰিব পৰা আৰু চপাব পৰা, তেল আৰু হাইড্ৰ'কাৰ্বন ভাগ, আঁহ (fibre), প্ৰটিন তথা শৰ্কৰাৰ পৰিমাণ। পেট্ৰলিয়ামজাত উদ্ভিদবোৰৰ হাইড্ৰ'কাৰ্বনবোৰৰ আণবিক ভাৰ ১০ হেজাৰ আৰু এইবোৰক বিভাজন কৰি গেছ'লিনলৈ পৰিবৰ্তন কৰিবলৈ সুবিধা হয়। এই ধৰণৰ উদ্ভিদবোৰ শক্তিৰ বিকল্প উৎস হিচাপে বৃদ্ধি কৰা হয় আৰু এইবোৰৰ পৰা প্ৰত্যক্ষ বা পৰোক্ষ ভাবে ৰাসায়নিক কেঁচা দ্ৰব্য পাব পাৰি যাক পুনৰ পৰিবৰ্তন কৰি তৰল ইন্ধন পোৱা যায়। এই জাতৰ উদ্ভিদবোৰৰ ভিতৰত ইউফৰবিয়া বৰ্গই প্ৰধান। নবেল পুৰস্কাৰ প্ৰাপ্ত কেলভিনৰ গৱেষণাই এই উদ্ভিদ বৰ্গ শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পৰাৰ উৎসাহজনক ফলাফল দিছে। ১৯৩৫-৩৬ চনত ইটালিয়ান বিজ্ঞানীসকলে E. abyssinica নামৰ উদ্ভিদৰ পৰা ইন্ধন তৈয়াৰ কৰিছিল।

১৯৭৮-৮০ চনৰ ভিতৰত কেলভিনে পেট্ৰশস্য হিচাপে গৱেষণা আৰম্ভ কৰি সম্ভাব্য কেঁচা সামগ্ৰীৰ পৰা পেট্ৰল জাতীয় পদাৰ্থ আৰু ইয়াৰ উৎপাদন, আহৰণ, বিভাজন আৰু শোধন কৰাৰ ওপৰত বহু মূল্যবান তথ্য প্ৰকাশ কৰিছে। কেলভিন আৰু তেওঁৰ সহযোগীসকলে Euphorbiaceae গোটৰ ইউফৰবিয়া বৰ্গৰ দুহেজাৰটা জাতি আছে বুলি কৈছে আৰু ইয়াৰে কিছুমানে সালোক সংশ্লেষণৰ দ্বাৰা $CO_2$ শৰ্কৰা জাতীয় পদাৰ্থলৈ ৰূপান্তৰ কৰাৰ পাছতো পুনৰ বিজাৰণ কৰি অন্য পদাৰ্থ তৈয়াৰ কৰে। তেওঁলোকে মাত্ৰ দুটা জাতৰ ওপৰত গুৰুত্ব দিছে – বৰ্ষজীৱী Euphorbia lathyris আৰু বহু বৰ্ষী E. tirucalli। প্ৰথম বিধ কালিফৰ্ণিয়া অঞ্চলৰ প্ৰধান তৃণক। নিমেথিৰ মতে এই উদ্ভিদে প্ৰতি হেক্টৰ মাটিত ২৫ টন জৈৱদম উৎপাদন কৰে। ই এবিধ জোপোহা গছ, গোটেই গছজোপা অ'ভেনত শুকোৱাই গুঁড়ি কৰা হয়। হেপ্টেন নিষ্কৰ্ষৰ প্ৰধান অংশ (৮৫%) যিখিনি কেঁচা দ্ৰব্যৰ কেৱল শতকৰা ৫ ভাগহে তেত্ৰা আৰু পেন্টা চাইক্লিক ট্ৰাই তাৰপিনয়ডৰে গঠিত। ৯৫ শতাংশ অৱশিষ্ট (residue) মিথানলৰ সৈতে নিষ্কৰ্ষণ কৰিলে অন্য ৩০ শতাংশ নিষ্কৰ্ষ

পোৱা যায়। ইয়াক ইথাৰ দ্ৰবনীয় সেউজীয়া ভাগ (৩ শতাংশ) আৰু পানীত দ্ৰবনীয় ৰংবিহীন ভাগৰ (২৭ শতাংশ) পৰা বেলেগ বেলেগ কৰা হয়। হেপ্টেন নিষ্কৰ্ষ আৰু ইথাৰ দ্ৰবনীয় ভাগ লগ লাগি ৮ শতাংশ তাৰপিনয়ড নিষ্কৰ্ষ গঠন কৰে। এই তাৰপিনয়ড নিষ্কৰ্ষবোৰ জিওলাইট অনুঘটক ব্যৱহাৰ কৰি মবিল গৱেষণা কেন্দ্ৰই যাতায়াত উপযোগী উচ্চ শ্ৰেণী ইন্ধনলৈ ৰূপান্তৰ কৰিছে। ইয়াৰ বাহিৰেও নিৰ্বাচনাত্মক জিওলাইট অনুঘটক ব্যৱহাৰ কৰি বিভিন্ন পদাৰ্থ যেনে –Triglyceride, polyisoprene আৰু মম তৈয়াৰ কৰিব পাৰি আৰু লগতে ৰাসায়নিক শিল্পৰ নানা ধৰণৰ পুনঃ যোগান সামগ্ৰী পোৱা হয়। পৰিবৰ্তন কৰা শতকৰা ৮৫ পদাৰ্থ ১০ শতাংশ প্ৰাকৃতিক গেছ আৰু ৭৫ শতাংশ গেছ'লিন জাতীয় পদাৰ্থ। ইয়াৰ উপৰি পানীত দ্ৰবনীয় অংশত ২০ শতাংশ সাধাৰণ শৰ্কৰা, ৪ শতাংশ এমিন' এচিদ আৰু ৩ শতাংশ অচিনাকি ফ্লেভনয়দ জাতীয় পদাৰ্থ থাকে। শৰ্কৰাক বিশুদ্ধ নকৰাকৈ কিন্বন (fermentation) কৰিব পাৰি। নিমেথিৰ মতে, জৈৱদম উৎপাদন হাৰ প্ৰতিবছৰে প্ৰতি হেক্টৰত ১০ টন (শুকান ওজনৰ ভিত্তিত) আৰু এই জৈৱদমৰ পৰা ৫.৩ বেৰেল অশোধিত নিষ্কৰ্ষ পোৱা যায় যাক সহজেই গেছ'লিনলৈ ৰূপান্তৰ কৰিব পাৰি। শক্তিৰ উৎস হিচাপে গোটেই পদ্ধতিটো অৰ্থনৈতিক দিশৰ পৰাও গ্ৰহণযোগ্য। চাকে (Sach) এই উদ্ভিদৰ শস্যতত্ত্বৰ ওপৰত গৱেষণা কৰি প্ৰকাশ কৰিছে যে ১ লাখ ৯০ হাজাৰ উদ্ভিদে প্ৰতি হেক্টৰ মাটিত পানী আৰু সাৰ যোগান ধৰাৰ পাছত ৭ মাহত ১৬.৩ৰ পৰা ১৯.৩ টন শুকান জৈৱদম উৎপাদন কৰে। প্ৰতি জোপা গছৰ অন্তৰ ৫ৰ পৰা ৭ চেন্টিমিটাৰ আৰু প্ৰতি শাৰীৰ দূৰত্ব ৩০ চেন্টিমিটাৰ। তেওঁ এই উদ্ভিদৰ কৃষি প্ৰণালী উদ্ভাৱন কৰিছে। চয়াবিন আৰু সূৰ্যমুখী ফুলৰ তুলনাত অৰ্থনৈতিকভাৱে এই উদ্ভিদ লাভবান নহয় তথাপিও শক্তিৰ বিকল্প উৎস হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই গছৰ আঠা বিষাক্ত আৰু co-carcinogenic পদাৰ্থ থকা বুলি প্ৰকাশ। অৱশ্যে কেলভিনৰ মতে ৯০ শতাংশ এনে পদাৰ্থ অ'ভেনত শুকোৱা অৱস্থাত জাৰণ হয়।

E. tirucalli কাঁইট নাইকিয়া এবিধ সিজু গছ, ভাৰতবৰ্ষত এই গছ ১৮১৪ চনৰ পৰাই থকাৰ কথা গম পোৱা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কালিফৰ্ণিয়া আৰু জাপানৰ আকিনাৱাত এই উদ্ভিদৰ খেতি কৰা হয়। এই জাত উদ্ভিদৰ পৰা পোৱা তেল আগত উল্লেখ কৰা জাতৰ পৰা পোৱা তেলৰ সৈতে একেই। ইয়াৰ পৰা ১০ বেৰেল অশোধিত তেল আৰু ২৫ টন লিগন চেলুল'জ পোৱা যায় (প্ৰতি হেক্টৰত)। Euphorbiaceae গোটৰ বাহিৰে হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদৰ অন্যান্য গোত্ৰবোৰ হৈছে Asclepiadaceae, Apocyanaceae, Sapotaeae Moraceae Convolvulaceae, Papaveraceae (এটা বৰ্গ) Amaryllidaceae (এটা বৰ্গ)। এই উদ্ভিদবোৰৰ সম্পূৰ্ণ জীৱনী, বৃদ্ধি আৰু বিকাশ, উৎপাদন ক্ষমতা, পোষণ গ্ৰহণ ক্ষমতা, বটানিকেল চৰিত্ৰ সমূহ আৰু কৃষি প্ৰণালী উদ্ভাৱন কৰিব লাগে।

পেট্ৰশস্য হিচাপে এই উদ্ভিদবোৰৰ উৎপাদন বৃদ্ধিৰ বিজ্ঞান সন্মত প্ৰচেষ্টা আৰু কৃষি অনুপযোগী মাটিত খেতি কৰিব পৰা প্ৰণালীৰ ওপৰত বিশদ গৱেষণাৰ প্ৰয়োজন। ভাৰতৰ জাতীয় উদ্ভিদ গৱেষণা প্ৰতিষ্ঠান আৰু ভাৰতীয় পেট্ৰলিয়াম প্ৰতিষ্ঠানে ৩৪৮টা হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদ জাতৰ চিনাক্তকৰণ কৰিছে আৰু প্ৰত্যেকৰে হাইড্ৰ'কাৰ্বনৰ পৰিমাণ, জৈৱদম (বায়' মাছ) উৎপাদন ক্ষমতা, সহজতে খেতি কৰিব পৰা গুণাগুণৰ ওপৰত অধ্যয়ন কৰিছে। বুচাননে (Buchanan etal, 1978) যুক্তৰাষ্ট্ৰৰ সম্ভাব্য জাতবোৰ চিনাক্তকৰণ কৰি Euphobia lathyrisক পেট্ৰশস্য হিচাপে প্ৰতিষ্ঠা কৰিছে। E. lathyrisৰ বিভিন্ন পৰিস্থিতিক প্ৰৰূপবোৰৰ (ecotype) হাইড্ৰ'কাৰ্বনৰ পৰিমাণ ২.১১% শৰ পৰা ৪.৪%শ লৈকে হয় (Nemetly etal, 1980)। অৱশ্যে প্ৰণালীবদ্ধ ভাৱে কৰ্ষণ কৰি E. lathyrisৰ হাইড্ৰ'কাৰ্বনৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যাব। উদ্ভিদ বিজ্ঞানীসকলে উৎপাদন, বৃদ্ধি আৰু বিকাশ; পাদন ৰসায়নবিদে (phytochemist) নিষ্কৰ্ষণ আৰু পেট্ৰলিয়াম ৰসায়নবিদে বিভাজন আৰু শোধনৰ ওপৰত যুটীয়াভাৱে গৱেষণা কৰা উচিত। অসমত Euphorbiaceae গোটৰ E. antiquorum, E. nerifolia, E. pulcherrima, E. nivulia, E. hypericifolia আদি জাত পোৱা যায়। মেঘালয়ত E. khasyana আৰু E. hirta পোৱা যায়।

হাইড্ৰ'কাৰ্বন জাতীয় পদাৰ্থ থকা Leguminosae গোটৰ Copaifera langsdorfii আৰু C. multijuga ব্ৰাজিলৰ আমাজন উপত্যকাত হোৱা তেল থকা উদ্ভিদ। এই উদ্ভিদবোৰৰ গাঢ় ৯০-১২০ চেঃ মিঃ মাটিৰ পৰা ৯০ চেঃ মিঃ উচ্চতাত এই গছৰ কাণ্ডত এটা ফুটা কৰি তেল উলিওৱা হয় আৰু ২-৩ ঘণ্টাৰ ভিতৰত ২০ লিটাৰ তেল পোৱা হয়। তেল ওলোৱা বন্ধ হোৱাৰ লগে লগেই কাঠৰ ঠিলাৰে ফুটাটো বন্ধ কৰি দিয়া হয় আৰু ৬ মাহৰ পাছত পুনৰ তেল উলিয়াবলৈ ফুটাটো খোলা হয়। এই তেলৰ ধৰ্ম চেচকুইটাৰপিন ধৰণৰ। বিভাজন কৰিলে E. lathyrisৰ দৰেই এৰ'মেটিক, ২৫ শতাংশ LPG, ৩-৪ শতাংশ কম আণবিক ভাৰৰ ইন্ধন গেছ আৰু ক'ক (coke) পোৱা যায় (Calvin 1980)। প্ৰতি একৰ মাটিৰ পৰা প্ৰত্যেক বছৰে ২৫ বেৰেল তেল পোৱা যাব বুলি ঠিৰাং কৰা হৈছে।

গাড়ীৰ ডিজেল ইঞ্জিনত পোনপটীয়া ভাৱে কোনো অনিষ্ট নোহোৱাকৈ এই তেল ব্যৱহাৰ কৰিব পাৰি। C. Coriacea, C. reticulataৰ পৰা বালচাম নিষ্কৰ্ষণ কৰি বাৰ্ণিচ আৰু সুগন্ধি বস্তু তৈয়াৰ কৰা হয়। ব্ৰাজিলত একে ধৰণৰ প্ৰায় ৪০০ বিধ উদ্ভিদৰ ওপৰত অধ্যয়ন চলি আছে। যিবোৰৰ পৰা হয়তো পেট্ৰ'ৰাসায়নিক শিল্পৰ কেঁচা দ্ৰব্য পোৱা যাব। Leguminosae গোটৰ Harderickia pinnataৰ ২.৫ মিটাৰ বেঢ়ৰ প্ৰতি জোপা গছৰ পৰা ১২-৪০ গেলন ৰেজিন পোৱা হয়। ইয়াৰ তেল কপেইফেৰা বৰ্গৰ তেলৰ সৈতে একেই আৰু ৪২-৪৭ শতাংশ চেচকুইটাৰপিন থাকে। ভাৰতবৰ্ষত Dipterocarpceae গোটৰ Diptero-carpas turbinatusৰ (Drury 1873) গা গছৰ পৰা ডাঠ জুলীয়া বালচাম পোৱা যায়। ইয়াক গৰজান বালচাম বা কাৰ্ণিন তেল বোলা হয়। Druryৰ মতে গছ জোপাৰ গুৰিৰ পৰা অলপ ওপৰত এটা ফুটা কৰি ১-২ ফুট ভিতৰলৈ খুলি দিয়া হয় আৰু গছজোপাৰ চাৰিওফালে জুই লগাই দিয়া হয়। তেলবোৰ জুইৰ তাপত গলি তললৈ আহে আৰু ফুটাই দি বাহিৰলৈ আহে আৰু পাত্ৰত ইয়াক সংগ্ৰহ কৰা হয়। এই কাম নবেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰী মাহৰ ভিতৰত কৰা হয়। এজোপা গছৰ পৰা প্ৰতি বছৰে গড় হিচাপে ১৮০ লিটাৰ তেল পোৱা যায় কিন্তু জুই দিয়া বাবে গছবোৰ ৩-৪ বছৰৰ পাছত মৰি যায় (Guenther 1952)। ইয়াৰ তেলটোও কপাইফেৰা তেলৰ সৈতে একেই আৰু চেচকুইটাৰপিনৰ দ্বাৰা-গঠিত। এই গছ অসমত গৰজান বা গৰজান কুৰাইল বুলি পৰিচিত আৰু অসমৰ হাবিত ইয়াক পোৱা যায়। এই অনুসৰি শিৱসাগৰ জিলাত কুৰালগুৰি নামৰ ঠাই আছে।

Myristacaceae গোটৰ Dialyan-thera otoba নামৰ উদ্ভিদৰ পৰাও তেল পোৱা যায় আৰু এই তেল ভাৰতবৰ্ষৰ কুনাবাসীসকলে জুলাবৰ বাবে ব্যৱহাৰ কৰে (Duke 1975)। তেওঁলোকে ১২টা টান গুটি একেলগে চিলাই কৰে আৰু প্ৰত্যেকটো ৫ মিনিটৰ বাবে জ্বলে। ডিউকৰ – কুনাভাৰতীয় সকলৰ বনজ নৃতত্ত্ব বিজ্ঞান (Ethnobotany) ভিত্তিক সমীক্ষাত প্ৰকাশ। Pittosporaceae গোটৰ Pittosporum resiniferum নামৰ উদ্ভিদৰ খোলাৰ মাজত থকা টান গুটি (Nut)ত তেল থাকে। এই তেল হাইড্ৰ'কাৰ্বন হেপ্টেনৰ দ্বাৰা গঠিত, ফিলিপাইনবাসীয়ে এই গুটি জ্বলাই ঘৰ পোহৰ কৰে। এক কিল'গ্ৰাম কেঁচা গুটিৰ পৰা ৭০ গ্ৰাম তেল পোৱা যায় আৰু ইয়াৰ পৰা ধোঁৱা ওলাই তথা ৩০০ ডিগ্ৰী চেঃ গ্ৰেঃ উষ্ণতা দিয়ে (Indian Express, Aug. 13, 1981)। তেলৰ অভাৱত নাহৰ গুটি জ্বলাই অসমত চাকিৰ কাম কৰাৰ দৃষ্টান্তও আছে। প্ৰণালীবদ্ধভাৱে নাহৰ গুটিৰ পৰা তেল উলিওৱাৰ বৈজ্ঞানিক প্ৰবন্ধও প্ৰকাশ হৈছে (Konwer and Baruah 1984)। শ্ৰীলংকাৰ Aburites molucana নামৰ উদ্ভিদৰ পৰা প্ৰচুৰ তেল উৎপাদন হয় আৰু এই তেল ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই গছৰ তেল শ্ৰীলংকাই শক্তিৰ বিকল্প উৎস হিচাপে ব্যৱহাৰ কৰিছে আৰু ক্ৰমান্বয়ে আত্মনিৰ্ভৰশীল হৈছে।

প্ৰতিজোপা গছৰ গুটি (Nut)ৰ পৰা এবছৰত ৫-১০ গেলন তেল প্ৰস্তুত হয়। ২ বছৰৰ ভিতৰতে এই গছ ২০ ফুট ডাঙৰ হয় আৰু গুটি লাগিবলৈ আৰম্ভ কৰে আৰু প্ৰতি জোপা গছৰ পৰা ২শ পাউণ্ড কাঠ ফল (Nut) উৎপাদন হয়। উদ্ভিদ বিজ্ঞানীসকলে এই গছৰ পৰা আগতেও তেল নিষ্কৰ্ষণ কৰি ৰন্ধন কাৰ্যত ব্যৱহাৰ কৰাৰ প্ৰমাণ দিছে (H. T. Sept. 10, 1981)।

সকলোবোৰ হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদৰ জনন দ্ৰব্য (Germ plasm) সংৰক্ষণ কৰাটো নিতান্ত আৱশ্যক। বিভিন্ন জাতৰ মাজত সংকৰণ ঘটাই সংকৰজ (hybrid) উদ্ভাৱন কৰিলে হাইড্ৰ'কাৰ্বনৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যাব। উদ্ভিদীয় আৰু ৰাসায়নিক চৰিত্ৰ সমূহ অধ্যয়ন কৰি প্ৰত্যেকবিধ হাইড্ৰ'কাৰ্বন জাতীয় উদ্ভিদৰ পৰা কেনে ধৰণে উপজাত দ্ৰব্য ব্যৱহাৰ কৰিব পাৰি তাৰ বিশদ গৱেষণা বিজ্ঞানী সকলে হাতত লোৱাৰ উপযুক্ত সময় আহি পৰিছে। কুৰি শতিকাৰ শেষত এনে ধৰণৰ প্ৰযুক্তি বিদ্যা উদ্ভাৱন হ'ব বুলি আশা কৰা গৈছে (Reed, 1976) যি সময়ত উদ্ভিৰ পৰা কৃত্ৰিম ইন্ধন মিথানল, মিথেন, ইথানল, ইথেন; গেছ'লিন ইত্যাদি পোৱা যাব। এনেধৰণৰ প্ৰযুক্তি বিদ্যা উদ্ভাৱনৰ লগে লগে উন্নয়নশীল দেশবোৰত কিছু আৰ্থসামাজিক পৰিবৰ্তনৰ সমস্যাইও দেখা দিব (Delucia and Bhatia, 1980)। সূ

## বেচেৰী ছোৱালীজনী !

এজনী সুন্দৰী ফৰাচী গাভৰু আমেৰিকালৈ ফুৰিবলৈ আহিছিল । ঠিক যি সময়তে তাইৰ ভিছা অৰ্থাৎ আমেৰিকাত থকাৰ অনুমতিৰ মিয়াদ শেষ হ'ল, সেই সময়তে ছোৱালীজনীৰ ধনৰ মোনাও উদং হ'ল । স্বদেশলৈ কেনেকৈ ঘূৰি যোৱা যায় সেই চিন্তাতে ছোৱালীজনী বাউলী হ'ল ।

এই অৱস্থাতে এটা ডেকা আমেৰিকান নাবিকৰ লগত তাইৰ ভেটাভেটি হ'ল । ছোৱালীজনীৰ নিৰুপায় অৱস্থাৰ কথা শুনি নাবিক ডেকাটিয়ে তাইক খুব সহানুভূতি দেখুৱাই এটা প্ৰস্তাৱ দিলে । ডেকাই তাইক ক'লে – 'আজি আমাৰ জাহাজ ফ্ৰান্সলৈ বুলি ৰাওনা কৰিব । মই তোমাক চোৰাংকৈ জাহাজত তুলি মোৰ শোৱা খাটৰ তলত লুকুৱাই থম । মই তোমাক তলত পাৰি ল'বলৈ এখন তুলী দিম, গাত ল'বলৈ এখন কম্বল দিম, আৰু আনে নেদেখাকৈ দুই বেলাৰ আহাৰ আনি দিম । এই সকলোবোৰৰ বিনিময়ত তুমি মোক দিব লাগিব কেৱল অলপ মৰম ।'

এই প্ৰস্তাৱত ছোৱালীজনী ৰাজী হ'ল । কাৰণ ৰাজী নহৈ তাইৰ উপায় নাছিল । সেইদিনা ৰাতিয়েই ডেকা নাবিকটোৱে ছোৱালীজনীক জাহাজলৈ লৈ গ'ল । দিনত দুবাৰকৈ সি আনৰ চকুত ধুলি দি খোৱা বস্তুৰ কাঁহী এখন লৈ বিছনাৰ তলত সোমায় । ছোৱালীজনীয়ে আহাৰ খায় । সি ছোৱালীজনীৰ মৰম খায় । তাৰ পিছত সি নিজৰ কামলৈ গুচি যায় । ছোৱালীজনীয়ে দিনে-ৰাতিয়ে শুই শুই নিজৰ ঘৰৰ স্বপ্ন দেখে ।

এনেকৈ দিনবোৰ পাৰ হৈ সপ্তাহত পৰিণত হ'ল, সপ্তাহবোৰে মাহৰ ৰূপ ল'লে । ছোৱালীজনী অতি আচৰিত হ'ল । ফ্ৰান্স পাবলৈ আৰু কিমান দিন বাকী ! এই কাণ্ড আৰু কিমানদিন চলি থাকিলেহেঁতেন তাৰ ঠিক নাই – যদিহে এদিন ঘটনা-ক্ৰমে জাহাজত কেপ্টেইনজনে আহাৰ-ভৰ্তি কাঁহীখন লৈ যোৱা অৱস্থাত ডেকা নাবিকটোক লক্ষ্য নকৰিলেহেঁতেন । ডেকাটোৱেনো কাৰ কাৰণে খোৱা বস্তু লৈ গৈছে সেই কথা জানিবলৈ কেপ্টেইনজনে মনে মনে তাক অনুসৰন কৰিলে । বিছনাৰ তলত ডেকা-গাভৰুহালৰ মাজত চলা প্ৰেম-লীলা শেষ হ'বলৈ তেওঁ ধৈৰ্য ধৰি অপেক্ষা কৰি ৰ'ল । ডেকা নাবিকটোৱে বিদায় লোৱাৰ পিছত কেপ্টেইনে ছোৱালীজনীৰ সন্মুখত থিয় হৈ গোটেই ঘটনাটোৰ এটা ব্যাখ্যা বিচাৰিলে । ছোৱালীজনীয়েও একো কথা গোপন নকৰি গোটেই ঘটনাটো বিবৰি ক'লে ।

ছোৱালীজনীৰ কথা শুনি কেপ্টেইনৰ চকু ঠৰ লাগিল । বহুত পৰৰ মূৰত তেওঁ মাত লগালে – 'শ্ৰীমানৰ বুদ্ধিৰ প্ৰশংসা নকৰি নোৱাৰো । পিছে সোণজনী, তোমাকতো এতিয়া মই এই কথা ক'বই লাগিব যে এইখন ফ্ৰান্সলৈ যোৱা সমুদ্ৰ-গামী জাহাজ নহয়; এইখন হ'ল আমেৰিকাৰ ষ্টেটেন দ্বীপমালাৰ দুটা দ্বীপৰ মাজত মানুহ পাৰাপাৰ কৰা পাৰ-জাহাজহে । আজি মই ঘটনাটো ধৰা নেপেলোৱাহ'লে তুমি দুটা দ্বীপৰ মাজত পাৰাপাৰ কৰিয়েই বছৰৰ পিছত বছৰ পাৰ কৰি দিব লগা হ'লহেঁতেন !'

— *প্লে-বয়*

# ১৮ বছৰ পিছত পুলক গগৈৰ হাতত পুনৰ তুলিকা


হেমন্ত বৰ্মন

চিত্ৰকলাক বৃত্তি হিচাপে লৈ তাৰ নিৰলস সাধনা কৰি যোৱাতো অসমত তেনেই উজু নহয়। কেৱল কলম চলাই জীৱিকা নিৰ্বাহো নহয় সহজসাধ্য। আধুনিক চিত্ৰকলাৰ ক্ষেত্ৰত অসম এক ঐতিহ্যৰ গৰাকী হলেও আজিও একান্তভাৱে চিত্ৰকলাৰ সাধনা সম্ভৱ নহয়। বহু চিত্ৰকৰে পৰম আগ্ৰহেৰে তুলিকা হাতত তুলি লৈ আদবাটতে সামৰি থোৱাৰ উদাহৰণ বিচাৰিলে ভালেমান পোৱা যাব।

সামৰি থোৱা তুলিকা পুণৰ হাতত তুলি লোৱাৰ ব্যতিক্ৰম ধৰ্মী উদাহৰণো বিৰল নহয়। শিল্পী পুলক গগৈয়ে যোৱা ১৮ বছৰে তুলিকা তোলা নাছিল। চিত্ৰপ্ৰেমী, শিল্পপ্ৰাণ ব্যক্তিৰ বাবে অতি আনন্দৰ সংবাদ যে প্ৰবীন শিল্পীগৰাকীয়ে জীৱন , জীৱিকাৰ বিভিন্ন ক্ষেত্ৰ বিচৰণ কৰাৰ শেহত পুনৰ কেনভাছত মুৰ্ত কৰি তুলিছে নিজ ভাৱনা। "তুলিকা হাতত লৈ কিবা জঠৰতা আহিছিল। কিন্তু দুই এদিনতে সকলো ঠিক হৈ গ'ল। সেই যে দেখিছে গুৱাহাটীৰ পাহাৰৰ লেণ্ডস্কেপখন কালি আঁকি শেষ কৰিলো। ছবি অঁকাৰ হেঁপাহ পুনৰ মনৰ মাজত গুজৰি গুমৰি উঠিছে।" এয়া শিল্পী গগৈৰ কথা। চিত্ৰ পৰিচালক, কাৰ্টুনিষ্ট, প্ৰথম অসমীয়া "কাৰ্টুন" আলোচনীৰ সম্পাদক, একালৰ অসম চৰকাৰৰ "জনসংযোগ" বিভাগৰ চাকৰিয়াল গগৈ আধুনিক অসমীয়া চিত্ৰকৰ সকলৰ এজন।



পুলক গগৈৰ অংকিত এখনি নৈসৰ্গিক চিত্ৰ



বিহু : পুলক গগৈ

গগৈৰ আগৰ সকলোবোৰ চিত্ৰ দেখাৰ সুবিধা হোৱা নাই যদিও আগৰ তুলনাত তেওঁৰ চিত্ৰ সজীৱ , বৰ্ণেৰে সতেজ আৰু অংকন ৰীতিৰ ফালৰ পৰা সহজ। জীৱন আৰু সমাজ সম্পৰ্কে হয়তো অন্তৰ্নিহিত একোটা statement নথকা নহয়। "ৰেড্ চাইল্ড" চিৰিজৰ তিনিখন চিত্ৰৰ এখন "আইৰ কোলাত" কেনভাছৰ প্ৰায় অৰ্ধেক আবৰি আছে তেজৰঙা ৰঙো আনকি মাতৃৰ মুখায়বৰ গৰা জঠৰ পৰ্যন্ত ৰঙা ৰঙ। সেই ৰঙৰ কোলাতে শুই আছে সন্তান। "ৰেড চাইল্ড" প্ৰতিবাদৰ প্ৰতীক। কেনভাছত ৰঙা ৰঙৰ নিয়ন্ত্ৰণত শিল্পীৰ দক্ষতাৰ প্ৰয়োজন।

বিহুৰ উন্মাদনাৰে আন এখন কেনভাছ আউল বাউল, বিহুৱাৰ লগে লগে প্ৰকৃতিয়ো নাচিছে। যেন পৃথিৱীয়েই নৃত্যৰতা। যোৱাবছৰ আৰু এই বছৰৰ আৰম্ভণিতে গগৈয়ে ভালেমান ছবি আঁকিছে তাৰ ভালেকেইখন মনোমোহা লেণ্ডস্কেপৰ। কোনোখনত কৈশোৰৰ উন্মাদনা প্ৰকৃতিৰ লগত একাকাৰ হৈ পৰিছে। কোনোখন বড়ো দাৱনীৰ কৰ্মচঞ্চলতাৰে উজ্জ্বল। ধাননিৰ সোণালী ৰঙ সুদূৰ নীলাৰ লগত ক্ৰমে বিনীয়মান হৈছে।

বৰ্ণৰ উজ্জ্বলতা গগৈৰ এইবাৰ ছবিখনৰ আন এক বৈশিষ্ট। বৰ্ণৰ তীব্ৰতাৰ সংহতিয়ে সৃষ্টিক কিদৰে নন্দন গ্ৰাহ্য কৰি তুলিব পাৰে এম এফ হুছেইনৰ যাদুকাৰী তুলিকা তাৰ প্ৰমাণ। গগৈৰ চিত্ৰত বৰ্ণৰ প্ৰাচুৰ্যই দৃষ্টিক আমনি কৰা নাই বৰং আনন্দহে দিছে।

বৰ্ণৰ এই প্ৰাচুৰ্য গগৈৰ জীৱনমুখী পৰিপূৰ্ণতাৰে প্ৰতিফলন নেকি ? "বুইছে আমাৰ পুৰণি ধ্যাণ ধাৰণা আতৰাবৰ হ'ল। শিল্পী যে ডাল দৰিদ্ৰ হব লাগিব তাৰ কোনো অৰ্থ নাই। বৰং ই সাধনাৰ অন্তৰায়হে। মই ভাবো শিল্পী চহকী হলেহে সুবিধা।" গগৈৰ তাৎপৰ্যপূৰ্ণ কথাষাৰৰ দৰে জীৱনৰ তালে তালে তেওঁৰ শিল্প সাধনায়ো পৰিপূৰ্ণতাৰ স্বাক্ষৰ কঢ়িয়াওক।

প্ৰবীণ শিল্পী পুলক গগৈৰ হাতত পুনৰ তুলিকা – নিঃসন্দেহে সকলোৰে বাবে সুখবৰ।

## সাংস্কৃতিক সঞ্চালকালয়ৰ শিল্প প্ৰয়াস, ৰাজহুৱা ধন ইত্যাদি

চিত্ৰ প্ৰদৰ্শনী পতাত সাংস্কৃতিক সঞ্চালকালয়ে দেখুৱা আগ্ৰহ আৰু বদান্যতা শলাগিবলগীয়া। যিয়ে চিত্ৰ, ভাস্কৰ্য, ফটোগ্ৰাফীৰ প্ৰদৰ্শনী পতাৰ বাবে সঞ্চালকালয়ৰ ওচৰ চাপে তেওঁ সাধাৰণতে বিমুখ হব নালাগে। কাৰণ চিত্ৰ প্ৰদৰ্শনীৰ বাবে অনুদান আগবঢ়োৱাৰ ক্ষেত্ৰত এই চৰকাৰী বিভাগটোৰ কোনো নীতি থকাৰ উমান আজিলৈ পোৱা নাই। অসমৰ বৰেণ্য শিল্পী শোভা ব্ৰহ্মই হওক বা আৰ্ট স্কুলৰ কোনো প্ৰথম বাৰ্ষিকৰ ছাত্ৰই হওক – সকলোৰে বাবে এই অনুদানৰ ব্যৱস্থা একেই। চিত্ৰৰ মান, চিত্ৰকৰৰ অভিজ্ঞতা অৱদান – এনেবোৰ প্ৰশ্ন প্ৰদৰ্শনী পতাৰ বাবে প্ৰয়োজনীয় নহয়। অসমত চিত্ৰ ভাস্কৰ্যৰ দৰ্শক তেনেই তাকৰ। প্ৰদৰ্শনীৰ ব্যৱস্থাৰ ক্ষেত্ৰত এমুঠিমান দৰ্শকৰ কথাও ভবা নহয়। নিৰ্দ্দিষ্টমানৰ শিল্প প্ৰদৰ্শনীৰ জৰিয়তেহে যে নতুন নতুন দৰ্শকক আকৃষ্ট কৰিব পাৰি তাৰ কোনো ব্যৱস্থা নাই। সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰয়োজনেই বা কিয় – যদি এনে এক চৰকাৰী বিভাগে আমাৰ সাংস্কৃতিক পৰিবেশ সলনি কৰাত বা কলা সংস্কৃতিৰ উৎকৰ্ষ সধাত তিলমানো অৱদান যোগাব নোৱাৰে। আৰ্ট গেলেৰীলৈ সুদীৰ্ঘ দিন দৰ্শক হিচাপে আহ যাহ কৰি আমাৰ অনুভৱ হৈছে যে চিত্ৰ বা শিল্পৰ মান প্ৰদৰ্শনীৰ বাবে প্ৰয়োজনীয় দিশ নহয়। প্ৰদৰ্শনী পাতিব লাগে পতা হৈছে। ৰাজহুৱা ধন বিনা বিচাৰে খৰচ কৰা হৈছে।

(এনে প্ৰচেষ্টাৰে শিল্প সংস্কৃতিৰ উন্নয়ন বা বিকাশ একোৱেই সম্ভৱ নহয়। প্ৰদৰ্শনীৰ ক্ষেত্ৰত শিকাৰু শিল্পীৰ প্ৰদৰ্শনীৰ সংখ্যাই সৰহ। প্ৰবীণ শিল্পী সকলৰ যোগদান তেনেই সীমিত। সঞ্চালকালয়ে প্ৰধান শিল্পীসকলক বছৰত এবাৰকৈ হলেও তেওঁলোকৰ শিল্পকৰ্ম প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ জনোৱাই নহয় বিভিন্ন উপায়ে আকৃষ্ট কৰাৰো ব্যৱস্থা থাকিব লাগে। ছাত্ৰ শিল্পী সকলক নিৰুৎসাহিত কৰাৰ কথা আমি কব খোজা নাই। বৰঞ্চ আমাৰ চিত্ৰ কলাৰ ভবিষ্যত তেওঁলোকেই। শিল্প ৰীতি, জিজ্ঞাসা আৰু নন্দন তত্বৰ মন্থিত ৰূপে তেওঁলোকৰ সৃষ্টি সমৃদ্ধ কৰক – আমি তাকেই কামনা কৰোঁ। কেৱল প্ৰদৰ্শনীয়েই শেষ কথা নহয়। বিচাৰ বিবেচনাহীন প্ৰদৰ্শনীয়ে কাৰো উপকাৰ নকৰে। সাময়িকভাবে তথ্য-অভাৱী সংবাদপত্ৰত শিৰোনামা দখল কৰিলেও – নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ পথ তেনেই চমু নহয়। শিল্প কলা সাধনাৰ চমুপথ নাই।

আৰ্ট গেলেৰীত প্ৰদৰ্শনীৰ আয়োজন কৰা এগৰাকী শিকাৰু শিল্পীৰ কথা আজিও পাহৰিব পৰা নাই। তেওঁৰ দৃষ্টি ভঙ্গীৰ বলিষ্ঠতাৰ বাবে। প্ৰায় এক / ডেৰ বছৰ আগতে ৰশ্মি দুৱৰাই আয়োজন কৰা প্ৰদৰ্শনী সঞ্চালকালয়ৰ সৌজন্যত হোৱা নাছিল। কৌতুহলী হৈ আমি ১৬ বছৰীয়া ৰশ্মিক সোধাত উত্তৰ দিছিল। "এইখন মোৰ প্ৰথম প্ৰদৰ্শনী। মই ছবি আঁকিবলৈ আৰম্ভহে কৰিছো সেয়ে সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতা বিচৰা নাই। মোৰ সৃষ্টিক দৰ্শকে কিদৰে গ্ৰহণ কৰে সেয়া মোৰ বাবে মূল কথা।" ৰশ্মিৰ কথা এই শিতানতে প্ৰকাশ পাইছিল।

এনে আত্ম জিজ্ঞাসা প্ৰতিগৰাকী শিকাৰু শিল্পীৰে হোৱা উচিত। আৰু উচিত সঞ্চালকালয়ে প্ৰদৰ্শনীৰ আয়োজন কৰাৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট এক নীতি অনুসৰণ কৰা, শিল্পী-ভাস্কৰ সকলক অনুপ্ৰাণিত কৰাৰ বাবে বহল দৃষ্টিভঙ্গীৰে আগবাঢ়ি অহা।

শিল্পী, শিল্পৰসিক আৰু ৰসগ্ৰাহী সাধাৰণ দৰ্শকৰ কথা পাহৰি গতানুগতিক ভাবে ধনৰ টোপোলা আগবঢ়াই শিল্প কলাৰ শ্ৰী বৃদ্ধি সম্ভৱ নহয়। উঠি অহা চামক নতুন পথৰ সন্ধান দিয়াৰ সলনি তেওঁলোকক প্ৰচাৰ মাধ্যমৰ চিকাৰ হবলৈ এৰি দিয়াটো কোনো চৰকাৰী -বিভাগ বা বেচৰকাৰী প্ৰতিষ্ঠানৰ উদ্দেশ্য হব নোৱাৰে। আমাৰ সংস্কৃতিৰ কৰ্মকৰ্তা সকলে কথাটো টং কৰিলে ভাল। স

## সীমা

কিছুদিনৰ কাৰণে খুৰাক ভতিজাকৰ ঘৰলৈ ফুৰিবলৈ আহিছে। কেইদিনমান যোৱাৰ পিছত ভতিজাকে তেওঁৰ এজন বন্ধুৰ ওচৰত খুৰাকৰ বিৰুদ্ধে আপত্তি কৰিছে – 'তেওঁ মোৰ কোট-কামিজ পিন্ধি ঘুৰি ফুৰে। মই আপত্তি কৰা নাই। মোৰ ভালৰো ভাল দামী চিগাৰবোৰ তেওঁ মোক নোসোধাকৈ খায়। মই আপত্তি কৰা নাই। মোৰ হুইস্কি খাই তেওঁ শেষ কৰিছে। মই আপত্তি কৰা নাই। মই মোৰ গাড়ীখন আজিকালি ব্যৱহাৰ কৰিবলৈ নাপাওঁৱেই; সদায় তেওঁ চলাই লৈ ফুৰে। মই আনকি তাতো আপত্তি কৰা নাই। কিন্তু তেওঁ যেতিয়া ৰাতিৰ আহাৰ খাবলৈ বহি মোৰ দাঁতযোৰকে পিন্ধি মোৰ ফালে চাই ঢেকঢেকাই হাঁহি থাকে, তেতিয়ানো বাৰু মই কেনেকৈ সহ্য কৰি থাকো কোৱাচোন !'

# পলায়ন

চন্দ্ৰধৰ চমুৱা

মই দৌৰিছো। কিয় দৌৰিছো নিজেই স্পষ্টকৈ ক'ব নোৱাৰো। হয়তো ভয়ত, হয়তো লাজত, হয়তো নিজৰ পৰা নিজকে গোপন কৰাৰ অৰ্থে। যদি ভয়ত দৌৰিছো সেই ভয় কালৈ? এতিয়া চকুৰে দেখালৈকেতো কোনো নাই! চতুৰ্দিশ জনশূন্য। হয়তো এই ভয় নিৰ্জনতাৰ ভূতৰ ভয়। যদি কওঁ যে মই মোলৈকে ভয় কৰিছো, সিও এটা ভূত। আৰু যদি লাজত দৌৰিছো বুলি কওঁ তেন্তে মই বলিয়া হৈছো। লাজ কাৰ বাবে? কোনোবা যদি কাষত আছে সেইটো ময়েই। ......



এতিয়াতো বহু দূৰ পালোহি! তাইক মই সেই পদুলিতে লগ পাই আহিছো। উন্মুক্ত কেশ, শেঁতা মুখ, অথচ কি তীব্ৰ চাৱনি! গা-মন অৱশ কৰি তোল সেই চাৱনি! শত প্ৰশ্নৰ আবেশে থকা-সৰকা কৰা এখন বীভৎস মুখ। তাৰ এটা প্ৰশ্নৰ উত্তৰো মোৰ কাষত নাই। মই তাইৰ দৃষ্টিৰ পৰা যিমান সোনকালে আঁৰ হ'ব পাৰো সিমানে যেন মোৰ বাবে মংগলজনক।

দৌৰি আছো। এয়া পাৰঘাটলৈ যোৱা বাটত উঠিছোহি। জনশূন্য ঠাই। দুকাষে দুডৰা জাপানী বন। আনকালে এই বাটত বহু মানুহক লগ পোৱা যায়। আজি বাধাহীন, নিষ্কন্টক অথচ ভয় লগা এটা বাট!

প্ৰায় এবছৰৰ আগতে খোজেৰে জীৱন্ত এই বাটতে প্ৰথমে মই তাইক লগ পাইছিলো। মানে এনেয়ে দেখিছিলো। এই বাটেদিয়ে তাই পথাৰলৈ অহা যোৱা কৰিছিল, লগত তাইৰ বাৰ কি চৈধ্য বছৰীয়া ভায়েকটো। এতিয়া তীৰ্যক গতিত সেই ছবিখনে চকুৰ ভিতৰৰ তন্ত্ৰীবোৰত যেন তীব্ৰ কঁপনি তুলি আছে।

মই ৰ'ব পৰা নাই। সৌখন চাহ-দোকান। তাৰ কাষেদিয়ে মই সৌফালে যাব লাগিব। উদং চৌহদটো আৰু বন্ধ দুৱাৰেৰে খেৰী ঘৰটো থিয় হৈ আছে। বাৰান্দাত সেইবোৰ গোবৰ। ফুলনিখন টকলা হৈ আছে। জেওৰাবোৰ কোনোবাই উঠাই নিছে। আৰু ঘৰটোৰ ভিতৰত যদি এতিয়াও কোনোবা লুকাই আছে? থাকিলেও থাকক। এতিয়া ভয় কাৰ বাবে? যাৰ ভয়ত দৌৰিছো তাৰ বাহিৰে মোৰ কালৈকো ভয় নাই।

এইখন ঘাটৰ চাহ-দোকান। আগতে ইয়াত পুৱাবেলা এপাক দিয়াটো মোৰ নিয়ম আছিল। আবেলি নদীৰ পাৰৰ দূবৰিৰ ওপৰত বহি সমুখত চেচ্‌ব'ৰ্ড আৰু তাছপাত লৈ সমনীয়াৰে আড্ডা। খেলাত বহিলেও "বহো তাঁতৰ পাতত চকু আলি বাটত" হোৱাৰ দৰে অৱস্থা। চকু মোৰ ঘনাই নদীৰ পাৰলৈ: সিহঁত দুটা কেতিয়াকৈ আহে, ঘাটেদি কেতিয়াকৈ পাৰ হয়। অৱশেষত সিহঁত আহে, ঘাট পাৰ হয় আৰু নিৰ্বিকাৰ ভাবে কাষেদি পাৰ হৈ যায়। এটি কটাক্ষৰ বাবেও যেন তাইৰ ভাব-লেখ কিম্বা অৱসৰ নাই! প্ৰতীক্ষামান অন্তৰৰ বাবে এই শূন্যতা কিমান যে বেদনাদায়ক! লগৰ কেইটাই কেনেবাকৈ ইয়াৰ উমান পাইছিল নেকি? আৰু যদি পাইছিল তেন্তে বাৰু মোক কি বুলি ভাবিছিল?

পুৱা যেন আপোনা আপুনি মোৰ ভৰি দুখন এই ঘাটৰ ফালে আগবাঢ়ে। তেনেকৈ হয়তো আবেলিও। পুৱাৰ কোমল ৰ'দত তাইৰ কমনীয় মুখ, উজ্জ্বল খোপাবন্ধন, তৰংগায়িত দেহৰ উদ্দাম গতি। অপৰাহ্নৰ ক্লান্তিয়ে তাৰে কিছু কাঢ়ি নিলেও এটা সুকীয়া কমনীয়তা দান কৰি যায়। বেলিৰ তাপ আৰু বৰষুণৰ টোপালে নিকা কৰা তাইৰ গাল-মুখত গোলাপৰ ৰং নেথাকিলেও ভাষাৰে বুজাব নোৱৰা আন কিবা এটা তাইত আছে। সেয়েহে .....।

মই যেন আজি বৰ্ণনাবিহীন সত্তা! দৌৰিছো।

আৰু তাই?

সেইখন জানো তাইৰ মুখ হয়? মনত পেলাবলৈ চেষ্টা কৰিছো; ক'তা মনতেই নপৰে দেখোন।

তাই কাহানিবা অন্তৰৰ কিবা আবেদন.. ..........নাই নহয়, কিবা সঁহাৰিৰে মোক কিবা এষাৰ কোৱাৰ কথা মোৰ দেখোন মনত পৰা নাই। অৱশ্যে তাই মোৰ জাতিৰ বা গোষ্ঠীৰ নহয়। কথা পাতিবলৈ দুবাৰকৈ সুযোগ বিচাৰি বিফল হৈছিলো। কাৰো ফালে আজৰি নোহোৱাকৈ তাই যেন ব্যস্ত। হয়তো আন কোনো আত্মসচেতন সুন্দৰী নাৰীৰ দৰে গৰ্বিতা এই নাৰী। মনত সংকল্প আছিল: মোক সম্বোধি কথা ক'বলৈ তাইক বাধ্য কৰাম।

সেইদিনা ঘাটৈজনক সুধিছিলো: হলিৰাম ককাই, সেই ল'ৰাটোৰ লগত এই পিনেদি নিতৌ অহা যোৱা কৰা ছোৱালীজনী কোন অ'?

হলিৰামে মুখ টিপি হাঁহিছিল। তাৰ পিছত কৈছিল: গৌৰী।

: তই যে মুখ টিপি হাঁহিছ, কিনো ডাঙৰ কথাটো হ'ল অ'? – মই ক'লো।

: ডাঙৰ কথাটো হৈছে বুলিনো কোনে ক'লে? – সি কপালৰ গাঁঠি থুপাই কৈছিল।

: গৌৰী আচলতে মোৰ আগৰ পৰা চিনাকি। তোক এনেয়েহে সুধিলো। – ফাকি এটা মাৰি তাক ক'লো। তাৰ পিছত মাতটো ডাঙৰ কৰি পুনৰ ক'লো: আজি আবেলি তাইক মই পাৰ কৰি আনিম। তাইৰ লগত কথা এটা আছে।

সি পুনৰ অৰ্থব্যঞ্জক ভাবে হাঁহিছিল আৰু মূৰ দুপিয়াইছিল।

সেই ঘাটটো জানো এইটোৱেই নহয়? ইয়াৰ কবিতা কবিতা গোন্ধ থকা দূবৰি ডৰা, মানুহৰ হাঁহি-খিকিন্দালিৰে উপচি থকা বাংময় পাৰটো আজি আচহুৱা আচহুৱা লাগিছে! জনপ্ৰাণী থকাৰ ইংগিত কেনিও নাই।

আচলতে মই যে গৌৰীক মনে মনে ভাল পাইছিলো তাৰ সম্ভেদ লগৰীয়াবোৰক দিবলৈ লাজ কৰিছিলো। লগতে আছিল অন্যান্য সংকোচবোধ। তাইৰ জাতি বেলেগ, সংস্কৃতি বেলেগ, আৰু ...........।

কলেজ খোলাৰ দিন। খেলাৰ সংগীবোৰ দিহাদিহি গ'ল। আবেলিটো কটাবলৈ লগ নাই। কিতাপ-আলোচনীৰ লগটোকে লৈছিলো, কিন্তু সিহঁতে কিমান লগ দিব? খেতি-পথাৰৰ কাম অৱশ্যে প্ৰায়ে থাকে। সেই বুলি তাততো অনবৰত লাগি থাকিব নোৱাৰি! আৰু বিশেষকৈ সেই দিনা পথাৰৰ কামতো মন বহা নাছিল। হলিৰামৰ লগত কৰা সেই বন্দবস্তিটোৱে মনটো উৰুৱাই আনিছিল ঘাটৰ ফালে। বহাগ নৌ আহোতেই মন বহাগৰ কমোৱা তুলা হৈ উৰিল।

এই ডৰাই সেই দূবৰি ডৰা। দৌৰি আহি ইয়াত গচক দিছোহি। সেই দিনাও ঠাইখন উকা হৈ আছিল। ঠিক এইখিনিতে খন্তেক বহি ৰৈছিলো। চাহ-দোকানৰ বাৰান্দাৰ চাংখনত হলিৰাম দীঘল দি পৰি আছিল। কেইদিনমানৰ আগৰ পৰা দোকানখন বন্ধ হৈ আছিল। ওচৰতে অশান্তি এটা আছিল, সংঘৰ্ষত সাতজন লোক আহত হোৱাৰ পাছত ঠাইখনৰ আগৰ প্ৰাণ-প্ৰাচুৰ্যও যেন নাইকিয়া হ'ল। অশান্তিয়ে উক দিলে কেনেবাকৈ জড়িত হৈ পৰাৰ ভয়ত মালিকে দোকান কিছুদিনলৈ বন্ধ ৰাখিছিল। সেই দিনা মই দূবৰি বনৰ ওপৰত বহি মাজে মাজে নদীৰ সিপাৰলৈ চাই আছিলো। কোনোবা আহিলে হলিৰামক মাত লগাওঁ। সি হয়তো খৰমৰকৈ উঠি গামোচাৰে মুখ মোহাৰি জেপৰ পৰা বিড়ি এটা উলিয়াই জ্বলাই লয় আৰু তাৰ পাছত গহীন খোজেৰে নাৱৰ ফালে যায়। যেন এজাৰ গুৰি ঘাটত হলিৰামতকৈ ডাঙৰ মানুহ নাই।

: তই অলপ শুব খুজিছ যদি শুই থাক। মোৰ নাও বাবলৈ বৰ মন গৈছে অ'। সৰুতে যে কিমান নাও খেলাইছিলো! – হলিৰামক মই কৈছিলো আৰু সি মান্তি হৈছিল। ...

মই দৌৰি আছো আৰু নিৰৱচ্ছিন্ন স্মৃতিবোৰ যেন যাদু খেলৰ ৰঙীন কাগজৰ লেজু। সৌখন ঘাটৰ নাও, পাৰত বান্ধি থোৱা আছে। পাৰ হবলৈ আজি কোনো নাই, ঘাটৈৰ চাংখনো উদং। সৌখন নাৱতে তিনিবাৰমান অন্য মানুহ পাৰ কৰাৰ পাছত সিপাৰত কিছুপৰ ৰৈছিলো। অৱশেষত গৌৰীহঁত আহিছিল। মই সিহঁতক নেদেখাৰ ভাও জুৰি পাছফাল দি টিঙত বহি ৰৈছিলো। গুণগুণাই গাই আছিলো: 'তোমালৈ চাওঁতে জপনা দেওঁতে ফুটিলে অঘেয়া হুলে, তোমাৰ মনে গ'লে মোৰে মনে গ'লে কি কৰিব অজাতি কুলে।" মই অনুভৱ কৰিছিলো গৌৰীহঁত মোৰ পৰা তিনি মিটাৰমান দূৰত পিছফালে পানী ঘূঁৱলিত থিয় হৈ আছিল। অৱশেষত তাই মাত লগালে: 'ককাইদেউ!" মই তাইৰ মুখলৈ চালো। তাই ঋজু দৃষ্টি ৰাখিয়ে ক'লে: "আজি হলিৰামকাই নাই হবলা!" মই ক'লো: "আজি তাৰ গা ভাল নহয়। তোমালোকক ময়ে পাৰ কৰাম।" মই সুধিব খুজিছিলো–. 'মই পাৰ কৰোৱাত তোমাৰ আপত্তি কি গৌৰী? মই অহাত বেয়া পাইছা?' পিছে ইমান সোনকালে ধৰা পৰি যাবলৈ ইচ্ছা নকৰিলো, এইবোৰ একো নকৈ মাথোন ক'লো: "উঠা গৌৰী।" তাই কিছু আশ্চৰ্য অভিভূত কটাক্ষ আৰু কিছু প্ৰশ্ন সূচক ভাবে ঈষৎ হাঁহিলে, মই বা তাইৰ নামটো কেনেকৈ জানিলো! সিহঁত নাৱত উঠিছিল। মোৰ যেন ক'বৰ মন গৈছিল– 'মই ইয়াৰ কাৰণেই ঘাটত ৰৈ আছোহি গৌৰী।' তাকে নকৈ যেনিবা কৈছিলো: "নতুন ঘাটৈক পাই ভয় নকৰিবা আকৌ।"

সেইজনী গৌৰীকে আজি নতুনকৈ দেখি দৌৰিছো। কিয়? মই নিজে ক'ব নোৱাৰো। মই ইতিমধ্যে দেৰ কিলোমিটাৰমান পথ অতিক্ৰম কৰি আহিছো। আৰু বহুত যাব লাগিব।

সেইদিনা তাই নাৱত উঠিছিল অলপ সংকোচ, অলপ দ্বিধামিহলি আবেশেৰে। মোৰ অলপ দুষ্টালি কৰিবৰ মন গৈছিল।

পাৰৰ পৰা ভালেখিনিলৈকে বাম পানী। বঠা পাতেৰে মাটিত খোঁচ এটা মাৰি নাৱত এটা ব্ৰহ্ম ঠেলা দিলো। তাই কৰ্ফাল খাই পৰি যাব খুজিছিল। নাৱৰ বাৱত ধৰি দুয়োটাই মোৰ ফালে অস্বস্তিৰে চাইছিল। তাৰ পাছত নদীৰ মাজেদি যেতিয়া গহীন গতিত নাওখন যাব ধৰিলে তেতিয়া মই ক'লোঃ "ভয় খালা নহয়? নতুনতে তেনেকুৱা হয়েই।" গৌৰীয়ে তেতিয়া হাঁহিছিল। ....

যেন যমুনাৰ ঘাট, নাৱত লুভীয়া কৃষ্ণ, কিন্তু ৰাধা অকলে নহয়। .. কিছুসময় নীৰৱে গ'ল। ঠিক মাজ পানীতে মই এনেয়ে মাত লগালোঃ "গৌৰী, তোমালোক এই পিনেদি সদায় ক'লৈ যোৱা?" তাই তলমূৰ কৰিয়ে উত্তৰটো দিছিল। হয়তো তাই বৰ সিয়ান ছোৱালী। কোনোবা মুহূৰ্তত মোৰ মাতেদি সৰকি পৰা দুৰ্বলতাকণ হয়তো তাই ধৰা পেলাইছে। কিজানি মোৰ কথাৰ উত্তৰ দিওঁতে তাইৰ মনৰ আঁহে আঁহে তাৰে মৃদু কঁপনি উঠি আছিল। নহ'লে তাই তলমূৰকৈ সেপ ঢুকি কিয় উত্তৰটো দিছিল?

নাওখন পাৰ পাইছিলহি। সিহঁত নামিছিল। নাৱত মোৰো কাম তেতিয়া শেষ হৈছিল। তথাপি তাতে বৈ থকাৰ ভাও দি ক'লোঃ "যোৱাগৈ আৰু।" ভায়েকটোৱে উলটি চাইছিল। তাই মোৰ ফালে এটা সমকোণৰ ব্যৱধানত মুখ ঘূৰাই প্ৰায় তলমূৰকৈয়ে ক্ষীণ স্বৰত কৈছিলঃ "যাওঁ ককাইদেউ।" তাইৰ ডিঙিটো যেন শুকাই গৈছিল। সৰুকৈ গলহে কাৰি এটা মাৰি ডিঙিটো যেন পৰিষ্কাৰ কৰি লৈছিল। কিন্তু ক'তা, তাৰ পাছততো তাই একোৱেই নক'লে!

গৌৰীৰ বিষয়ে অনেক প্ৰশ্নই তেতিয়া মনটোত জুমুৰি দি ধৰিছিল। মই এই দূৰৰি ডৰাতে পাক দি দি কিছুসময় ৰৈছিলো। তেতিয়া বেলি মাৰ যোৱাৰ সময়। ৰংচুৱা নদীৰ পাৰ। সৌ দূৰৰ জালটনা বাঁহ কেউডালত কেইটামান চৰাই। বিপৰীত দিশত মাছমৰীয়া কেইটামানে ইতিমধ্যে সিটো পাৰত থকা বিৰিণাৰে বেৰা দিয়া ঘৰ কেইটাৰ ফালে নাও চপাই নিছিল। মই গৰাৰ দাঁতিয়ে দাঁতিয়ে এনেয়ে এপাক দিছিলো। চৰাই কেইটাৰ পোন পাই খৰি এডাল পানীলৈ মাৰি পঠিয়াছিলো। পানীত আলোড়নটো তুলি খৰিডাল খন্তেক নেদেখা হৈ গৈছিল, আৰু তাৰ পাছত ওলাই সোঁতেদি ভটিয়াবলৈ ধৰিলে। হলিৰামে



তেতিয়া পাছফালৰ পৰা মাত লগাইছিলঃ "কিবা পালিনে অ' নন্দ-" কি অদ্ভুত প্ৰশ্ন! তাহানি তেল শোধনাগাৰৰ কাৰণে আন্দোলন কৰোতে ডাঙৰ বিলাকৰ লগত আমি চেমনীয়া ল'ৰা এমখা গ্ৰেপ্তাৰ হৈছিলো। এৰি দিয়াৰ পাছত চহৰৰ পৰা ঘূৰি আহোতে আন এমখাই জামু গছৰ ওপৰৰ পৰা চিঞৰিছিল- ইন্‌কিলাপ্ জিন্দাবাদ্। এটাই কৈছিল- ঐ তেল পালিনে? হলিৰামৰ প্ৰশ্নটোও তেনেকুৱাই আছিল। আধা খং আধা পুতৌৰে তাৰ ফালে চাইছিলো আৰু একো নোকোৱাকৈ কোঁ-কোঁকৈ ঘৰৰ ফালে বাট ধৰিছিলো। কিন্তু এতিয়া মই যিদৰে দৌৰিছো সেইদৰে নহয়। সেইদিনা মোৰ মনত দোলা দিয়া ভাববোৰৰ আজি কি এটা বিৰাট গুণগত পৰিৱৰ্তন! আজি যেন বেলেগ এটা প্ৰেমৰ দৈত্যই মোক দৌৰাইছে! ....... ঠিকেই, এটা দৈত্যই।

মই সেইদিনা গৌৰীৰ পৰা কি পাইছিলো হলিৰামক কোৱা নাছিলো। তথাপি সি নিজাববীয়াকৈ কিবা এটা বুজিছিল।

★ ★ ★

এই যে, ৰাহিদুৰ!

সিদিনা ঘাটৰ ওচৰৰ সৌ এজাৰগুৰি গাঁৱত এখন কাজিয়া হৈছিল। পিছত দলীয় সংঘৰ্ষ। ৰাহিদুৰ, চালা হাৰামজাদাই সি পক্ষৰ নেতাৰ ভূমিকা লৈছিল। সি এজাৰগুৰি গাঁৱৰো নহয়। অথচ সি ইয়াৰ মানুহক সংঘৰ্ষৰ বাবে উচটাইছিল। তাৰ ওপৰত হেনো কোনোবা ডাঙৰ নেতা, বিষয়া শ্ৰেণীৰ মানুহ আছে। এদিন চাইকেলেৰে যাওঁতে সি মোৰ ফালে কিবা আক্ৰোশত কেৰাহিকৈ চোৱাৰ দৰে চাইছিল। চাইকেলখন ৰাখি মোৰ লগত থকা কবিনক কৈছিলোঃ "চালা দুপাতমান ইয়াক দিওঁৱেই। এনেয়েও মোক ইহঁতে নন্দ গুণ্ডা নাম দিছে তেনেয়েও দিছে।" কবিনে তেতিয়া কৈছিলঃ "ধেৎ এতিয়া নহয়, সময় আছে। অলপ আৰু বাঢ়িব দে ইহঁতক। তেতিয়া কবিনে দিয়া ইংগিতটো বুজিবলৈ মোৰ যথেষ্ট পলম হৈছিল। ইতি সময়তে





মই খেৰমহলৰ কামত কিছুদিন আঁতৰি থাকিব লগীয়া হৈছিল। সাত মাহে ৰাহিদুৰহঁতৰ লগত দেখা-সাক্ষাৎ হোৱা নাছিল। ওচৰতে বাহ সংস্থাৰ কাৰ্যালয়টো। তাত থাকোতে হেণ্ডিমেনৰ পৰা আৰম্ভ কৰি বাহৰ মালিকলৈকে মানুহবোৰৰ মুখত সাম্প্ৰতিক সামাজিক-ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে কৰা গৰম আলোচনাবোৰ শুনিছিলো। আলোচনাত ভাগো লৈছিলো। মাজে মাজে চেগ মাৰি ঘৰলৈ আহিছিলো। ঘাটলৈ আহি গৌৰীক এবাৰ লগ পোৱাৰ কথা ভাবিছিলো। অহা নহ'ল। এদিন বজাৰত হঠাতে হলিৰামক লগ পাই গ'লো। সি কৈছিলঃ "গৌৰী আজিকালি সেইফালে নেযায়। দেশৰ কথাবোৰ জানিছইতো। সিহঁতৰ গাঁৱৰ মানুহ ঘাটেদি আজিকালি প্ৰায় নেযায়েই। তথাপি ....।" সি মোৰ বাহুত চিকুট এটা মাৰি কিবা এষাৰ ক'ব খুজিছিল। কিন্তু ইতি সময়তে কোনোবা এটা নিচেই ওচৰলৈ অহাত সি ৰৈ গ'ল।

: ৰাহিদুৰক কেতিয়াবা লগ পাইছনে? –মই তাক সুধিছিলো।

: পাইছো, কিয়নো সুধিলি?

: এনেয়ে। – মই ক'লো। সি খন্তেক তভক মাৰি ৰ'ল আৰু একাষৰীয়াকৈ নি ক'লেঃ "ৰাহিদুৰৰ লগত যদি গৌৰীৰ বিয়া হৈ যায় তোৰ কেনে লাগিব?" মনৰ বিষখিনি কথমপি গিলি মই তাক কৈছিলো যে গৌৰী হিন্দুৰ ছোৱালী, তাইৰ লগত ৰাহিদুৰৰ বিয়া হব নোৱাৰে। সি তেতিয়া কৈছিল যে আজিকালি 'হব নোৱাৰে' ধৰণৰ কথাবোৰৰ খুঁটি লৰিছে, ৰাহিদুৰহঁতৰ গাঁৱত বহুতো অসবৰ্ণ বিবাহ হৈছে।

ৰাহিদুৰ মোৰ শত্ৰু। হলিৰামে যেন মোৰ গেলা ঘাত চেঙা তেল মাৰিলে। আঠ মাহৰ আগৰ সেই যে কাজিয়াখন! ৰাহিদুৰে মোকো আছামী সাজি থানাত গোচৰ দিয়াইছিল। সাত মাহ একৰকম পলাই ফুৰিছিলো। খেৰমহলত থকাৰ মূল উদ্দেশ্যটো আচলতে ব্যৱসায় নাছিল। পুলিচৰ ভয়ত অ'ত ত'ত পলাই ফুৰোতে এটাই চিন্তা– য'ত কুটৰ ঘাই এই ৰাহিদুৰৰ ওপৰত প্ৰতিশোধ ল'ব নোৱাৰিলে দিন জামানা বেঠিক ৰ'ব। তাক বাটত অকলে লগ পোৱা টান। গতিকে তাৰ গাঁৱতে লগে ভাবে তাৰ লগত মুলাকাত কৰিব লাগিব।

ধুমুহাৰ দৰে সুযোগটো আহিল। দলীয় সংঘৰ্ষৰ বাতৰি চাৰিওফালে বন জুইৰ দৰে বিয়পাৰ বতৰ। হাত সাবটি বহি থাকিবলৈ এই নন্দ অকৰা নহয়। ৰাহিদুৰৰ দৰে বেইমানহঁতক খতম কৰাৰ সোণালী সুযোগ এৰিব পাৰিনে?

আজি পুৱাতে কঁকালত খুকুৰিখন বান্ধি ওলাইছিলো।

চাওঁতে চাওঁতে আমি সিহঁতৰ গাঁওত প্ৰবেশ কৰিছিলো। বাধা দিবলৈ বাটত এটা কুকুৰো নাছিল। দূৰৰ পৰাই দেখিছিলো এখন মুকলি ঠাইত কুৰিটামান মানুহে কিবা আলোচনা কৰি বহি আছে। আমাৰ প্ৰায় দুশ মানুহৰ দলটো ওচৰ চপাৰ লগে লগে সিঁহতে চিটিকি পলাবলৈ ধৰিছিল। কিন্তু সি দেখোন বীৰৰ ভেম দেখুৱাই তাত থিয় হৈ আছিল! সি মানে বেইমান ৰাহিদুৰ! কোনো ওচৰত নথকা দেখি মূৰকত সিও দৌৰিবলৈ আৰম্ভ কৰিছিল। আমি চাৰিটাই তাক খেদি গ'লো। সিও তেতিয়া অকলে নহয়। কোনটো কোন জাতিৰ বিচাৰ কৰিবলৈ কাৰোৱে সময় নাই। সিহঁত প্ৰত্যেকটোৱেই আমাৰ বাবে ৰাহিদুৰ। এক সুকীয়া মাদকতাত আমি দৌৰিছো। আমাৰ পক্ষৰ এটা সিহঁতৰ হাতত বাগৰি পৰাৰ পাছত আমাৰ তেজ্‌ত কি লম্ভিছিল ক'ব পৰা নাছিলো।

মই এতিয়াও দৌৰি আছো। কিন্তু সেই মাদকতাৰ এটা বিপৰীত ক্ৰিয়াইহে যেন মোক দৌৰাইছে। আৰু ৰাহিদুৰহঁতক খেদি যোৱাৰ সেই মাদকতা! কি ভীষণ!!

ইতিমধ্যে ৰাহিদুৰক কোনোবা চাৰিটামানে ধৰি দিহা লগালেই। মোৰ প্ৰথম প্ৰেমৰ অন্তৰায় অথবা প্ৰতিদ্বন্দ্বীৰ মৃত্যু হ'ল। কিন্তু মই যে তাক জীৱন্তে নাপালো! তাৰ ৰক্তাক্ত মৃত দেহৰ ওচৰত এটা পাক মাৰি পুনৰ দৌৰিলো। ৰবৰ সময় নাই। ৰণক্ষেত্ৰ। তাৰ লগৰ দুটাই শিয়াল বাগি দি সাৰিবলৈ চেষ্টা কৰিছিল। অকলেই তাৰ এটাৰ পাছ ল'লো। সি ডেওনা এখন পাৰ হৈ এটা ঘৰৰ ভিতৰত সোমাইছিল। দুৱাৰেদি পাৰ হৈ সি দুৱাৰখন জপাবলৈ সময় নেপালে। বাঁহৰ দুৱাৰখনৰ ডাংডাল এৰুৱাই সি দুয়ো হাতেৰে মোৰ মূৰটো লক্ষ্য কৰি এটা মাৰ মাৰিলে, কিন্তু মাৰটো দুৱাৰ মুখৰ ওপৰত মাৰলিত লাগি ৰৈ গ'ল। তলপাকেদি মই তাৰ বুকুত মোৰ তীক্ষ্ণ অস্ত্ৰ বহুৱাই দিলো। ৰাহিদুৰৰ দৰে সিও আজি মোৰ বাবে এটা বেইমান। কিন্তু সি যে তাৰ বিকট চিঞৰটোৰে মাতিলে–গৌৰী! এই গৌৰী কোন? সেই গৌৰীনে? তাই তেনেহ'লে......। ইতিমধ্যে ছাই আৰু ধোঁৱাই চুবুৰিটো ছানি ধৰিলে। চাৰিও ফালে জুই।

ডেওনাখন জাঁপ মাৰি পাৰ হব খোজোতেই কোনোবা এজনী বাটৰ কাষৰ পৰা ঢপলিয়াই আহি মোৰ ওচৰ পালেহি। উন্মুক্ত কেশ, বিশৃংখল দেহাভৰণ। তাই মাতিলেঃ "ককাইদেউ! ককাইদেউ!!" নদীৰ পাৰৰ সেই মাতটো যেন লাগিল। কিন্তু তাই ইয়াত কেনেকৈ? মই ডেওনাখন পাৰ হোৱাৰ পাছত তাই ক'লেঃ "আপুনি এখন্তেকো নোবোৱাকৈ ক'লৈ যায় ককাইদেউ? মোৰ বৰ বিপদ জানে, আপুনি ৰক্ষা নকৰিলে কৰোতো নাই। এইটোৱেই মোৰ ঘৰ।"

সেইটোৱেই তাইৰ ঘৰ। গৌৰীৰ। কিন্তু তাই জানো গৌৰী? মাতটোৰ বাহিৰেতো ....। মই তৰিৎ বেগে তাইৰ ফালে এবাৰ আৰু মোৰ তীক্ষ্ণ অস্ত্ৰপাতলৈ এবাৰ চালো। তাইৰ শিৰত ৰক্তিম সেন্দুৰ আৰু মোৰ অস্ত্ৰত সেই ৰক্ত! মোৰ বোবা চাৱনি। তাই সন্ত্ৰস্ত, বিতত। তাই আগফালে-পিছফালে, সোঁফালে-বাওঁফালে স্লেক্‌কেটৰ দৰে চাইছে। তাই চাইছে মোৰ হাতৰ খুকুৰিখনলৈ।

ঃ আপুনি কি কৰি আহিছে ককাইদেউ? মোৰ মানুহটোক চিনি পায়নে নেপায়? কওক, মনে মনে আছে কিয়? অ' মা, সেয়া চকুত কি দেখিছো, আপুনি ভূত ... ভূত।

তাই কিজানি মোৰ চকুত ভূতেই দেখিছিল।

ঃ গৌৰী! – মই মাত্ৰ এবাৰ মাতিলো। তাৰ পিছত আৰম্ভ হ'ল এই দৌৰ। এবাৰ তাইৰ ফালে পাক মাৰি উলটি চাইছিলো। তাই শিলৰ মূৰ্তিৰ দৰে থিয় হৈ আছিল। দ্বিতীয়বাৰ সেইফালে চাবলৈ মোৰ সময় আৰু সামৰ্থ্য নহ'ল। গৌৰীক মই একো সুধিবলৈকে সুবিধা দিব নোৱাৰো। এতিয়া মই তাইৰ দৃষ্টিৰ আঁৰ হবলৈকে দৌৰিছো। ইমান দূৰ অহাৰ পাছতো সৌৱা তাই চায়েই আছে, এই নদীৰ ঘাট পৰ্যন্ত ডেৰ কিলোমিটাৰ পথ পৰ্যন্ত! ছিঃ কি বিকৃত তাইৰ মুখ!

সৌৱা জালৰ বাঁহ কেইডালত কেইটামান চৰাই আজিও পৰি আছে। মাছমৰীয়া মানুহবোৰ নাই। চতুৰ্দিশ জনশূন্য। নাওবোৰো নাই। বিৰিণা পাতৰ ঘৰবোৰ চাগে উদং। মই সেই পিনে দিয়ে দৌৰিব লাগিব আৰু বহুদূৰ, যেতিয়ালৈকে তাইৰ মুখখন আঁৰ নহয়। ■

## সত্যজিতৰ নতুন ছবি



সত্যজিৎ ৰায়

সত্যজিৎ ৰায়ে তেওঁৰ পৰৱৰ্তী ছবিৰ চিত্ৰনাট্য সম্পূৰ্ণ কৰি তুলিছে। শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ 'গণশত্ৰু' ছবিখন সম্পূৰ্ণ কৰিছিল ষ্টুডিঅ'ৰ মজিয়াতেই। তাৰ পিচৰ ছবি 'শাখা-প্ৰশাখা'ৰ বাবে অলপ সময়ৰ দৃশ্যগ্ৰহণ কৰিছিল ষ্টুডিঅ'ৰ বাহিৰত। এইবাৰ নতন ছবিৰ এক চতুৰ্থাংশ বৰ্হিদৃশ্যত। এয়া তেওঁৰ স্বাস্থ্যোন্নতিৰ লক্ষণ। এই নতুন ছবিখনৰ বিষয়বস্তু হ'ল আধুনিক প্ৰযুক্তি বিদ্যাই চিকিৎসা বিদ্যাৰ ক্ষেত্ৰত কঢ়িয়াই অনা নতুনত্ব। চিকিৎসা বিদ্যা অত্যাধুনিক লৈ আহিছে আৰু লাহে লাহে সাধাৰণ ৰাইজৰ আয়ত্বৰ বাহিৰলৈ গুচি গৈছে – এয়াই ছবিখনৰ মূল বক্তব্য। অহা মাৰ্চত দৃশ্যগ্ৰহণ আৰম্ভ হোৱাৰ কথা – তেওঁৰ প্ৰিয় ষ্টুডিঅ' ইন্দ্ৰপুৰীৰ মজিয়াত।

## তাৰকা আৰু ছবি

মুক্তিৰ অপেক্ষাত থকা কেইখনমান অসমীয়া ছবিত জনপ্ৰিয় তাৰকা –

ইন্দ্ৰ বনীয়া ঃ ৰঙা মদাৰ, হলধৰ, উৰ্বশী,
অৰুণ নাথ ঃ সাৰথি, জলাঞ্জলি, আবেলিৰ বেলি, ৰঙা মদাৰ, প্ৰভাতী পখীৰ গান
বিজু ফুকন ঃ অশান্ত প্ৰহৰ
নিপন গোস্বামী ঃ –
প্ৰাঞ্জল শইকীয়া ঃ প্ৰভাতী পখীৰ গান, উৰ্বশী, প্ৰিয়জন
তপন দাস ঃ প্ৰভাতী পখীৰ গান, দৃষ্টি, হলধৰ, আবেলিৰ বেলি
মৃদুলা বৰুৱা ঃ সাৰথি, দৃষ্টি, প্ৰিয়জন, প্ৰভাতী পখীৰ গান, উৰ্বশী
বিদ্যা ৰাও ঃ উৰ্বশী, সাৰথি
পূৰবী শৰ্মা ভট্টাচাৰ্য ঃ অশান্ত প্ৰহৰ, প্ৰভাতী পখীৰ গান।

## মণিৰত্নমৰ বংশ

আঞ্চলিক ভাষাৰ ছবিৰ জৰিয়তে সমগ্ৰ ভাৰততে তোলপাৰ লগাইছিল নব্যধাৰাৰ চিত্ৰনিৰ্মাতাসকলে। এতিয়া ব্যৱসায়িক ছবি জগততো আঞ্চলিক ভাষাৰ ছবিৰ আধিপত্য। ইয়াৰ নায়ক তামিল চিত্ৰনিৰ্মাতা মণিৰত্নম। মণিৰত্নমৰ 'নায়কন' আছিল তামিল ভাষাৰ আৰু ই দক্ষিণ ভাৰততো বাদেই উত্তৰ ভাৰততো জনপ্ৰিয় আৰু আলোচিত হৈছিল। তাৰ পিচত 'অঞ্জলী'। অঞ্জলীক হিন্দীলৈ ডাব কৰা হৈছিল। বক্স অফিচত অঞ্জলীৰ নৃত্য আছিল উৎসাহজনক। শেহতীয়াভাবে বজাৰলৈ আহিছে মণিৰত্নমৰ 'অগ্নি নক্ষত্ৰম' ছবিৰ পুনৰ নিৰ্মাণ – নাম 'বংশ'। কৈশোৰ প্ৰেমৰ কাহিনীৰে নিৰ্মাণ কৰা মণিৰত্নমৰ প্ৰথম ছবি 'মৌন ৰাগম'ৰ ডাবিং কৰা সংস্কৰণ এটিয়ে শীঘ্ৰেই বজাৰত আত্মপ্ৰকাশ কৰাৰ কথা।

## অৰুণ নাথৰ দিন

অসমৰ এগৰাকী বিশিষ্ট অভিনেতাৰ মতে বৰ্তমান সময়ত অৰুণ নাথেই অসমৰ শ্ৰেষ্ঠ চিত্ৰ অভিনেতা। কম সংখ্যক ছবিত অভিনয় কৰিও অকল দক্ষতাৰ বাবেই অৰুণ নাথে



'সাৰথি'ত অৰুণ নাথ আৰু বিদ্যা ৰাও

আজি এই স্বীকৃতি লাভ কৰিছে। '৯২ চনটো অৰুণ নাথৰ বাবে উল্লেখনীয় বছৰ হোৱাৰ আশা। অলপতে মুক্তিলাভ কৰা 'বংশধৰ'ৰ মূল চৰিত্ৰত অৰুণ নাথে অভিনয় কৰিছে। মুক্তিৰ অপেক্ষাত থকা অৰুণ নাথ অভিনীত ছবিবোৰ হ'ল – সাৰথি, প্ৰভাতী পখীৰ গান, ৰঙা মদাৰ, জলাঞ্জলি আৰু আবেলিৰ বেলি।

## নতুন ছবিঃ বংশধৰ

এসময়ৰ কথা। নিষ্পাপ শিশু অথবা আজলী কন্যা বা বোৱাৰীক অকথ্য যাতনা দিয়া কাহিনীৰ চিত্ৰ বা ভ্ৰাম্যমান নাট্যৰূপে দৰ্শকক কন্দুৱাইছিল আৰু প্ৰযোজকক



ইঁহুৱাইছিল। বংশধৰে সেই 'সোণালী সুদিন'ৰ কথা পুনৰ মনত পেলাই দিলে।

চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা এক বৃদ্ধ। এই বৃদ্ধক নানা ধৰণে দৰ্শকৰ চকুপানী উলিয়াৰ পৰা অৱস্থালৈ লৈ যোৱা হৈছে। ইয়াক সুকলমে সমাধা কৰাৰ বাবে গোট খাইছে বদমাচ পুত্ৰ, তিৰোতাসেকুৱা পুত্ৰ, দন্দুৰী বোৱাৰী, হৃদয়বান ভৃত্য, বোবা কন্যা, (এওঁ বোবা কিন্তু ভাবলেশহীনভাবে 'শ্লো মোচন'ত অভিনয় কৰে), কূটবুদ্ধিসম্পন্ন আত্মীয় আদিৰ দৰে অলেখ চৰিত্ৰ কেইবছৰমান পূৰ্বৰ ভ্ৰাম্যমান থিয়েটাৰৰ নাটৰ 'ষ্টক কেৰেকটাৰ' সমূহৰ বৰ্ণাঢ্য সমদল।

'উপপথ', 'সাঁকো' অথবা 'বৰুৱাৰ সংসাৰ'ৰ নাট্যকাৰ প্ৰফুল্ল বৰা এই বংশধৰ ছবিৰ কাহিনীকাৰ-চিত্ৰনাট্যকাৰ পৰিচালক আৰু প্ৰযোজক। নাটৰ কাহিনী বিন্যাসত প্ৰফুল্ল বৰাই পূৰ্বতে প্ৰদৰ্শন কৰা দক্ষতা এই ছবিৰ কাহিনীত নাই। প্ৰায়বোৰ অভিনেতা-অভিনেত্ৰীয়েই নতুন যদিও তেওঁলোকৰ অভিনয় জড়তাহীন। অজিৎ সিংহ সুৰাৰোপিত গীতবোৰ সুখশ্ৰাব্য যদিও চিত্ৰায়ন মনোগ্ৰাহী হোৱা নাই। গীতৰ কথাংশৰ প্ৰতিও যথেষ্ট মনযোগ দিয়া হৈছে। পৰিচালক প্ৰফুল্ল বৰাৰ অন্য এক দুৰ্বলতা হ'ল কাহিনীটো কেমেৰাৰ যোগেৰে কোৱা দক্ষতাৰ অভাৱ।

## চোনু ৱালিয়াৰ নাচ


এসময়ৰ ভাৰতসুন্দৰী চোনু ৱালিয়াই বৰ আশাৰেই হিন্দী ছবি জগতত ভৰি দিছিল। কম কাপোৰ-কানি পিন্ধি দুই-এখন ছবিত দেখা দিছিল যদিও বৰ সুবিধা কৰিব নোৱাৰিলে। তাৰ পিচত ব্যস্ত হৈ থাকিল বহুতৰ লগত প্ৰেম কৰি আৰু প্ৰায় উদং দেহাৰে স্থিৰচিত্ৰৰ বাবে ভংগীমা প্ৰদৰ্শন কৰি। মণিৰত্নমৰ শেহতীয়া বিগবাজেট তামিল ছবিত



চোনু ৱালিয়া

চোনু ৱালিয়াই নৃত্য এটিত অংগ প্ৰদৰ্শনৰ সুবিধা পালে। এইটো নৃত্যৰ বাবে তেওঁ হেনো দুই লাখ টকা পাৰিশ্ৰমিক হিচাপে লাভ কৰিছে।

## দহ সুন্দৰী



আমীৰ খান আৰু মাধুৰী দীক্ষিত

হিন্দী ছবিৰ সুন্দৰী নায়িকাৰ নাম কলেই প্ৰথমেই আহে মধুবালাৰ নাম। এয়া অৱশ্যে অতীত কালৰ দৰ্শকৰ কথা। বৰ্তমানৰ দৰ্শকৰ মতে এতিয়াৰ সুন্দৰী নায়িকা কোন ? উত্তৰ – মাধুৰী দীক্ষিত। এই সমীক্ষা বোম্বাইৰ এখন চিত্ৰ আলোচনীৰ। সমীক্ষাত স্থান পোৱা আৰু নগৰাকী সুন্দৰীৰ তালিকাখন এনেধৰণৰ – জয়া প্ৰদা, শ্ৰীদেৱী, ডিম্পল কাপাডিয়া, সঞ্জনা কাপুৰ, হেমা মালিনী, শৰ্মিলা ঠাকুৰ, ৰেখা, মনীষা কৈৰালা আৰু অনু আগৰৱাল। অভিনেতা আৰু পৰিচালকৰ মাজত চলোৱা এটি সমীক্ষাতো প্ৰথম স্থান মাধুৰীয়েই দখল কৰিলে। বাকী দুটি স্থানত থাকিল ক্ৰমে ডিম্পল কাপাডিয়া আৰু শ্ৰীদেৱী।

## ৰাতিৰ নতুন বিজ্ঞাপন

এখন নতুন হিন্দী ছবিৰ নাম 'ৰাত'। এই ছবিখনৰ বিশেষত্ব হ'ল প্ৰচাৰ পৰিকল্পনাত। ছবিখনৰ নিৰ্মাণৰ কাম চলি থাকোতে কোনো ধৰণৰ প্ৰচাৰ চলোৱা হোৱা নাছিল, কিন্তু মুক্তি দিয়াৰ সময়ত কৰা হৈছে ব্যাপক প্ৰচাৰ। কোনো তাৰকাৰ নাম প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হোৱা নাই। মাথোন ছবিখন যে হৰৰ ছবি তাকেহে বিভিন্ন প্ৰকাৰে দোহাৰি থকা হৈছে। ছবিখনৰ প্ৰচাৰৰ বাবে দূৰদৰ্শনতো বিজ্ঞাপন প্ৰচাৰ কৰা হৈছে যিটো হিন্দী ছবিৰ ক্ষেত্ৰত নতুন।

সু. ব.



OKDISCO

# বিশ্বকাপ ক্ৰিকেট '৯২

ললিত বৰা

২২ ফেব্ৰুৱাৰী ১৯৯২। চাওঁতে চাওঁতে প্ৰতীক্ষাৰে বৈ থকা অগণন ক্ৰিকেট প্ৰেমীৰ আকাংক্ষিত দিনটো সমাগত। সেই দিনটোৰ পৰাই নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ যুটীয়া উদ্যোগত আৰম্ভ হ'ব বিশ্বৰ সৰ্বোৎকৃষ্ট ক্ৰিকেট প্ৰতিযোগিতা পঞ্চম বিশ্বকাপ '৯২। আন্তৰ্জাতিক ক্ৰীড়াংগনৰ প্ৰেক্ষাপটলৈ একুৰি এবছৰতকৈ অধিক সময়ৰ পিছত প্ৰত্যাবৰ্তন কৰা দক্ষিণ আফ্ৰিকাৰ অন্তৰ্ভূক্তিৰে সৈতে শ্ৰীলংকা, ভাৰত, পাকিস্তান, অষ্ট্ৰেলিয়া, ইংলণ্ড, নিউজিলেণ্ড, ৱেষ্টইণ্ডিজ আৰু জিম্বাৱোৱেক ধৰি মুঠ ৯ খন দেশ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

বিশ্বকাপ ক্ৰিকেট টুৰ্ণামেণ্ট আজি মাত্ৰ প্ৰতিযোগী দেশসমূহৰ মাজতেই জনপ্ৰিয়তা সীমাবদ্ধ নহয়। ভালেমান দেশে ক্ৰিকেটৰ প্ৰতি অনুৰক্ত হৈ পৰাৰ ওপৰিও জনপ্ৰিয়তা শীৰ্ষলৈ নিয়াৰ প্ৰয়াসেৰে প্ৰচাৰ মাধ্যমৰ ভূমিকা নিঃসন্দেহে উল্লেখযোগ্য। ইয়াৰ উপৰি বিশ্বকাপৰ ৰোমাঞ্চময় মাদকতাত অগণন ক্ৰিকেট প্ৰেমীৰ আত্মাহাৰা হোৱাৰ সৰ্বাধিক অৰিহণা আহিছে অনাতাঁৰ আৰু দূৰদৰ্শনত প্ৰচাৰিত সৰ্ব ব্যাপক ব্যৱস্হাৰ দ্বাৰা।


বিশ্বকাপৰ ৰোমাঞ্চকৰ সংযোজনৰ প্ৰধান বিষয়টো হৈছে সীমিত অভাৰৰ খেলৰ বাবে পূৰামাত্ৰাই উত্তেজনা, অনিশ্চয়তা, শিহৰণযুক্ত মাদকতা ইত্যাদি। লগতে শতকৰা ৯৯% ভাগেই জয়-পৰাজয়ৰ নিশ্চয়তা থাকে। তেনেস্হলত স্বাভাৱিকতে ক্ৰিকেট প্ৰেমীৰ দুৰ্বলতা আৰু আন্তৰিকতাখিনি অধিক গাঢ় হ'ল।

প্ৰথম বিশ্বকাপ আৰম্ভ হৈছিল ১৯৭৫ চনৰ ৯ জুনত ইংলণ্ডত। আৰু প্ৰথম বিশ্বকাপ জয়লাভৰ সোৱাদ লভিছিল লয়ডৰ কেৰিবিয়ান বাহিনী ৱেষ্টইণ্ডিজে। যোগদানকাৰী দেশৰ সংখ্যা আছিল ৮খন। দ্বিতীয়খন বিশ্বকাপো ১৯৭৯ চনত একে তাৰিখতে অনুষ্ঠিত হৈছিল ইংলণ্ডত। দ্বিতীয় বিশ্বকাপৰ সময়ত এদিনীয়া সীমিত, অভাৰ ক্ৰিকেটৰ জনপ্ৰিয়তা সৰ্বস্তৰলৈ ধাৱমান হৈছিল। উক্ত বিশ্বকাপৰ মুকুট শিৰ শোভিত হৈছিল ৱেষ্টইণ্ডিজৰ অধিনায়ক ক্লাইভ লয়ডৰ হাতত। তৃতীয় বিশ্বকাপৰ সময়ত বিশ্বকাপৰ জনপ্ৰিয়তা শীৰ্ষস্হানত আৰোহন কৰিছিল। সমশক্তিৰে অৱতীৰ্ণ হৈছিল ঘৰুৱা দল ইংলণ্ড, পাকিস্তান, অষ্ট্ৰেলিয়া, ভাৰত আৰু পূৰ্বৰ দুবাৰৰ বিজয়ী ৱেষ্টইণ্ডিজ। তৃতীয় বিশ্বকাপ সবাতকৈ গুৰুত্বপূৰ্ণ আছিল ৱেষ্টইণ্ডিজৰ। লয়ডৰ হেটট্ৰিক অৰ্জনৰ দুৰ্বাৰ হেঁপাহ – আনকেইটা সমশক্তি সম্পন্ন দলৰ বাধা দিয়াৰ প্ৰচেষ্টা। অৱশেষত আশ্চৰ্যজনক শেষ পৰিণতি দুৰ্ভাগ্যজনক বাৰ্ত্তাবাহক হৈছিল লয়ডৰ। ঐতিহাসিক পূৰ্ণ লডছ খেলপথাৰত বিশ্ব ক্ৰীড়াপ্ৰেমীক হতবাক কৰি প্ৰতিযোগিতাৰ আণ্ডাৰডগ হিচাপে চিহ্নিত ভাৰতে ৱেষ্টইণ্ডিজৰ হাতত পৰা আজুৰি ৰাখিছিল বিশ্বকাপ। প্ৰডোন্সিয়াল বিশ্বকাপ হস্তগত কৰাৰ কল্পনা ধূলিস্যাৎ হ'ল কেৰিবিয়ান দলৰ।

তাৰ চাৰি বছৰৰ পিছত পাকিস্তান আৰু ভাৰতৰ যুটীয়া উদ্যোগত ৰিলায়েন্স কোম্পানীৰ পৃষ্ঠপোষকতাত প্ৰথমবাৰ এছিয়া প্ৰান্তৰত অনুষ্ঠিত হ'ল চতুৰ্থ বিশ্বকাপ। ইতিমধ্যেই জনপ্ৰিয়তাই আকাশ লংঘা বিশ্বকাপত আয়োজক দেশদ্বয় ভাৰত-পাকিস্তানৰ শক্তিৰ অৱস্হান আছিল নিঃসন্দেহে সন্তোষজনক। কিন্তু আচম্বিতে দুয়োখন আয়োজক দেশ ছেমিফাইনেলত পৰাজয় হ'ল ক্ৰমে ইংলণ্ড আৰু অষ্ট্ৰেলিয়াৰ হাতত। ফাইনেলত দুই চিৰ প্ৰতিদ্বন্দ্বীৰ মুখা-মুখিত প্ৰথমবাৰৰ বাবে কেঙেৰুৰ বৰ্ডাৰ বাহিনীৰ হাতত জিলিকি উঠিল চতুৰ্থ বিশ্বকাপৰ ৰিলায়েন্স কাপ।

বিশ্বকাপলৈ মাত্ৰ কেইটামান দিন বাকী থকা অৱস্হাত দেশে দেশে প্ৰস্তুতিৰ আখৰা তুংগত। নতুনৰ পৰীক্ষা, প্ৰতিপক্ষৰ শক্তিৰ উমান, দলীয় স্পীড, দুৰ্বল দিশসমূহৰ বিশ্লেষণেৰে নিজকে সাজু কৰিছে আকাংক্ষিত বিশ্বকাপলৈ। ক্ৰিকেটৰ আন এটা নাম অনিশ্চয়তা যেতিয়া পঞ্চম বিশ্বকাপত খিতাপ কাৰ ভাগ্যত ঘটিব সেয়া সময়েহে ক'ব অথচ কোন দেশৰ শক্তি কোন পৰ্যায়ত এবাৰ জুকিয়াই চাওঁ বিশ্বকাপৰ প্ৰাক্ মুহূৰ্তত।

যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াৰ অৱস্হান কেনে? নিঃসন্দেহে সন্তোষজনক। অষ্ট্ৰেলিয়ান শক্তিৰ আন এটা উৎস ঘৰুৱা মাটি আৰু বৰ্ডাৰৰ নেতৃত্ব। ইতিমধ্যে শেষ হৈ যোৱা ত্ৰিদলীয় বেনছন এণ্ড হেজেচ কাপত ৱেষ্টইণ্ডিজ আৰু ভাৰতক উপৰ্য্যুপৰি পৰাজিত কৰি চেম্পিয়ন খিতাপ



এলেন বৰ্ডাৰ

অৰ্জন তথা বেটছমেন আৰু বলাৰ কেইজনৰ দুৰ্ধৰ্ষ ফৰ্ম্ নিঃসন্দেহে অষ্ট্ৰেলিয়াৰ জয়যাত্ৰাৰ সপক্ষে। প্ৰাৰম্ভিক বেটছমেনদ্বয় মাশ্বতকৈ ডেভিদ বুন শীৰ্ষ ফৰ্ম্‌ত। ডিন জোন্স আৰু বৰ্ডাৰৰ যিকোনো বেটিং গড়াখহনীয়া ৰোধ কৰিব পৰা ক্ষমতা আছে। ইয়াৰ উপৰি টিমমোদি, ৱ ভাতৃদ্বয় আৰু ইয়ান হিলিৰে মিড্‌ল্ অভাৰ অঞ্চলটোত নিৰাপত্তাত আছে। টেলেণ্ডাৰ কেইজনৰো ভয়ংকৰ ৰূপ ধৰাৰ উদাহৰণ আছে।

বলিঙৰ দিশত দুৰন্ত ফৰ্মত আছে ব্ৰুচ ৰীড আৰু গ্ৰেগ মেকডৰমেট। ইয়াৰ উপৰি হুইটিনি, মাৰ্ভ হিউজ আৰু তৰুণ ৰাফেল আছে। সম্পূৰ্ণ এটা বেলেন্স দলে বৰ্ডাৰৰ নেতৃত্বক মূলধন হিচাপে লৈ অষ্ট্ৰেলিয়াই চূড়ান্ত পৰ্যায়ত অৱতীৰ্ণ হোৱাত প্ৰাচীৰ তৰিব পৰাৰ ক্ষমতা আনৰ নাই যেন লাগে।

দ্বিতীয়টো ফেভাৰিট দল নিঃসন্দেহে পাকিস্তান। পূৰ্বৰ চাৰিওখন বিশ্বকাপত শক্তিশালী ৰূপত অৱতীৰ্ণ হৈয়ো এবাৰও ফাইনেল খেলাৰ সৌভাগ্য নঘটা ইমৰাণ বাহিনীও পঞ্চম বিশ্বকাপৰ দাবীদাৰ। নবীন প্ৰবীণ তাৰকাৰে সমৃদ্ধ পাকিস্তানও




ডোনাল্ড

এটা বেলেন্স দল। বহু যুঁজৰ নায়ক জাভেদ মিয়াদাদ, এদিনীয়া ক্ৰিকেটৰ বিশেষজ্ঞ বেটছমেন হিচাপে পৰিচিত চালিম মালিক, অভিজ্ঞ ৰামিজ ৰাজাৰ উপৰিও নিৰ্ভৰযোগ্য তৰুণ বেটছ্‌মেনদ্বয় আমিৰ ছোহেইল আৰু জাহিৰ ফজল, ইমৰাণ নিজেও যিকোনো বলাৰক দিশহাৰা কৰিব পৰা ক্ষমতাৰে শক্তিশালী বেটিং লাইন-আপ। ইফালেদি পেছ বলিঙৰ ক্ষেত্ৰত পাকিস্তানী দলৰ অৱস্হান হ'ব নিৰ্ভৰযোগ্য। বিশ্ব বলিং ৰেংকিঙৰ শীৰ্ষস্হানীয় ৱাকাৰ ইউনুছ, কাউন্টি ক্ৰিকেটৰ অভিজ্ঞতাৰে পুষ্ট ৱাছিম আক্ৰম, অভিজ্ঞতাৰ সাৰথিয়ে দুৰ্ধৰ্ষ বুলি পৰিচিত হৈ উঠা আকিব জাভেদ আৰু ইমৰাণ নিজেই হ'ব দলৰ পাশুপাত অস্ত্ৰ। যিকোনো প্ৰতিপক্ষৰ শক্তিশালী বেটিং লাইন আপ ও চিন্তিত হ'ব পাকিস্তানী বলিং আক্ৰমণত। সেয়ে এনে এটা বেলেন্স দল চূড়ান্ত বিজয়ী হলেও আচৰিত হ'ব লগা একোৱেই নাই।

পঞ্চম বিশ্বকাপত ইমৰাণ খানেই হ'ব অন্যতম ব্যক্তি। যিজনৰ পূৰ্বৰ চাৰিওখন বিশ্বকাপত অংশ লোৱাৰ অভিজ্ঞতা আছে। আৰু পঞ্চম বিশ্বকাপেই ইমৰাণৰ হ'ব ক্ৰিকেট জীৱনৰ শেষৰখন বিশ্বকাপ। এনেক্ষেত্ৰত পূৰ্বৰ তিনিবাৰ বিশ্বকাপত ছেমিফাইনেলৰ পৰা ঘূৰি অহা পাকিস্তানী দল এইবাৰ ইমৰাণৰ নেতৃত্বত নিঃসন্দেহে দুৰ্ধৰ্ষ হৈ উঠিব। আৰু ইমৰাণৰো অৰ্থ, খ্যাতি, গ্লেমাৰৰ সৰ্বশেষৰ সপোনটো হৈছে বিশ্বকাপ জয়লাভৰ খিতাপ।

পঞ্চম বিশ্বকাপৰ তৃতীয়টো দাবীদাৰ দল নিশ্চয় ৱেষ্ট-ইণ্ডিজ। ভিৰ্ভ ৰিচাৰ্ডছৰ অনুপস্হিতি নেতৃত্বৰ দিশটো দুৰ্বল হলেও চাৰিজনকৈ ভয়ানক পেছ বেটেৰী নিঃসন্দেহে দলৰ মূলধন। ভালে কেইজন প্ৰতিশ্ৰুতিবান তৰুণেও দৃঢ়তা দেখুৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। এদিনীয়া ক্ৰিকেটত ৱেষ্টইণ্ডিজ সদায়েই ৱেষ্ট-ইণ্ডিজ। যুঁজ দিয়াৰ মানসিকতা, শক্তিশালী ষ্ট্ৰোকৰ সৈতে অভ্যস্ত দলটোৱে যিকোনো অসাধাৰণকে সাধন কৰাৰ ক্ষমতা আছে। ইয়াৰ উপৰি বিশ্বৰ ভিতৰত এদিনীয়া ক্ৰিকেটত সৰ্বাধিক ৰাণ কৰাৰ খ্যাতিয়ে সৃষ্টিৰে ইনিংছ গঢ়িবলৈ অভিজ্ঞ হেইনজ প্ৰাৰম্ভিক বেটছ্‌মেন হিচাপেই ক্ৰিজত নামিব। ইফালেদি অধিনায়ক ৰিছি ৰিদাৰ্ছন আৰু কাৰ্লহুপাৰ যিকোনো পৰিস্হিতিৰ বাবেই নিৰ্ভৰযোগ্য।

বলিঙৰ দিশটো তুলনামূলকভাৱে



ইমৰাণ খান

শক্তিশালী। অভিজ্ঞতাই গৰকা মাশ্বাল, নবাগত কামিন্স, ভয়ানক এমব্ৰোজ, পিটাৰছন নিশ্চয় অনবদ্য ৰূপত অৱতীৰ্ণ হ'ব। যিকোনো প্ৰতিপক্ষৰ শক্তিশালী বেটিং লাইন-আপ থান-বান কৰিব পৰা ক্ষমতাই ৱেষ্টইণ্ডিজেই পূৰ্বৰ খিতাপ জয়ৰ পুনৰুদ্ধাৰৰ বাবে যুঁজ দিয়াটো নিশ্চিত।

ভাৰতৰ শক্তিকো কোনোৱে উলাই কৰা সম্ভৱ নহ'ব। ১৯৮৩ চনত আণ্ডাৰ ডগ অপবাদৰ পিছত অসাধ্য সাধনাৰে খ্যাত হোৱা ভাৰতো হ'ব ৰণুৱা ঘোঁৰা। বৰ্তমান অষ্ট্ৰেলিয়ান ভ্ৰমণত দেখুওৱা ব্যৰ্থতাৰ তুলাচনীৰে ভাৰতক জুখি চালে সঠিক উত্তৰ কেতিয়াও নোলায়। এদিনীয়া ক্ৰিকেটত বিশ্বৰ সকলো বলাৰে সমীহ কৰিবলৈ বাধ্য হোৱা কৃষ্ণমোছাৰী শ্ৰীকান্ত নিঃসন্দেহে ভাৰতীয় দলৰ বাবে হ'ব নিৰ্ভৰযোগ্য প্ৰাচীৰ। শ্ৰীকান্তৰ আক্ৰমণাত্মক বেটিং দক্ষতাৰ সফলতাই চূড়ান্তৰূপ পালে প্ৰতিপক্ষৰ যিকোনো অধিনায়কৰ মূৰৰ বিষ উঠাৰ লগতে দিশহাৰা হ'ব – যিকোনো দুৰ্ধৰ্ষ বলাৰ। ইয়াৰ উপৰি শীতল মগজুৰ শাস্ত্ৰী, ধৰ্মশীল মঞ্জেকাৰ, বিশ্বৰ সবাতকৈ জনপ্ৰিয় কনিষ্ঠ টেণ্ডুলকাৰ বেটিং লাইন-আপৰ মূল উৎস। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় দলৰ

প্ৰাৰম্ভিক খুঁটাটোৰ অস্থিৰতা, মিড্‌ল অভাৰ কেইজনৰ দুৰ্বলতা প্ৰকট হৈ উঠিছে। ইফালেদি অধিনায়ক জনৰ চৰম দুৰ্বল ফৰ্ম নিঃসন্দেহে বৰ্তমানলৈকে ভাৰতীয় দলৰ ঋণাত্মক দিশ। অৱশ্যে সদায়ে বলিঙত দুৰ্বল বুলি সমালোচনাৰ জোৱাৰ উঠা দলটোত কপিলক সহযোগ কৰিব পৰা প্ৰভাকৰকে প্ৰমুখ্য কৰি শ্ৰীনাথ, সুব্ৰত বেনাৰ্জীয়ে সন্তোষৰ স্থিতিয়েই প্ৰদৰ্শন কৰিছে। অৱশ্যে স্পীনাৰ কেইজনৰ ভিতৰত মাত্ৰ ভেংকটপতি ৰাজুহে মাত্ৰ নিৰ্ভৰযোগ্য। লগতে বেটছমেন হিচাপে তৰুণ প্ৰবীণ আমৰে আৰু বিনোদ কাম্বলিয়ে নিৰ্ভৰতা প্ৰদান কৰিলে ভাৰতীয় দলৰো চমকপ্ৰদ ভূমিকাকে আশা কৰিব পাৰি।

বিশ্বকাপ ক্ৰিকেটৰ প্ৰথম আয়োজক দেশ ইংলণ্ডে এতিয়াও আকাংক্ষিত সপোনক বাস্তৱত ৰূপ দিবলৈ সক্ষম নহ'ল। দুবাৰ ৰাণাৰ্ছ-আপ সন্মান লাভ কৰিয়েই সন্তুষ্ট থকা দলটোৰ এইবাৰৰ সম্ভাৱনাও উজ্জ্বল নহয়। কাৰণ আত্ম কলহত জৰ্জৰিত দলটোৱে অভিজ্ঞ গ্ৰাহাম গুচ আৰু লেম্বৰ ওপৰতেই নিৰ্ভৰ কৰিব। ভালেকেইজন তৰুণ প্ৰতিভাবান বেটছ্‌মেন থাকিলেও বাকী দলকেইটাৰ তুলনাত অভূতপূৰ্ব কিবা এটা কৰিব যেন মনে নধৰে। বৰ্তমান নিউজিলেণ্ড ভ্ৰমণৰত দলটোৱে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাস গঢ় দিলেও এদিনীয়া ক্ৰিকেটত সেই ধাৰা কিমান সফল হয় সন্দেহজনক। যিয়ে নহ'লেও গ্ৰেম হিক, ৰামপ্ৰকাশ, ষ্টুৱাৰ্ট নিঃসন্দেহে বেটিং স্তম্ভ। অৱশ্যে ফিলিপ ডিফ্ৰেইটাছ, ক্ৰিছ লুইচ, ডেৰেক পিংগল আৰু ফিল টাফনেলৰ সৈতে গঠিত বলিং লাইন-আপ দুৰ্ধৰ্ষ বুলি অভিহিত কৰিব নোৱাৰি।


এমব্ৰোজ


শ্ৰীকান্ত

আনটো আয়োজক দল নিউজিলেণ্ড বিশেষ শক্তিশালী বুলি বোধগম্য নহয়। বেটিং লাইন-আপৰ গুৰি ধৰিব অভিজ্ঞ জনৰাইট প্ৰমুখ্যে, এণ্ডি জনজ, মাৰ্কগ্ৰেটবেটছ, মাৰ্টিন ক্ৰ আৰু দীপক পেটেলে। বিশ্বৰ সবাতকৈ প্ৰতিভাবান বেটছমেন মাৰ্টিন ক্ৰ আৰু গ্ৰেটবেটছৰ ওপৰত বহুখিনি দলে নিৰ্ভৰ কৰিব লাগিব। নিউজিলেণ্ডৰ বেটিং লাইন আপ গঠিত হ'ব ডেনীমৰিছনৰ নেতৃত্বত। বাকী তৰুণ কেইজন ক্ৰীছ কাৰ্ণছ, শ্বাপ থমছন কোনো সময়তে যে ভয়ংকৰ ৰূপত অৱতীৰ্ণ হ'ব বুলি মনে নধৰে। অভিজ্ঞ ক্ৰীছ পিংগল কিমান নিৰ্ভৰযোগ্য হয় সেয়াও সন্দেহজনক। এইখিনিতে এয়াও উল্লেখযোগ্য যে এতিয়ালৈকে নিউজিলেণ্ডে এবাৰহে ছেমিফাইনেলত উপনীত হৈছে।

প্ৰতিযোগিতাৰ সপ্তম দলটো শ্ৰীলংকা ক্ৰিকেট দৰবাৰত এতিয়া কৈশোৰপ্ৰাপ্ত। বিশ্বকাপ জয়লাভ কৰিব পৰা ক্ষমতা নাথাকিলেও যিকোনো শক্তিশালী দলৰ বিপৰীতে যুঁজ দিয়াৰ মানসিকতা আছে। সৰহ সংখ্যক তৰুণ খেলুৱৈৰে গঠিত দলটোত অভিজ্ঞ ৰানা-তুংগাই হ'ব বেটিং কৰ্ণধাৰ। ইয়াৰ উপৰি ছিলভা, গুৰুসিংঘে, হাতুৰাসিংঘে আদি প্ৰতিভা সম্পন্ন বেটছমেন আছে। সম্পূৰ্ণ বলিং লাইন-আপ তৰুণ সকলৰ দ্বাৰাই গঠিত হ'ব। বলিঙৰ গুৰি ধৰোতা ৰমেশ ৰত্নায়েকে সীমিত আন্তৰ্জাতিক অভিজ্ঞতাই গৰকা সতীৰ্থৰ সৈতে যুঁজ দিয়াৰ বাহিৰে উল্লেখযোগ্য অঘটন ঘটাব নোৱৰাটো নিশ্চিত।

তৃতীয়বাৰৰ বাবে বিশ্বকাপ খেলিবলৈ পাছপৰ্ট অৰ্জন কৰা জিম্বাৱেও দুৰ্দান্ত হোৱাৰ সম্ভাৱনা কম। ১৯৮৩ চনৰ প্ৰদৰ্শনৰ ধাৰাবাহিকতা ১৯৮৭ বিশ্বকাপত নৰ'ল। তথাপি ১৯৮৩ চনত অষ্ট্ৰেলিয়াৰ নিচিনা দেশক পৰাজিত কৰাৰ বাহিৰেও ভাৰতীয় দলকো নিশ্চিত পৰাজয়ৰ গৰাহলৈ ঠেলি নিবলৈ সক্ষম হোৱা দলটোৰ '৯২ বিশ্বকাপত সফলতাৰ শীৰ্ষলৈ উঠাৰ সম্ভাৱনা কম। তথাপি নিয়মীয়াকৈ কাউন্টি ক্ৰিকেট খেলা কেভিন কাৰেন '৮৩ৰ দৰেই ভয়ংকৰও হ'ব পাৰে অলৰাউণ্ডাৰ পাৰফৰ্মেন্সৰ জৰিয়তে।

এইবাৰ বিশ্বকাপৰ সবাতকৈ চকুত লগা দলটো হ'ব দক্ষিণ আফ্ৰিকা। প্ৰবাদৰ ফিনিক্স পখীটোৰ দৰেই একুৰি এবছৰ পিছত আন্তৰ্জাতিক প্ৰেক্ষাপটলৈ প্ৰত্যাবৰ্তন কৰি প্ৰথমবাৰৰ বাবে অংশ লব বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত। নিঃসন্দেহে দলটোৰ আন্তৰ্জাতিক প্ৰতিযোগিতাৰ অভিজ্ঞতা কম। তথাপিতো ক্লাইভ ৰাইছৰ নেতৃত্বত দলটোৰ ডনাল্ডৰ নিচিনা দুৰ্ধৰ্ষ বলাৰে যিকোনো বেটিং লাইন থানবানও কৰিব পাৰে। চেম্পিয়ন হোৱাৰ ক্ষমতা দলটোৰ নাথাকিলেও যুঁজ দিয়াৰ সামৰ্থ্য নিশ্চয় থাকিব। বিশ্বকাপত প্ৰথম পদাৰ্পণতে শক্তিশালী দলকো অঘটন ঘটালে আচৰিত হ'ব লগা নাথাকিব। কিন্তু এটা কথা ঠিক যে দক্ষিণ আফ্ৰিকাৰ এয়া মাত্ৰ অভিজ্ঞতা বুটলাৰ পদক্ষেপহে। অদূৰ ভৱিষ্যতে দক্ষিণ আফ্ৰিকাৰ বিধ্বংসীৰূপক প্ৰতিৰোধ কৰাৰ ক্ষমতা যিকোনো দলৰ যে নাথাকিব সেইটো থিৰাং।

দলৰ খেলুৱৈ আৰু বৰ্তমান প্ৰস্তুতি পৰ্বত বুজি উঠা উপাদানেৰে শক্তি বিচাৰ কৰিলেও জয় পৰাজয় এদিনীয়া ক্ৰিকেটত ভৱিষ্যতবাণী কৰাটো কঠিন। সদায়েই অনিশ্চয়তা নাম পোৱা ক্ৰিকেটত ভাগ্যৰ লগতে বেটিং, বলিং, ফিল্ডিং আৰু দলীয় স্পীডও জয়লাভৰ মূল উপাদান। তথাপিতো বিস্তৃত প্ৰতিদেশৰ দলীয় প্ৰস্তুতিৰ পৰিপ্ৰেক্ষিতত বুজি উঠা দৃষ্টিকোণৰ পৰা অষ্ট্ৰেলিয়া, পাকিস্তান, ৱেষ্টইণ্ডিজ, ভাৰতেই ছেমিফাইনেল পোৱাৰ সম্ভাৱনা আছে। সবাতকৈ চেম্পিয়ন খিতাপৰ ফেভাৰিট অষ্ট্ৰেলিয়া যদিও ১৯৮৩ চনৰ বিশ্বকাপত ক্লাইভ লয়ডৰ ভাগ্যৰ পৰিহাসৰ দৰে বৰ্ডাৰৰ ভাগ্যৰ বিড়ম্বনা ঘটিলে কোনোবা আণ্ডাৰ ডগৰ হাতত '৯২ ৰ পঞ্চম বিশ্বকাপে শোভাবৰ্ধন কৰিলে আচৰিত হ'ব লগা নাই।






# চকুৰ পলকতে বিশ্বকাপৰ দলসমূহ

উলহ মালহেৰে অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ যুটীয়া উদ্যোগত প্ৰস্তুতি চলিছে আগন্তুক বিশ্বকাপৰ। ২২ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব লগা '৯২-ৰ বিশ্বকাপৰ মূল আকৰ্ষণ হ'ব দক্ষিণ আফ্ৰিকা দল। ভাৰত, ইংলেণ্ড, ৱেষ্টইণ্ডিজ, নিউজিলেণ্ড, পাকিস্তান, শ্ৰীলঙ্কা, জিম্বাবুৱে, অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাক লৈ মুঠ ৯খন দেশে এইবাৰৰ বিশ্বকাপত অংশগ্ৰহণ কৰিব। নকলেও হ'ব যে যোৱাবাৰৰ বিশ্বকাপ বিজয়ী অষ্ট্ৰেলিয়া দলৰেই বিশ্বকাপ লাভৰ সম্ভাৱনা বেচি। সূত্ৰধাৰৰ পাঠকক এইবাৰ বিশ্বকাপত অংশগ্ৰহণকাৰী দলকেইটাৰ সৈতে চমুকৈ পৰিচয় কৰি দিয়া হ'ল।

১৯৭৫, '৭৯-ৰ লয়ডৰ সফলতা মনত ৰাখি দুৰ্দান্ত সাহসৰ পৰিচয় দিব লাগিব ৰিচ্চি ৰিচাৰ্ডচনে। প্ৰতিপক্ষৰ বেটচ্‌মেনসকলক দুধৰ্ষ বলিঙেৰে ত্ৰাসৰ সৃষ্টি কৰিব পাৰে মাৰ্ছাল আৰু পেটাৰচনে।

◻ ◻ ◻


গ্ৰাহাম গুচ
এলেন বৰ্ডাৰ
আজাহাৰুদ্দিন
ডোনাল্ড
মাৰ্টিন ক্ৰো
ইমৰান খান
ৰিচিচ ৰিচাৰ্ডচন্
অৰবিন্দ দিচিলভাৰ

অধিনায়ক হিচাপে এলেন বৰ্ডাৰৰ নাম বিশ্ববাসীৰ মুখে মুখে। অভিজ্ঞ অধিনায়ক বৰ্ডাৰৰ নেতৃত্বাধীন অষ্ট্ৰেলিয়া দলৰ বিশ্বকাপ জয়ৰ সম্ভাৱনাই আটাইতকৈ বেচি।

◻ ◻ ◻

অধিনায়ক হিচাপে গ্ৰাহাম গুচে দলটোৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰিছে। আগন্তুক বিশ্বকাপত ইংলেণ্ড দলৰ খেলুৱৈসকল দুধৰ্ষ হৈ উঠিব পাৰে।

ভাৰতীয় দলটোৰ আটাইকেইজনকে ভাল বেটচ্‌মেন বুলি কোৱা হয়। সীমিত অভাৰৰ এদিনীয়া ক্ৰিকেটত দলটোৰ বিশ্বজোৰা খ্যাতি আছে। পৰিস্থিতি অনুযায়ী খেল পৰিচালনা কৰাৰ মানসিকতা আৰু বিচক্ষনতা দলৰ অধিনায়ক আজহাৰউদ্দিনৰ নাই।

◻ ◻ ◻

ইমৰান খানৰ নেতৃত্বাধীন পাকিস্তান দল বেটিং আৰু বলিং দুয়োটা দিশতেই শক্তিশালী। দলটোৰ শেষ মুহূৰ্তলৈকে আক্ৰমণাত্মক খেল খেলাৰ মানসিকতা আছে।

যিহেতুকে কেইবাখনো খেল ঘৰুৱা পথাৰতেই অনুষ্ঠিত হ'ব গতিকে নিউজিলেণ্ডৰ বাবে ঘৰুৱা পীট্‌চত খেল খেলিবলৈ বিশেষ সুবিধা হ'ব। অধিনায়ক মাৰ্টিন ক্ৰোৰ ওপৰত নিৰ্ভৰ কৰিছে নিউজিলেণ্ডৰ বেটিঙৰ সমস্ত ভাৰ।

◻ ◻ ◻

আন্তৰ্জাতিক ক্ৰিকেটত দীৰ্ঘদিন ধৰি অনুপস্থিত দক্ষিণ আফ্ৰিকা দলৰ মূল হাতিয়াৰ হ'ব দ্ৰুততম বলাৰ ডোনাল্ড। ভাৰতৰ বাহিৰে অন্য দল সমূহৰ লগত খেল খেলিবলৈ সুবিধা নোপোৱা দলটো বিশ্বকাপৰ বাবে একেবাৰেই অনভিজ্ঞ হ'ব।

◻ ◻ ◻

অৰবিন্দ দিচিলভাৰৰ নেতৃত্বত শ্ৰীলঙ্কা দলে অসীম সাহসেৰে যুঁজিব লাগিব। প্ৰতিভাবান বেটচ্‌[…] ৰণতুংগে আকৰ্ষণীয় বেটিং দেখ[…] সম্ভাৱনা আছে।

◻ ◻ ◻

আন্তৰ্জাতিক খেলত […] ১৯৮৩-ৰ বিশ্বকাপ[…] ৰাণৰ বিপৰীতে ভাৰ[…] লাভ কৰিছিল। […] পাইক্ৰফ্‌টে সুন্দৰ […] আছে।

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# কফিৰ গোন্ধত মোৰ কবিতাগুচ্ছ

কবিতাপ্ৰেমী এক ব্যক্তিৰ ঘৰত বহুতো গুণী-জ্ঞানী মানুহৰ আড্ডা বহে। কেতিয়াবা তেওঁৰ ঘৰত গানৰ আছৰো বহে। গানৰ আছৰ বহিলে মাংস-পৰঠা, ফল-মূল আৰু সুৰা সংগত হয়। এইবোৰ আচলতে বাজনা-চাজনা চলিলেহে; কাচিৎ। কিন্তু সাধাৰণতঃ তেওঁৰ ঘৰলৈ আলহী-অতিথিৰ আগমন হলেই গৰম গৰম কফিৰ লগত মৰমৰীয়া ক্ৰেক-জেক পৰিবেশিত হয়। সেই কাৰণেই বোধহয়, তেওঁৰ ঘৰৰপৰা চিত্ৰকৰ, কবি নুগুচেই। সেই কবিতাপ্ৰেমীয়ে কাৰোবাৰ কবিতা পঢ়ি ভাল পালে হেনো আনন্দত আত্মহাৰা হোৱাৰ দৰে হৈ কবিক ক্ৰেক-জেক বিস্কুটেৰে গৰুৰ গাখীৰত বনোৱা একাপ ঘন কফি খুৱাই দিয়ে আৰু ভৱিষ্যতেও এনেকৈ আহি কবিতা আবৃত্তি কৰি শুনাবলৈ কয়।

এদিন এজনে মোক সেই ব্যক্তিৰ লগত চিনাকী হ'বলৈ উপদেশ দিলে আৰু লগতে এইটোৱো ক'লে যে ব্যক্তিয়ে কবি-লেখক-শিল্পীসকলক বৰ শ্ৰদ্ধা কৰে হেনো। মই তেতিয়াও লিখিবলৈ আৰম্ভ কৰা নাই। তথাপিও মোৰ নাকৰ আগত কফিৰ এক কাল্পনিক সুঘ্ৰাণ বাৰে বাৰে আহিবলৈ ধৰাত এদিন ৰব নোৱৰাত পৰি মেজত বহিলো আৰু এঘণ্টাৰ ভিতৰতে দুটা কবিতা লিখি পেলালো –

*কবিতাগুচ্ছ(১)*

মানুহে তোমাক বেয়া পাবই
চণ্ডাল হোৱা, – পুতৌ কৰিব
ব্ৰাহ্মণ হোৱা ঘৃণা কৰিব
ভাল পাব, যদি হোৱা মৌ-মাখি
অথবা বিশাল ধাননি
অথবা বিশাল পথাৰৰ সীমাহীন সেউজীয়া,
অথবা ফুলা সৰিয়হডৰা
অথবা পুখুৰীৰ মাজত শ্বেতপদ্ম হৈ ফুলিবোৱা
বা ৰক্তাভ পদুম পাহি
তুমি তেতিয়া কি সুন্দৰ! পবিত্ৰ
হালধীয়া মাছবোৰে মাছকাৰা পিন্ধি
নতুবা চকুত কলা চছমা পিন্ধি নাচিব।
ঝিলিৰ মাত হোৱা
সৰ্বোত্তম তুমি বোবা হোৱা
মানুহে তোমাক ভাল পাবই পাব।

*কবিতাগুচ্ছ(২)*

ক'ত তৃপ্ত হওঁ নিজেই নাজানো,
মানুহৰ একমাত্ৰ খাদ্য হোৱা উচিত,
অমিতাৰে ৰন্ধা পাৰচৰাইৰ-জোল নতুবা,
এঁৱা গাখীৰত জহা-চাউলৰ-গুৰিৰ চুঙা-পিঠা
নে ক্ৰেক-জেকৰ লগত একাপ গৰম কফি?
মই কফি আৰু ক্ৰেক-জেক খাই ভাল
পোৱা কথা
ক'তো ব্যক্ত নকৰিবা।
চৰাইক কলে গছে শুনিব
পানীক কলে মাছে শুনিব।
বতাহকো নকবা, আকাশে শুনিব।
কাকো নকবা হে,
নদীকো নকৰা, সাগৰক কৈ দিব পাৰে
সাগৰে কব মহাসাগৰক
মহাসাগৰে তিমি মাছক কথাটো লগাই দিব
তিমি-মাছৰ পোৱালিবোৰে মোক তেতিয়া
আত্মবিশ্বাসহীন, লুভীয়া বা ডিঙিত
ৰঙা-মাফলাৰ
পিন্ধি ভাল পাওঁ বুলি বিদ্ৰূপ কৰিব।

তাৰপাছত এই কবিতা দুটাকে ভালদৰে পৰিপাটীকৈ পৰিষ্কাৰ-পৰিচ্ছন্নভাবে লিখি এটা দীঘলীয়া খামত ভৰাই ঠিকনা লিখিলো – প্ৰতি, অমুক ...

শেষত এদিন খামটো লৈ সেই কবিতাপ্ৰেমীৰ ঘৰৰ বাৰান্দাত থিয় হৈ দেখিলো দুজনে কিবা আলোচনা কৰি আছে। মই তেওঁলোকক অলপো গুৰুত্ব নিদি কৰিদোৰিদি ইফাল-সিফাল কৰি গম পালো, ভিতৰত যেন কোনোবাই কথা পাতিছে; গতিকে, ভিতৰলৈ সোমাই যোৱাৰ সাহস গোটাব নোৱাৰি বাৰান্দাতে থিয় হৈ ৰলো –

"কাৰোবাক বিচাৰিছা"? বাৰান্দাত থিয় হৈ থকা ব্যক্তি দুজনৰ এক ব্যক্তিয়ে মোক সুধিলে।

নাই, এনেয়ে – মানুহজনৰ কথাৰ গুৰুত্ব কমাবলৈ মই কলো।

"এনেয়ে মানে" – হাঁহি হাঁহি সেই ব্যক্তিয়ে মোৰ একেবাৰে কাষ পালেহি

নাই মানেএনেয়ে, এখেতক (হাতৰ লেফাফাটো লাহেকৈ তেওঁ নেদেখাকৈ জেপত ভৰাই ললো) লগ পাবলৈ আহিছো –

"অলপ সময় ৰ'বা; ভিতৰত কেবাজনো বহি কফি খাই আছে।"

কথাষাৰ শুনিয়েই বৰ হতাশ হলো। আৰু যদি পাঁচ মিনিট আগেয়ে এইখিনি পালোহেঁতেন, তেনেহ'লে মইও নিশ্চয় কোঠাত সোমাই যাব পাৰিলোহেঁতেন; আৰু কোঠাত সোমাব পাৰিলেই মোকতো কফিৰ ভাগ নিদিয়াকৈ তেওঁলোকে খাবলৈ বেয়া পালেহেঁতেন। ... তৎক্ষণাৎ এনেকুৱা এটা ভাব হ'ল, যেন এতিয়া আৰু তেওঁৰ লগত বহিলেও কফি খাবলৈ নাপাম। কাৰণ, এইমাত্ৰ কফি বনাই উঠিছে; মোৰ কাৰণেনো আৰু ... ? নহ'ব, মোৰ দৰে ফুকলীয়া ল'ৰা এজন নো কি এক বিশেষত্ব আছে যে মোৰ সম্মানাৰ্থে কফিৰ আয়োজন কৰা হ'ব? লাভ নাই আৰু ইয়াত। ... বাৰান্দাত থিয় হৈ থকা মানুহজনো ভিতৰলৈ সোমাই গৈছে। ইয়াৰ পৰা তৎক্ষণাৎ পলাই যোৱাৰ এয়ে একমাত্ৰ সুযোগ – মই খুব সঙ্গোপনে আৰু সন্তৰ্পণে তাৰপৰা ওলাই আহিলো –

আহিয়েই দেখিলো শিলপুখুৰীটোৰ পাৰত থকা বিশাল আঁহত গছজোপাৰ তলত ডাঙৰ ঢাৰি এখন পাৰি তাত কেইজনমান খেঙাৰীয়ে হাৰমনিয়ম, ঢুলুকী লৈ বহিছে। দৃশ্যটো দেখি তৎক্ষণাৎ মই কফিৰ সুঘ্ৰাণ পাহৰি গলো আৰু গছৰ তল পালেগৈ। ... জোতাজোৰ খুলি কেতিয়া ঢাৰিখনত বহিলো কবই নোৱাৰিলো। হয়তো, পাৰ হৈ ঘটনাপ্ৰবাহে মোক অস্থিৰ কৰি তুলিছিল বাবেই তেনে হৈছিল।

পিছফালে চাই দেখিলো, এজন খেঙাৰীয়ে আঁহতৰ শুকান পাতবোৰ গোটাই গোটাই এটা জাগনিৰ দৰে কৰি লৈ তাত জুই জ্বলাই দিছে। আন এজন খেঙাৰীয়ে কেট্‌লি এটা তাৰ ওপৰত ধৰি কিবা তপতাব ধৰিছে। সেই সময়ত সিহঁতৰ লগৰে এজনে মোৰ সন্মুখত এটা খালি গিলাছ আৰু দুখন হাঠা-বিস্কুট ('S' আখৰটোৰ দৰে) কাগজৰ ওপৰত দি গ'ল। জুইৰ ওপৰত কেট্‌লি ধৰাজনে এইবাৰ আহি তাত কেট্‌লিৰে ৰঙা চাহ বাকিবলৈ ধৰিলে।

'খাওক' – হিন্দীতে মোক খেঙাৰীজনে ক'লে –

মই পৰম তৃপ্তিত হাঠা-বিস্কুট আৰু ৰঙা চাহ খাবলৈ ধৰিলো আৰু পৃথিৱীৰ সমস্ত দুখ পাহৰি পেলালো –

অহাসংখ্যাৰ এক পৃষ্ঠাৰ বিষয়ঃ
*'লিচু গছৰ তলৰ প্ৰস্তাৱিত কবি সন্মিলন আৰু কবি-প্ৰণামৰ এচোৱা'।* ❑








আমি ৰন্ধন গেছ কেৱল
এইদৰেই ব্যৱহাৰ কৰা উচিত নে?

আৰু এইদৰে ইয়াৰ
অপচয় কৰা উচিত নে?



নহয়

তলত দিয়া সাধাৰণ উপায় কেইটা অবলম্বন কৰি আপুনি প্ৰতিটো চিলিণ্ডাৰতে 15-ৰ পৰা 20 টকা ৰাহি কৰাতো সম্ভৱ কৰিব পাৰে।

- ISI চিহ্ন থকা ইন্ধন কাৰ্যক্ষম গেছ চুলা ব্যৱহাৰ কৰক।
- ষ্ট'ভ জলোৱাৰ আগতেই প্ৰয়োজনীয় সকলোখিনি বস্তু যতনাই লওক।
- প্ৰয়োজনৰ সময়ত প্ৰেছাৰ কুকাৰ ব্যৱহাৰ কৰক।
- উতলিবলৈ আৰম্ভ হলে জুই কমাই দিয়ক।
- ৰন্ধাৰ বাবে বহল পাত্ৰ ব্যৱহাৰ কৰক।
- ৰন্ধাৰ সময়ত ঢাকোন দি থব।
- মাহজাতীয় আহাৰ ৰন্ধাৰ কিছু সময় আগতেই তিয়াই থব।

অনুগ্ৰহ কৰি মোলৈ বিনামূলীয়া পুস্তিকা এখন পঠিয়াওক।
□ গৃহিণী সকলৰ বাবে ইন্ধন ৰাহি কৰাৰ উপায় □ ৰন্ধন পুস্তিকা
নাম ..............................
ঠিকনা ..............................
..............................
ৰাজ্য .................... পিন ..............

PCRA
পেট্ৰ'লিয়াম কন্‌জাৰ্ভেছন
ৰিছাৰ্চ এছোচিয়েছন
পোঃ বক্স নং 572, নিউ দিল্লী-110001
ফোন: 3315868